# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখঃ ২৭/১১/২০২৫ বৃহস্পতিবাৰ

**ইংৰাজী ২৭-১১-২০২৫ তাৰিখে অসম বিধান সভাৰ শীতকালীন অধিবেশন পূৰ্ব্ব নিৰ্ধাৰিত কাৰ্য্যসূচীমতে ৰাতিপুৱা ০৯ঃ৩০ বজাত আৰম্ভ হয় ঃ**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৪১। শ্ৰী তেৰছ গোৱালা। মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী তেৰছ গোৱালা, দুলীয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন সমূহৰ উত্তৰ সমূহ যথেষ্ঠ উৎসাহজনক। বিশেষকৈ আমাৰ চাহ জনগোষ্ঠী সমাজৰ মোৰ প্ৰশ্ন আছিল যে চাহ বাগিছা আদৰ্শ বিদ্যালয় কিমান গঠন কৰা হ'ল, কিমান আৰম্ভ হ'ল? ইতিমধ্যে ১১৮ খনৰ ক্লাচ আৰম্ভ হৈছে আৰু ১০০ খন কৰিব, তাৰ কাৰণে ধন্যবাদ জনাইছো আৰু নিশ্চয় কৃতজ্ঞতা জনাব লাগিব যে চাহ জনগোষ্ঠী বা চাহ শ্ৰমিক সকলে সাংবিধানিক মৌলিক অধিকাৰ, শিক্ষাৰ অধিকাৰ পাবৰ কাৰণে ৭৫ বছৰ অপেক্ষা কৰিবলগীয়া হ'ল। ৭৫ বছৰ পিছত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সৰল নেতৃত্বত আমি স্কুলখন পাইছো তাৰবাবে ধন্যবাদ জনাইছো। এতিয়া চাহ বাগিছাৰ স্কুল বিলাকত প্ৰায় ৩০,৬৭০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে এডমিশ্যন পাবলৈ সমৰ্থ হৈছে নহ'লে সকলো left out হ'ল হেঁতেন বা স্কুল নাহিলহেঁতেন। কিন্তু বিদ্যালয় সমূহত 3rd grade, 4th grade এই পদ বিলাক এতিয়ালৈকে appointment হোৱা নাই। গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ৰ জৰিয়তে জানিব বিচাৰিম যে 3rd grade, 4th grade পদ সমূহ কেতিয়া নিযুক্তি দিব? এই নিযুক্তি সোনকালে দিবৰ বাবে মই অনুৰোধ জনালো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে অসমত যি চাহ জনজাতি আদৰ্শ বিদ্যালয় স্থাপনৰ এটা প্ৰক্ৰিয়া আৰম্ভ হৈছিল, আমাৰ শিক্ষা বিভাগৰ বিভিন্ন সফলতা সমূহৰ ভিতৰত এই চাহ জনজাতি আদৰ্শ বিদ্যালয় সমূহে যথেষ্ঠ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে আৰু আমি ৰাষ্ট্ৰীয় পৰ্য্যায়ৰো দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছো। ৩০ হাজাৰৰ অধিক ছাত্ৰ-ছাত্ৰীক আমি শিক্ষাদান কৰিবলৈ সক্ষম হৈছো। এই বিদ্যালয় সমূহ আৰম্ভ কৰাৰ পিছতেই এতিয়া আমি বিদ্যালয় সমূহক দ্বাদশ শ্ৰেণী পৰ্য্যন্ত অৰ্থাৎ class 12 পৰ্য্যন্ত হাইয়াৰ চেকেণ্ডাৰী লৈকে আমি উন্নীত কৰিবৰ কাৰণে ও সক্ষম হৈছো। আৰম্ভণিতে বিদ্যালয় সমূহৰ শিক্ষকতা কৰাৰ যি পদ আছিল, সেই পদ সৃষ্টি কৰা হোৱা নাছিল। আমি অন্য বিদ্যালয়ৰ পৰা deputation ত শিক্ষক দিছিলো। কিন্তু সদ্যহতে আমি ইয়াত পদ সৃষ্টি কৰিলো। এতিয়া নিয়মীয়া শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়াটো প্ৰশস্ত হ'ল। বাকী আছে যে ইয়াত যিখিনি আমাৰ 3rd grade, 4th grade পদৰ কথা আছে তাৰ কাৰণে আমি এতিয়া MTS (Multi Task Staff) দিয়াৰ কাৰণে অনুমোদন লাভ কৰিছো আৰু এই MTS (Multi Task Staff) সকলক নিযুক্তি দিয়াৰ কতৃত্ব বিদ্যালয় পৰিচালনা সমিতিক প্ৰদান কৰা হৈছে। তাৰ পৰা ইতিমধ্যে বিত্ত বিভাগৰ পৰাও অনুমোদন লাভ কৰিছো। মই ভাবো যে এই বছৰটোৰ ভিতৰতে তেওঁলোকক নিযুক্তি দিব পাৰিব আৰু তেওঁলোকৰ

বেতনো মুকলি কৰি দিব পৰা হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী তেৰছ গোৱালা, দুলীয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা সৰু প্ৰশ্ন কৰিব বিচাৰিছো। যিহেতু হাইয়াৰ চেকেণ্ডাৰীলৈকে দিয়া হৈছে, ৮৭ খন বিদ্যালয় দশম মান শ্ৰেণীলৈকে আছে। সেইখিনিও হাইয়াৰ চেকেণ্ডাৰী লৈকে ভৱিষ্যতে লৈ যাব নেকি?

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিমান চাহ জনজাতি আদৰ্শ বিদ্যালয় হৈছে, সকলোখিনি বিদ্যালয় আমি দ্বাদশ শ্ৰেণীলৈকে পৰ্য্যায়ক্ৰমে লৈ যাম আৰু ইয়াৰ লগতে আন্তঃগাঁথনি উন্নয়ণ কৰাৰো প্ৰয়োজনীয়তা আছে। তাৰ কাৰণে ইতিমধ্যে আমাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মই ৰাজ্যৰ শ্ৰম বিভাগকো ধন্যবাদ জ্ঞাপন কৰিছো যে শ্ৰম বিভাগেও এই বিদ্যালয়খিনিৰ আন্তঃগাঁথনি উন্নয়ণ কৰাৰ কাৰণে তেওঁলোকৰ বাজেট নিৰ্ধাৰিত পুঁজিৰ পৰা সহযোগিতাৰ হাত আগবঢ়াইছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী সঞ্জয় কিশান।

**শ্ৰী সঞ্জয় কিশান, (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অশেষ ধন্যবাদ জ্ঞাপন কৰিছো যিহেতু শিক্ষা ক্ষেত্ৰত এটা আমূল পৰিবৰ্তন আমি দেখা পাইছো হাইস্কুলখন নিৰ্মাণ কৰাৰ কাৰণেও। ইতিমধ্যে যথেষ্ঠ ল'ৰা-ছোৱালী এই বছৰতে মেট্ৰিক পাচ কৰা আমি দেখিছো। য'ত একেবাৰতে প্ৰায় বিলাকে মেট্ৰিক পাচ কৰিছে। যিহেতু UMTS এই যিসকলে 4th grade চাকৰি বিনা বেতনেৰে কৰি আছিল তেওঁলোকৰো ইতিমধ্যে ব্যৱস্থা কৰিছে। তাৰ কাৰণে মই ধন্যবাদ জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা কথা অনুৰোধ কৰিব বিচাৰিছো যে আমাৰ চাহ বাগিচা বিলাকত ইতিমধ্যে এনেধৰণৰ যথেষ্ঠ স্কুল হ'ল। কিন্তু আমি ভৱিষ্যতে এনেকুৱা ধৰণৰ চিন্তা কৰিব পাৰো নেকি যে আমাৰ য'ত Model school হৈছে তাত Residential school ৰ কাৰণে পৰিকল্পনা কৰিব পাৰো নেকি? চাহ বাগিচাৰ পৰিবেশৰ পৰা ওলাই আহি আবাসীক বিদ্যালয়ত ল'ৰা-ছোৱালীয়ে যদি শিক্ষা গ্ৰহণ কৰাৰ সুযোগ পায় তেতিয়াহ'লে আমি ভাবো যে ল'ৰা-ছোৱালীখিনিৰ কাৰণে এটা যথেষ্ঠ ভাল পৰিবেশ তেওঁলোকে বিচাৰি পাব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, বহু সময়ত অসমত, অসম চৰকাৰৰ অধীনত আবাসীক বিদ্যালয় আৰম্ভ কৰা আৰু তাৰ প্ৰস্তাৱনা আমাৰ ওচৰলৈ আহে আৰু এই বিষয়টো আমি পৰীক্ষা কৰি চাইছো যে ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্য্যায়ত আমাৰ জৱাহৰ নৱোদয় বিদ্যালয় সমূহ আবাসীক বিদ্যালয় হিচাপে কৰা হৈছে। এতিয়া জনজাতি কল্যাণ মন্ত্ৰাণালয়ে একলব্য নামেৰে এখন Model Residential school আৰম্ভ কৰিছে। এই আবাসীক বিদ্যালয় সমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত বহুত সমস্যা আছে। সেইকাৰণে আমি এইবছৰ হোষ্টেলৰ কথা ভাবিছো আৰু এই হোষ্টেল সমূহ কলেজ সমূহত যেনেধৰণে পৰিচালনা কৰা হয় ঠিক তেনেদৰে একে ফৰ্মূলাত হোষ্টেল নিৰ্মাণৰ প্ৰক্ৰিয়া জনজাতীয় অঞ্চল সমূহত আৰম্ভ কৰিছো। ২০৬ খন এনেধৰণৰ হোষ্টেল প্ৰায় ৩.৯৯ অৰ্থাৎ প্ৰায় ৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা হ'ব। বৰ্তমান সময়ত চাহ জনজাতি আদৰ্শ বিদ্যালয় আবাসীক বিদ্যালয়লৈ ৰূপান্তৰ কৰাৰ আমাৰ কোনোধৰণৰ পৰিকল্পনা নাই। কাৰণ ইয়াত থকা কিছুমান জটিলতা আমি আগতীয়াকৈ অধ্যয়ণ কৰি ল'ব লাগিব। আমি প্ৰয়োজন সাপেক্ষে দূৰণীবতীয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণে আংশিক ভাৱে হোষ্টেল নিৰ্মাণৰ ক'ত ক'ত প্ৰয়োজনীয়তা আছে

সেই বিষয়টো বিভাগে পৰীক্ষা কৰি চাব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাইছে ৪০৬ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হৈছে। আমাৰ প্ৰশ্ন হ'ল ৪০৬ খন বিদ্যালয় যি উন্নীতকৰণ কৰিলে তাত কিমান সংখ্যক বিদ্যালয়ত বিজ্ঞান আৰু বাণিজ্য শাখা আছে? এই ৪০৬ খন বিদ্যালয়ত এতিয়ালৈকে পৰ্য্যাপ্ত পৰিমাণে শিক্ষক নিযুক্তি দিব পৰা নাই আৰু পৰ্য্যাপ্ত শিক্ষক কেতিয়া নিযুক্তি দিব আৰু বিজ্ঞান আৰু বাণিজ্য শাখা যদি দিয়া নাই সেইটো কেতিয়ালৈ দিব?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি ৰাজ্যখনত বৰ্তমান একাদশ আৰু দ্বাদশ শ্ৰেণীত নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা পূৰ্ব্বৰ তুলনাত বৃদ্ধি হোৱাৰ পৰিপেক্ষিতত আমি বহু কেইখন মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছো। এইটো কথা সঁচা যে এই উচ্চতৰ মাধ্যমিক বিদ্যালয় সমূহত Post Graduate Teacher ৰ পদ নতুনকৈ সৃষ্টি কৰা হোৱ নাই। অস্থায়ীভাৱে যিবোৰ বিদ্যালয়ে আমাক জনাইছে যে তেওঁলোকৰ Post Graduate Teacher আছে আৰু যিসকল Graduate Teacher ৰ Post Graduate Teacher Degree আছে অৰ্থাৎ একাদশ আৰু দ্বাদশ শ্ৰেণীত শিক্ষকতা কৰাৰ যোগ্যতা আছে সেইখিনি বিদ্যালয়ক আমি উন্নীত কৰিছো। ইতিমধ্যে আমি এখন Service Rule প্ৰস্তুত কৰি আছো আৰু আমি বিভিন্ন শিক্ষক সংগঠন সমূহৰ লগতো আলোচনা কৰি আছো। এই Service Rule খনত আমি শিক্ষকৰ পদোন্নতিৰ ব্যৱস্থাও ৰাখিছো অৰ্থাৎ এজন Graduate Teacher য়ে যাতে Post Graduate Teacher লৈ পদোন্নতি লাভ কৰিব পাৰে। তাৰোপৰি আমি এটা চাৰ্ভে ইতিমধ্যে সম্পূৰ্ণ কৰিছো যে আমি সৰ্ব্বমুঠ কিমানখন বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিব লাগিব, অন্ততঃ প্ৰত্যেকখন পঞ্চায়তত নহ'লেও দুখন পঞ্চায়তৰ ভিতৰত যাতে এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তিনিওটা stream সহ Arts, Science and Commerce থাকিব। গতিকে তাৰ ব্যৱস্থাও আমি গ্ৰহণ কৰিছো আৰু প্ৰয়োজন সাপেক্ষে আমাৰ যিখিনি অপ্ৰয়োজনীয় পদ শিক্ষা বিভাগত আছে সেইখিনি আমি চালিজাৰি চাইছো আৰু চালিজাৰি চাই অপ্ৰয়োজনীয় হৈ থকা যদি কোনো শিক্ষকৰ পদ আছে, সেই পদখিনি আমি abolishes কৰি তাক Post Graduate Teacher লৈ convert কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। ইতিমধ্যে আমাৰ Graduate Teacher নিযুক্তিৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হৈছে আৰু দ্বিতীয় পৰ্য্যায়টো আমি ইতিমধ্যে আৰম্ভ কৰিছো। খালী পদৰ সংখ্যাৰ তালিকা সংগ্ৰহ কৰা হৈছে। আমি এমাহ বা দুমাহৰ ভিতৰত পুনৰ বিজ্ঞাপন প্ৰকাশ কৰাৰ ব্যৱস্থা কৰিছো। বাকী কিমানখনত বিজ্ঞান শাখা আছে, কিমানখনত কলা শাখা আৰু কিমানখনত বাণিজ্য শাখা আছে এই তথ্যটো মই ব্যক্তিগত ভাৱে মাননীয় সদস্য গৰাকীক জনাই দিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৪২। মাননীয় সদস্য ডাঃ আচিফ মহম্মদ নাজাৰ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে, মাননীয় অধ্যক্ষ মহোদয়।

**ড° আছিফ মহম্মদ নাজাৰ, লাহৰীঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰটো পাইছো, কিন্তু ইয়াতে লিখিছে Electric Vehicle ৰ Diploma এতিয়ালৈকে আৰম্ভ হোৱা নাই, কিন্তু আমি সকলোৰে

জানো যে, অসমত লাহে লাহে pollution বাঢ়িছে Electric Vehicle দৰকাৰ হৈছে। এই Electric Vehicle ৰ মেৰামতি কাৰণে কিয় ব্যৱস্থা লোৱা নাই বা এই Diploma ৰ পাঠ্যক্রম কিয় আৰম্ভ কৰা নাই? তাৰ কাৰণে মই অনুৰোধ জনাও যে এইটো পাঠ্যক্রম অতি সোনকালে আৰম্ভ কৰিব লাগে আৰু তাৰ লগতে, আপোনাৰ এই polytechnic প্রতিষ্ঠানবোৰত যি সকল প্ৰৱক্তায় পঢ়াই আছিলে, প্রায় ৭৩ গৰাকী প্ৰৱক্তাক বৰ্খাস্ত কৰা হৈছে বা যিকাৰণে বৰ্খাস্ত কৰা হৈছে, এই চাকৰি হেৰুৱা সকলৰ কিবা ব্যৱস্থা চৰকাৰে কৰিব নে?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্রী।

**ড০ ৰণোজ পেগু, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ polytechnic ক সমূহত কোনো প্ৰৱক্তাক আমি ক'তো বৰ্খাস্ত কৰা নাই। অসম polytechnic সমূহত একাংখ প্ৰৱক্তাক অস্থায়ীভাৱে, guest faculty বা part time faculty বা three-app ত তেখেত সকল নিযুক্তি হৈ আছিল। যিহেতু তেওঁলোক অস্থায়ী আছিলে, contract ৰ ম্যাদ উকলি যোৱাৰ লগে লগে তেওঁলোক নাইকিয়া হৈছে আৰু তাৰ ঠাইত নিয়মীয়া নিযুক্তি কৰিবলৈ আমি সক্ষম হৈছো। এই নিয়মীয়া নিযুক্তি এটা সম্পিৰ্ত অৱস্থাত Saturation পায় গৈছে। আমাৰ খালী পদ, পদবীৰ সংখ্যা এতিয়া নিচেই নগণ্য। দ্বিতীয়তে মাননীয় সদস্য গৰাকীয়ে এটা গুৰুত্বপূর্ণ প্রস্তাৱ উত্থাপন কৰি লৈছে যে এতিয়া new age electric vehicle আহিছে। Electric vehicle ৰ Diploma course টো আমাৰ polytechnic সমূহত আৰম্ভ কৰা হৈছে নে? হোৱা নাই, মাননীয় সদস্য গৰাকীক মই জনাব বিছাৰিছো যে, অসম চৰকাৰৰ শিক্ষা বিভাগে ইতেমধ্যে Tata Technology ৰ লগত প্রায় ১৮০০ শ টকা ব্যয় সাপেক্ষে এখন আঁচনি ৰূপায়ণ কৰিছে যাৰ জৰিয়তে আমাৰ polytechnic সমূহত new age-নতুন যুগৰ নতুন পাঠ্যক্রম আমি যাতে চলাব পাৰো। গতিকে Electric vehicle ৰ Diploma course নাই কিন্তু Tata Technology ৰ অধীনত প্রায় ২২ খন polytechnic ত Electric vehicle ৰ ওপৰত certified course আৰম্ভ কৰাৰ প্রস্তুতি আমাৰ পৰা সম্পূর্ণ হৈছে। Certified course টো আৰম্ভ হ'ব আৰু লাহে লাহে Electric vehicle ৰ Diploma course ও আমি আমাৰ polytechnic সমূহত আৰম্ভ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, প্রশ্ন নং ৪৩।

**শ্রী ভাস্কজ্যোতি বৰুৱা, তিতাবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Supplementary এটা আছে।

**ডাঃ ৰণোজ পেগু, মন্ত্রী ঃ** মাননীয় অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্রী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে বহুখন polytechnic বনাইছে। আমাৰ সদাগৰ শ্রী ভূলানাথ বৰুৱাই যোৰহাটত প্রথমে ১৯২৭ চনত Prince of Wales যিটো Powiet বুলি কয়। এই polytechic ক খন স্থাপন কৰা হৈছিলে আৰু এই Powiet ত আছিলে উত্তৰ পূর্বাঞ্চলৰ প্রথম আৰু ভাৰতৰ ভিতৰত অষ্টম। বৰ্তমান মই অভিযোগ পাইছো যে প্রায় বোৰ পুৰণা polytechnic বিলাক যথেষ্টভাৱে বেয়া হৈছে টিংপাত

আৰু ৰাল বিলাক জহিখহি গৈছে। যোৰহাটৰ এই সদাগৰ বৰুৱাই যি দান দিছিলে, Prince of Wales, নাম কৰি থৈ গৈছে। এই প্ৰতিষ্ঠানটোৰ টিংপাত আৰু ৰাল বিলাক জহিখহি গৈছে।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয় প্ৰশ্ন নং ৪৩........

**মাননীয় অধ্যক্ষ** ঃ তেখেতে আগৰ প্ৰশ্নটোৰ Supplementary কৈ আছে।

**শ্ৰী ভাস্কৰজ্যোতি বৰুৱা, তিতাবৰ** ঃ Auditorium, laboratory, workshop আৰু polytechnic ৰ অৱস্থা অতি বেয়া। Laboratory, workshop সমূহত multi-meter, battery, transistor, electronic equipments ইত্যাদি আজি পৰ্যন্ত নাই। গতিকে চৰকাৰে আমাৰ পুৰণা সম্পদ গঢ়লৈ উঠিছে, এই সম্পদখিনি ভাল দৰে কেনেকৈ আজি যুগৰ লগত খাপখোৱাকৈ ৰাখিম তাৰ ওপৰত আমাৰ মন্ত্ৰী মহোদয়ে কিবা উত্তৰ দিব নেকি?

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, নিশ্চিতভাৱে আমি যেনেকৈ এহাতে নতুন Polytechnic নিৰ্মাণ কৰিছো, ঠিক তেনেদৰে পুৰণি polytechnic খিনিকো উন্নতি কৰণৰ কাৰণে প্ৰক্ৰিয়া আৰম্ভ হৈছে। তাৰে লগতে কোনখন ploytechnic Engineering college লৈকে উন্নতি কৰিব পৰা যায় নেকি, সেইখিনিও আমি চাইছো। লগতে মই এইটো কথাও জনাব বিছাৰিছো যে NEP ৰ অধীনত এতিয়া Multi-disciplinary Education ৰ কথা কোৱা হৈছে। সেই কাৰণে General college য'ত Science Stream আছে তাতেও আমি polytechnic course আৰম্ভ কৰিব পৰা যায় নেকি, এই বিষয়ত All India Council for Technical Education আৰু State Council of Education লগত আমাৰ আলোচনা হৈছে আৰু আলোচনাত আমি ইতিবাচক সহাৰি পাইছো। এতেকে আমি ৩৬ খন polytechnic ৰ ভিতৰতে সীমাবদ্ধ নাথাকি polytechnic শিক্ষাক আমি সাধাৰণ মহাবিদ্যালয় সমূহৰলৈকে সম্পসাৰিত কৰিব পাৰো নেকি তাৰ পৰিকল্পনা কৰিছো কাৰণ polytechnic ত Employability বেছি আৰু সাধাৰণ মহাবিদ্যালয়ত Employability কম। যোৰহাট নিদিষ্ট যিখন ঐতিহাসিক polytechnic কথা উল্লেখ কৰিছে সেইখনৰ কাৰণেও এটা detailed plan পৰিকল্পনা প্ৰস্তুত কৰিবলৈ ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং ৩। মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, কৰিমগঞ্জ উত্তৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, Advantage টোৰ যোগেদি উদ্যোগীকৰণৰ কাম আৰম্ভ হৈছে। তাৰ কাৰণে আমি দেখা পালো যে পাচ গ্ৰাম পেপাৰ মিলৰ যিটো ঠাই আছিলে তাতে NRL Boundary Wall ৰ কাম আৰম্ভ হৈছে ১৬৬ বিঘাত ONGC পিনৰাল কাম আৰম্ভ হৈছে ১২ বিঘাত MSME Technical Work ৰ কাম আৰম্ভ হৈছে তাতে আমাৰ Logistic Park ৰ কামটো আৰম্ভ হ'ব। কিন্তু অধ্যক্ষ মহোদয়, যিখিনি কাম আৰম্ভ হৈছে বা যিখিনি হ'ব মাননীয় মুখ্যমন্ত্ৰী আৰু চৰকাৰৰ উদ্দেশ্য আছিল যে Employment Generate কৰা কিন্তু Employment Generate নহ'ব। যোৱা কেইদিনমান আগতে মই Star Cement লৈ গৈছিলো আৰু তাতে প্ৰায় ৩০০ জন মান আমাৰ লোকেল লৰা-ছোৱালীক Engage কৰা হৈছে। মোৰ প্ৰশ্নটো হৈছে যে, মাননীয় মন্ত্ৰী মহোদয়ক যোৱাবাৰো প্ৰশ্ন কৰিছিলো যে B2M অৰ্থাৎ Bamboo to Methanol যিটো Industry কৰাৰ কাৰণে

পৰিকল্পনা লোৱা হৈছিল। কোম্পানীটোৰ তাত গ'ল আৰু আমি কোম্পানীটোৰ লগত কথা পাতিলো আৰু গোটেই বস্তুখিনিও হ'ল। কিন্তু এতিয়ালৈ Fruitful Result টো এতিয়ালৈ পোৱা নাই। মন্ত্ৰী মহোদয় পৰা মই জানিব বিছাৰিছো যে আমাৰ যিখিনি লোকেল লৰা-ছোৱালীবোৰক Engage কৰাৰ কাৰণে আৰু Employment ৰ কাৰণে আৰু সেই ঠাই দোখৰত প্ৰায় ৩০০০ বিঘা মাটি আছে যাতে আমি Industry স্থাপন কৰিব পাৰি তাৰ বাবে যাতে পদক্ষেপ লোৱা হয় তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী বিমল বড়া, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক শ্ৰী কমলাক্ষ্য দে পুৰুকায়স্থই যিটো প্ৰশ্নৰ উত্তৰ বিচাৰিছে মই তেখেতক জনাব বিচাৰিছো যে, পূৰ্বৰ যি কাছাৰ কাগজ কল সেই কাগজ কল লাহে লাহে Defund হোৱাৰ পৰিপ্ৰেক্ষিতত আমাৰ চৰকাৰে AIDC ৰ জৰিয়তে আমি সেই যিখিনি মাটি প্ৰায় ২৯১৬ বিঘা সেই মাটিখিনি চৰকাৰৰ হাতলৈ অসম উদ্যোগীক উন্নয়ন নিগমৰ জৰিয়তে আমি Liquidator পৰা আমি হস্তান্তৰ কৰো। এই মাটিখিনিত পুনৰ উজ্জীৱিত উদ্যাগীক বাতাবৰণ নিৰ্মাণ কৰিবৰ কাৰণে চৰকাৰে বিভিন্ন ধৰণে প্ৰয়াস অব্যাহত ৰাখিছে আৰু তাৰ ফলত আজি আমি নুমলীগড় ৰিফাইনাৰী, ONGC আৰু ভাৰত চৰকাৰৰ MSME বিভাগত বহুখিনি মাটি আমি আৱন্টন দিছো। নুমলীগড় ৰিফাইনাৰীত প্ৰায় ১৩৬ বিঘা তেওঁলোকৰ Railway Freight Petroleum Product Terminal নিৰ্মাণ কৰিবৰ বাবে ২০২৪ চনতে NRL ক দিয়া হৈছে। ইয়াতে প্ৰায় ২০৫ কোটি টকা বিনিয়োগেৰে এই প্ৰকল্পটো ইয়াতে স্থাপন হ'ব। এই প্ৰকল্পটো কাৰ্য্যকাৰী হ'লে প্ৰায় ৩০০ শ লোকে প্ৰত্যেক্ষ ভাৱে সংস্থাপিত হ'ব। সমান্তৰাল ভাৱে Terminal স্থাপন হ'ব আৰু Petroleum সংৰক্ষণ ক্ষমতা বৃদ্ধি হ'ব। যিবোৰ বৰাক উপত্যাকৰ বিভিন্ন অঞ্চল বিশেষকৈ কাষৰীয়া ৰাজ্য সমূহলৈ পৰিবহন কৰাৰ লগতে বাংলাদেশলৈ ৰপ্তানী কৰাৰ ক্ষেত্ৰত তাতে সুযোগ সৃষ্টি হ'ব আৰু যাৰ ফলত অঞ্চলটোত যথেষ্ট পৰোক্ষ ভাৱেও তাতে সংস্থাপিত হোৱাৰ যথেষ্ট সুযোগ আছে। অন্যহাতে পূৰ্বৰ যি কাছাৰ কাগজ কলৰ ২১২ বিঘা মাটি এটা বহুমুখী সৰবৰাহ কেন্দ্ৰ Multimodal Logistic Park তাৰ কাৰণে পৰিকল্পনা কৰা হৈছে। Multimodal Logistic Park এখন নিৰ্মাণ কৰিবৰ কাৰণে ৰেল পথৰ সংযোগ দৰকাৰ। আমাৰ সাধাৰণ পথৰ সংযোগ দৰকাৰ আৰু জলপথ, হাইৱে, ৱাটাৰৱে আৰু ৰেলৱে এই গোটেই কেইটা Connectivity ৰ জৰিয়তে পাচ গ্ৰামৰ এটা গুৰুত্বপূৰ্ণ Logistic hub হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। তাৰ ফলত বিভিন্ন বিনিয়োগকাৰী সকলে তাতে উদ্যোগ স্থাপন কৰাৰ পৰা Warehouse পৰা আৰম্ভ কৰি সেই কামো তেওঁলোকে কৰা যথেষ্ট অৱশাষ আছে। অন্যহাতে ৬০ বিঘা মাটিত প্ৰযুক্তি park নিৰ্মাণ কৰিব বাবে সিদ্ধান্ত গ্ৰহণ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। আৰু Supplementary আছে।

**শ্ৰী বিমল বড়া , মন্ত্ৰী ঃ** এইখিনি হৈ উথিলে পাচ গ্ৰাম অঞ্চলটো পূৰ্ণ জীৱিত হৈ উঠিব

আৰু তেতিয়া যিসকল বিনিয়োগকাৰী অসমলৈ আহিছে, বিভিন্ন ধৰণে বিনিয়োগ কৰিবৰ কাৰণে আমি সেই স্থান সমূহ তেওঁলোকক দেখুৱাবৰ কাৰণে সুবিধা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ঃ** অধ্যক্ষ মহোদয়,কথাটো ঠিকে আছে কিন্তু employment generate কৰাৰ কাৰণে নতুন কিবা ভাল পৰিকল্পনা লৈছে নেকি? তাত rail ways, water

গোটেই connectivity টো আছে। সেয়েহে তাত এটা ভাল উদ্যোগ গঢ়াৰ কাৰণে কিবা পৰিকল্পনা লোৱা হ'ব নেকি? সেই বিষয়টো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী বিমল বড়া, মন্ত্ৰী** ঃ হয় যিহেতু পূৰ্বৰ কাছাৰৰ কাগজকল বাঁহৰ ওপৰত নিৰ্ভৰ কৰি চলিছিল। গতিকে এটা উদ্যোগ অসমলৈ আহিছে কেশৰ পেট্ৰোকেমিকেলচ । কেশৰ পেট্ৰোকেমিকেলচে ১০ হাজাৰ কোটি টকা investments ৰে এটাবাঁহৰ পৰা ইথান'লৰ উদ্যোগ এটা স্থাপন কৰিবৰ কাৰণে আগ্ৰহ প্ৰকাশ কৰিছে। তাৰ ফলত মই ভাবো পূৰ্বৰ যিটো বাঁহ economy , সেই economy আকৌ grow কৰি উঠিব । গতিকে লাহে লাহে মই ভাবো যে পাঁচগ্ৰাম সেই অঞ্চলটো পূৰ্বৰ দৰেই উদ্যোগৰ বাতাৱৰণ হৈ উঠিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া চাপ্লিমেন্টৰী খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদার (কাটিগড়া সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়,মন্ত্ৰী মহোদয়, পাঁচগ্ৰাম একটি ইণ্ডাস্ট্ৰি ছিল আমাদের আসামের প্ৰত্যেক মানুষ জানে। এই জায়গায় ল্যাণ্ডের কোন কমতি নেই। এখানে যদি ইণ্ডাষ্ট্ৰি হয় আমাদের বরাক ভ্যালির অনেক উন্নতি হবে এবং আমাদের স্থানীয় জনসাধারণের চাকুরির বিভিন্ন ব্যবস্থা থাকবে। কিন্তু এই জায়াগায় বিগত ৩৫ বছর থেকে হিন্দুস্থান পেপার মিলে যে ল্যাণ্ড আছে সেখানে ইনটেক্ট নামে একটি খেলার মাঠ আছে। পাঁচ গ্ৰাম পেপার মিলটি বরাকের তিন ডিস্ট্ৰিক্টের মিডিল পয়েন্টে আছে। সেই ফিল্ডে বিগত ৩৫ বছর থেকে বাচ্চারা খেলা-ধূলা করছে। যদি ইণ্ডাস্ট্ৰি হয় সেখানে অনেক অসুবিধা হবে। তাই সেখানে একটি মিনি স্টেডিয়াম হলে ভালো হয়। এবং আমাদের সমষ্টিতে স্টার সিমেন্ট কোম্পানিতে জেনারিলে যে মানুষ নেওয়া হয়েছে মেক্সিমাম শ্ৰমিক নেওয়া হয়েছে। কিন্তু আমাদের বরাক ভ্যালি বা কাছাড় ডিস্ট্ৰিক্টে টেকনিক্যালি অনেক মানুষ আছে , ইঞ্জিনিয়ার আছে, কিন্তু এই স্টার সিমেন্টে অন্য রাজ্য থেকে মানুষ ব্যবহার করা হয়েছে। স্থানীয় মানুষ নিযুক্তি দেওয়ার জন্য মন্ত্ৰী মহোদয়ের কাছে আমার অনুরোধ থাকল।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী।

**শ্ৰী বিমল বড়া, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে পাঁচগ্ৰামত আমাৰ AIDC ৰ মাটিডোখৰত এখন ষ্টেডিয়াম নিৰ্মাণৰ কথা কৈছে, আচলতে উদ্যোগ বিভাগে ষ্টেডিয়াম নিৰ্মাণ নকৰে। আমি উদ্যোগিক ক্ষেত্ৰখন উন্নয়ন সাধন কৰাটোহে আমাৰ কাম। তথাপিও তেওঁ পূৰ্বতে আছে বুলি কৈছে, বিভাগৰ লগত মই কথা-বতৰা পাতিম। আৰু Star Cement North East Limited য়ে কাছাৰ জিলাৰ হিলাৰাত এটা উদ্যোগ স্থাপন কৰিছে। কেইদিনমান আগত মই নিজে পৰিদৰ্শন কৰিছো। সেই উদ্যোগটো আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যি কাষ্টমাইজ পলিচি, আমাৰ যিখন পূৰ্বৰ পলিচি সেই পলিচিখনক নতুন এটা ধাৰণা সৃষ্টি কৰি কাষ্টমাইজেশ্যনৰ জৰিয়তে বিনোয়গকাৰী সকলক অসমত invest কৰিবৰ কাৰণে যি পৰিবেশ নিৰ্মাণৰ সূচনা কৰিলে, তাৰ ফলতেই কাছাৰ হিলাৰাত ষ্টাৰ চিমেন্টৰ সেই উদ্যোগটো প্ৰায় ৬৫০ কোটি টকাৰ ইতিমধ্যে প্ৰায় ৮০ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে। তেওঁলোকে জনোৱা মতে জানুৱাৰী মাহৰ প্ৰথম ভাগত operational কৰিব পৰা যাব। আমি কাষ্টমাইজ পলিচিৰ আধাৰত বিনিয়োগকাৰীৰ লগত কথা-বতৰা পাতো তাৰ প্ৰথম চৰ্তটো হৈছে, যে ১০০ কোটি টকা ইনভেষ্টমেন্ট আৰু ২০০ direct employment অৰশ্যে তাৰে এটা পাৰচেন্টহে যিখিনি skill technical staff পৰ্যাপ্ত পৰিমানে অসমত নাপালে তেওঁলোকে বেলেগৰ পৰা চাৰ্চ কৰিব পাৰে। গতিকে এই উদ্যোগটোত ৩০০ জন স্থায়ী ভাৱে নিযুক্তি লাভ কৰিব আৰু লগতে প্ৰায় ৩৫০ জন পৰোক্ষভাৱে নিযুক্তি লাভ

কৰিব। আনহাতে বিভিন্ন ধৰণৰ পৰিবহনৰ পৰা আৰম্ভ কৰি অন্যান্যকে ধৰি ইমান ডাঙৰ এটা employment তাতে create হ'ব। সেয়েহে মই ভাবো তাত যথেষ্ট স্থানীয়লোক সংস্থাপিত হোৱাৰ যথেষ্ট অৱকাশ আছে। ইয়াৰ উপৰিও আপোনাৰ যদি তেনেকুৱা ধৰণৰ কিবা কথা আছে মই আপোনাৰ লগত কথা-বতৰা পাতিম। এই বিশেষ উদ্যোগটোৰ লগত আমি সংযোগ স্থাপন কৰিম।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ৪৪ জাকিৰ হুছেইন লস্কৰ।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয় উত্তৰ সদনৰ মেজত দিয়া আছে।

**শ্ৰী জাকির হুসেন লস্কর (হাইলাকান্দি সমষ্টি)**ঃ- অধ্যক্ষ মহোদয়, প্ৰথমে আমি মাননীয় মূখ্যমন্ত্ৰী এবং মাননীয় শিক্ষা মন্ত্ৰীকে ধন্যবাদ জানাচ্ছি। আমাদের হাইলাকান্দি জেলাটি আসামের মধ্যে পিছেপড়া জেলা। এবং আজ আপনাদের মাধ্যমে লাস্ট ৫ বছরের যে ইনফ্রাস্ট্রাকচার উন্নত হয়েছে তা আমি মেনে নিয়েছি, আমাদের অনেক প্রয়োজন ছিল। মাননীয় শিক্ষামন্ত্ৰী মহোদয়, হাইলাকান্দিতে সরকারি স্কুল দুটো আছে, একটি এস.এস কলেজ আরেকটি লালা রুরেল কলেজ এবং উনি নিজেই গিয়ে দেখেছিলেন। আমি প্রিন্সিপাল মহোদয়ের সাথে আলাপ করে প্রয়োজনীয় ব্যবস্থা আমি অনলাইনে করব। আমি উনাকে অনুরোধ জানাচ্ছি যেহেতু উনি নিজে সচক্ষে দেখে এসেছেন আমাদের লালা রুরেল কলেজ এবং হাইলাকান্দি এস এস কলেজের ইনফ্রাস্ট্রাকচারের খুবই অভাব এবং দ্বিতীয়ত, আমাদের দুটো কলেজেই কমার্স স্ট্রিম নেই আমি আপনার মাধ্যমে শিক্ষা মন্ত্ৰীকে অনুরোধ করব কমার্স স্ট্রিমটি চালু করার জন্য। এবং সরকারকে ধন্যবাদ জানাচ্ছি কারন এই বিভাগ অনেক উন্নত হয়েছে। এবং আশা করছি উনার কাছ থেকে কিছু একটা

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয় Professional Course B.Sc, B.Ed এইটো এতিয়াৰ সময়ত আমাৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান সমূহৰ কাৰণে খুব গুৰুত্বপূৰ্ণ। আমি সকলোৰে জানো যে পূৰ্বে B.Ed যি ডিগ্ৰী আছিল, সেইটো আমাৰ graduate teacher, post graduate teacher নিযুক্তিৰ কাৰণে এটা বাধ্যতামূলক ডিগ্ৰী। এতিয়া B.Ed ৰ ঠাইত National Council of Teacher Education য়ে Integrated Teacher Education অৰ্থাৎ ৪ বছৰীয়া course প্ৰৱৰ্তন কৰিছে। নতুনকৈ B.Ed কলেজ খোলাৰ প্ৰক্ৰিয়া বন্ধ হৈছে। কিন্তু নতুনকৈ 4 year Integrated Teacher Education Programme খোলাৰ এটা প্ৰক্ৰিয়া আৰম্ভ হৈছে। ইয়াৰ কাৰণে NCT য়ে নিৰ্দিষ্ট কিছুমান চৰ্ত বান্ধি দিছে আৰু এইখিনি বান্ধি দিয়াৰ পিছত আমি অসমৰ মহাবিদ্যালয় সমূহক হাতত ধৰি আগুৱাবলৈ চেষ্টা কৰিছিলো যাতে তেওঁলোকে NCT ৰ অধীনত ITEP course আৰম্ভ কৰিব পাৰে আৰু আজি মই সদনত অধ্যক্ষ মহোদয় আপেনাৰ জৰিয়তে জনাবলৈ পাই সুখী হৈছো যে অসমৰ ১৭ খন বিশ্ববিদ্যালয় মহাবিদ্যালয়ে NCTৰ পৰা এই ITEP অৰ্থাৎ Integrated Teacher Education Programme খোলাৰ কাৰণে তেওঁলোকে অনুমতি লাভ কৰিছে। এই বছৰ গোটেই ভাৰতবৰ্ষত ৭৫০০ আসন NCT য়ে অনুমোদন জনাইছিল আৰু এই ৭৫০০ ৰ ভিতৰত বৃহৎসংখ্যক আসন ১৭শ খন আসন অসমে লাভ কৰিবলৈ সক্ষম হৈছে। এইটো আমাৰ কাৰণে আনন্দৰ কথা। বৰাক উপত্যকাৰ পৰা কোনো মহাবিদ্যালয়ে এতিয়ালৈকে আবেদন কৰা নাই। এক মাত্ৰ Assam University য়ে আবেদন কৰিছে। মহাবিদ্যালয় সমূহে আবেদন কৰা নাই। মই আহ্বান জনাওঁ যে বৰাক উপত্যাকাৰ মহাবিদ্যালয় সমূহেও এই Integrated Teacher Education programme তাত প্ৰৱৰ্তন

কৰাৰ কাৰণে তেওঁলোকেও আবেদন কৰিব লাগে। আমি নিৰন্তৰ ভাবে মহাবিদ্যালয় সমূহক অনুৰোধ জনাই আহিছো যে তেওঁলোকে NAAC ৰ Accreditation কৰাব লাগে আৰু NAAC ৰ Accreditation টো NCT ৰ পৰা এই ITEP বা এনেকুৱা Professional নতুন course খোলাৰ কাৰণে NAAC ৰ Accreditation টো অতি গুৰুত্বপূৰ্ণ। NAAC ৰ Accreditation ত যি সকল মহাবিদ্যালয়ে B++ পাইছে তেওঁলোকে আবেদন কৰিব পাৰে কিন্তু B + য়ে আবেদন কৰিলেও তেওঁলোকে নম্বৰটো কম পাই তাৰ কাৰণে বাচনিত তেওঁলোক নুঠে। গতিকে বৰাক উপত্যাকাৰ মহাবিদ্যালয় সমূহকো মই আহ্বান জনাম যে NAAC ত তেওঁলোকে ভাল প্ৰদৰ্শন কৰিব লাগিব। মিনিমাম তেওঁলোকে B++ পাব লাগিব আৰু তেওঁলোকে NCTৰ পৰা অনুমতি লাভ কৰাৰ কাৰণে যিখিনি অন্যান্য চৰ্ত আছে সেই চৰ্তসমূহ পুৰণ কৰিব লাগিব। আন্তঃগাথনি উন্নয়ন মহাবিদ্যালয় সমূহৰ এটা নিৰন্তৰ প্ৰচেষ্টা মানে যিটো আগত ৰোছা আছিল এতিয়া এইটো Pradhan Mantri Uchchatar Shiksha Abhiyan আৰু এই PM-USHA ৰ অধীনত আমি বিভিন্ন মহাবিদ্যালয়লৈ grant দি আছো। তাত দি আমি SOP দি আমি এতিয়াৰ পৰা মহাবিদ্যালয় সমূহৰ আন্তগাঁথনি উন্নয়নৰ কাৰণে আমি প্ৰতি বছৰে grant দি আছো বা তাৰ ক্ষেত্ৰত পদক্ষেপ লৈ আছো। গতিকে নিৰ্দিষ্ট ভাবে Lala Rural মহাবিদ্যালয়ৰ যিসকলক মই কিছু দিন আগত বৰাক ভ্ৰমন কৰা সময়ত মই ল'গ পাইছিলো। S.S মহাবিদ্যালয় মই নিজে পৰিদৰ্শন কৰি আহিছো। গতিকে পৰবৰ্তী সময়ত মহাবিদ্যালয় এখনত আন্তঃগাঁথনি উন্নয়নৰ কাৰণে অসম চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ মহোদয়ঃ-** Thank you. To the point কওঁক কি জানিব বিচাৰে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)ঃ-** আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে এই ২ খন কলেজত specialy আপুনি নিজে গৈ চাই আহিছে। এই কাৰণে আমি special এটা package আন্তঃগাঁথনিৰ কাৰণে বিচাৰি আছো।

**মাননীয় অধ্যক্ষ মহোদয়ঃ-** ঠিক আছে। Hon'ble Minister?

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী শিক্ষা বিভাগ ইত্যাদি)ঃ** চৰকাৰে বিবেচনা কৰিব।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। শ্ৰী সুশান্ত বৰগোঁহাই।

**শ্ৰী সুশান্ত বৰগোঁহাই,(শিৱসাগৰ)ঃ-** Integrated Teacher Education Program আৰম্ভ কৰাৰ পিছত আমাৰ তাতে এখন B.ed কলেজ নিৰ্মাণ কৰা হৈছিলে প্ৰায় ৩.৫ কোটি টকা দি, ভাদৰা, এতিয়া নতুন ডিমৌ সমষ্টিত। এতিয়া এই infrastructure টো প্ৰায়ে এনে পৰি থকা নিচিনাকে হৈছে। কাৰণ ইয়াত Education বিভাগে দায়িত্ব লৈছে বা বেলেগক বিভাগে দায়িত্ব লৈছে। যদি Education বিভাগে এই infrastructure ওপৰত কিবা দায়িত্ব লয়, কাৰণ B.ed কলেজ বুলি বনাইছিল। তাৰ সিদ্ধান্ত এটা ল'ব লাগে। আৰু যদি নলয় তেতিয়া আমি বেলেগ ব্যৱস্থা লম এই বিষয়টো মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ মই দৃষ্টি আকৰ্ষণ কৰিলো।

**माननीय अध्यक्ष ঃ-** ঠিক আছে। Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী শিক্ষা বিভাগৰ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিৱসাগৰত নিৰ্মাণ সম্পূৰ্ণ হোৱা এখন B.ed কলেজ সম্পৰ্কে আমি অৱগত। কিন্তু মই ইতিমধ্যে জনাইছো যে এতিয়া আৰু ২ বছৰীয়া B.ed Course ক'তো আমি পৰিচালনা নকৰো তাৰ ঠাইত আমি ৪ বছৰীয়া Integrated Teacher Education Program অৰ্থাৎ B.A, B.Sc, B.Com & BAC এই ধৰণে combined ৰূপত আমি B.ed শিক্ষাটো আগবঢ়াই নিব লাগিব। শিৱসাগৰ জিলাই ইতিমধ্যে শিৱহাগৰ Commerce College যে ITF ৰ permission লাভ কৰিছে। যিটো আন্তঃগাঁথনি নিৰ্মাণ হ'ল এই আন্তঃগাঁথনি কি হ'ব এই সম্পৰ্কে আমি সোনকালে এটা সিদ্ধান্ত গ্ৰহণ কৰিম। শিৱসাগৰ জিলাত যিহেতু জিলাখন বিভক্ত হৈ যোৱাৰ কাৰণে শিৱসাগৰ আৰু চৰাইদেউ এই ২ খন জিলা হ'ল, গতিকে এতিয়া নতুন শিৱসাগৰ জিলাখনত আমাৰ District Institute of Teacher Education, DIET নাই। গতিকে ইয়াত DIET লৈ convert কৰাৰ কাৰণে এটা প্ৰস্তাৱত বিবেচনা কৰি আছো।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ বিধায়ক,(সৰুক্ষেত্ৰী)ঃ-** মাননীয় অধ্যয়ক ডাঙৰীয়া, ইতিমধ্যে মন্ত্ৰী ডাঙৰীয়াই জনাই বা আমি সকলোৱে জানো যে শিক্ষকৰ কাৰণে B.ed পাঠ্যক্ৰম, বাধ্যতামূলক। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়া, এজনে হৈছে সৰ্ব ভাৰতীয় পৰীক্ষাত আসনৰ শংকা হয়। অসমে মাত্ৰ ৭০০ ৰ ওপৰত পাইছে, কিন্তু অসমত যদি আপুনি B.ed পাঠ্যক্ৰম কৰাৰ কাৰণে আগ্ৰহী শিক্ষক হাজাৰ হাজাৰ আছে। গতিকে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ প্ৰতি আমাৰ আহ্বান থাকিব আৰু জানিব বিচাৰো যি অসমৰ যি সকলে B.ed পাঠ্যক্ৰম কৰিব বিচাৰে নতুনকৈ, এই ক্ষেত্ৰত বিভাগে কি পদক্ষেপ লৈছে মই আপোনাৰ জৰিয়তে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী শিক্ষা বিভাগৰ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয় এতিয়া যি কেইখন B.ed কলেজ চলি আছে এইখিনি চলি থাকিব। B.ed ৰ নাম ভৰ্তি বন্ধ হোৱা নাই। মই আকৌ কৈছো ৪ বছৰীয়া Integrated Teacher Education Program ত নাম ভৰ্তি আৰম্ভ হ'ল মানে B.ed Course ত নাম ভৰ্তি বন্ধ হোৱা নাই B.ed Course চলি আছে। পৰৱৰ্তী NCTE ৰ নিৰ্দ্দেশ নোহোৱালৈকে চলি থাকিব আৰু NCTE যে কৈছে আমি ৩৫ ভিতৰত অকল standalone B.ed টো বন্ধ কৰিম। আৰু সকলোতে ITEP 4 year program টো যাতে available হয়। গোটেই ভাৰতবৰ্ষত এই বছৰ মাত্ৰ ৭ হাজাৰ আসন অনুমোদন পাইছে। তাৰ ভিতৰত ১৭০০ আমি অকল অসমীয়া পাইছো। গতিকে অসম যথেষ্ট আগবঢ়া। কিন্তু এই সংখ্যাটো আমি আৰু বৃদ্ধি কৰি নিব লাগিব। তাৰ কাৰণে মহাবিদ্যালয় সমূহ আমি আগবাঢ়ি থাকিব লাগিব। মহাবিদ্যালয় সমূহৰ কাৰণে আমি যিসমূহ আমাৰ ইতিমধ্যে নিৰ্মাণ সম্পূৰ্ণ হোৱা B.ed কলেজ আছিলে, B.ed কলেজ সমূহক আমি কৰবাত কৰবাত MOU ৰ জৰিয়তে তেওঁলোকক

আমি অৰ্পণ কৰিছো। গতিকে আন্তঃগাঁথনি support টো পাব। কিন্তু আমাৰ সাধাৰণ মহাবিদ্যালয় বিলাক আগবাঢ়ি আহিল তাত আমি ITEP ৰ আসনৰ সংখ্যা বৃদ্ধি কৰিবলৈ সক্ষম হম। মই অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে এই পবিত্ৰ সদনত এই কথাটো জনাব বিচাৰো যে Integrated Teacher Education Program ৰ নাম ভৰ্তি কিন্তু এটা কেন্দ্ৰীয় প্ৰক্ৰিয়া। যেনেকে Medical College, Engineering College ৰ নাম ভৰ্তি এটা Common Entrance Examination ৰ জৰিয়তে হয়। এটা কেন্দ্ৰীয় প্ৰক্ৰিয়া , ঠিক তেনেকে Integrated Teacher Education Program ৰ নাম ভৰ্তিতো এটা All India Common Entrance Test ৰ জৰিয়তে হে NTA পৰিচালনা কৰে। তাৰ জৰিয়তে হে এইটো হয়। গতিকে ছাত্ৰ-ছাত্ৰীৰ মাজতো সজাগতা বৃদ্ধি হ'ব লাগিব। তেওঁলোকে All India Competetive Examination ত অংশ গ্ৰহণ কৰিব লাগিব আৰু তাত নিৰ্বাচিত হৈ ৪ বছৰীয়া Integrated Teacher Education Program ত তেওঁলোকে নাম ভৰ্তি কৰিব লাগিব। এটা বিশাল সজাগতা আমাৰ মাজত পৰিচিত।

**মাননীয় অধ্যক্ষ মহোদয়ঃ-** ঠিক আছে। Thank you . Q.No .45 শ্ৰী লৰেঞ্চ ইছলাৰী।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী শিক্ষা বিভাগৰ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে।

**শ্ৰী লৰেঞ্চ ইছলাৰী, বিধায়ক (কোকৰাঝাৰ পশ্চিম)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই উত্তৰ পাইছো কিন্তু মই উত্তৰত সন্তুষ্ট হ'ব পৰা নাই। আমি সকলোৱে জানো যে ২০২০ চনৰ ২৭ জানুৱাৰীত BTR Accord হৈছিলে আৰু সেই Accord টো ভাৰতৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই শান্তিৰ চুক্তি বুলি আখ্যা দিছিলে, যেতিয়া BTR চুক্তি হ'বলৈ গৈ আছিলে সেই সময়ত অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত আলোচনা কৰা হৈছিলে। আপোনালোক সকলোৱে জানে আমাৰ সেই অঞ্চলত বহু বছৰ ধৰি আন্দোলন, সংগ্ৰাম হৈছিল। এই আন্দোলন আৰু সংগ্ৰামৰ অজুহাত দেখুৱাই চৰকাৰী বিষয়া সকলে স্কুলৰ জৰীপ কৰা নাছিলে, স্কুলৰ কাৰণে permission দিয়াৰ কাম কৰা নাছিলে, recognition ৰ কাম কৰা নাছিলে College ৰ concurrence ৰ কাৰণে কাম কৰা নাছিলে বা তেনেকৈ হয়তু সেই সময়ত এনেকুৱা পৰিবেশ নাছিল। যাৰ কাৰণে চৰকাৰে বান্ধি দিয়া যিটো নিয়ম সেই নিয়মৰ আওতাত আমাৰ BTR অঞ্চলৰ স্কুল , কলেজ যি ধৰণে Provincialised হ'ব লাগিছিলে,সেই ধৰনৰ Provincialised হোৱাতো আমি দেখা নাই। আমি এই সদনত দুজন চুক্তি স্বাক্ষৰ কাৰী আছো। ওদালগুৰিৰ বিধায়ক গোবিন্দ বসুমতাৰী ডাঙৰীয়া , আৰু মই নিজে চুক্তিৰ স্বাক্ষৰকাৰী আছিলো। আমি আশা কৰিছিলো যে চুক্তিৰ যি দফা ৬.৩ যি Clause আছিলে যে বিশেষ ভাৱে specially BTR অঞ্চলত থকা বড়ো অসমীয়া , বেংগলী আৰু অন্যান্য যি মাধ্যম আছে আৰু লগতে BTR ৰ বাহিৰত বড়োৰ যি মাধ্যম আছে, এই মাধ্যম বিলাক চৰকাৰে বান্ধি দিয়া যিটো criteria আছিলে এই বিলাক যাতে চোৱা নহয়, তাত যাতে Special Consideration দিয়া হয়। সেই কথাতো আমাৰ BTR Accord ত সন্নিবিষ্ট কৰা হৈছিলে 6.3 Clause ত। সেইকাৰণে মোৰ প্ৰশ্নটো আছিলে 6.3 Clause মতে চৰকাৰে আমাৰ স্কুল আৰু কলেজ বিলাক চৰকাৰী কৰণ কৰিবৰ কাৰণে কি সিদ্ধান্ত

লৈছে সেই কথাটো আপোনাৰ জৰিয়তে  মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ মহোদয়ঃ**- ঠিক আছে। Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী শিক্ষা বিভাগৰ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰৰ যিখন প্ৰাদেশীকৰণৰ আইন, এই প্ৰাদেশীকৰণৰ আইনৰ দফা নং ২ ZD, এই দফাত স্পষ্ট ভাৱে কোৱা হৈছে যে এই প্ৰাদেশীকৰণ আইনখন notification ৰ জৰিয়তে Sixth Schedule Area ত তাত প্ৰয়োজন কৰিব পৰা যায় । অৰ্থাৎ আৰম্ভনীতে আইনখন Sixth Schedule Area ৰ কাৰণে তাৰ পৰা আওঁতাৰ বাহিৰত যদি Sixth Schedule ৰ স্বায়ত্ব শাসিত পৰিষদ আছে, তেওঁলোকে বিচাৰে তেনেহ'লে ইয়াক আমি Notify কৰি আমি ষষ্ঠ অনুসূচি অঞ্চলতো প্ৰনৰ্তন কৰিম। সংশোধনী গহীত হলে আৰু যদি BTC প্ৰশাসনে ভাৱে যে এই আইন খন BTC অঞ্চলটো বলবৎ কৰিব লাগে তেতিয়া হলে আমি এই আইনৰ 2 ZD দফা অনুযায়ী অধিসুচনা জাৰি কৰিম। কিন্তু ইতিমধ্যে মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰিছে যে BTC দীৰ্ঘদিন ধৰি আন্দোলন হৈছিল আৰু  সেই শিক্ষানুষ্ঠান সমূহৰ যি Documentation থাকিব লাগে সেই ধৰণৰ Documentation অৰ্থাৎ আমাৰ প্ৰাদেশীকৰণ আইনখনে যি ধৰণৰ Documentation বিচাৰে তেনেকুৱা ধৰণৰ Documentation তেওঁলোকৰ হাতত নাই। অৰ্থাৎ বিদ্যালয় সমূহত সেইবোৰ Maintain কৰা নহয় কাৰণ আন্দোলনত বহু বিদ্যালয় ক্ষতিগ্ৰস্ত হৈছিল। কৰবাত জুই লাগিছিল,কৰবাত বস্তুবিলাক হেৰালে বা চুৰ কৰিলে। গতিকে আমি এক বেলেগ ধৰণে BTC চুক্তিৰ যি ৬.৩ দফা আছিল সেই দফাটো সমাধানৰ কাৰণে আমি অসম চৰকাৰে চেষ্টা কৰিছো। ইয়াৰ পূৰ্বে BTC প্ৰশাসন আৰু অসম চৰকাৰৰ মাজত হোৱা আলোচনা অনুযায়ী BTC য়ে এখন বিশেষ Provincialisation আইন প্ৰণয়ন কৰাৰ ক্ষমতা BTC পৰিষদৰো আছে গতিকে ১০ খন মহাবিদ্যালয় ইতিমধ্যে BTC য়ে Provincialisation কৰিলে। একেটা লাইনতে যদি আমাৰ মাননীয় সদস্য লৰেন্স ইচলাৰী ডাঙৰীয়াই কোৱাৰ নিচিনা কৈ এই শিক্ষানুষ্ঠান সমূহে যদি চৰ্ত পূৰণ নকৰে, কি কৰিলে BTC চুক্তিৰ ৬.৩ দফাটো কাৰ্য্যকৰী কৰিব পৰা যাব তাৰ কাৰণে BTC নিজাকৈ এখন যদি Provincialisation আইন প্ৰণয়ন কৰি লয় তাত অসম চৰকাৰে সকলো ধৰণৰ সহযোগিতা আগবঢ়াব। ইতিমধ্যে বিদ্যালয় শিক্ষা বা উচ্চ শিক্ষা BTC লৈ হস্তান্তৰিত এটা বিষয় সেই বাবে আমি এতিয়া BTC শিক্ষক নিয়ুক্তি নকৰো BTC প্ৰশাসনে কৰে। LP বা UP বা মাধ্যমিক পৰ্য্যায়ৰ শিক্ষক নিয়ুক্তি BTC য়ে নিজে কৰে। গতিকে যিহেতু তেওঁলোকে শিক্ষক নিয়ুক্তি  পৰ্য্যন্ত কৰিছে গতিকে মোৰ ফালৰ পৰা BTC প্ৰশাসন এটা অনুৰোধ থাকিল যে তেওঁলোকে নিজাকৈ এখন Provincialisation আইন প্ৰণয়ন কৰি লওঁক। আৰু বৰ্তমান যি খন আইন আছে, এই খনৰ অধীনত যদি কোনো বিদ্যালয় বা মহাবিদ্যালয় Provincialisation ৰ আওঁতাত আহে তেতিয়া হ'লে BTCয়ে কোৱাৰ লগে লগে আমি এইটো Notify কৰি দিম যে এই আইন খন BTC টো বলবৎ হলে যি সকল এই আইনৰ অধীনত আহে তেওঁলোক Provincialisation হৈ যাব আৰু যি সকল বাকী থাকিব তেওঁলোকৰ কাৰণে BTC এখন নিজাকৈ Provincialisation আইন প্ৰণয়ন কৰিবলৈ মই পৰামৰ্শ আগবঢ়ালো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰবিৰাম নাৰ্জাৰী আৰু এই ক্ষেত্ৰত মই কব বিচাৰিছো যে ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়া বৰ্ত্তমান BTC Council ৰ শিক্ষা বিভাগৰ EM হয় ।

গতিকে মই ভাৱো তেখেতে ভালকৈ হাউচত এই বিষয়ে ক'ব পাৰিব।

**শ্ৰী ৰবিৰাম নাৰ্জাৰী, বিধায়ক ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, আমাৰ সদস্য লৰেন্স ইচলাৰী ডাঙৰীয়াই যিটো BTR চুক্তিৰ দফাৰ অধীনত আমাৰ স্কুল প্ৰাদেশীকৰণ বিষয়টো উত্থাপন কৰিছে আমাৰ মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াই ইয়াৰ উত্তৰ দিলে আৰু তেখেতৰ উত্তৰত বিশেষ ভাৱে এই খিনি কথা পালো যে অকল BTC অঞ্চলৰ বাবে, BTR চুক্তিৰ ৬.৩ দফা মতে BTC অঞ্চলত যিমানখিনি স্কুল আছে সেইবোৰ স্কুলৰ প্ৰাদেশীকৰণৰ বিষয়টো উল্লেখ কৰা হোৱা নাই। আৰু BTR অঞ্চলৰ বাহিৰত যেনে ধেমাজি, লক্ষীমপুৰ,গোলাঘাট, শিৱসাগৰ, গোৱালপাৰা ইত্যাদি জিলাৰ যিবোৰ বড়ো মাধ্যমৰ স্কুল আছে আৰু যি বোৰে এতিয়ালৈকে প্ৰাদেশীকৰণ হোৱা নাই সেইবোৰ স্কুলৰ প্ৰাদেশীকৰণৰ কাৰণে বড়ো চুক্তিৰ ৬.৩ দফাত উল্লেখ কৰা আছে বাবে আমাৰ ইচলাৰী ডাঙৰীয়াই কৰা যিটো প্ৰশ্নৰ উত্তৰ সেই উত্তৰটো অকল BTC অঞ্চলতে Confine নাৰাখি BTC অঞ্চলৰ বাহিৰত থকা বড়ো মাধ্যমৰ স্কুলবোৰো কেনেকৈ প্ৰাদেশীকৰণ কৰিব পাৰি তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। দ্বিতীয়তে হৈছে Fund ৰ বিষয়টো আৰু এইবোৰ অঞ্চলৰ স্কুল বিলাকৰ অবস্থা একেবাৰে বেয়া গতিকে এই স্কুল বিলাক এতিয়া অসমত প্ৰচলিত আইনৰ জড়িয়তে যদি Provincialisation কৰা নহয় তেতিয়া হ'লে BTR চুক্তিৰ জড়িয়তে এইবোৰ সম্ভৱ হব বুলি বড়ো আন্দোলনৰ সমাপ্তি ঘটাই এক চুক্তি কৰা হৈছিল আৰু এই চুক্তিৰ জড়িয়তে BTR এলেকাৰ বাহিৰত থকা বড়ো মাধ্যমৰ স্কুল বিলাক Provincialisation কৰাটো অতিকে জৰুৰী, যিহেতু প্ৰচলিত আইনৰ দ্বাৰা এই বোৰ সম্ভৱ নহয় যাৰ বাবে এই চুক্তি কৰা হৈছিল। তৃতীয়তে, আমাৰ ষষ্ঠ অনুসূচীত থকা স্কুল Provincialisation যিটো বিষয় সেইটো আমি এদিন বেলেগকৈ আলোচনা কৰিম। ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত স্বাক্ষৰিত BTC চুক্তি আমাৰ শিক্ষা বিভাগটো BTC ৰ হাতলৈ হস্তান্তৰিত কৰা এটা বিষয় আৰু আমি ইয়াৰ কাৰণে পৃথকে যিহেতু BTC Council ৰ legislative power আছে অৰ্থাৎ শিক্ষা বিভাগটো কেনেকৈ চলাব লাগে তাৰ কাৰণে আমাৰ হাতত আইন বনাবৰ কাৰণে এটা power আছে। সেই বিষয়টো আমি বেলেগ এদিন আলোচনা কৰিম। ১০ খন Venture মহাবিদ্যালয় ইতিমধ্যে অসম চৰকাৰৰ ফালৰ পৰা Provincialisation ৰ কাৰণে অসম চৰকাৰৰ ফালৰ পৰা এটা প্ৰচেস্তা হাতত লৈছিল কিন্তু এতিয়াও সেই বোৰ Provincialisation হোৱা নাই। আমাৰ SOPD Fund ৰ পৰা এই মহাবিদ্যালয় সমূহ চলাবৰ কাৰণে, Provincialisation মহাবিদ্যালয়ৰ শিক্ষক সকলৰ যি খিনি সুবিধা সেই সুবিধাখিনি পাইছে যদিও পূৰ্ণাংগ ভাবে Provincialisation হোৱা নাই আৰু SOPD ৰ পৰা দি থকা Fund খিনি এতিয়ালৈকে Cabinet ত Approval হোৱা নাই। গতিকে সেইটো Approve কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে ঠিক কথাই কৈছে কাৰণ ইয়াত দুটা বিষয় আছে, এটা হ'ল BTC ৰ ভিতৰত থকা বিদ্যালয় আৰু আনটো হ'ল BTC ৰ বাহিৰত থকা বড়ো মাধ্যমৰ বিদ্যালয়। এই দুইখিনি বিদ্যালয় BTR চুক্তিৰ ৬.৩ দফাত Provincialisation কৰাৰ কথা কোৱা হৈছিল। BTC ৰ বাহিৰত যি খিনি বড়ো মাধ্যমৰ স্কুল আছে সেইখিনিৰ এখন তালিকা প্ৰস্তুত কৰি কোন খন স্কুলৰ কি সমস্যা আছে সেইখিনি অধ্যয়ন কৰিবৰ বাবে মই বড়ো কছাৰী Welfare Autonomous Council ৰ লগত মোৰ আলোচনা হৈছিল আৰু তেওঁলোকে সেই কাম খিনি কৰি আছে। গতিকে BTC ৰ বাহিৰত বড়ো মাধ্যমৰ যি

খিনি স্কুল আছে সেইখিনি শিক্ষা বিভাগে বেলেগ কৈ চাব BTC ৰ ভিতৰত মাধ্যম নিৰ্বিশেষে যি খিনি স্কুল আছে অসমীয়া, বড়ো, বেংগলী যি মাধ্যমৰে নহওক কিয় সেই বিদ্যালয় খিনিৰ ক্ষেত্ৰত মই BTC প্ৰশাসনক আপোনাৰ জৰিয়তে, আপুনি যিহেতু EM মই অনুৰোধ জনাওঁ যে কাৰণ যি খন আমাৰ প্ৰাদেশীকৰণ আইন তাত এটা মাইলৰ খুটা আছে যাক আমি লাই খুটা বুলি কওঁ সেইটো হ'ল যি বিলাক শিক্ষানুস্থান ০১-০১ -২০০৬ চনৰ পূৰ্বে প্ৰতিষ্ঠা হৈছিল, সেই বিদ্যালয় সমূহ আইনৰ আওঁতাত আহিব। এতিয়া এই লাইখুটাটো মই সলনি কৰিব নোৱাৰো, এই খুটাটো সলনি নকৰাকৈ আইনখনৰ আমি সংশোধনী ৰাখিছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইচ্ছা কৰিলে এইটো কৰিব পাৰে আৰু 6th schedule টোৰ কাৰণে সংশোধনী আনিব পাৰিলে হেতেন।

**মাননীয় অধ্যক্ষ** ঃ অখিল গগৈ ডাঙৰীয়া অনুগ্ৰহ কৰি বহক। মই আপোনাক অনুমতি দিয়া নাই। মাননীয় মন্ত্ৰী,

**ডাঃ ৰণোজ পেগু, শিক্ষা মন্ত্ৰী ঃ** গতিকে এই ঘাইখুটাটো সলনি নোহোৱাকৈ যিখিনি কৰিব পাৰো সেইখিনি কৰি আৰু ঘাইখুটা সলনি কৰিবলগীয়া বা তেনেকুৱা পৰিস্থিতি হয় তেতিয়া হলে আমি পৰৱৰ্তী পৰ্য্যয়ত বেলেগ ধৰণে আলোচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং ৪৭ শ্ৰী ৱাজেদ আলী চৌধৰী।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ অধ্যক্ষ মহোদয় বিষয়টো Serious ।

**মাননীয় অধ্যক্ষ** ঃ আপুনি এই বিষয়ে মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিব তেখেত সকল দুইজনৰ মাজত বুজাপৰা হৈছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ বুজাপৰা হোৱা নাই।

**অধ্যক্ষ** ঃ অখিল গগৈ ডাঙৰীয়া আপুনি বহক। এই বিষয়টো ইয়াৰ লগত Related নহয়।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ SOPD ৰ পৰা আনা হৈছে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় বিধায়ক।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** আজি বহুত আলোচনা আছে।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ৪৭, মাননীয় সদস্য শ্ৰীওৱাজেদ আলী চৌধুৰী।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী, শালমাৰা দক্ষিণ** ঃ ছাৰ, মোৰ প্ৰশ্ন আছিল চৰ অঞ্চলত কিমান পদ খালী হৈ আছে? মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে প্ৰায় ১৫০০০ পদ খালী আছে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ১৫০০০ পদ কেতিয়াৰ পৰা খালী হৈ আছে? কিমান বছৰ হ'ল? আমি জনা মতে বছৰে বছৰে এই পদ বিলাক খালী হৈ আছে, আজি চৰ অঞ্চলত এজন এজন শিক্ষক ছাত্ৰ-ছাত্ৰী ২০০/৩০০ কৈ আছে। প্ৰকৃততে চৰকাৰে যিটো শিক্ষাৰ প্ৰতি গুৰুত্ব দিব লাগিছিল চৰ অঞ্চলত অৱহেলা কৰিছে। গতিকে মন্ত্ৰী মহোদয়ে আমাক স্পষ্ট উত্তৰ দিব লাগে। যে চৰ অঞ্চলত এই যে ৩০ হাজাৰ পদ খালী হৈ আছে এইটো কেতিয়াৰ পৰা কিমান বছৰৰ পৰা, এই পদ খালী হৈ আছে আৰু কেতিয়া এইবোৰ পদ পূৰণ কৰিব, আমাক জনাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিদ্যালয় সমূহত কিমান পদ খালী আছে, কিমান পদ পূৰণ হয় এইটো এটা নিৰপেক্ষ চলি থকা প্ৰক্ৰিয়া। দেখা যায় বহুত পদ আজি ১৫ বছৰৰ পৰা খালী আছে, ২০ বছৰৰ পৰা খালী হৈ আছে। এতিয়া এই খালী পদ বিলাকৰ

তালিকা প্ৰস্তুত কৰি নিযুক্তিৰ ব্যৱস্থা আমাৰ বিদ্যালয়ৰ শিক্ষা বিভাগে কৰিছে। আৰু সেই কাৰণে এই নিযুক্তিৰ প্ৰক্ৰিয়াত আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এক লাখ নিযুক্তি দিম বুলি কৈছিল, কিন্তু আজি এক লাখ ৩৫ হাজাৰ অতিক্ৰম কৰিলে। আৰু তেখেতে কৈছে যে আমাৰ চৰকাৰৰ দিনত এক লাখ ৫০ হাজাৰ নিযুক্তি দিম।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ** ঃ বছৰে দিয়াৰ কথা আছিল এক লাখকৈ।

**ডাঃ ৰনোজ পেগু, মন্ত্ৰী ঃ** এতিয়া এই নিযুক্তি বিলাক দিবলৈ আমি সক্ষম হৈছো।

**শ্ৰীঅখিল গগৈ** ঃ আমাক লিষ্ট খন দিয়াৰ কথা আছিল, লিষ্ট খন লাগে।

**মাননীয় অধ্যক্ষ** ঃ Please. আপোনাৰ প্ৰশ্ন নহয়, অনুগ্ৰহ কৰি আপুনি বহক।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** আৰু ইয়াৰ সৰ্বাধিক সংখ্যক নিযুক্তি আমাৰ শিক্ষা বিভাগত হৈছে। আৰু শিক্ষা বিভাগৰ যিটো নিযুক্তি প্ৰক্ৰিয়া এই নিযুক্তি প্ৰক্ৰিয়াটো স্বচ্ছ আৰু নিকা। আমি প্ৰথমে ইয়াৰ আগত যদি চাই এইখন চৰকাৰ ক্ষমতালৈ অহাৰ আগতে আমি সম্পূৰ্ণৰূপে নম্বৰৰ ওপৰত ভিত্তি কৰি আমি শিক্ষক সকলক বাচনি কৰিছিলো অৰ্থাৎ তেওঁলোকে টেটত কিমান নম্বৰ পালে, ডি এলএড ত কিমান নম্বৰ পালে, হাই চেকেণ্ডাৰীত কিমান নম্বৰ আছিল, বি এ ত তেওঁলোকৰ কিমান নম্বৰ আছিল, এই গোটেইখিনিৰ ওপৰত নিৰ্ভৰ কৰি শিক্ষকৰ নিযুক্তি হৈছিল। কিন্তু এই শিক্ষকৰ নিযুক্তি প্ৰক্ৰিয়াত দেখা গ'ল যে কিছুমান ছাত্ৰ-ছাত্ৰী যি সকলে বাহিৰৰ ইউনিভাৰ্চিটিৰ পৰা পাছ কৰিছে তেওঁলোকৰ নম্বৰৰ পৰিমাণটো তেওঁলোকে ৯০/৯৫ শতাংশ ইত্যাদি পায়। আৰু এটা কথা দেখা গ'ল যে অসমৰ ভিতৰতে আমাৰ বহুকেইখন বিশ্ববিদ্যালয় হৈছে, সকলো বিলাক বিশ্ববিদ্যালয়ৰ নম্বৰ দিয়াৰ pattern টো বা নম্বৰ দিয়াৰ যিটো মানদণ্ড সেইটো একে নহয়। সেই কাৰণে আমি এই শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বাচনি প্ৰক্ৰিয়াটো যিটো evaluation প্ৰক্ৰিয়া, evaluation প্ৰক্ৰিয়াটোত এটা পৰিৱৰ্তন অনাৰ চেষ্টা কৰিলো। পূৰ্বতে যে এজন প্ৰাৰ্থীয়ে হায়াৰ চেকেণ্ডাৰীত, ডিগ্ৰীত, টেট, ডি এল এড তেওঁ ক'ত কিমান নম্বৰ পাইছিল তাৰ average উলিয়াই আমি কামখিনি কৰিছিলো। কিন্তু আমি অধ্যয়ন কৰি দেখিলো যে টেট ক যদি আমি মূল ভিত্তি হিচাপে লওঁ আৰু যদি তাত waytest টো যদি বঢ়াই দিও তেনেহলে আমি ভাল candidate পাম। এতেকে আমাৰ কি হায়াৰ চেকেণ্ডাৰীত কোনোবাই ৯০ শতাংশ পাইছে, কিন্তু তেওঁৰ way test হায়াৰচেকেণ্ডাৰীত ৫৫ শতাংশ হে পাব। ডিগ্ৰীত কোনোবাই যি নম্বৰ পাইছে তেওঁৰ way test পাঁচ হে হ'ব। কিন্তু টেটত যি নম্বৰ পাইছে টেট পৰীক্ষা যিহেতু ৰাজ্যচৰকাৰে পৰিচালনা কৰে বৰ্তমান যি আমাৰ চেণ্ট্ৰল টেট তাৰ পৰা লওঁ, গতিকে হায়েষ্ট way test টো আমি টেটৰ পৰা লওঁ। আৰু টেটৰ পৰা হায়েষ্ট way test টো লোৱাৰ কাৰণে এতিয়া আমাৰ যিটো নিযুক্তিৰ বাঁচনি প্ৰক্ৰিয়া, এই বাঁচনি প্ৰক্ৰিয়াটোত আৰু খুব বহুতখিনি আমি ক্ষমতা আনিবলৈ সক্ষম হৈছো। আৰু আমাৰ চৰকাৰৰ দিনত মই শিক্ষামন্ত্ৰী হোৱাৰ পিছত এই নিযুক্তিৰ পলিচিটো সলনি হয়। অন্যহাতেদি পূৰ্বে আমাৰ টেট পৰীক্ষাটো হাই স্কুল বা হায়াৰচেকেণ্ডাৰী স্কুলৰ কাৰণে বাধ্যতামূলক নহয় বা নাছিল। টেট পৰীক্ষা হৈছে শিক্ষাৰ অধিকাৰ আইনৰ ভিত্তিত। শিক্ষাৰ অধিকাৰ আইনে Class one ৰ পৰা class eight লৈ কভাৰ কৰে। গতিকে এল পি আৰু ইউ পি স্কুলৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত টেটটো বাধ্যতামূলক। টেট নোহোৱাকৈ আমি কোনো এল পি বা ইউ পি স্কুলত কোনোলোককে আমি শিক্ষক বুলি কব নোৱাৰো। শেহতীয়াকৈ চুপ্ৰিম কোৰ্টেও ইয়াৰ নিৰ্দেশ জাৰী কৰিছে যে সকলোৰে কাৰণে টেটটো বাধ্যতামূলক আৰু কোনোবাই যদি in service এতিয়াও হৈ আছে, কিন্তু টেট নাই তেওঁলোকে নিৰ্দিষ্ট সময়ৰ ভিতৰত টেটৰ যিটো Eligibil-

ity, সেই Eligibilityটো আয়ত্ব কৰিব লাগিব। সেই Eligibilityটো আয়ত্ব নকৰিলে তেওঁ শিক্ষক হ'ব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** Graduate and Post Graduate Teacher ৰ ক্ষেত্ৰত টেটটো বাধ্যতামূলক। সেইটো কোনো শিক্ষা অধিকাৰ আইনৰ বা National of Teacher Education তেওঁলোকে কৰা নাই, কিন্তু আমি বিবেচনা কৰিলো যে এই এটা পৰীক্ষাৰ জৰিয়তে আমাৰ Graduate and Post Graduate Teacher ৰ বাঁচনি হ'ব লাগে। কেৱল নম্বৰৰ ভিত্তিত বাঁচনি হ'ব নালাগে। কাৰণ নম্বৰ ভিত্তিত বাঁচনি কৰিবলৈ যাওঁতে আমি ক্ষমতা স্থাপন কৰিব নোৱাৰো। কাৰণ বেলেগ বেলেগ বিশ্ববিদ্যালয়ে নম্বৰ দিয়া মানদণ্ডটো বেলেগ বেলেগ। এতেকে এটা TET cum Recruitement পৰীক্ষা আমি Assam State Education Board ক আমি পাতিব দিলো আৰু তাৰ জৰিয়তে এইখিনি নিযুক্তি হৈছে। এতিয়া মই মূল কথাটোলৈ আহো যে শিক্ষকৰ নাটনি আছে।

**শ্ৰীওৱাজেদ আলী চৌধুৰী, দক্ষিণ শালমাৰা ঃ** ছাৰ, মোৰ যিটো প্ৰশ্ন তাৰ উত্তৰ নিদি বিভিন্ন কথা কৈ আছে। এটা জলন্ত সমস্যা এখন হাইস্কুলত মাত্ৰ দুজন শিক্ষকৰে বহুত বছৰ ধৰি পাঠদান চলি আছে।

**ডাঃ ৰণোজ পেগু, মন্ত্ৰী ঃ** এই প্ৰসংগটো শিক্ষকৰ নিযুক্তিৰ যি প্ৰক্ৰিয়া সেইটো যদি আমি নুবুজো তেতিয়াহলে খালী পদ পূৰণৰ কথাটো।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** প্ৰক্ৰিয়া চক্ৰিয়া নালাগে স্কুল লাগে আৰু শিক্ষক লাগে।

**মাননীয় অধ্যক্ষ ঃ** Please, অখিল গগৈ, বহক।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** আপুনি কি প্ৰক্ৰিয়াৰ কথা কৈ আছে আমাক উত্তৰ লাগে। এখন স্কুলত মাত্ৰ ২ জন শিক্ষক আছে, আৰু তেওঁ প্ৰক্ৰিয়াৰ কথা কৈ আছে।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ ঃ** Please. ঠিক আছে, ধন্যবাদ। শ্ৰীমতী নন্দিতা দাস, আপোনাৰ Supplementary.

**শ্ৰীমতী নন্দিতা দাস, বকো ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰো যে ২০২১ চনৰ ডিচেম্বৰ মাহত যি মডেল স্কুল বিলাক ঘোষণা কৰিলে আৰু মডেল স্কুল বিলাক যেতিয়া ঘোষণা কৰিলে তেতিয়া বিধায়ক সকলক সভাপতি কৰি দিয়া হ'ল, কিন্তু সেই তেতিয়াৰ পৰা এতিয়ালৈকে সেই মডেল স্কুল বিলাকৰ ক্ষেত্ৰত চৰকাৰৰ পৰা কোনো গঠনমূলক আলোচনা বা কোনো পুঁজি এতিয়ালৈকে এক পইচাও দিয়া নাই। এই ক্ষেত্ৰত চৰকাৰে কি ভাবি কি vision ৰে কি মিচন লৈ মডেল স্কুল আৰম্ভ কৰিছিল বা ঘোষণা কৰিছিল, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আৰু মডেল স্কুল বিলাকৰ ক্ষেত্ৰত বহুত পদ খালী হৈ আছে। অন্য নালাগে মডেল স্কুল বিলাকৰ খালী পদ খিনি পূৰণ কৰিব লাগে। তৃতীয়তে ছাৰ, মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যে আমাৰ জে এন কলেজত কমাৰ্চৰ কাৰণে আমি বহুত আবেদন কৰিছো কমাৰ্চ stream টো কেতিয়া দিব, মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। তিনিটা কথাহে সুধিছো ছাৰ, উত্তৰটো দিলে বৰ ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is Over.

**শ্ৰীআফটাবুদ্দিন মোল্লা, জলেশ্বৰ ঃ অধ্যক্ষ মহোদয়, মোৰ এটা পইন্ট অৰ অৰ্ডাৰ আছে।**

এডুকেশ্যনৰ ওপৰত মই এটা প্ৰশ্ন আনিছিলো তাত অতিৰিক্ত শ্ৰেণীকোঠাৰ কথা কোৱা হৈছিল, মোৰ প্ৰশ্ন আছিল যে শ্ৰেণীকোঠাবিলাকৰ কাম কেনেকুৱা হৈছে ? মোক উত্তৰ দিয়া হৈছে-

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ অৱজেকশ্যনটো ক'ব নালাগে আপুনি ৰিটেন আমাক দিয়ক। সেই অনুসৰি ব্যৱস্থা ল'ব।

**শ্ৰীআফটাবুদ্দিন মোল্লা, জলেশ্বৰ ঃ** মই ৰিটেন চাবমিট কৰিম কিন্তু অধ্যক্ষ মহোদয়, শ্ৰেণীকোঠাৰ কাম একো হোৱা নাই । ৰাখাল টিলা, চাটাইমাৰীত তিনিখন হাইস্কুলৰ কাম, তাত কেৱল কেইটামান খুঁটি পুতি থৈছে । কিন্তু উত্তৰত লিখিছে কিছুমানত কাম সম্পূৰ্ণ হৈছে , কিছুমানত কাম চলি আছে। এনেকুৱা হ'লে কেনেকৈ হ'ব, তদন্ত হ'ব লাগে ছাৰ ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পইন্ট অৱ অৰ্ডাৰ ৰেইজ কৰিলে, আপোনাৰ কথাখিনি লিখি দিয়ক । আমি সেইমতে কৰিম ।

**শ্ৰীওৱাজেদ আলী চৌধুৰী, দক্ষিন শালমাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয় , যোৱাকালি আমি বিধায়কসকলে আপোনাৰ চেম্বাৰত গৈ নুৰুল হুদা সম্পৰ্কে আপোনাক এটা অনুৰোধ জনাইছিলো।

**মাননীয় অধ্যক্ষ ঃ** এইটো বিষয় সদনত ডিচকাশ্যন নহ'ব। কিবা কথা থাকিলে আমি সদনৰ বাহিৰত কথা পাতিম ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আইটেম নং-২ , পৰিপূৰক দাবী মঞ্জুৰীৰ ওপৰত আলোচনা আছে । কাৰ্য্য উপদেষ্টা সমিতিৰ বৈঠকত ৭১ নং মঞ্জুৰীৰ ওপৰত আলোচনা কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল । গতিকে ৭১ নং মঞ্জুৰীৰ ওপৰত ৪ টা কৰ্ত্তন প্ৰস্তাৱ পোৱা হৈছে । মই প্ৰথম কৰ্ত্তন প্ৰস্তাৱটো দিবলৈ অনুৰোধ কৰিছো । প্ৰথমতে শ্ৰীদেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী সকল। মই অনাৰেবল্ এডুকেশ্যন মিনিষ্টাৰক পৰিপূৰক দাবী মঞ্জুৰী উত্থাপন কৰিবলৈ অনুৰোধ জনালো ।

**শ্ৰীৰণোজ পেগু, মন্ত্ৰী, শিক্ষা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ অনুমোদনক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে, ২০২৫-২৬ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং- ৭১ বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত অতিৰিক্ত ৭৫,৪৪৫.১৬ লাখ টকা মঞ্জুৰ কৰি দিবৰ বাবে মই প্ৰস্তাৱ কৰো ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ, এতিয়া কৰ্ত্তন প্ৰস্তাৱ আছে- প্ৰথমতে শ্ৰীদেৱব্ৰত শইকীয়া ।

**শ্ৰীদেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি গ্ৰান্ট নং-৭১ স্কুল এডুকেশ্যনত এটা কৰ্ত্তন প্ৰস্তাৱ আনিছো । That the total provision of Rs. 75,445.16 Lakh under supplimentary demand for Grant No-71 in respect of School education at pages 383 to 399 of the list of supplimentary demands be reduced by Rs. 100 - That is the amount of the total supplimentary demand of Rupees 75,445.16 Lakh to stand reduced by Rupees 100 only.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া ৰফিকুল ইছলাম ডাঙৰীয়া ।

**ডঃ ৰফিকুল ইছলাম, জনীয়া ঃ** Hon'ble Speaker Sir, I would like to move that the total provision of Rs. 75,445.16 Lakh under supplimentary demands for Grant No- 71 in respect of School Education at pages 383 to 399 of the list of Supplimentary demands be reduced by Rs. 100 that is the amount of the whole Supplimentary demands of raised

75445.16 Lakh do stand reduced by Rupees 100.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীমনোৰঞ্জন তালুকদাৰ ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** Hon'ble Speaker Sir, I would like to move that the total provision of Rs. 75,445.16 Lakh under supplimentary demands for Grant No- 71 in respect of School Education at pages 383 to 399 of the list of Supplimentary demands be reduced by Rs. 100 that is the amount of the whole Supplimentary demands of raised 75445.16 Lakh do stand reduced by Rupees 100.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া শ্ৰীঅখিল গগৈ ।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে, ২০২৫ -২৬ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবীসমূহৰ তালিকাৰ ৩৮৩ ৰ পৰা ৩৯৯ পৃষ্ঠাত থকা বিদ্যালয় শিক্ষা শিতানৰ ৭১ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা সৰ্ব্বমূঠ ৭৫৪৪৫.১৬ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওঁক অৰ্থাৎ সমুদায় পৰিপূৰক দাবী মঞ্জুৰীৰ ৭৫৪৪৫.১৬ লাখ টকা ১০০ টকাৰে হ্ৰাস কৰা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ডিচকাশ্যন- অনাৰেব্‌ল লিডাৰ অৰ দি অপ'জিশ্যন- শ্ৰীদেৱব্ৰত শইকীয়া ।

**শ্ৰীদেৱব্ৰত শইকীয়া, মাননীয় বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজিৰ এই কৰ্ত্তন প্ৰস্তাৱত বিশেষকৈ শিক্ষা ক্ষেত্ৰৰ সম্পৰ্কত আলোচনা আয়োজন কৰাৰ বাবে আপোনাক ধন্যবাদ জনাইছো কাৰণ শিক্ষাই আমাৰ মূল । কোনোবাই কোৱাৰ দৰে- Education is the key that unlocks the golden door to freedom অথবা কোনোবা এজনে কোৱাৰ দৰে give a man a fees and you feed him for a day, give a man education and you feed him for a life time. সেয়েহে মহোদয়, আমাৰ সমাজত এজন শ্ৰেষ্ঠ ব্যক্তি হিচাপে আৰু ধনাত্মক আবদান যোগাবলৈ হ'লে শিক্ষা- দীক্ষাৰ ক্ষেত্ৰত উপযুক্ত হোৱাটো আটাইতকৈ জৰুৰী আৰু সেই বাবে ভাৰতবৰ্ষৰ জাতিৰ পিতা মহত্মা গান্ধীয়ে কৈছিল ১৪ বছৰ বয়সলৈ শিক্ষা বাধ্যতামূলক হ'ব লাগে আৰু এই ১৪ বছৰ বয়সৰ ভিতৰতে এনেকুৱা শিক্ষা থাকিব লাগে যাতে তেওঁ নিজে সমাজত অৰিহণা যোগায় লগতে স্বাৱলম্বী হ'ব পাৰে। আৰু সেই দিশতে যোৱা সময়ছোৱাত যিকোনো দলৰে চৰকাৰ হওঁক, কংগ্ৰেছয়ে হওঁক বা অকংগ্ৰেছীয়ে হওক সকলোৱে শিক্ষাৰ ক্ষেত্ৰত গুৰুত্ব দি আহিছে । শিক্ষা খণ্ডৰ গুৰুত্ব আছে বাবে আমি যোৱা সময়ছোৱাত এই বিষয়ে বিভিন্নধৰণৰ আলোচনা কৰি আহিছো । মহোদয়, অসমৰ শিক্ষা খণ্ডৰ ওপৰত আজি যিহেতু আলোচনা কৰিম সেয়েহে মই কেইটামান কেন্দ্ৰীয় চৰকাৰৰ তথ্যৰ ভিত্তিত মোৰ কথাখিনি সীমাবদ্ধ ৰাখিম । অন্যান্য বহুখিনি কথাই আছে , কিন্তু আমাক দিয়া সময়ৰ ভিতৰতে বাকীবিলাকে ক'ব । শিক্ষাৰ অধিকাৰ আইন ২০০৯ অতি গুৰুত্বপূৰ্ণ ।২০২৩-২৪ চনত এই শিক্ষাৰ অধিকাৰ আইনখন কেনেধৰণে ৰূপায়ণ হৈছে এই বিষয়ে ভাৰতৰ যি প্ৰতিবেদন তাত উল্লেখ কৰা আছে । প্ৰয়োজনীয় ব্যৱস্থাপনা সম্ভৱত আমাৰ বহুখিনি শিক্ষা প্ৰতিষ্ঠানে পূৰণ কৰিব পৰা নাই আৰু এই ব্যৰ্থতাই শিশুসকলৰ শিক্ষাৰ অধিকাৰ বিকাশ তথা সামাজিক ন্যায়ৰ ক্ষেত্ৰত উদ্বেগজনকভাৱে বাধাৰ সৃষ্টি কৰিছে । ২০২৩-২৪ চনৰ প্ৰতিবেদন অনুসৰি আধাতে শিক্ষা সাং কৰা শিক্ষাৰ্থীৰ হাৰ দেশৰ ভিতৰতে গড়ে অসমত আটাইতকৈ বেছি । প্ৰতিবেদনমতে ভাৰতৰ

**আধাতে শিক্ষা সাং কৰা শিক্ষাৰ্থীৰ অনুভাগ ১০.৯ কিন্তু অসমৰ ক্ষেত্ৰত এই অনুভাগ ১৯.৫ ঠিক তেনেকৈ ভাৰতবৰ্ষত স্কুলত নাম ভৰ্ত্তিৰ অনুভাগ উচ্চ মাধ্যমিক ৬৬.৫ কিন্তু অসমত ৫৬.৩ । ভাৰতত গড়ে ৯৮.৩৩ শতাংশ বিদ্যালয়ত খোৱাপানীৰ সুব্যৱস্থা থকাৰ বিপৰীতে অসমত ৯৫ শতাংশ বিদ্যালয়তহে ভাল খোৱা পানীৰ ব্যৱস্থা আছে । একেধৰণে এই তথ্য অনুসৰি এতিয়াও অসমত ২৬৩৩ খনত মাত্ৰ এজন শিক্ষক থকা বিদ্যালয় আছে আৰু ৯২,৮৮৮ গৰাকী শিক্ষাৰ্থী এনে বিদ্যালয়ত মকৰল হৈ আছে । নিউ এডুকেশ্যন পলিচি অনুসৰি শিক্ষাৰ্থী আৰু শিক্ষকৰ অনুপাত ৩০ঃ১ হ'ব লাগে কিন্তু এই ক্ষেত্ৰত অসমত ক'ম । গতিকে এই পৰিসংখ্যাবিলাক চিন্তনীয় । প্ৰতিবেদনখনৰ পৰা অসমত ৬৬৩৫ খন বিদ্যালয়ত ছাত্ৰীৰ বাবে ফাংশ্যনেল টয়লেট নাই আৰু ৮৩৩৩ খন বিদ্যালয়ত ছাত্ৰৰ বাবে ফাংশ্যনেল টয়লেট নাই । ৫৩৪৮ খন বিদ্যালয়ত গ্ৰন্থাগাৰৰ অভাৱ। ৭৭৮০ খন বিদ্যালয়ত বিদ্যুতৰ সংযোগ নাই । ১০৭৪৪ খন বিদ্যালয়ত খেল পথাৰৰ অভাৱ ।** প্ৰতিবেদনখনৰ পৰা এই কথাও জনা যায় যে অসমত ৬,৬৩৫ খন বিদ্যালয়ত ছাত্ৰীৰ বাবে functional শৌচালয় নাই, ৮,৩৩৩ খন বিদ্যালয়ত কাৰ্য্যকৰি অৱস্থাত ছাত্ৰৰ বাবে functional নাই, ৫,৩৪৮ খন বিদ্যালয়ত গ্ৰন্থগাৰৰ অভাৱ ৭,৭৮০ খন বিদ্যালয়ত বিদ্যুৎ সংযোগৰ অভাৱ, ১০,৭৪৪ খন বিদ্যালয়ত খেল পথাৰৰ অভাৱ।

মাননীয় অধ্যক্ষ মহোদয়, আজি বিজ্ঞানৰ যোগ, আমি সকলোখিনি digitalization computer ৰ যোগেদি পাব পাৰো আৰু computer সক্ষম হলেহে বৰ্তমান সময়ত শিক্ষা দিক্ষাৰ ক্ষেত্ৰত যথেষ্ট আগৰণুৱা হ'ব পাৰি। এই প্ৰতিবেদন অনুসৰি ৰাজ্যৰ ২৪,৯৯৩ খন বিদ্যালয়ত কাৰ্য্যকৰিভাৱে শিক্ষা দিবলৈ computer ৰ অভাৱ। আনহাতে ৩১,১৪০ খন বিদ্যালয়ত internet ৰ সংযোগ নাই। কেন্দ্ৰীয় চৰকাৰে পূজি দিয়াৰ পিছতো ৪,৮৯৫ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত ১৩,৭০০ খন বিদ্যালয়ত এতিয়া তথ্য যোগাযোগ প্ৰযুক্তিৰ ICT পৰীক্ষাগাৰৰ ব্যৱস্থা কৰা নাই।

মাননীয় অধ্যক্ষ মহোদয়, কেন্দ্ৰীয় শিক্ষা মন্ত্ৰনালয়ৰ পৰ্য্যালোচনাৰ মতে অসমৰ ৪,৩২ খন বিজ্ঞান শাখা থকা উচ্চতৰ মাধ্যামিক বিদ্যালয়ৰ ৪৪ খন বিদ্যালয়ত পদাৰ্থ বিজ্ঞানৰ, ৪৩ খন বিদ্যালয়ত ৰাসায়ন বিজ্ঞানৰ, ৯১ খন বিদ্যালয়ত জীৱ বিজ্ঞানৰ পৰীক্ষাগাৰ নাই। আনকি কেন্দ্ৰীয় চৰকাৰৰ পূঁজি অনুমোদন কৰাৰ পিছতো অনুমোদিত বিজ্ঞান পৰীক্ষাগাৰৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা নাই।

ৰাজ্যৰ বহুত বিদ্যালয়ত এটা সভা গৃহৰ ভিতৰত বিভিন্ন শ্ৰেণীৰ পাঠদান কৰি থাকে আৰু ইয়াৰ ফলত এজন দ্বিতীয় শ্ৰেণীৰ ছাত্ৰই প্ৰথম শ্ৰেণী, তৃতীয় শ্ৰেণীৰ পাঠদানৰ কথাও শুনে, তৃতীয় শ্ৰেণীৰ ছাত্ৰজনে দ্বিতীয় শ্ৰেণী চুতুৰ্থ শ্ৰেণীৰ পাঠদান ল'ব লগীয়া হয়। তাৰ ফলত তেওঁলোকে মনোযোগ দিবলৈ কষ্ট পায় আৰু এনেকুৱা বিদ্যালয়সমূহত যদি দেৱাল দিয়াৰ ব্যৱস্থা কৰা নহয়, তেতিয়া হলে সামগ্ৰীকভাৱে যি ছাত্ৰ-ছাত্ৰীৰ অভাৱ, এই অসমীয়া মাধ্যমৰ বিদ্যালয়সমূহ বন্ধ হ'বলৈ যি এক দূৰ্দশা দেখিবলৈ গতি কৰিছে, ই অন্যতম কাৰণ হিচাপে চিহ্নিত হ'ব।

মাননীয় অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ যি performance grading প্ৰতিবেদন উলিয়াইছিল, ইয়াতো বিভিন্ন দিশত আমি দেখিবলৈ পাইছো যে শেষৰ ফালেহে আছো, আমি যিমানখিনি আগবাঢ়ি যাব লাগে, যাব পৰা নাই। পঞ্চম শ্ৰেণীৰ ২.২ শিক্ষাৰ্থীয়ে ১ ৰ পৰা ৯ লৈ পঢ়িব নাজানে, ১২ শতাংশ শিক্ষাৰ্থীয়ে ১ ৰ পাৰ ৯ লৈ পঢ়িব জানে, ৩৪ শতাংশ শিক্ষাৰ্থীয়ে কেৱল ১১ ৰ পৰা ৯৯ লৈকে পঢ়িব জানে, ৩২ শতাংশ শিক্ষাৰ্থীয়ে বিয়োগ কৰিব

পাৰে, ১৬ শতাংশ শিক্ষাৰ্থীয়ে পুৰণ হৰণ কৰিব জানে। এই ক্ষেত্ৰত অসমৰ ব্যক্তিগত বিদ্যালয়সমূহ তুলনাত চৰকাৰী বিদ্যালয়সমূহৰ তুলনাত পিছপৰা অৱস্থাটো কেন্দ্ৰীয় প্ৰতিবেদনত উল্লেখ আছে। National Achievement Survey, 2024 ৰ অধীনতো শিক্ষা মন্ত্ৰালয়ৰ জৰিপ অনুসৰি অসমৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ একাংশ শতাংশই ১০০ টকালৈকে ধনৰ সৰল লেনদেনৰ ওপৰি গণিত নজনাৰ ওপৰিও মৌলিক জ্যামিতিক আকৃতি এই বিলাকো চিনাক্ত কৰিব নোৱাৰে। ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ ৭০ শতাংশ দৈনন্দিন জীৱনত ব্যৱহাৰিত হোৱা ভগ্নাংশ একক অংক হিচাপে বিভাজন কৰিব নাজানে।

ঠিক তেনেকৈ মাননীয় অধ্যক্ষ মহোদয়, অসম চৰকাৰে এটা ভাল পদক্ষেপ লৈছিল অসমীয়া মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীৰ বাবে ৫ শতাংশ মেডিকেল, ইঞ্জিনিয়াৰিং, technical ৰ reservation। খুৱ সম্ভৱ ইয়াক উদ্ধাৰ কৰা হৈছে, ইয়ো আমাৰ অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়সমূহৰ অগ্ৰগতিৰ ক্ষেত্ৰত এক বিৰূপ প্ৰভাৱ পেলাব পাৰে।

মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগত, সেই গতিকে মই ভাৱে আমি প্ৰতি জিলাতে পূৰ্ণাংগ প্ৰতিবেদন এখনকৈ প্ৰকাশ কৰিব লাগে, যাৰ জৰিয়তে আমি ক'ত কি অভাৱ হৈ আছে, সেইখিনি জানিব পাৰো আৰু বে-চৰকাৰী উদ্যোগ, বিধায়ক পুঁজি, ইয়াৰ জৰিয়তে সেইবিলাক সমাধানৰ বাবে কিবা পদক্ষেপ ল'ব পাৰি যদি সেইখিনি গ্ৰহণ কৰিব পাৰো। চাহ বাগিছা, চৰ অঞ্চল, সীমান্ত অঞ্চলসমূহলৈও ক্ষেত্ৰ পৰিদৰ্শনৰ ব্যৱস্থা হ'ব লাগে। আজি কালি চৰকাৰী বিষয়াসকলৰ কাম হেচাৰ বাবে বিদ্যালয়সমূহৰ inspection বহুত কম হয় আৰু যিহেতু বিষয়াৰো অভাৱ আছে, সেইখিনি নিশ্চিতভাৱে হোৱা নাই।

যি সমূহ অসম্পূৰ্ণ বিদ্যালয় আনুপাতিক ভাৱে উন্নত কৰাৰ বাবেও বিধান সভাত শিক্ষাৰ ওপৰত special discussion হৈছিল, সেইখিনি সেই সময়ত নাপালো। মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা পুনৰ আয়োজন কৰিব লাগে আৰু যিখিনি performance grading state of index for State and Union Territories, ইয়াত যিখিনি ছবি দিয়া হৈছে, এইখিনিৰ ওপৰত ভিত্তি কৰি যাতে আমাৰ পুঁজি ব্যয় ভালদৰে হয়, সেই প্ৰস্তাৱ আগবঢ়াই মই এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী চক্ৰধৰ গগৈ।

**শ্ৰী চক্ৰধৰ গগৈ, (মৰাণ)** ঃ ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ মজিয়াত বিৰোধী দলে শিক্ষা বিভাগৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে, ইয়াক বিৰোধীতা কৰি মোক দুষাৰমান কবলৈ অনুমতি দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, আমাৰ অসম চৰকাৰৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত এই চৰকাৰখনৰ শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগু ডাঙৰীয়াৰ নেতৃত্বত শিক্ষা বিভাগে অতীতৰ সেই দুখ লগা, পয়া লগা যিটো শৈক্ষিক ব্যৱস্থা আছিল, সেইটোক এটা আধুনিক ৰূপ দিবৰ কাৰণে ইয়াৰ অন্তঃগাঠনিৰ পৰা শিক্ষাৰ মানদণ্ড বহুমুখী কৰিবৰ কাৰণে, উন্নত কৰিবৰ কাৰণে, বিভিন্ন ধৰণৰ ব্যৱস্থা লৈছে আৰু যিখিনি কামৰ বাবে ইতিমধ্যে অসমৰ শিক্ষা বিভাগে ২০২৪ বৰ্ষত দুটাকৈ ৰাষ্ট্ৰীয় পৰস্কাৰ পাবৰ কাৰণেও তেখেতসকলে সক্ষম হৈছে।

বিশেষকৈ এই ক্ষেত্ৰত মই উল্লেখ কৰিব লাগিব যে Prime Minister's Award for excellence in public administration, 2024, এই award পাবৰ কাৰণে সক্ষম হৈছিল শিক্ষা বিভাগে লগতে আৰু এটা award পাইছিল National Award for e-

Governance, 2024। গতিকে এই ধৰণে ৰাষ্ট্ৰীয় পৰ্য্যায়টো সন্মান সহকাৰে আমাৰ শিক্ষা বিভাগটোৱে আগুৱাই যাবলৈ সক্ষম হৈছে। যিটো প্ৰধানমন্ত্ৰী ডাঙৰীয়াইও স্বীকৃতি প্ৰদান কৰিছে।

আমি অসমৰ শিক্ষা ব্যৱস্থাটো আজিৰ পৰা ১৫ বছৰ বা ১০ বছৰ আগলৈকে যদি ঘুৰি যাওঁ, আমি এটা কথা দেখা পাম যে অসমৰ গাওঁ অঞ্চলত থকা, বাগিছা অঞ্চলত থকা বিদ্যালয় বিলাকৰ অৱস্থা অতি দুখ লগা আছিল আৰু অতি পুতৌজনক আছিল। সেই সময়ত বিদ্যালয়বিলাক বাঁহ, টিনৰ আছিল, বেছি ভাগে আৰু কৰবাত খুটা হাউলি থাকে, টিন পাতবোৰ পচি যোৱা, বেঞ্চ - ডেস্ক নথকা অৱস্থা। ছাত্ৰ ছাত্ৰীয়ে ধাৰি ঢকুৱা পাৰি পঢ়িবৰ কাৰণে ব্যৱস্থা কৰিব লগীয়া হৈছিল আৰু বৰ্তমান সময়ত আমি সমগ্ৰ অসমৰ যিকোনো এখন বিদ্যালয়লৈ যাওঁক আপুনি সেই বেয়া লগা অৱস্থা বা দুখ লগা অৱস্থা নাপায়। কাৰণ বৰ্তমানৰ চৰকাৰখনে শিক্ষা বিভাগটো আধিক মনোগ্ৰাহী কৰিবৰ কাৰণে, এটা উন্নত পৰ্য্যায়লৈ লৈ যোৱাৰ কাৰণে বিভিন্ন ধৰণৰ ব্যৱস্থা লৈছে। তাৰ ভিতৰত আন্তঃগাঠনি উন্নয়ন যি ধৰণে হৈছে, আমি সেইটো গাঁও অঞ্চলত অনুভৱ কৰিছো, আনকি বাগিছা অঞ্চলটো অনুভৱ কৰিছো।

আমি এটা কথা সকলোৱে জানো যে আমাৰ এই ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থা, এই ব্যৱস্থা আজি বা কালি এবছৰ, দুইবছৰ বা ৫০ বছৰলৈ ইতিহাস নহয়। এই ইতিহাস হাজাৰ, হাজাৰ বছৰৰ ইতিহাস, যি ইতিহাসৰ পাতত লুকাই আছে ৰামায়ন, মহাভাৰত বা গীতা, উপনিষদ, এনে ধৰণৰ মহান মহান ধৰ্মগ্ৰন্থ বিলাক ৰচনা কৰাৰ ঐতিহাসিক পতভুমি যেতিয়া আমি বিচাৰি চাওঁ, তেতিয়া হলে দেখা পাম যে আজিৰ পৰা ৬, ৭ হাজাৰ বছৰৰ আগতে আমাৰ এই ভাৰত বৰ্ষখন শিক্ষাৰ দিশত অধিক আগবঢ়া আছিল আৰু অতি সংস্কৃতিবান আছিল। হয়তো যি সময়ত ইউৰোপ, আমেৰিকাত মানুহে কাপোৰ পিন্ধিব জনা নাছিল, নাঙঠ হৈ গছৰ সুৰুঙাত হয়তো বাস কৰিছিল, পৰ্বতৰ গুহাত বাস কৰিছিল, সেই সময়ত আমাৰ ভাৰতবৰ্ষত আমাৰ পূৰ্ব পুৰুষসকলে গাত গেৰুৱা বসন পিন্ধি গছৰ তলত সাধানা কৰি খৃষি মুনি সকলে ভাগৱত গীতা, উপনিষদ, কোৰাণ, ইত্যাদি ৰচনা কৰিছিল। গতিকে সেই মহান ভাৰতবৰ্ষৰ সনাতন সংস্কৃতিৰ আধাৰ আমাৰ শিক্ষাৰ বিকাশৰ প্ৰতি আজি এই একবিংশ শতিকাৰ প্ৰৱেশ কৰিলে। গতিকে তেনে অৱস্থাত মই সংস্কৃতিৰ বাক্য এটা যদি আপোনালোকৰ আগত দাঙি ধৰো, তেতিয়াই বুজিব যে আমাৰ এই সনাতন সভ্যতাই শিক্ষাৰ ওপৰত কেনেধৰণে গুৰুত্ব প্ৰদান কৰে বা ইয়াক কেনে ধৰণে লোৱা যায়। শিক্ষা কেৱল চাকৰিৰ বাবে নহয়, শিক্ষা কেৱল এটা ডিগ্ৰী আগত লিখিবৰ কাৰণে কেতিয়াও হ'ব নোৱাৰে। এই শিক্ষাৰ মুল অৰ্থ আমি কৰ পৰা উৎঘাটন কৰিছো, এই কথাষাৰ মই এতি সংস্কৃত বাক্যৰ যোগেদি আপোনালোকক অৱগত কৰিব খুজিছো। ইয়াত কোৱা হৈছে যে - বিদ্যা বন্ধু জনো বিদেশ গমনে, বিদ্যা পৰং দৈৱতম, বিদ্যা ৰাজযু পুজতে নহি ধানম, বিদ্যা বিহিনা পশু। অৰ্থ্যাৎ বিদ্যাই বিদেশতো সংগ প্ৰদান কৰে, বন্ধুত্বৰ দৰে কাম কৰে.। মাননীয় উপাধ্যক্ষ মহোদয়, অৰ্থাৎ বিদ্যাই বিদেশতো সংগ প্ৰদান কৰে, বন্ধুত্বৰ দৰে কাম কৰে। 'বিদ্যা পৰম দৈবতম'-অৰ্থাৎ বিদ্যাক আমি দেৱতাৰ নিচিনা জ্ঞান কৰো। 'বিদ্যা ৰাজসো পূজ্যতে, নহি ধনং'-অৰ্থাৎ বিদ্যাক ৰজায়ো পূজা কৰে, ৰজায়ো সন্মান কৰে। ধনক সন্মান নকৰিব পাৰে। 'বিদ্যা বিহীনং পশু' অৰ্থাৎ যাৰ বিদ্যা নাই, জ্ঞান বুদ্ধি নাই তেওঁক পশুৰ লগত তুলনা কৰা হৈছে। সেই সত্যৰ পৰা উদ্ভাসিত হৈছে আমাৰ ভাৰতীয় শিক্ষা। গতিকে সেই শিক্ষাক আৰু বেছি আধুনিকীকৰণ কৰিবৰ বাবে আমাৰ অসম চৰকাৰে সাংঘাতিক ধৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ ভিতৰত মই কেইটামান আপোনালোকৰ ওচৰত আলোকপাত কৰিব বিচাৰিছো। আমাৰ গাওঁ অঞ্চলত বাস কৰা দুখীয়া কৃষক, শ্ৰমিক,

বাগানৰ লোকসকলৰ পুত্ৰ-কন্যাসকলে যাতে স্কুল যাবলৈ ইচ্ছা কৰে, তেওঁলোকে যাতে স্কুললৈ নোযোৱাকৈ নাথাকে তাৰ বাবে বিভিন্ন ধৰণৰ উপায় আৰু আঁচনি গ্ৰহণ কৰা হৈছে। আগৰ দিনবোৰ এটা ডাঙৰ সমস্যা আছিল যে বিদ্যালয়লৈ গ'লে নামভৰ্ত্তি কৰিবলৈ টকা-পইচা খৰচ কৰিবলগীয়া হয়। তলৰ পৰ্য্যয়িত বহু বেছি চিন্তা নহ'লেও মেট্ৰিক অথবা হাইয়াৰ ছেকেণ্ডাৰী পাচ কৰাৰ পিছত উচ্চ শিক্ষা লবৰ বাবে কলেজলৈ ধাবমান হয়। তেতিয়া অভিভাৱক সকলে চিন্তা কৰিবলগীয়া হৈছিল। তেওঁলোকে হয়তো ককায়েক, মোমায়েক সকলৰ ওচৰত সহায়ৰ যাবলগীয়া হৈছিল। তেতিয়া ককায়েকে হয়তো কৈছিল যে ভনীজনীক এইবাৰ সহায় কৰিব নোৱাৰে, কাৰণ তেওঁৰ ছোৱালীও এইবাৰ পাচ কৰিছে। এনেধৰণৰ পৰিৱেশ এটাৰ হয়তো সৃষ্টি হৈছিল। কিন্তু বৰ্তমান সময়ছোৱাত প্ৰথম শ্ৰেণীৰ পৰা স্নাতকলৈ এটকাও নামভৰ্ত্তিৰ বাবে নিদিয়াকৈ স্কুল-কলেজলৈ পঠিয়াব পৰা হৈছো। কেৱল সেইয়াই নহয়, আজি যদি দুখীয়া ঘৰৰ পুত্ৰ-কন্যাই কিবা কাৰণত নোখোৱকৈ স্কুললৈ যাবলগীয় হয়, মই তেনেকুৱা মানুহ আমাৰ অসমত আছে বুলি ভৱা নাই। কাৰণ আমি বিনামূলীয়াকৈ চাউল দিয়োৰো ব্যৱস্থা কৰা হৈছে। কিন্তু কিবা কাৰণত কোনোবাই যদি নোখোৱাকৈ স্কুললৈ যায়, তাৰ বাবে দুপৰীয়াৰ আহাৰৰ ব্যৱস্থা এইখন চৰকাৰৰ দিনত চলি আছে। আজি যদি আমি অন্য এটা বিষয় চাওঁ যে সেই ল'ৰা-ছোৱালীসকলে কি সাজ-পোছাক স্কুলত পিন্ধিব? আমাৰো মনত আছে যে আমাৰ ল'ৰালি কালত আমি যেতিয়াস্কুললৈ গৈছিলো আমাৰ ঘৰত বহুত সাজ-পোছাক নাছিল। আমি হয়তো এযোৰ কাপোৰ পিন্ধিয়েই তিনি-চাৰি দিন স্কুললৈ গৈছিলো। আজি কোনেও এনে অৱস্থাত স্কুললৈ যাব নালাগে। কাৰণ মাক-দেউতাকে কাপোৰ-কানি লৈ এতিয়া চিন্তা কৰিব নালাগে। আমাৰ চৰকাৰৰ ফালৰ পৰা প্ৰত্যেক বছৰে বিনামূলীয়াকৈ দুযোৰ কাপোৰ দিয়াৰ ব্যৱস্থা কৰিছে। নৱম শ্ৰেণীত পঢ়ি থকা ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ চাইকেল দিয়া হৈছে। এতিয়া কন্যা সন্তান সকলৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে। নিযুত মইনা আঁচনিৰ যোগেদি মেট্ৰিক, হাইয়াৰ ছেকেণ্ডাৰী আৰু ডিগ্ৰী পঢ়ি থকা ছাত্ৰীসকলক এক নিৰ্দ্দিষ্ট পইচা দি থকা হৈছে। আমাৰ চৰকাৰে দল-মত নিৰ্ব্বিশেষে, জাতি-ধৰ্ম নিৰ্ব্বিশেষে 'সবকা সাথ সবকা বিকাশ ' নীতিৰে আগুৱাই গৈ আছে। আমাৰ মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াই আৰু বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। বিশেষকৈ আন্তঃগাঁথনি উন্নয়ণৰ বাবে। মোৰেই বাগিছাত নতুনকৈ যোৱা পাঁচটা বছৰত প্ৰায় ছয়খন মডেল স্কুল নিৰ্মাণ কৰা হৈছে। তাৰোপৰি ন খন স্কুলৰ বাবে ৭.৫ কোটি টকাকৈ পাবলৈ সক্ষম হৈছো আৰু এই স্কুলসমূহৰ নিৰ্মাণ কাৰ্য্য চলি আছে। আমাৰ চৰকাৰৰ দিনত এনেধৰণে কাম কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী আৰু মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো। অনাগত দিনত আৰু বেছি কাম কৰিবৰ বাবে মই অনুৰোধ জনাইছো আৰু ইয়াৰ বাবে আৰু বেছি ধনৰ প্ৰায়োজন হ'ব। এই ক্ষেত্ৰত বিৰোধীসকলকো সহযোগিতা কৰিবৰ বাবে অনুৰোধ কৰিছো। মোৰ সমষ্টিৰ খোৱাং পৃথুবৰ কলেজখন ২০১৩ চনত প্ৰাদেশিকীকৰণ হ'ল। কিন্তু বুৰঞ্জী বিভাগটো আজিলৈকে প্ৰাদেশিকীকৰণ হোৱা নাই। সেই ক্ষেত্ৰত মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনাইছো আৰু এখন বৃহৎ অঞ্চল নৰোৱা মৌজাত এখনো কলেজ নাই। মোক এইবছৰ নালাগে অহা বছৰতো আমাৰ চৰকাৰ হ'ব আৰু তেতিয়া তাত এখন কলেজ নিৰ্মাণ কৰিবলৈ প্ৰস্তাৱ আগবঢ়াই মই মোৰ বক্তব্য সামৰণি মাৰিছো। পুনৰবাৰ এই শিক্ষা বিভাগত আৰু বেছি ধন প্ৰদান কৰিবৰ বাবে অনুৰোধ জনাইছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্যসকল আপোনালোকে মন দিব যে আপোনালোকক কিমন সময়দিয়া হৈছে। নহ'লে আপোনালোকৰ দলৰ বাকী সদস্যসকলে ক'বলৈ নাপাব। এতিয়া মাননীয়

সদস্য হাফিজ ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক। আপোনাক ন মিনিট সময় দিয়া হৈছে।

**ড০ ৰফিকুল ইছলাম, বিধায়ক, (জনিয়া),বৰপেটা ঃ** माननीय উপাধ্যক্ষ মহোদয়, স্কুল শিক্ষাৰ ওপৰত আলোচনা চালি আছে আৰু আমিও কৰ্তন প্ৰস্তাৱ আনিছো। এই ক্ষেত্ৰত আমাক দু-আষাৰ ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। অসমৰ শিক্ষা বিভাগ কেনেকৈ চলি আছে, আমি সেই বিষয়ে প্ৰত্যেকজন সদস্যই জ্ঞাত। এইটো হয় যে কিছু স্কুল বিল্ডিং নিৰ্মাণ কৰা হৈছে। আমাৰ মাননীয় সদস্য এজনে ইউনিফৰ্মৰ কথা কৈছে, কিবা পুৰস্কাৰ পোৱাৰ কথাও কৈছে। এনেকুৱাধৰণৰ যদি পুৰস্কাৰ পাইছে, সেইটো ভাল কথা। কিন্তু কিহৰ ওপৰত পুৰস্কাৰ পাইছে, সেইটো নিশ্চয় জানিব লাগিব। গোটেই ভাৰতবৰ্ষত শিক্ষাৰ ক্ষেত্ৰত পি জি আৰ ৰিপোৰ্ট হিচাপে অসমৰ স্থান তলৰ ফালৰ পৰা তিনি নম্বৰ। কেৱল অৰুণাচল প্ৰদেশ আৰু মেঘালয়হে আমাৰ পিচত আছে। বাকী সকলো ৰাজ্যই আমাতকৈ আগবাঢ়ি গৈছে। ২০২২-২৩ চনত আমি ৫০.২ পইণ্ট লাভ কৰিছিলো আৰু সেইটো কমি ৪৬ পইণ্টত আহিলো। যোৱা দুটা বছৰে আমাৰ চাৰি শতাংশ কমিলে। আমি তল ফাললৈ আহিলো। এইটো আমাৰ দুৰৱস্থা। গোটেই ভাৰতবৰ্ষৰ শিক্ষাৰ ক্ষেত্ৰত ৩৬ খন ৰাজ্যৰ ভিতৰত আমাৰ অসমৰ স্থান ৩১। তাৰ পিছতো আমি যদি কিবা পুৰস্কাৰ পাইছো তেন্তে আমি জানিব লাগিব যে কিবা ফিক্সিং ৰ দ্বাৰা আমি পুৰস্কাৰ পাইছো নে আমি সঁচাকৈ ভাল কৰি পুৰস্কাৰ পাইছো। এইটো কিন্তু এটা লাখ টকীয়া প্ৰশ্ন। আজি প্ৰায় এক ঘণ্টা শিক্ষাৰ ওপৰত আলোচনা চলি আছে। অসমত যোৱা সাত-আঠ বছৰত প্ৰায় আঠ হাজাৰ স্কুল বন্ধ হ'ল বা আমি বহু বিদ্যালয় একেলগ কৰিলো। ইয়াৰ কাৰণটো হৈছে তাত ছাত্ৰ-ছাত্ৰী নাই। তাত ছাত্ৰ-ছাত্ৰী নথকাৰ মূল কাৰণ হৈছে তাত শিক্ষক নাই। আমাৰ ৰাজ্যৰ শিক্ষা নীতি অনুসৰি প্ৰাথমিক বিদ্যালয়ত ৩০:১ অনুপাতত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক থাকিব লাগে। কিন্তু ৫৫ জন ছাত্ৰ-ছাত্ৰী থাকিলে এজন শিক্ষক থাকে আৰু ৮৫ জন ছাত্ৰ-ছাত্ৰী থাকিলে দুজন শিক্ষক থাকে। কিন্তু প্ৰাথমিক বিদ্যালয়ত চাৰি-পাঁচটা শ্ৰেণীত যদি কেৱল দুজন শিক্ষক থাকে আৰু তাৰে যদি এজন শিক্ষক অৱসৰ লৈ গুছি যায়, আমাৰ যি নিযুক্তি প্ৰক্ৰিয়া সেই অনুসৰি এক-দুই বছৰ পিছত পৰীক্ষা পতাৰ পিছতহে সেই খালী ঠাইত আহিব। নহ'লে এখন স্কুলৰ পৰা আনি সেই স্কুলখনত দিব আৰু সেইটো মন গ'লেহে দিব বা নিদিবও পাৰে। এইয়া হৈছে আমাৰ স্কুলবিলাকৰ দুৰৱস্থা। আমাৰ প্ৰাথমিক বিদ্যালয় সমূহৰ প্ৰায় ৫০ শতাংশ স্কুলত দুজন শিক্ষক থাকে। আৰু সেই শিক্ষক দুজনে যদি দুটা শ্ৰেণীত পাঠদান কৰে, বাকী তিনিটা শ্ৰেণীত কোনে পঢ়াব? এই বিষয়ে বিভাগে কিয় খবৰ নলয়? তাৰ বাবে আমি কিয় চিন্তা নকৰো? আমাৰ আগত উদাহৰণ আছে যে কেৰেলাত class wise শিক্ষক নিযুক্তি দিয়া হয়।. মাননীয় উপাধ্যক্ষ মহোদয় কেৰেলাত class wise teacher তেখেতসকলে appoint কৰে। Five classes স্কুলত ৫ জন primary ত থাকিব লাগিব। আপুনি যদি ৫০ student allow কৰিছে বা ৬০ জন student থাকিলে স্কুলখন বাচি থাকিব, আমি এইটো close নকৰো বা merge নকৰো, তেতিয়াহ'লে class wise অতি কম হ'লেও ৫ জন শিক্ষক নিযুক্তি দিব লাগিব। At least এজন শিক্ষকে ছাত্ৰবিলাকক যাতে পঢ়াব পাৰে, কিন্তু সেই ব্যৱস্থাটো আমাৰ ৰাজ্যত নাই। নোহোৱাৰ কিন্তু আমি পৰামৰ্শ দিছো। মাননীয় শিক্ষামন্ত্ৰী মহোদয় আছে। এই matter টো যদি আমি seriously নলওঁ আমাৰ বিদ্যালয় বন্ধ হৈ গৈ থাকিব। Primary স্কুলত যেতিয়া শিক্ষক নাথাকিব, এজন বা দুজনহে থাকিব, মন্ত্ৰী মহোদয় বা মই বিধায়কৰ ল'ৰা সেই Primary স্কুলত নিদিও। আজি দুখীয়া মানুহখিনিও বুজি উঠিছে যে মোৰ ল'ৰাৰ জীৱন ইয়াত নষ্ট হ'ব। গতিকে শিক্ষক নোহোৱা স্কুলত গোটেই দিনটো খেলা-ধূলা কৰাৰ

কাৰণে, সেই Mid-day-meal ৰ দালি ভাত খাবলৈ বা বছৰত এযোৰ কাপোৰ দিব সেইখিনিৰ কাৰণে, আমি যে কওঁ আমি এইবোৰ সুবিধা দিছো, সেই সুবিধাৰ কাৰণে কিন্তু জনসাধাৰণে ল'ৰা-ছোৱালী নিদিয়ে। তাৰ বাস্তৱ picture হ'ল আজি সাধাৰণ শ্ৰেণীৰ মানুহেও শিক্ষক নথকা স্কুলত ল'ৰা-ছোৱালী দিয়া নাই। যাৰ কাৰণে ৰিপোৰ্ট যেতিয়া আনে যে কিমান আছে, ২০ জন student, ১০ জন student আৰু শিক্ষক কেইজন ২ জন, ৩ জন, এনেকৈ বন্ধ কৰি গৈ গৈ ৭-৮ বছৰত আমি ৮০০০ বিদ্যালয় বন্ধ কৰিলো। আজি বন্ধ কৰিলেও ছাত্ৰ স্কুলত যোৱা বন্ধ হোৱা নাই। যিটো level আছিল, সেইটো level তে স্কুলত গৈ আছে, কিন্তু ক'ত গৈ আছে। আমাৰ private school ৰ জন্ম হৈ আছে। দিনে দিনে private school হৈ আছে। ১৪ শতাংশ private school ৰ সংখ্যা বৃদ্ধি হ'ল আৰু ৯ শতাংশ চৰকাৰী বিদ্যালয় বন্ধ হ'ল। এতিয়া private school যেতিয়া প্ৰতিষ্ঠিত হ'ল, সকলোৱেতো নোৱাৰে তাত এটা মাচুল আছে আৰু যদি কম মাচুল লৈ শিক্ষকে পঢ়ায়, quality maitain কৰিব নোৱাৰে তেওঁলোকে। চৰকাৰৰ এটা দায়িত্ব আছে যে private school বিলাক যে হৈছে, তাত উপযুক্ত শিক্ষক আছে নে নাই। আপোনাৰ ইয়াতে ২৫ বছৰ ৩০ বছৰ ভেন্সাৰ স্কুলত কাম কৰা শিক্ষক জনৰ NET, SLET, Ph.D নাই under qualified কৰি, চাটাই কৰি থৈ দিছে এফালে, আনফালে কামো কৰাই আছে।সেই শিক্ষকসকলে কলেজত পঢ়াই আছে যিটো বিভাগ মই আজি ২০ বছৰ ধৰি লোৱা নাই, under qualified কৰি থৈ দিছো। এজন ছাত্ৰ কম থকাৰ বাবে হাইস্কুলৰ শিক্ষক জনক ২০ বছৰ ধৰি শাস্তি দি থকা হৈছে। ২০ বছৰ তেখেতৰ পৰিশ্ৰমত পানী পৰি গ'ল, সেই post টো লোৱা নহ'ল কিন্তু সেই শিক্ষকৰ দ্বাৰা কাম কৰাই আছো। সেই শিক্ষকৰ দ্বাৰাই election duty কৰাই আছো। তেওঁৰ দ্বাৰা SR ৰ কাম কৰাই আছো। এফালে আমি quality ৰ কথা কৈ চাটাই কৰি ৰাখি দিছো, আনফালে সেই সকল শিক্ষকৰ দ্বাৰা আমি আমাৰ বিদ্যালয় সমূহৰ কামো লৈছো আৰু অতিৰিক্তভাৱে চৰকাৰৰ কামো লৈছো। আনফালে private বিদ্যালয়বোৰত যে শিক্ষক ৰাখিছে তেখেতসকলৰ quality আছে নে নাই চকু দিয়া নাই। যাৰ কাৰণে অসমৰ ছবি আজি গোটেই ভাৰতবৰ্ষৰ ভিতৰত দুৰৱস্থাৰ মূল কাৰণ বুলি মই ভাৱো। মাননীয় শিক্ষামন্ত্ৰীয়ে এই বিষয়ে চিন্তা কৰি class wise শিক্ষক নিযুক্তি দিব লাগে। দ্বিতীয়তে মাননীয় উপাধ্যক্ষ মহোদয় মোৰ এটা পৰামৰ্শ থাকিব বহুত বিদ্যালয়ত এবছৰ বা দুবছৰ পিছতহে চৰকাৰে নিযুক্তি দিয়ে। কিন্তু কলেজ বিলাকত post খালী হ'লে দুমাহ মানৰ ভিতৰত Governing Body য়ে resolution লৈ নিযুক্তি দিছিল কিন্তু সেইখিনিও চৰকাৰে টানি আনিলে, এতিয়া কলেজ বিলাকতো অলপ পলম হ'ব, যিহেতু APSC ক দিয়া হ'ব। যেনেকৈ কলেজত আগতে system আছিল post খালী হ'লে Governing Body য়ে advertisement কৰি ১৫ দিনৰ ভিতৰত বা এমাহৰ ভিতৰত শিক্ষক নিযুক্তি দিব পাৰে, সেইটো বাহাল থাকিব লাগে আৰু বিদ্যালয় সমূহতো এই ব্যৱস্থা কৰিব লাগে within a month, week বা 15 days ত যদি advertise কৰি খালী থকা পদটো ল'ব দিয়া হয়, তেতিয়াহ'লে কোনো post vacant নাথাকে। মেলা পাতি আমি দুবছৰ পিছত post ল'লে সেই subject টো কোনে পঢ়াব। Maths, English, Geography, Economics ৰ শিক্ষক হাইস্কুলত নাই। এতিয়া Genral teacher এজনে গৈ Economics পঢ়াব নোৱাৰে বা সংস্কৃত পঢ়াব নোৱাৰে। গতিকে subject wise শিক্ষক নিযুক্তি নিদিয়াৰ কাৰণে হাইস্কুল বা Higher Secondary বিলাকত post ইমান খালী হৈ আছে, সেইকাৰণে সেইবিলাকত result ৰ অৱস্থাও বেয়া আৰু শিক্ষাৰ quality ও বেয়া।

Building ধুনীয়া ধুনীয়া বনালে নহ'ব, শিক্ষক ভালদৰে নিযুক্তি নিদিলে এনেকুৱা দূৰৱস্থা হৈ থাকিব। উপাধ্যক্ষ মহোদয়, Arabic Teacher, PG ৰ Teacher Higher Secondary বিলাকত, গোটেই অসমত আপোনালোকে জানে এক তৃতীয়াংশ জনসংখ্যাৰ ল'ৰা-ছোৱালীৰ সেই অঞ্চল বিলাকত আছে, আছিল স্বাধীনতাৰ আগৰ পৰাই। কিন্তু PG teacher ৰ advertisement অন্যান্য subject ৰ হয়, Arabic ৰ নহয়। বছৰ বছৰ খালী কৰি থৈ দিছে। গতিকে মই দাবী জনাইছো মাননীয় মন্ত্রী মহোদয়ে Arabic, সংস্কৃত বা অন্যান্য subject ৰ যিখিনি PG teacher আছে, সেই সকলৰ কাৰণে advertisement কৰি ল'ব লাগে আৰু যদি Higher Secondary ত তেওঁলোক নাথাকে কলেজে ক'ত ছাত্র পাব। কলেজত নাথাকিলে বিশ্ববিদ্যালয়ত কি অৱস্থা হ'ব। Arabic ইমান rich subject এটা লাখ লাখ আমাৰ মানুহে গৈ Gulf ত গৈ চাকৰি কৰি আছে। এই Language literacy টো কৰিলে বহুত সুবিধা পাব। এই Subject টোৰ যিমান vacant post আছে upto H.S/ College লৈকে গোটেইখিনি advertise কৰি ল'ব লাগে। শেষত মই এটা কথা কৈ শেষ কৰিম আমি হয়তো বাজেটত আলোচনা কৰিম যিখিনি Sr Madrasa/ Pre Sr.Madrasa আছিল, সেইখিনি শেষ পৰ্য্যায়ত আছিল provincialize কৰাৰ বাবে। সেই সময়ত মাদ্রাছা খিনি বেলেগ কৰিলে, স্কুলখিনি বেলেগ কৰিলে স্কুলখিনি provincialize কৰিলে কিন্তু মাদ্রাছা খিনি বাকী থাকি গ'ল। পিছত মাদ্রাছা উঠাই দি যেতিয়া স্কুল কৰিলে, তেখেতসকল convert হৈ স্কুল হৈ গ'ল। কিন্তু সেইসকলৰ এতিয়ালৈকে provincialize হোৱা নাই। গতিকে মাননীয় মন্ত্রী মহোদয়ক অনুৰোধ কৰিছো সেই মাদ্রাছাখিনি যিখিনি স্কুললৈ convert হৈছে ২০০৬ চনৰ আগৰ গোটেইখিনি যাতে লোৱা হয়। লগতে তেওঁলোকৰ qualification document সকলো আছে সেই অনুষ্ঠানখিনি যাতে লোৱা হয় আৰু এই ক্ষেত্ৰত মন্ত্রী মহোদয়ে যিহেতু bill amendment কৰি কিছু সকাহ দিয়াৰ চেষ্টা কৰি আছে। এইখিনি কৈ মই মোৰ আলোচনা শেষ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় সদস্য শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য, পূৱ গুৱাহাটীঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি ৭১ নং কৰ্তন প্ৰস্তাৱৰ যোগেদি যি কৰ্তন প্ৰস্তাৱ অনা হৈছে, সেই কৰ্তন প্ৰস্তাৱৰ বিপক্ষে মই দুই আষাৰ ক'বলৈ ওলাইছো। আমাৰ অসমৰ শিক্ষা ব্যৱস্থা, এই শিক্ষা ব্যৱস্থা মই অনুভৱ কৰো যে দোপতদোপে উন্নত হৈছে। কিয়নো আগেতে শিক্ষাৰ ক্ষেত্ৰত আমাৰ যিটো চিন্তা-ধাৰা আছিল, সেই চিন্তা-ধাৰটো বিক্ষিপ্ত আছিল। কোনো systematically চিন্তা-ধাৰাটো হোৱা নাছিল। নতুন শিক্ষানীতিৰ মাধ্যমেৰে সেই চিন্তা-ধাৰা টোক ৰূপায়িত কৰিবলৈ প্ৰচেষ্টা কৰা হৈছে। প্ৰায় শুনো যে বহুত স্কুল amalgamation হৈ গ'ল, বহুত স্কুল দুখনক স্কুলক এখন কৰি দিয়া হ'ল, কিহৰ কাৰণে কৰা হৈছে ছাত্ৰ-ছাত্ৰীৰ অভাৱৰ কাৰণে। বিশেষকৈ গুৱাহাটীৰ ক্ষেত্ৰত মই ভালদৰে জানো এনেকুৱা হৈছে যে য'ত স্কুলত শিক্ষক-শিক্ষয়িত্ৰী আছে ১০ গৰাকী আৰু ছাত্ৰ আছে মাত্ৰ ৫০ জন। আপুনি যদি ratio টো চাই আপুনি দেখিব disproportionate ratio. তেনেকুৱা এখন স্কুলক যিহেতু amalgamate কৰি অন্য এখন স্কুলৰ লগত add কৰি দিয়া হয়, তেতিয়াহ'লে সেইটো সুবিধা হয় আৰু আমাৰ হাইস্কুল level ত বা Higher Secondary level ত এইখিনিত বিশেষকৈ অসমীয়া মাধ্যম হওঁক বা আমাৰ খিলঞ্জীয়া ভাষা আছে সেই ভাষাৰ মাধ্যমৰ স্কুল বিলাক হাইস্কুল level ত বা তাৰ ওপৰৰ লেভেলত আমাৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ হয় কিহৰ কাৰণে, আমাৰ অভাৱ হয় এইবাবে যে যিটো উৎসৰ পৰা এই স্কুল বিলাকলৈ ছাত্ৰ-ছাত্ৰী আহে প্ৰাথমিক স্কুলবিলাক।

সেই প্ৰথমিক স্কুল বিলাকত আমি পৰ্য্যাপ্তভাৱে  আন্তঃগাঁঠনি আগতে দিব পৰা নাছিলো কিন্তু আজিৰ দিনত প্ৰত্যেকজন আমাৰ বিধায়ক সকলে এক কথাত স্বীকাৰ কৰিব যে  আন্তঃগাঁথনি আমাৰ যথেষ্ট উন্নত হৈছে।  আন্তঃগাঁথনি  উন্নত হোৱাৰ লগতে মই এই চৰকাৰ খনৰ শিক্ষামন্ত্ৰী মুখ্যমন্ত্ৰী ডাঙৰীয়া সমন্বিতে সকলোকে  এটা কথাতে ধন্যবাদ জনাইছো, সেইটো হৈছে যে কোনো ধৰণৰ ৰাজনৈতিক হস্তক্ষেপৰ অবিহনে সম্পূৰ্ণ মেধাৰ ওপৰত আজি শিক্ষক নিযুক্তিটো হৈছে। এইটো এটা কথা যিটো ভাল সেইটো ভাল বুলি কোৱাটো মই আশা কৰো যে বিৰোধী পক্ষইও সেই ভালটোক ভাল বুলি ক'ব। কিছু মোৰ পৰমৰ্শ আছে, যিখিনি পৰামৰ্শ কৈয়ে মই মোৰ বক্তব্য সামৰণি মাৰিম। আমাৰ প্ৰাথমিক স্কুল বিলাকত প্ৰায় আমি দেখো যে এটা ডাঙৰ দীঘল ঘৰ আছে, সেই ঘৰ বিলাকৰ মাজত শ্ৰেণীৰ মাজত যিখন বেৰ থাকিব লাগে, সেই বেৰখন নাই। ফলত কি হয় 'ক' মানৰ ছাত্ৰ-ছাত্ৰী সকলে যিখিনি পঢ়িছিল, কোনোবাই যদি নেওতা পঢ়ি আছে তাৰ কাষৰ বেঞ্চ খনৰ ছাত্ৰ-ছাত্ৰী সকলে অন্য কিবা বা সাহিত্য পঢ়ি আছে। যিটো এটা সময়ত স্কুলবিলাক বনোৱা হ'ল তেতিয়া এই partition wall বিলাকৰ কথাটো খুব গুৰুত্বসহকাৰে লোৱা নহ'ল ছাগে। সেইবাবে এই একেলগে যে গোটেইখিনি ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বিভাগত বিভিন্ন  বিষয়ত তেওঁলোকে পঢ়াশুনা কৰি আছে এইটো ক্ষেত্ৰত কিছু অসুবিধা আহে। মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যে তেখেত সকলে অবিলম্বে এই স্কুল সমূহৰ শ্ৰেণীবিলাকৰ মাজত একো একোখন partition দিয়াৰ ব্যৱস্থা কৰক। যাতে 'ক' মানৰ কাৰণে নিৰ্দিষ্ট এখন ঠাই থাকক, নিৰ্দিষ্ট এটা ৰূম থাকক তাৰ কাষৰ কাৰণে আৰু এটা থাকক, আৰু এটা থাকক। তেনেকুৱা হ'লে এই যিটো খেলিমেলি বিশৃংখলতা আছে, সেই বিশৃংখলতাটো নাইকিয়া হ'ব। যেতিয়ালৈকে আমি vernacular ভাষাৰ primary স্কুলসমূহৰ উন্নয়ন কৰিব নোৱাৰো কাৰণ আজিকালি আমাৰ মাজত এটা প্ৰৱণতা দেখিছো যে আমাৰ সমাজত একেবাৰে নিম্ন অৰ্থনৈতিক যিখিনি মানুহ, সেইখিনি মানুহৰো এটা প্ৰৱণতা আছে যে মই ইংৰাজী মিডিয়ামৰ স্কুলত দিম। আজিৰ দিনত চৰকাৰৰ যিবোৰ বিদ্যালয়, এই বিদ্যালয়বোৰত যথেষ্ট আন্তঃগাঁথনি উন্নত হৈছে। ল'ৰা-ছোৱালীখিনি সুন্দৰভাৱে স্কুলৰ uniform পাইছে, কিতাপ-পত্ৰ পাইছে, স্কুলৰ বেগ পাইছে, পিন্ধিবলৈ ভৰিত জোতা-মোজা পৰ্য্যন্ত পাইছে। গতিকে তেওঁলোকৰ যিটো এটা মানসিকতা, এই মানসিকতা কিন্তু আমি সমাজত সলনি কৰিব লাগিব। মোৰ সমষ্টিত চিলাৰায় নগৰ বুলি এটা অঞ্চল আছে তাত এখন অসমীয়া প্ৰাইমেৰী বিদ্যালয় আছে। তাত আমাৰ যিটো  SMDC থাকে, সেই SMDC ৰ এদিন এখন মিটিং দিয়া হ'ল। মিটিংখন ১১ বজাত দিয়া হ'ল। ১১ বজাত গ'লো, গৈ দেখিছো যে SMDC ৰ Chairman জন আহি পোৱা নাই। এজন অৱসৰপ্ৰাপ্ত অসম চৰকাৰৰ জ্যেষ্ঠ বিষয়া। অৱসৰৰ পাছত তেখেতে তাত SMDC ৰ Chairman হৈছে। প্ৰায় ১ ঘণ্টামানৰ পাছতে তেখেত আহি ওলালে। আহি পেলাই ক'লে যে বেয়া নাপাব। মোৰ নাতিটোক স্কুলৰ পৰা আনিবলগীয়া হ'ল। সেইকাৰণে মোৰ দেৰি হ'ল। মই ক'লো যে আপোনাৰ নাতি ক'ত পঢ়ে? ক'লে যে আমাৰ স্কুলৰ কাষত যে Eurokids খন আছে তাতে নাতিক দিছো। অসমীয়া মাধ্যমৰ প্ৰাইমেৰী স্কুল এখনৰ SMDC ৰ যি গৰাকী সভাপতি তেখেতৰ যদি মানসিকতা হয়, হয় মোৰ নাতিক ইয়াত নপঢ়ায় অন্য এখন ইংৰাজী মাধ্যমৰ স্কুলত পঢ়াম, তেতিয়াহ'লে তেখেতৰ লগত যিখিনি মানুহ জড়িত হৈ আছে তেখেতৰ ঘৰত কাম কৰা সহায়ক হওঁক বা অন্যান্য সকল হওঁক তেখেতসকলোৰো সেই aspiration টো থাকিব যে আমিও আমাৰ ল'ৰা-ছোৱালীক ইংৰাজী মাধ্যমৰ স্কুলত পঢ়াম। মই এটা কথা মন কৰিলো যে যেতিয়াৰ পৰাই আমাৰ সমাজ কল্যাণ বিভাগৰ

পৰা অঙ্গনবাড়ী কেন্দ্ৰ বিলাক উন্নীতকৰণৰ বাবে যিটো পদক্ষেপ লোৱা হ'ল মই অন্য সমষ্টিৰ কথা নাজানো। মোৰ নিজৰ সমষ্টিৰ কথা জানো যে এই যিবোৰ অঙ্গনবাড়ী কেন্দ্ৰ তেওঁলোকৰ ঘৰটো ধুনীয়াকৈ বনোৱা হ'ল সেইখিনি যিসকল পৰিচালিকা, তেখেতসকলেই চলাই আছে। কিন্তু দিনত তাত ল'ৰা-ছোৱালী অহা বেছি হ'ল। মডেল অঙ্গনবাড়ী হোৱাৰ লগে লগে, মডেল অঙ্গনবাড়ী যিটো সংখ্যা, চালে দেখিব তাত কিন্তু আজিকালি ল'ৰা-ছোৱালী বেছিকৈ অহা হৈছে। ফলত মই ভাৱো যে এই feedback ৰ যিখিনি ল'ৰা-ছোৱালী আছে সেইখিনি পৰৱৰ্তী সময়ত যেতিয়া প্ৰাইমেৰী স্কুলত যাব তেখেতসকলে vernacular মাধ্যমতে পঢ়াশুনা কৰিব তাৰপিছত তেখেত সকলে হাইস্কুললৈ যাব। মই এই কৰ্তন প্ৰস্তাৱ নিসন্দেহে এইটো এটা আনুষ্ঠানিক পৰম্পৰা, সেই আনুষ্ঠানিক পৰম্পৰাৰে বিৰোধী পক্ষই সেইটো আনিছে, মই এইটোৰ বিৰোধিতা কৰিছো আৰু মই আশা কৰিছো যে শিক্ষাৰ ক্ষেত্ৰত বিশেষকৈ মাতৃভাষাৰ শিক্ষাৰ ক্ষেত্ৰত আমাৰ যিখিনি অনুদান দিয়া হৈছে, সেইখিনি যথেষ্ট নহয় আৰু বৃদ্ধি হ'ব লাগে আৰু সেই আশা কৰি মোক এই বক্তব্য ৰাখিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাই মই মোৰ দুআষাৰ ইয়াতে সমাপ্ত কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। ভাল কথা কৈছে। কেৱল SMDC ৰ Chairman য়ে নহয়, শিক্ষক সকলেও তেখেতৰ ল'ৰা-ছোৱালী নিজে চাকৰি কৰি থকা স্কুলতে admission নিদিয়ে। এইটো এনেকুৱা কৰিব নোৱাৰি নেকি যিসকল শিক্ষক তেওঁলোকৰ ল'ৰা-ছোৱালী সেইখন স্কুলত দিয়া বাধ্যতামূলক যদি কৰিব পৰা যায়। মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ, কিন্তু আপেনাৰ ঠাইত শ্ৰী আব্দুল বাতিন খন্দকাৰে ক'ম বুলি কৈছিল। শ্ৰী আব্দুল বাতিন খন্দকাৰ।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, অভয়াপুৰী উত্তৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোক কৰ্তন প্ৰস্তাৱৰ সপক্ষে দুআষাৰ কথা কোৱাৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ। শিক্ষা জাতিৰ মেৰুদণ্ড। এই নীতি অৱলম্বন কৰি মনমোহন সিং নেতৃত্বাধীন UPA চৰকাৰে ২০০৯ চনত শিক্ষাৰ অধিকাৰ আইন ৰূপায়ণ বা পাছ কৰাৰ ব্যৱস্থা কৰিছিল। কিন্তু ১৬ বছৰৰ পাছত অসমত সেই আইন ৰূপায়ণ কি অৱস্থাত আছে তাৰ অলপ পৰ্য্যালোচনা কৰাৰ কথা নিশ্চয়কৈ শিক্ষাৰ বাজেট বা ধন আৱণ্টন সম্পৰ্কে যেতিয়া কথা আহে আমি ক'বলৈ বাধ্য হওঁ। যিয়েই নহওঁক, এই শিক্ষাৰ প্ৰধান চালিকাশক্তি শিক্ষকসকল। এতিয়া অসমত শিক্ষক সকলৰ পদ পূৰণ কি ধৰণে হৈছে, বা নাইহোৱা সেয়া আমি প্ৰাথমিকভাৱে চাব লাগিব। যোৱা বাজেট অধিৱেশনত দিয়া তথ্যমতে আমাৰ প্ৰাথমিক বিদ্যালয়ৰ এজনীয়া শিক্ষকৰ সংখ্যা হৈছে ২২৯৫ খন, স্থায়ী প্ৰধান শিক্ষক নথকা বিদ্যালয়ৰ সংখ্যা হৈছে ৭০১৪ খন আৰু আমাৰ পৰৱৰ্তী বক্তাই যেনেকৈ কৈছে যে বিদ্যালয় গৃহত শ্ৰেণীকোঠ সাপেক্ষে বেৰ নথকা বিদ্যালয়ৰ সংখ্যা হৈছে ২১,৯৬১ খন। ঠিক উচ্চ প্ৰাথমিক শিক্ষা অধিকাৰ আইনত প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক দুটা category পৰে ৬ ৰ পৰা ১৪ বছৰলৈকে। বিজ্ঞান শিক্ষকৰ পদ আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ত ৫৭১ আৰু হিন্দী শিক্ষকৰ পদ ৫২৬ টা পদ খালী হৈ আছে। এতিয়া য'ত বিজ্ঞান শিক্ষক নাথাকে সেইখন উচ্চ প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ কোনো অৰ্থই নাথাকে। বিজ্ঞান বা গণিত বেলেগ শিক্ষকে পঢ়াব নোৱাৰে। হয়, কলাৰ ক্ষেত্ৰত এজনৰ ঠাইত আন এজনক makeup কৰিব পাৰে কিন্তু বিজ্ঞান বা গণিতৰ ক্ষেত্ৰত নোৱাৰে। গতিকে এনেকুৱা অৱস্থাত আছে। সামগ্ৰিকভাৱে মই শিক্ষাৰ পদসমূহৰ বিধান সভাত যি তথ্য দিছিল সেয়া খুব পয়ালগা আৰু আমাৰ আজি বিধান সভাত যি তথ্য দাখিল কৰা হ'ল নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ ১৫৫৫৪ পদ খালী আছে। ইয়াৰে আকৌ সৰ্বাধিক পদ চৰ আৰু গ্ৰাম্য অঞ্চলত। হয়, চৰৰ কিছুমান বিদ্যালয়ত ছাত্ৰ যদি ২০ জন থাকে শিক্ষক ১০ গৰাকী, তেনেকৈ আছে। কিন্তু গাওঁ

অঞ্চলত পুতৌলগা অৱস্থা। PTR Ratio মানি থকা নাই। যেনেকৈ নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালত ১৫৫৫৪ টা পদ খালী হৈ থকা বুলি আজি জনাইছে। তাৰে ১২,৩৮২ টা পদেই হৈছে গাওঁ অঞ্চলত বা চৰ অঞ্চলত। গতিকে আমাৰ চৰ অঞ্চল বা গাওঁ অঞ্চলত শিক্ষাৰ কি অৱস্থা এই শিক্ষকৰ পদসমূহৰ খালী হৈ থকা পদসমূহৰ পৰাই আমি অনুমান কৰিব পাৰো। ঠিক তেনেকৈ ষষ্ঠ অনুসূচীৰ অঞ্চলতো আমাৰ ভালেখিনি শিক্ষকৰ পদ খালী হৈ আছে আমাৰ উচ্চ মাধ্যমিকত গণিতৰ শিক্ষকৰ Six Schedule area ত ৩১৭ টা পদ খালী হৈ আছে, ইংৰাজী শিক্ষকৰ পদ ৩২২ টা খালী হৈ আছে। ঠিক তেনেকৈ উচ্চতৰ মাধ্যমিকতো খালী হৈ আছে। এতিয়া শিক্ষা ব্যৱস্থা যদি আমি টনকিয়াল কৰিব খোজো আৰু সুচাৰুৰূপে আমি আগবঢ়াই লৈ যাব খোজো শিক্ষকৰ নিয়োগক আমি অগ্ৰাধিকাৰ ভিত্তিত ল'ব লাগিব। উচ্চস্তৰত ১৫ হাজাৰ পদ খালী হৈ আছে তাতে ৪৫০০ ৰ নিয়োগৰ কাৰণে বিজ্ঞাপন দিয়া বুলি মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে জানিবলৈ দিলে। কিন্তু এপাচি শাকত এটা জালুকেই হ'ব ১৫ হাজাৰৰ ঠাইত ৪ হাজাৰ। এই বিষয়ত আমি মনোযোগ দিয়া উচিত আৰু এটা কথা আমাৰ বিদ্যালয় গৃহ সমূহত বাৰুকৈয়ে অনুভৱ হয়। আমাৰ সমষ্টিবিলাকত আমি যেতিয়া স্কুললৈ যাওঁ সকলো ঠাইতে additional class room লাগে। তেনেকুৱা এটা দাবী সকলো ঠাইতে পোৱা যায়। হয়, কৰি আছে চৰকাৰে কিন্তু সেইখিনিও যথেষ্ট হোৱা নাই আৰু আগভাগ লৈ কৰিব লাগে। আৰু এটা কথা মই বিশেষভাৱে ক'ব বিচাৰো যে বিদ্যালয় পাৰিপাৰ্শ্বিক বা সৌন্দৰ্য্য বৰ্দ্ধন কৰিব নোৱাৰো বা অনাময় ব্যৱস্থা আমি ঠিক কৰিব নোৱাৰো তেতিয়াহ'লে কিন্তু বিদ্যালয়ৰ প্ৰতি জনসাধাৰণৰ যিটো আস্থা আছে সেইটো কমি যাব। সৰহ সংখ্যক বিদ্যালয়তে boundary wall নাই।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ সময় শেষ হৈছে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, অভয়াপুৰী(উত্তৰ)ঃ** মোক খলিল উদ্দিন মজুমদাৰ ডাঙৰীয়াই তেখেতৰ দুই মিনিট সময় দিছে।

**মাননীয় উপাধ্যক্ষ ঃ** আমাক লিখিত দিয়া নাই, আপোনাক তেনেকৈ দিয়াটো নিয়ম নহয়। মাননীয় অধ্যক্ষ মহোদয়ক জনাব লাগে।

**শ্ৰী আব্দুল বাতিন খণ্ডকাৰ, অভয়াপুৰী(উত্তৰ)ঃ** হ'ব ছাৰ, মই এক মিনিটত শেষ কৰিম। পাৰিপাৰ্শ্বিক উন্নয়ন কৰাটো খুৱেই দৰকাৰ। বহু বিদ্যালয়ৰ চৌহদ ছমাহ মান পানীৰে ভৰ্ত্তি হৈ থাকে, তাত land shaping and development ৰ প্ৰয়োজন আছে। Boundary wall ৰ বাবে plantation কৰি fencing দিলে ভাল হয়। মই আন এটা ভাল পৰামৰ্শ দিব বিচাৰিছো, আমাৰ শিক্ষা বিভাগৰ ফাণ্ড নোহোৱাকৈ MGNREGA ৰ ফাণ্ডৰ পৰাও আমি বিদ্যালয়ৰ পাৰিপাৰ্শ্বিক উন্নয়ন,plantation, land ৰ কাম আদি কৰিব পাৰো আৰু tide fund ৰ পৰা sanitary ৰ কামো কৰিব পাৰো । গতিকে MGNREGA ৰ কামসমূহ যাতে অগ্ৰাধিকাৰ ভিত্তিত কৰাৰ কাৰণে P&RD বিভাগলৈ লিখো তেতিয়াহ'লে বিদ্যালয় শিক্ষাৰ কাৰণে মাইলৰ খুটি হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী মৃণাল শইকীয়া, খুমটাই ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীয়ে শিক্ষা ব্যৱস্থাত যি কৰ্তন প্ৰস্তাৱ আনিছে তাক মই বিৰোধিতা কৰো। Quality school education is the foundation of a society's progress.সমাজখনক আমি আগবঢ়াই লৈ যাবলৈ হ'লে শিক্ষা ব্যৱস্থাত Quality education লাগিব। আমাৰ চৰকাৰে জহি-খহি যোৱা এটা শিক্ষা ব্যৱস্থাক আগবঢ়াই লৈ যাবলৈ ২০১৬ চনৰ পৰাই চেষ্টা কৰি আহিছে। পৰিস্থিতি এনে পৰ্য্যায় পাইছিলগৈ যে শিক্ষকৰ অভাৱত গ্ৰাম্যাঞ্চল আৰু চহৰ অঞ্চলত শিক্ষাৰ যি মানদণ্ড আছিল তাত এটা ডাঙৰ gap আহি পৰিছিল। গাৱঁৰ ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱকেও তেওঁলোকক চহৰ অঞ্চলত থকা ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহলৈ লৈ গৈছিল। কিন্তু যেতিয়া আমাৰ চৰকাৰ আহিল, শিক্ষা ব্যৱস্থাটোক আমি বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিলো।

আপোনালোকে জানি আচৰিত হ'ব ২০১৬ চনৰ পৰা এতিয়ালৈকে কেৱল শিক্ষাখণ্ডত আমাৰ চৰকাৰে ৭২,৮৪৯ জন শিক্ষকক নিযুক্তি দিছে । তাৰমানে ২০১৬ চনৰ আগতে ইমান শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱ আছিল। এই অভাৱ এতিয়াও আছে। তথাপিও আমাৰ চৰকাৰে ইমানখিনি শিক্ষকক নিযুক্তি দিবলৈ সক্ষম হৈছে। ২০২১ চনৰ পৰা এতিয়ালৈকে ৫৯,৪২৬ জন শিক্ষকক নিযুক্তি দিছে। It is not a matter of joke.তাৰ আগতে চৰকাৰে কি কৰি আছিল। শিক্ষক অবিহনে ইমান স্কুল চলি আছিল। তাৰফলত আমাৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি গৈছিল। যাৰবাবে আমাৰ চৰকাৰ অহাৰ পাছত স্কুল সমূহ amalgamation কৰিবলগীয়া হৈছিল। সেইটোকো বিৰোধীয়ে ঢাক-ঢোল বজাইছিলে যে ইমান স্কুল অসমত বন্ধ হৈ গ'ল। কিন্তু কি কাৰণে বন্ধ হৈছিল সেইটো কোনেও ফঁহিয়াই চোৱা নাছিল।

আমাৰ চৰকাৰৰ দিনত আমূল পৰিৱৰ্তন হৈছে। অঙ্গনবাড়ী কেন্দ্ৰ সমূহ জহি-খহি গৈছিল কিন্তু আজি অঙ্গনবাড়ী কেন্দ্ৰ সমূহ দেখিলে ডাঙৰ ডাঙৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহে লাজ পাব। আমি ইমান সুন্দৰ অঙ্গনবাড়ী কেন্দ্ৰ সমূহ বনাবলৈ আৰম্ভ কৰিছো আৰু ভৱিষ্যতেও হৈ থাকিব যাক আমি আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ নাম দিছো । এতিয়াও বহু স্কুলত শিক্ষকৰ অভাৱ আছে। আমাৰ যি amendment bill আনিছে তাতো বহু শিক্ষকৰ পদ প্ৰাদেশিকীকৰণ হ'ব।

যোৱাকালি যিখন amendment bill আনিছে তাৰ ওপৰতো মই দু-আষাৰ মান ক'ব বিচাৰিছো। তাত এটা Clause ৰাখিলে ভাল হয়। যিটো Clause ত যোগ্য বিদ্যালয়ৰ বৈধকৰণ অন্যান্য বিষয়। তাত বহু documents ৰ কথা আছে। কিন্তু এনেকুৱা কিছুমান বিদ্যালয় আছে যিটো Sixth Schedule ত নাই, অথচ তাৰ জনবসতি সকলো Schedule caste.এনেকুৱা এখন বিদ্যালয় মোৰ ওচৰতে আছে- ব্ৰহ্মপুত্ৰ চিনিয়ৰ চেকেণ্ডাৰী স্কুল। তাৰ চাৰিওফালে মিছিং বসতি প্ৰধান অঞ্চল। এনেকুৱা কিছুমান স্কুল আছে যিখন নাথাকিলে সমগ্ৰ অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰী স্কুল যোৱা বাদ দিব কাৰণ চহৰ অঞ্চললৈ গৈ তেওঁলোকে শিক্ষা গ্ৰহণ কৰিব নোৱাৰিব আৰু সেই অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সমূহ অশিক্ষিত হিচাপে ৰৈ যাব। সেইকাৰণে মই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিম যাতে এনেকুৱা এটা Clause অনা যায় য'ত documentation বা result বা কেতিয়া স্থাপিত হৈছিলে সেই সমূহ যোগ্যতাৰ বাহিৰেও যোগ্য বিদ্যালয়ৰ বৈধকৰণ অন্যান্য দিশত হ'ব লাগে। ভৌগলিক পৰিস্থিতি হওক বা জনগাথঁনি

আদিও অন্তর্ভুক্ত কৰি এটা Clause ৰাখিলেও ভাল হয়।

আন এটা Clause আছিল যে গতানুগতিক তিনি বছৰত উত্তীৰ্ণৰ হাৰ ৩০ শতাংশ হ'ব লাগে। সেইটো যদি যেতিয়া স্কুলখন স্থাপিত হৈছিলে তাৰ পাছত যিকোনো তিনি বছৰত উত্তীৰ্ণৰ হাৰ ৩০ শতাংশ হয়, তেতিয়াও বহুখিনি বিদ্যালয় আকৌ সোমাই পৰিব। সেইটোও মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। লগতে আজি মই সুবিধা পাওঁতেই মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক আন এটা অনুৰোধ কৰো-মই ইতিমধ্যেই কৈছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বত ইমানখিনি শিক্ষকক আমাৰ চৰকাৰে নিযুক্তি দিবলৈ সক্ষম হৈছে যদিও আগৰ চৰকাৰ বিলাকে কৰি যোৱা গাফিলতিৰ কাৰণে আমি এই কাম এতিয়াও সম্পূৰ্ণ কৰিবলৈ সক্ষম হোৱা নাই।

মৰঙী অঞ্চলৰ মৰঙী দিননাথ উচ্চতৰ মাধ্যমিক বিদ্যালয় এখন আগশাৰীৰ বিদ্যালয়। তাত ষষ্ঠ শ্ৰেণীৰ ৯৬ জন ছাত্ৰ-ছাত্ৰী আৰু অষ্টম শ্ৰেণীৰ ৭৭ ছাত্ৰ-ছাত্ৰীক শিক্ষকৰ অভাৱত একেজন শিক্ষকে একলগে দুয়ো শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক শিক্ষাদান কৰিবলগা হৈছে। সেইটো মই আগতে Inspector of school ক অৱগত কৰিছো আৰু মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়কো কৈছিলো কিন্তু এতিয়ালৈকে এই সমস্যাটো সমাধান হোৱা নাই আৰু সেইখন স্কুলৰ পৰাই এজন শিক্ষকক deputation ত নি কম ছাত্ৰী থকা কাজিৰঙা ছোৱালী হাইস্কুললৈ নি আজিলৈকে ওভতাই অনা নাই। সেইকাৰণে এই স্কুলখনক বিশেষভাৱে দৃষ্টি দি আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ে যাতে উচিত ব্যৱস্থা কৰে তাৰকাৰণে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

আমাৰ শিক্ষা ব্যৱস্থাত আমি বহুত ক্ষেত্ৰত দেখো যে বিদ্যালয়ৰ ওচৰতে শিক্ষক জনৰ ঘৰ। কিন্তু শিক্ষকজনে প্ৰথমতে নিজৰ সন্তানক প্ৰাইভেট স্কুল এখনত থৈ আহে তাৰ পাছতহে নিজে স্কুলত আহে। এই ব্যৱস্থাটোৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰীয়ে সেই স্কুলখনত পঢ়ে সেই ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক সকলৰ মনত চৰকাৰী স্কুল খনৰ প্ৰতি মনোভাৱটো সলনি কৰি দিয়ে। তেওঁলোকে হয়তো মনত ভাৱে যে এই বিদ্যালয়খনত হয়তো শিক্ষাৰ মানদণ্ড কম যাৰবাবে শিক্ষকজনে নিজৰ সন্তানক ব্যক্তিগত বিদ্যালয়লৈ নিছে। এইখিনি কথা আমি চাব লাগে। আমাৰ চৰকাৰ অহাৰ পাছত এতিয়া বহু চৰকাৰী স্কুল আছে য'ত admission দিবলৈ আগ নিশাৰ পৰাই অভিভাৱক সকলে শাৰী পাতে। কিন্তু এনেকুৱা স্কুলো আছে য'ত আমি অভিভাৱক সকলক আকৰ্ষিত কৰিব পৰা নাই। শিক্ষকে যে নিজৰ সন্তানক প্ৰাইভেট স্কুলত দিয়ে এইবিলাকো তাৰ এটা অন্যতম কাৰণ, যাৰবাবে চৰকাৰী বিদ্যালয়ৰ প্ৰতি মানুহৰ আস্থা কমি গৈছে।

মোৰ পিতৃ-মাতৃও শিক্ষক আছিল আৰু আমাৰ লগৰ বহুতৰে পিতৃ-মাতৃ শিক্ষক আছিল কিন্তু সেইদিনত আমি সকলোৱে আমাৰ নিজৰ পিতৃ-মাতৃয়ে শিক্ষকতা কৰা স্কুলতে পঢ়িছিলো। সেই ব্যৱস্থাটো চকু দিব লাগে আৰু এটা restriction থাকিব লাগে যে স্কুলৰ ওচৰত যদি শিক্ষক জনৰ ঘৰ হয়, তেখেতে নিজৰ সন্তানক ব্যক্তিগত স্কুলত পঢ়াব নোৱাৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী আমিনুল ইছলাম, মানকাচাৰ। আপোনাক ৮ মিনিট সময় দিয়া হৈছে।

**শ্ৰী আমিনুল ইছলাম, মানকাচাৰ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মোক আজিৰ কৰ্তন প্ৰস্তাৱৰ

সমৰ্থনত ক'বলৈ সুবিধা দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। গুৰিৰ পৰা যদি চাওঁ, Education system টো কি হৈ আছে। Education system টোৱে এনেকুৱা এটা কেৰোণ লগোৱা system হৈ গৈছে, এটা চৰকাৰী system চৰকাৰী বিদ্যালয়, চৰকাৰী পঢ়া-শুনা আৰু totally privatization এই দুটা ভাগত চলি আছে। Education ব্যৱস্থাটোত আমি দেখিছো যে কিছুমান বাধ্যতামূলক ভাৱে পাছ কৰাই দিয়াৰ যিটো ব্যৱস্থা অৰ্থাৎ য'ত ফেইল কৰাই দিয়াৰ ব্যৱস্থা নাই এই ক্ষেত্ৰত দুখীয়া মানুহৰ ল'ৰা-ছোৱালীবোৰক চৰকাৰী বিদ্যালয়ত পঢ়ায়। সিহঁতৰ পঢ়াৰ ক্ষেত্ৰত প্ৰাইভেট স্কুলত পঢ়াৰ ব্যৱস্থাটো নাই। চৰ বা পৰ্বতীয়া অঞ্চলবোৰত এই concept টো ভালকৈ যোৱা নাই বা ব্যৱস্থা কৰা নাই। যাৰ ফলত এটা শ্ৰেণীৰ সৃষ্টি হৈছে য'ত মেট্ৰিক বা হাইয়াৰ ছেকেণ্ডেৰী পাছ কৰি basic address বা application লিখা বা reading capability য়েই হওঁক, ইমানেই পিছ পৰি আছে এই কথাটো ইতিমধ্যে বিৰোধী দলপতি গৰাকীয়ে উল্লেখ কৰিছে। এই ব্যৱস্থাটোত আমি কিছু পৰিৰৰ্তন আনিবই লাগিব কাৰণ venture স্কুলবোৰত ৪০০০ -৫০০০ টকা বেতন দিয়া শিক্ষক ৰ পৰাও ভাল ৰিজাল্ট কৰি আছে। কিয়নো তেওঁলোকৰ প্ৰত্যেক ক্লাচতে একোজনকৈ শিক্ষক আছে। এই ব্যৱস্থাটো আমাৰ আজিলৈকে হোৱা নাই। ইমানেই বেছি কেৰোণ লগা যে যদি আমি এই ব্যৱস্থাবোৰ চাবলৈ যাওঁ কিছু বস্তু আমি লক্ষ্য কৰিব লাগিব যে আমাৰ শিক্ষকসকল ক'ত-ক'ত ব্যস্ত হৈ থাকে, কিয় quality education টো নাপায় আৰু নোপোৱাৰ কাৰণ কি? আমাৰ শিক্ষকসকল বেছিভাগ সময় ব্যস্ত থাকে mid-day meal, administrative reporting, enrolment survey, শিক্ষাসেঁতু attendance app য'ত ফ'টো চাব লাগে, mid-day meal খোৱাৰ সময়ত ফ'টো চাব লাগে, SLC ৰ লগত cooperation বা coordination কৰিব লাগে, সকলো ধৰণৰ census, শিক্ষকসকল BLO হৈ আছে, ভোটৰ ক্ষেত্ৰত polling system য'ত এবাৰ পঞ্চায়ত, এবাৰ parliamentary, এবাৰ assembly, vote counting এই সকলোবিলাকতে বেলেগ কৰ্মচাৰীৰ কামবোৰ শিক্ষকসকলৰ দ্বাৰা কৰোৱা হয় আৰু যাৰ ফলত শিক্ষকসকলৰ শিক্ষকতাৰ প্ৰতি অনিহা আহি যায়। তাৰবাবে মাৰাত্মক ভাৱে community basis শিক্ষাৰ প্ৰতি যিটো ধাউতি, মানুহৰ শিক্ষাৰ প্ৰতি যিটো চাহিদা এইবোৰ যথেষ্ট কমি গৈছে যে পঢ়াই কি লাভ হ'ব, আমাৰ ল'ৰা-ছোৱালীবোৰেতো চাকৰি নাপায়। য'ত পৰীক্ষা নাই, পাছ বা ফেইল নাই তেওঁলোকে কাইলৈ মেট্ৰিক, হায়াৰ ছেকেণ্ডাৰী বা ডিগ্ৰী পাছ কৰি TET, ADRE exam য'ত systematically competitive evaluation কৰা হ'ব তাত প্ৰাইভেট স্কুলত পঢ়ি অহা, বছৰত unit test, half yearly, annual, প্ৰত্যেকটো chapter শেষ হোৱাৰ পিছত পৰীক্ষা দি উত্তীৰ্ণ হোৱাসকলে পাছ কৰিব নে তেওঁলোকে কৰিব? গতিকে মই ক'ব বিচাৰিছো যে education system টোৰ মাজত এখন ৱাল হৈ গ'ল যিখন ৱালত তোমালোকৰ কাৰণে একো নাই, কেৱল পঢ়া আৰু বাকী সকলৰ কাৰণে বহুত কিবা-কিবি। গতিকে এই system টোত আমাৰ শিক্ষা ব্যৱস্থাত মাৰাত্মকভাৱে ঘূণে ধৰিছে। গতিকে এই ক্ষেত্ৰত গুৰুত্ব সহকাৰে কিবা এটা কৰিব পাৰি নেকি এইটো লক্ষ্য কৰাৰ দৰকাৰ আছে।

Amalgamation ৰ ক্ষেত্ৰত মই এটা উদাহৰণ দিব বিচাৰিছো যে হাটশিঙিমাৰি এম.ই. স্কুল, হাই স্কুল, ৪-৫ কিল'মিটাৰ দূৰত্বত থকা জনতা হায়াৰ ছেকেণ্ডাৰী স্কুলৰ লগত amalgamation কৰিছে। ৫০০ মিটাৰ দূৰত্বত থকা হাটশিঙিমাৰি ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ লগত amalgamation কৰিব পাৰিলে হেঁতেন! কিন্তু ৫ কিল'মিটাৰ দূৰত্বত কৰিছে। **বৰললকে**

**হাইস্কুলখনৰ** ওচৰতে **বাণী চৰকাৰ হাইস্কুল** এক কিল'মিটাৰৰ ভিতৰত আছে। তাত যদি amalgamation কৰিলে হেঁতেন আমাৰ ছোৱালীখিনি তাত যাব পাৰিলে হেঁতেন। এতিয়া চৰৰ ছোৱালীখিনি ৫-৬ কি.মি দূৰলৈ আহি হাটশিঙিমাৰি ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলত পঢ়িছে। এইটো কি ধৰণৰ ব্যৱস্থা মই বুজি পোৱা নাই। দৈনিক ৬০ টকাকৈ অহা-যোৱাৰ বাবে অট'ৰ ভাৰা দি তেওঁলোকে স্কুললৈ আহিব পাৰিব নে বা অভিভাৱকসকলে আহিবলৈ দিবনে? গতিকে তাত মই rationalisation ৰ চিন্তাধাৰাৰ অভাৱ দেখিবলৈ পাইছো। স্বাধীনতাৰ আগৰ যতীন্দ্ৰ মোহন হায়াৰ ছেকেণ্ডেৰী স্কুলৰ বিজ্ঞান শাখাত আজিৰ দিনত class 11 ত ৪২ জন আৰু class 12 ত ৫৬ জন আছে। তাত কেৱল Botany আৰু Zoology ৰ হে শিক্ষক আছে, Chemistry ৰ শিক্ষক ২০১৭ চনৰ পৰা suspend হৈ আছে, অসমীয়া, ইংৰাজী, গণিত, পদাৰ্থ বিজ্ঞানৰ শিক্ষক নাই, Bearer য'ত ৩ জন লাগে তাত এজনো নাই, demonstrator য'ত ৩ জন লাগে তাত এজনো নাই। ঠিক তেনেদৰে আমি যদি তিনিখন হাই স্কুলৰ কথা ক'বলৈ যাওঁ তেন্তে জনতা হায়াৰ ছেকেণ্ডেৰীত য'ত দুয়োটা শ্ৰেণীতে ৫৬ জনকৈ শিক্ষাৰ্থী আছে তাত Botany, Chemistry, Maths আৰু Assamese teacher নাই । ঠিক তেনেদৰে **SLC Higher Secondary** য'ত এতিয়া Platinum Jubilee চলি আছে তাত Economics, Education, Assamese, English আৰু History ক'তো এজনো শিক্ষক নাই। মোৰ সমষ্টি দক্ষিণ শালমাৰা-মানকাছাৰত **RBP** ত বিজ্ঞান শাখাত Math, Botany, Assamese, Bearer য'ত ৩ জন লাগে তাত এজনো নাই, demonstrator য'ত ৩ জন লাগে তাত এজনো নাই। কলা শাখাত Assamese, History আৰু Arabic ৰ ক'তো এজনো শিক্ষক নাই। কালাপানী মডেল হাইস্কুল, য'ত আমাৰ জিলাৰ highest result কৰিছে তাত যদি চাওঁ Economics, History, Maths ৰ এজনো শিক্ষক নাই য'ত ৬০০ ৰো অধিক শিক্ষাৰ্থী আছে। ঠিক তেনেদৰে কুকুৰমাৰাতো English, Assamese, Maths, Arabic ৰ শিক্ষক এজনো নাই। গতিকে এনেকুৱা এটা system ত য'ত বিদ্যালয়বোৰ চলি আছে তাত ল'ৰা-ছোৱালীক কিয় দিব? যিটো বিজ্ঞান শাখাত Maths, Physics, Chemistry তাত Science কি পঢ়িব আৰু কোনে পঢ়াব? সেইদিনাখন উজান বজাৰৰ এটা অঞ্চললৈ গৈছিলো যিটো নতুনকৈ মোৰ সমষ্টিৰ হাজিৰহাট GP ত নতুনকৈ অন্তৰ্ভুক্ত হৈছে তাত মই স্কুলত গৈ দেখিলো যে শিক্ষক ৪ জন, শ্ৰেণী ৮ টা আৰু মুঠ ছাত্ৰ-ছাত্ৰী ৫৩২ জন। গতিকে এই ব্যৱস্থাবোৰৰ সমাধানৰ কি উপায় আছে? যদি শিক্ষাৰ ক্ষেত্ৰত এই ব্যৱস্থাৰ পৰিৱৰ্তন কৰা নহয় চৰৰ শিক্ষাৰ ক্ষেত্ৰত কি হ'ব? আজি ধেমাজী, মাজুলী আৰু লক্ষিমপুৰৰ শিক্ষকে চৰ এলেকাত নিযুক্তি পায়। মোৰ সমষ্টিৰ ধেমাজীৰ শিক্ষক এজনে গুৱাহাটীলৈ গৈ আত্মহত্যা কৰে আৰু চুইচাইড নোট এৰি যায়। ঘৰৰ প্ৰেচাৰ সহ্য কৰিব নোৱাৰে, যাক নিযুক্তি দিছে বাংলাদেশৰ ওচৰৰ চৰত। এইটো কিয় হৈছে? অ, আ, এ, বি, চি কি স্থানীয় শিক্ষকে পঢ়াব নোৱাৰে? য'ত নেকি কাৰ্বি আংলং, BTAD ত স্থানীয় শিক্ষক নিযুক্তি দিয়া হৈছে। ১৮৮৮ জন **সহযোগী/ সংযোগী** শিক্ষক যিয়ে D. El. Ed. পাছ কৰিছে তেওঁলোকৰ appointment ৰ ব্যৱস্থা কৰিব লাগে। শিক্ষাৰ ক্ষেত্ৰত এনেকুৱা বহু issue আছে । মই কেৱল মোৰ সমষ্টিৰ কিছু কথা ক'লো । সময়ৰ নাটনিৰ বাবে গোটেই কথাখিনি তুলি ধৰিব নোৱাৰিলো। LP, ME, High School, HS School, College সকলোবোৰতে একেই অৱস্থা। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয় বা চৰকাৰক ক'ব বিচাৰিছো যে আমি শিক্ষা ব্যৱস্থাটোৰ ক্ষেত্ৰত পৰিৱৰ্তন অনাৰ প্ৰয়োজন আছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভৱেশ কলিতা।

**শ্ৰী ভৱেশ কলিতা, বিধায়ক, ৰঙিয়া ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, demand no. 71 ৰ এই পৰিপূৰক দাবীৰ ওপৰত ১০০ টকা reduce কৰাৰ কাৰণে বিৰোধী পক্ষই যি প্ৰস্তাৱ আনিছে তাৰ মই বিৰোধিতা কৰিছো। মাননীয় উপাধ্যক্ষ মহোদয়, colour without picture and shadow without substance. আজি সঁচাই এইখন চৰকাৰৰ দিনত শিক্ষা ব্যৱস্থাৰ যিটো পৰিৱৰ্তন, আন্তঃগাঁথনিয়েই হওঁক, reqruitment য়েই হওঁক বা ছাত্ৰ-ছাত্ৰীয়ে যিখিনি সা-সুবিধা পাব লাগে নিশ্চিতভাৱে দিবলৈ সক্ষম হৈছে। দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াই মানৱ সম্পদক কিদৰে আমি গতিশীলতা দিব পাৰো এই কথা চিন্তা-চৰ্চ্চা কৰিয়েই New Education Policy (NEP) 2020 আনিলে। তাৰ আধাৰত আজি শিক্ষা খণ্ডত যিদৰে কাম হৈছে, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। লগতে সন্মানীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জ্ঞাপন কৰিছো। আজি সঁচাই তেখেত সকলে colour দিবলৈ সক্ষম হৈছে যাৰ কাৰণে আমি picture পাবলৈ সক্ষম হৈছো। এই colour বিলাক কি কি দিলে আমি যদি চাওঁ, এতিয়া পাঠদান আৰম্ভ হোৱাৰ আগতেই পাঠ্যপুথি ছাত্ৰ-ছাত্ৰীৰ হাতত পৰে । এইটোৰ অভাৱ আছিল। আজি ল'ৰা-ছোৱালী সকলে uniform পাইছে। Uniform ৰ ক্ষেত্ৰত মোৰ এটা কথা ক'বলগীয়া আছে। মাননীয় শিক্ষামন্ত্ৰী মহোয়, এই Uniform ৰ পইচাটো যেন DBT কৰি দিয়াৰ ব্যৱস্থা কৰে। আমাৰ আন্তঃগাঁথনিৰ ক্ষেত্ৰত চাওঁক। PM-DevINE,PM SHRI, PM SEED, RIDF এই চাৰিটা হেডত স্কুল বিলাকৰ যি গৃহ নিৰ্মাণ কৰা হৈছে। মোৰ সমষ্টিত প্ৰায় ৮ খন বিদ্যালয় নিৰ্মাণ কৰা হৈছে। আমাৰ যিখন ৰঙিয়া হাইয়াৰ চেকেণ্ডাৰী মডেল স্কুল বুলি কয় প্ৰায় ১২ কোটি ৫০ লাখ টকা দিছে। নিশ্চয় মাননীয় বিৰোধী পক্ষৰ সন্মানীয় সদস্য সকলে ও শুনিছে। বহুত চৰকাৰ দেখিছো। আমি এনেকৈ এখন বিদ্যালয়ক ১২ কোটি ৫০ লাখ টকা আন্তঃগাঁথনি ৰ ক্ষেত্ৰত দিয়া এইখনেই চৰকাৰ। মই ধন্যবাদ জ্ঞাপন কৰিছো। আপোনালোকে চাব পাৰে, সেইখন হোটেল বুলি ক'ব লাগিব। 3 star হোটেল যেনেকুৱা, তেনেধৰণে এইখন ৰূপান্তৰ হৈছে। মই ইয়াৰ বাবে আমাৰ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। আজি জনগোষ্ঠীয় অঞ্চলত PM Dharti Aaba, আদিবাসী অঞ্চলত মডেল হাইস্কুল, কোনেও পৰিকল্পনাই কৰা নাছিল। চৰকাৰ আহিছে, গৈছে। বহুত দুখ লাগে যেতিয়া মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিয়ে। Next day বাতৰিকাকত খন যেতিয়া আমি চাওঁ, পত্ৰকাৰ বন্ধু সকলে লিখে যে চৰকাৰী খণ্ডৰ শ্মশান যাত্ৰা, ব্যক্তিগত খণ্ডত জয় জয় ময় ময়। আজি উভটনি যাত্ৰা হৈছে। মই এই সদনৰ জৰিয়তে ধন্যবাদ দিছো যে আজি সঁচাই চৰকাৰী খণ্ডত আকৌ পৰিবৰ্তন হৈছে। Equipment ৰ ক্ষেত্ৰতেই চাওঁক। আজি LP school ৰ ক্ষেত্ৰত without D.El.Ed degree শিক্ষক হ'ব নোৱাৰে। ঠিক তেনেদৰে আমি যদি চাওঁ Upper Primary আৰু Secondary school ৰ ক্ষেত্ৰত B.Ed course টো লাগিবই। হয়, methodology লাগিব, আগতেও নৰমেল স্কুল আছিল। কিন্তু মাজতে শিক্ষা ব্যৱস্থাই কোনফালে গতি কৰিলে নাচালে। যি কি নহওঁক। আজি শিক্ষা ব্যৱস্থাত আমূল পৰিবৰ্তন আনিবলৈ সক্ষম হৈছে। যিহেতু আমি time limitation ত কথা ক'ব লাগিব। ৰিজাল্ট ভাল হৈছে আৰু ভাল হ'ব। Rome is not built in a day. যদি পাঁচ বছৰত ৫ খন স্কুল বনাব পাৰি তেতিয়াহ'লে অন্য ৫ বছৰত এটা সমষ্টিত ৫০ ৰ পৰা ৬০ খন স্কুল থাকে। হয়তো তাতকৈ অলপ বেছি থাকিব পাৰে। যদি তেনেদৰে কাম কৰিলে হয়, আজি সেই অৱস্থাটো নহ'লে হয়। কোনোবাই ক'ব পাৰে যে contest টো লাগে নে container টো

লাগে। এই সদনত যদি ভাল আলোচনা নহয় আমাক contest টো লাগিব container ও লাগিব। contest টোৰ কথা কোনোবাই চিন্তা কৰিছিল নেকি? contest টো ঠিক কৰি ৰাখিবলৈ হ'লে container টো লাগিব। আজি কিয় amalgamation কৰিব লগীয়া হ'ল, তাৰ বাবে কোন দায়ী? আমাৰ মাননীয় কেইগৰাকীমান সদস্যই কৈছে যে চাৰিজন ছাত্ৰ-ছাত্ৰী আৰু ছয়গৰাকী শিক্ষক। পান বজাৰ ছোৱালী হাইচেকেণ্ডাৰীৰ কথাটো আপোনোলোক সকলোৱে জানে। ৰাজ্যপাল ডাঙৰীয়াই যে ভিজিট কৰিবলৈ গৈছিল। ছাত্ৰীৰ সংখ্যা কিমান আছিল, শিক্ষকৰ সংখ্যা কিমান আছিল। কি কাৰণে আজি PTR আনিব লগীয়া হৈছে? এইবিলাকেই initiative আৰু এইবিলাকেই হ'ল colour যাৰবাবে এটা সুন্দৰ ছবি আমি পাবলৈ সক্ষম হৈছো। যথেষ্ঠ কৰণীয় আছে। কি কাট মোশ্যন, এইবিলাক বৃটিছৰ নিয়ম উঠাই দিব লাগে। প্ৰতিখন অধিবেশনত তিনিটা তিনিটা বিষয় আৰু বিভাগৰ ওপৰত বিতং ভাৱে আলোচনা হ'ব লাগে। দুঘণ্টা যোৱা চৰ্চা হওঁক। শিক্ষা ব্যৱস্থাত আৰু কি কি effort দিব লগীয়া আছে। কি কি effort দিলে আমি output পাম। সেই বিষয়ে আলোচনা হওঁক। আমাক সাত মিনিট সময় দিছে কিন্তু এইটো যথেষ্ট নহয়, সত্তৰ মিনিট সময় দিব লাগে। তেতিয়াহে আচল ছবিখন দাঙি ধৰিবলৈ আমি সক্ষম হ'ম। তেওঁলোকে কৈছে এশ টকা কমাব লাগে, কিন্তু তেখেত সকলে ক'ব লাগিছিল দুশ টকা বেছিকৈ দিব লাগে। এফালে ক'ব ঋণ লৈছে। নাৰ্বাডটো ঋণৰ পইচা। RIDF 29 বা 30 চলিব। ইফালে আকৌ narrative build up কৰিলে চৰকাৰী স্কুল বিলাক বন্ধ কৰিলে। এই চৰকাৰী স্কুল বিলাক কিয় বন্ধ কৰিব লগীয়া হ'ল। মাষ্টৰ জনে নিজৰ সন্তান বা ছাত্ৰ-ছাত্ৰী জনক কিয় ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত পঢ়াব লগীয়া হ'ল? তাৰ বাবে কোনো চৰকাৰে ব্যৱস্থা লোৱা নাছিল। কিন্তু এইখন চৰকাৰে ইয়াৰ ব্যৱস্থা কৰিলে। গতিকে মই শিক্ষা বিভাগক ধন্যবাদ জনাব বিচাৰিছো। মোৰ কেইটামান চাবমিশ্যন আছে। প্ৰথম কথা হ'ল যে প্ৰতিখন জিলাত এখনকৈ মডেল হাইস্কুল হ'ব লাগে। আদৰ্শ স্কুলেই হওঁক আৰু মাল্টি ডিচপ্লে থাকিব লাগে আৰু লগতে যোগ থাকিব লাগে। তাত অন্য এক্টিভিটি হিচাপে খেল, সংস্কৃতি, নাচ আদি থাকিব লাগে। তেতিয়া দেখিব এদিন ব্যক্তিগত খণ্ডৰ বিদ্যালয় সমূহত তলা লাগিব। পাইলট বেচিচ কৰক। আমাৰ পাঁচ বছৰীয়া সময় থাকে। যিহেতু আমাৰ ৰাজ্যখনত পয়ত্ৰিছ খন জিলা আছে গতিকে প্ৰথম বছৰত সাতখন জিলা লওঁক আৰু পিছৰ বিত্তীয় বৰ্ষত আৰু সাতখন জিলা লওঁক। তেনেদৰে পয়ত্ৰিছ খন জিলাত পয়ত্ৰিছখন আদৰ্শ বিদ্যালয় গঢ়ি উঠক। কেইখনমান বিদ্যালয় আবাসীক হ'ব লাগে আৰু কেইখন মান Day boarding হ'ব লাগে। তেতিয়া দেখিবলৈ পাম যে আমাৰ ৰাজ্যখন ভাৰতবৰ্ষৰ ভিতৰত প্ৰথমত থাকিব। Moral study থাকিব লাগিব। সেইদিনা মোৰ খুব বেয়া লাগিছে যে এই ৰাজ্যখনতেই এজন ছাত্ৰই এজন শিক্ষকক হত্যা কৰিছে। কিন্তু আমিও জানো এইখন ঋষি-মুণিৰ দেশ। আমাৰ অসমতেই চাওঁক যে ১৯৪৮ চনত গুৱাহাটী বিশ্ব বিদ্যালয় স্থাপন হৈছিল আৰু ১৯০১ চনত কটন কলেজ স্থাপন হৈছিল। তেতিয়াৰ কলেজ আৰু এতিয়া বিশ্ব বিদ্যালয়। মই পঢ়া স্কুলখন ১৮৭৫ চনত স্থাপন হৈছিল আৰু এতিয়া ডেৰশ বছৰীয়া জয়ন্তী। সেই স্কুলখনৰ অৱস্থা অতি বেয়া আছিল। ঘৰ ভাঙি গৈছিল আৰু সেই বিদ্যালয়খনে এতিয়া নতুন ৰূপ পালে। সেয়ে শিক্ষা বিভাগক মই ধন্যবাদ জনাইছো। Moral study আমাক লাগিব। Moral study অবিহনে আমি ভাল ছাত্ৰ-ছাত্ৰী গঢ়িবলৈ সক্ষম নহ'ব। মোৰ সময় যিহেতু হৈ গ'ল মোৰ বক্তৃতা সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী।

**শ্ৰী ভবেন্দ্ৰ নাথ ভৰালী, দেৰগাওঁ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ ৭১ পৰিপূৰক

দাবী মঞ্জুৰীৰ যি অতিৰিক্ত ধনৰ াবন্টন বিচাৰিছে সেই আবন্টনৰ প্ৰতি বা সেই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই মই ক'ব বিচাৰিছো আৰু কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰিছো। শিক্ষা ব্যৱস্থাটো প্ৰাক্ ঐতিহাসিক যুগত যি ব্যৱস্থা আছিল তাত ঋষি-মুণি সকলে গছৰ তলত শিক্ষা দি তেওঁলোকৰ নিচিনা ঋষি-মুণিৰ সৃষ্টি কৰিছিল আৰু সেই ব্যৱস্থাটোৰ পৰিবৰ্তন ঘটি বৰ্তমান পৰ্য্যায়ত আমি যিটো শিক্ষা ব্যৱস্থালৈ আহিছো সেই ব্যৱস্থাটোৰে শিক্ষাৰ যি পৰিৱৰ্তনৰ সূচনা কৰিব লাগিব সেইক্ষেত্ৰত আমাৰ শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে চৰকাৰে গুৰুত্ব সহকাৰে চিন্তা কৰিব লাগিব। বিশেষকৈ অতীত কালত ঋষি-মুণি সকলে গছৰ তলত দিয়া শিক্ষা আৰু আজিৰ শিক্ষাৰ মাজত যথেষ্ট পাৰ্থক্য আছে। এই পাৰ্থক্যৰ বাবে মানৱ সম্পদ সৃষ্টিৰ বাবে যিটো পৰিবেশৰ প্ৰয়োজন তেনেকুৱা এটা পৰিবেশ সৃষ্টিৰ বাবে চৰকাৰে প্ৰয়োজনীয়া ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। তেতিয়াহে আমি প্ৰকৃত মানৱ সম্পদ বা ভৱিষ্যতৰ ভাল নাগৰিক সৃষ্টি কৰিবলৈ সক্ষম হ'ব পাৰিম। বৰ্তমান যিটো ব্যৱস্থা আমি শিক্ষা দিয়াৰ, মানুহ সৃষ্টি কৰাৰ, যিটো ব্যৱস্থা, সেই ব্যৱস্থাটোৰ কিছু কিছু পৰিবৰ্তন ঘটাব লাগিব। বৰ্তমান সময়ত ড০ হিমন্ত বিশ্ব শৰ্ম্মাৰ নেতৃত্বত শিক্ষাৰ যিটো আমুল পৰিবৰ্তন ঘটাইছে, আৰু এই আমুল পৰিবৰ্তনত শিক্ষা ব্যৱস্থাটো আগলৈ লৈ যোৱাৰ ক্ষেত্ৰত চৰকাৰ সফল হৈছে। এই ক্ষেত্ৰত এটা কথা আমি ক'ব লাগিব শিক্ষা বিভাগটো পূণ্যতা পাব সেইদিনা, যিদিনা আমি দেখা পাম যে অতি সুন্দৰ ভাৱে প্ৰত্যেকখন গাৱৰ ল'ৰা-ছোৱালী শিক্ষা গ্ৰহণ কৰিবৰ কাৰণে বিদ্যালয়লৈ গৈছে, drop out হোৱা নাই। তেতিয়াহে সেই শিক্ষা বিভাগে পূণ্যতা পাব। সেই ব্যৱস্থাটো কৰিবলৈ হ'লে চৰকাৰৰ দৃষ্টি গাৱৰ সেই সৰু সৰু , কণ কণ শিশু বিলাক একেবাৰে প্ৰাপ্তবয়স্কলোকলৈকে চকুটো থাকিব তেতিয়াহে আমি এখন সুন্দৰ সমাজ পাম। তাৰ বাবে প্ৰাথমিক ভাৱে বিদ্যালয়ৰ যি শিক্ষা ব্যৱস্থা, সেই শিক্ষা ব্যৱস্থা আমি উন্নত কৰিব লাগিব। বৰ্তমান পৰ্য্যায়ত আমাৰ চৰকাৰে যিখিনি ব্যৱস্থা লৈছে, সেই ব্যৱস্থাত যথেষ্টখিনি আগবাঢ়িছে, কিন্তু আৰু বহু আগবঢ়াই নিব লাগিব। সেইখিনি আগবঢ়াই নিবলৈ হ'লে আৰু বহুখিনি কাম কৰিব লগা আছে। মোৰ কেইটামান পৰামৰ্শ আছে যেনে - বিশেষ ভাৱে প্ৰাথমিক বিদ্যালয়, secondary education আৰু higher education প্ৰত্যেকটো শিতানতে আমি আৰু কিছু পৰিবৰ্তন আনিব লাগিব। বিশেষকৈ কণ কণ ল'ৰা-ছোৱালীখিনিক elementary education ত ক্ৰিয়াৰ মাজেৰে, খেলৰ মাজেৰে তেওঁলোকক শিক্ষা দিব লাগিব। যাৰ কাৰণে অংগনাবাড়ী কেন্দ্ৰৰ জড়িয়তে ল'ৰা-ছোৱালীখিনিক এটা পৰ্য্যায়লৈ উন্নীত কৰি লৈ যাব লাগিব, য'ত নেকি তেঁওলোকৰ শিক্ষাৰ প্ৰতি আগ্ৰহটো আহে খেলৰ মাজেৰে, গীত মাতৰ জড়িয়তে ইত্যাদি। ঠিক সেইদৰে প্ৰাথমিক পৰ্য্যায়ত সেই ল'ৰা-ছোৱালীখিনিক এনেকুৱা এটা পৰিবেশ দিব লাগিব যিটো পৰিবেশত নেকি ল'ৰা-ছোৱালীখিনিয়ে তেওঁৰ নিৰ্দ্দিষ্ট বিষয়ত যাব বিচাৰে, কোনোবাই গীত মাতত, কোনোবাই খেল জগতত যাব বিচাৰে, তেওঁলোকৰ সেই যিটো মানসিক অৱস্থা, সেই অৱস্থাটো শিক্ষক জনে বাছি উলিয়াব পাৰিব লাগিব, differentiate কৰিব লাগিব। সেই মতে ল'ৰা-ছোৱালীখিনিক শিক্ষাৰ বিভিন্ন পৰ্য্যায়ত তেওঁ লৈ যাব লাগিব। তেতিয়াহে আমি সুন্দৰ এটা শিক্ষা ব্যৱস্থা পাম। ল'ৰাটো বা ছোৱালীজনীক আৰম্ভনীতে আমি দেখা পাওঁ, কেতিয়াবা আমি দেখো সৰু সৰু ল'ৰা-ছোৱালীয়ে হাতুৰীটো লৈ টঙনিয়াই আছে, কোনোবা এটাক আমি দেখো কটাৰীখন লৈ কাম কৰি আছে। তেওঁৰ মনটো কোন ফালে আছে? শিক্ষকজনে সেইটো বাছি উলিয়াব লাগিব। তেওঁৰ technical শিক্ষাৰ প্ৰতি আগ্ৰহ আছে, কোনোবাই বেজী সূতা লৈ কাম কৰিব বিচাৰে, আমি তেওঁলোকক differentiate কৰি এনেধৰণে শিক্ষাৰে আগুৱাই দিব লাগিব। সেই differentiation টো প্ৰাথমিক পৰ্য্যায়ত বা

হাইস্কুল পৰ্য্যায়ত আমি বাছিব পৰা হ'ব লাগিব। তেতিয়া মই ভাবো যে শিক্ষা ব্যৱস্থা কিছু আগবঢ়াই নিয়াত সুবিধা হ'ব। এই ক্ষেত্ৰত মোৰ পৰামৰ্শ হৈছে, যে যদি আমি প্ৰাথমিক পৰ্য্যায়ৰ পৰা হাইস্কুল পৰ্য্যায়লৈ কিছু residential, আৱাসিক স্কুল পৰীক্ষামূলক ভাৱে প্ৰতিষ্ঠা কৰি তাতে আমি ল'ৰা-ছোৱালীখিনিক এনেধৰণে শিক্ষা দিয়াৰ ব্যৱস্থা কৰো য'ত ল'ৰা-ছোৱালী বিলাকে যেনে ধৰণে যাব বিচাৰে, তেওঁৰ মগজুৱে কি বিচাৰে সেইটো নিৰ্বাচন কৰি তেওঁক সেই লাইনত , কোনোৱাই গীত মাতৰ মাজেৰে যাব বিচাৰে, কোনোবাই খেলৰ মাজেৰে যাব বিচাৰে জীৱনটো, এই differentiate বিলাক কৰি শিক্ষাটো তেনেধৰণে দিব লাগিব। তেতিয়া আমি নিশ্চয় সমাজত বিভিন্ন পৰ্য্যায়ৰ মানুহ বা নাগৰিক পাম। গতিকে সেই পৰ্য্যায়ত আৱাসিক স্কুলখনে আমাক নিশ্চয় বেছিকৈ সুবিধা দিব। এতিয়া আমি যিটো পদ্ধতিত ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দিছো, এখন বিদ্যালয়ৰ বিল্ডিংৰ ভিতৰত তেওঁলোকক শিক্ষা দিয়া হৈছে। সেই শিক্ষাটোত নিশ্চিত ভাৱে নিজৰ merit টো নিজেই ল'ৰাটোৱে উলিয়াব শিক্ষক জনে দেখুৱাই দিয়া পথেৰে। কিন্তু আৱাসিক স্কুলখন যদি হয়, তাত তেতিয়া তেওঁক আগবঢ়াই নিয়াৰ বাবে কেইবাটাও ক্ৰিয়াই কাম কৰিব। য'ত নেকি আমি এজন সু নাগৰিক পাবলৈ সক্ষম হ'ম। সেই কাৰণে মোৰ পৰামৰ্শ যে ২,৪ খন পৰীক্ষামূলক ভাৱে চৰকাৰৰ নেতৃত্বত যদি আমি আৱাসিক স্কুল আগবঢ়াই নিব পাৰো তেতিয়া হ'লে আমি সেই শিক্ষাত কি ধৰণে ল'ৰা-ছোৱালীখিনি আগবাঢ়িছে পৰীক্ষামূলক ভাবে কিছু আভাস পাম। ঠিক সেই একেদৰে আমি technical education ৰ ক্ষেত্ৰত higher educationৰ ক্ষেত্ৰতটো সেই বাছি নিয়া ছাত্ৰ-ছাত্ৰীখিনিক বিভিন্ন লাইনত আমি লৈ যাব পৰাৰ সেই ব্যৱস্থাটো কৰিব লাগিব। তেতিয়া আমি অন্ততঃ এখন ভাল সমাজ , সুস্থ সমাজ গঢ় দিবৰ কাৰণে আমি আগবাঢ়ি যাব পাৰিম বা quality education যিটো, উন্নত মানদণ্ডৰ শিক্ষা এটা আমি পাম বুলি ভাবো। বৰ্তমান পৰ্য্যায়ত যিটো পদ্ধতিত আমাৰ শিক্ষা ব্যৱস্থা চলি আছে, সেই শিক্ষা ব্যৱস্থাত কিছুমান অসুবিধা বৰ্তমান সময়ত আহিছে। শিক্ষক সকলক শিক্ষাদান দিয়াৰ লগতে চৰকাৰী ভাবে কিছুমান অতিৰিক্ত কামৰ বোজা দিয়া হৈছে, ভোটাৰ তালিকা সংশোধন বা বি এল অ' বা ছাৰ্ভে এনেধৰণৰ কিছুমান কামত শিক্ষক সকলক লগাই দিয়াৰ বাবে তেওঁলোকৰ কামৰ বোজা বাঢ়ি যোৱাৰ ফলত তেওঁলোকৰ যিটো মুখ্যকাম শিক্ষাদান সেইটোত অকনমান বাধা পৰিছে। গতিকে আমি এইটো কিবা ব্যৱস্থাৰে অকনমান কিবা কৰিব পাৰো নেকি সেইটো অলপ চিন্তা কৰিব লাগে। দ্বিতীয়তে বৰ্তমান পৰ্য্যায়ত শিক্ষাদানৰ বাবে যিটো পৰিৱেশ ল'ৰা-ছোৱালীক, এটা ভাল পৰিবেশ দিব লাগিব আৰু সেই পৰিবেশত সেই ছাত্ৰজন বা ছাত্ৰীজনীয়ে পঢ়িব লাগিব। বজাৰ এখনৰ কাষত যদি স্কুলখন হয়, ছাত্ৰ-ছাত্ৰীৰ পঢ়াত কেতিয়াও মন নবহে। গতিকে তাত সেই পৰিবেশটো তৈয়াৰ কৰি দিয়াৰ কাৰণে আমাক যিখিনি minimum need সেইখিনি আমাক লাগিব, বাউণ্ডেৰীৰ ওৱালখন লাগিব, গছ-গছনিৰে এটা প্ৰাকৃতিক পৰিবেশ লাগিব। শিক্ষকক শিক্ষাদান দিবৰ বাবে এখন ব্লেকবোৰ্ড লাগিব, টে বুল-চকী বা ডেস্ক-বেঞ্চ লাগিব। এই যিখিনি minimum বস্তু আমাক লাগে সেই বস্তু বিলাক কিন্তু বৰ্তমান পৰ্য্যায়ত আমি দেখিছো বিদ্যালয় বিলাকত অভাৱ আছে, আৰু শিক্ষা বিভাগক মই এটা অনুৰোধ জনাইছো, মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক, সমগ্ৰ শিক্ষা অভিযানৰ জৰিয়তে এনেধৰণৰ কিছু বস্তু দিয়া হয়, মই আজি এটা প্ৰশ্নও কৰিছিলো, লিখিত উত্তৰত আহিছে। কথাটো হ'ল যিবিলাক স্কুলে পাব লাগে grant টো কিন্তু সেই বিলাকে নাপায় বেলেগ কিছুমানে পায়। কি ভিত্তিত দিয়ে? TAP Committee য়ে এই সম্পৰ্কত সিদ্ধান্ত লয়। প্ৰধান কথাটো হ'ল প্ৰায়বিলাক স্কুলতেই ডেস্ক-বেঞ্চ বা অন্যান্য সা- সঁজুলী বিলাকৰ অভাৱ ঘটে। যাৰ ফলত মোৰ সমষ্টিতে মই

কেইবাখনো বিদ্যালয়ত ডেস্ক-বেঞ্চ, টয়লেট ইত্যাদি ইত্যাদি বনাবৰ কাৰণে বিধায়ক পুঁজিৰ পৰা আমি দিব লগা হৈছে। গতিকে এই যিখিনি minimum বস্তু ছাত্ৰ-ছাত্ৰী সকলক লাগে সেই বস্তুখিনি আমি দিয়াৰ ব্যৱস্থা কৰিব লাগে। লগতে এই শিক্ষা দিয়াৰ সম্পৰ্কত আমাৰ যিটো পৰিবেশ, ডেস্ক-বেঞ্চ ইত্যাদিৰ বাবে আমি চৰকাৰী ভাৱে এটা grant ৰখাৰ ব্যৱস্থাটো কৰিব লাগে। য'ত প্ৰয়োজন আছে তাত আমি দিয়াৰ ব্যৱস্থাটো কৰিব লাগে। তৃত্বীয় প্ৰত্যকখন বিদ্যালয়ত আমি জল জীৱন মিছনৰ অধীনত পানীৰ ব্যৱস্থা কৰিব দিছো আৰু সেই পানী দিয়াৰ ব্যৱস্থাতো য'ত জলজীৱন মিছন আঁচনি আছে তাত আমি দিব পাৰিছো কিন্তু কিছুমানত পৰা নাই। গতিকে সেই বিলাকত পানীৰ এটা সু-ব্যৱস্থা আমি দিব পাৰো, সেইটো চাব লাগে চৰকাৰিভাৱে বিদ্যালয় বিভাগে আৰু তৃত্বীয়তে টয়লেটৰ সম্পৰ্কত সাধাৰণতে আমি পঞ্চায়তৰ জৰিয়তে টাইড ফাণ্ডৰ জৰিয়তে বিদ্যালয় বিলাকত টয়লেট নিৰ্মাণ কৰি দিওঁ। কিন্তু সেইবিলাক নিৰ্মাণ কাৰ্য্যত বৰ্তমানলৈকে আমি যিখিনি দেখিছো পঞ্চায়তৰ পৰা নিৰ্মাণ টয়লেট বিলাকৰ মানদণ্ড খুব কম। সেয়েহে, শিক্ষা বিভাগৰ জৰিয়তে আমাৰ কিছু এইবিলাক ক্ষেত্ৰত মনিতৰ কৰিবৰ কাৰণে জিলা পৰ্য্যায়ত হওঁক বা ব্লক পৰ্য্যায়ত হওঁক এটা ব্যৱস্থা আমাৰ ৰাখিব লাগে। যাৰ জৰিয়তে আমি আটাইখিনি কাম চোৱা-চিতা কৰিব পাৰো। Social (01-10) স্কুল Compound ত, সুন্দৰকৈ গছ-গছনি ৰুই সুন্দৰ পৰিবেশ, ফুলনি এখনৰ সৈতে এটা পৰিবেশ যদি তৈয়াৰ কৰা হয়, ল'ৰা-ছোৱালী খিনি আহিলে বিদ্যা মন্দিৰত সোনকালে যেন এটা অনুভৱ হ'ব পঢ়াৰ প্ৰতি তেওঁলোকৰ এটা ধাউতি আনিব নালাগে মই আৰু এটা কথা ক'ব বিছাৰিছো, আমাৰ অকল পঢ়োৱা কামটোৱে নহয়, বিদ্যালয় বিলাকত, পঢ়া লগতে, শিক্ষা জগতখনৰ লগতে, ক্ৰিয়া জগত, সাংস্কৃতিক জগতখনো শিক্ষা দানৰ লগতে জড়িত কৰিব লাগে। যাৰ জৰিয়তেআমি বিভিন্ন পৰ্য্যায়ত সাংস্কৃতিক ক্ষেত্ৰখনতো আমাৰ নাগৰিক পাম ক্ৰিয়া জগতখনো আমি কিছু নাগৰিক পাম বা অনা Vocational Education ৰ ক্ষেত্ৰতো আমি ল'ৰা ছোৱালী বিলাকক উলিয়াব পাৰিম। আজি যদি এখন সুন্দৰ সমাজ গঠন কৰিব লাগে তেতিয়া হ'লে এই ব্যৱস্থাবিলাক বিদ্যালয় বিলাকত যদি সংযুগ কৰি ল'ব পাৰো তেতিয়াহ'লে আমি এখন শক্তিশালী সমাজ গঢ়াৰ পথে আমি আগবাঢ়ি যাব পাৰিম। বৰ্তমান চৰকাৰখনে আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত শিক্ষা বিভাগে সুন্দৰ ভাৱে কাম কৰিছে, যিখিনি minimum অলপ অলপ বস্তুৰ অভাৱ আছে, সেই অভাৱখিনি দূৰ কৰিব পাৰিলে আমি নিশ্চিয় আগবাঢ়িব পাৰিম। ইতিমধ্যে আমাৰ কলিতা ডাঙৰীয়াই এটা কথা কৈ গৈছে প্ৰত্যেক জিলাতে এখনকৈ Model School যদি হয় তাত যদি মই কোৱা কথাখিনিৰ সংযোগ ঘটে, তেতিয়া হ'ল আমি সুন্দৰ নাগৰিক সৃষ্টি কৰিব পাৰিম। আৰু আমি এখন সুন্দৰ অসম গঢ় দিবলৈ আগবাঢ়ি যাব পাৰিম এইখিনিকে কৈ মই কৰ্তণ প্ৰস্তাৱ বিৰোধীতা কৰি মাননীয় শিক্ষা মন্ত্ৰীক সম্পৰ্ণ দাবীমঞ্জুৰী খৰচ কৰাৰ বাবে দায়ত্ব অৰ্পণ কৰিব লাগে। ইয়াকে কৈ মই মোৰ বক্তৃতা সামৰণি মাৰিছো। ধন্যবাদ

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী উৎপল বৰা।

**শ্ৰী উৎপল বৰা (গহপুৰ) ঃ** সন্মানীয় সভাপতি ডাঙৰীয়া, আজি আমাৰ সন্মানিয় মন্ত্ৰী ৰণোজ পেগু ডাঙৰীয়াই যি ২০২৫-২৬ চনৰ ৩১ মাৰ্চত শেষ হ'ব লগীয়া বছৰটো কাৰণে ৭৫,৪৪৫.৬ লাখ টকা মঞ্জুৰৰ যি দাবী মঞ্জুৰী বিচাৰিছে তাৰ পূৰ্ণ সমৰ্থন জনাইছো আৰু বিৰোধী পক্ষই যি কৰ্তণ প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি দুৱাখাৰ ক'বৰ বাবে আগবাঢ়িছো। মাননীয় সভাপতি ডাঙৰীয়া শিক্ষা

সমাদৰ এক অবিচ্ছেদ অংগ শিক্ষা অবিহনে এখন সমাজ কেতিয়াও আগবাঢ়ি যাব নোৱাৰো। সমাজখন যদি প্ৰগতিৰ দিশত আগবাঢ়িব লাগে তেতিয়া হ'লে আমাক কেইটামান স্তম্ভৰ প্ৰয়োজনীয়তা আছে। তাৰে মূল স্তম্ভটো হৈছে শিক্ষা আৰু শিক্ষাই সমাজখনক সুসংস্কাৰ, সমাজখনত থকা বিভিন্ন অসামৰিক কামবিলাক নাইকিয়া কৰিব কাৰণে শিক্ষা আমাৰ অনিবাজ্য আৰু তাৰেই প্ৰখ্যান আজি আমাৰ চৰকাখনে বিভিন্ন আঁচনি জৰিয়তে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত শিক্ষা বিভাগে কৰিব কাৰণে আগবাঢ়িছে। আমাৰ চৰকাৰ অহাৰ পিছত বহু হাজাৰ ইতিমধ্যে বহু কেইগৰাকী সন্মানীয় সদস্যই এই কথা কৈছে যে আমি শিক্ষা নিযুক্তে প্ৰক্ৰিয়াত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। Primary upper primary, গ্ৰেজুৱেট Teacher, Senior Secondary teacher এই সকল appointment আৰু college লোৱাকে ধৰি বিভিন্ন পদ্ধতিত আজি শিক্ষা বিভাগেটোক আগবঢ়াই লৈ যাবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে।

**শ্ৰী উৎপল বড়া (গহপুৰ)** ঃ তথাপিতো যিমানখিনি কাম কৰিছে আৰু কৰিব লগা আছে বিগত চৰকাৰ বিলাকৰ দিনত, এই Lagging খিনিৰ আমাৰ চলিথকাৰ কাৰণে আজি মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যিমানখিনি চেষ্টা কৰা হৈছে, শিক্ষা বিভগতো আগবঢ়াই লৈ যাবৰ কাৰণে তথাপিও যথেষ্ট প্ৰতিবন্দিতা সৃষ্টি হৈ আছে। আমি আশাবাদী যে ভৱিৎষতে এই যিটো ধাৰাত, এই ধাৰাত শিক্ষা বিভাগে যিদৰে কাম কৰিছে এই ধাৰাটোত যদি আমি কাম কৰি যাব পাৰো শিক্ষা বিভাগ তেতিা হ'লে অনাগত দিনত আজি অসমত শিক্ষা জগতকখনত শিক্ষা বিভাগ এক নতুন দিগন্ত সুচনা কৰিব। মোৰ এই খিনিতে কেইটামান পৰামশ আছে, যে আমাৰ Primary upper primary আৰু Graduate teacher আৰু Senior Secondary Teacher appointment কৰা হৈছে। মোৰ  ভুল ন'হলে ২০২৩ চনৰ আগৰ vacancy খিনিৰ ওপৰত দিছিলে। মই এই ক্ষেত্ৰত বিশেষকৈ primary আৰু Upper primary ক্ষেত্ৰত মোৰ দৃষ্টিত অলপ deprived হৈছে। যে আমাৰ জিলাত মাত্ৰ primary আৰু upper primary ত ৮ জনে শিক্ষক পাবলৈ সক্ষম হ'ল। তাৰ ভিতৰত মোৰ সমষ্টিত primary মাত্ৰ এজন শিক্ষক পাইছো। যিহেতু মাননীয় মন্ত্ৰী ডাঙৰীয়াও  জানে যে গহপুৰ সমষ্টি যথেষ্ট বিদ্যালয় আছে আৰু Vacancy ও বহুখিনি আছিল। এই ক্ষেত্ৰত বিদ্যালয়খিনি অখুবিধা হৈছে নিশ্চয়।এ বাকী সমষ্টিটো এনেকুৰা ঘটনা ঘটিছে। এতিয়া Graduate teacher appointment আৰু Senior Secondary Teacher সকলৰ appointment ৰ ক্ষেত্ৰত এখন জিলাৰ পৰ্য্যায়ত কমিটি তৈয়াৰ কৰিয়ে posting ৰ ব্যৱস্থাৰ কৰিব বুলি আপোনালোকে যিটো কৈছে, ইতিমধ্যে মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই ceremonial distributaion কৰিলে appointment letter বা order মোৰ এটা পৰামশ যে যিখন জিলাত   সমিতি হ'ব এই সমিতিখন কৰাটো ভাল হ'ব। বহু master degree applicant ও এবাৰ Graduate teacher চাকৰিত তেওঁলোকে বুৰঞ্জি বা বিজ্ঞান বিষয়, chemistry, physics, mathematics, economics,  বা political science যিহেতু আমাৰ উচ্চ মাধ্যমিক বিলাকত এই post বিলাক খালি আছে। যদি Graduate Teacher সকলৰ appointment concerned উচ্চ মাধ্যমিক বিলাকত দিয়ে। Economics ত Master degree কৰিছে কিন্তু Graduate teacher হিচাপে নিযুক্তি পাইছে। তেখেতক যদি উচ্চ মাধ্যমিকত সেই জিলাৰ ভিতৰত  appointment দিব পাৰো তেতিয়া হ'লে Economics

class যদি উচ্চ মাধ্যমিকত খালী থাকে তেতিয়া হ'লে তেওঁ হাইস্কুল section টো পঢ়াব পাৰিব আৰু Higher secondary section টো পঢ়াব পাৰিব।

আমাৰ যিটো শিক্ষকৰ Short fall আছে, সেই Short fall খিনি হয়তু আমি জিলা পৰ্য্যাত minute observation কৰি এই ক্ষেত্ৰ যদি কৰিব পাৰো তেতিয়া হ'লে আমাৰ যথেষ্ট সুবিধা হ'ব বুলি ভাৱো। এই ক্ষেত্ৰত জিলা কমিটি খনক মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিশেষ ভাৱে আহ্বান জনাব লাগে যে এই ক্ষেত্ৰত চালি যাৰি চাই। সাধাৰণ Graduate ক high school পৰ্য্যায়ত দিয়ক । Arts Graduate, Science Graduate ক যদিহে Master degree Graduate teacher হিচাপে Select হৈছে concerning উচ্চ মাধ্যমিক বিলাকত যদি দিয়ে সেই খালী status টো আমি অলপ হ'লেও minimise কৰিব পাৰিম বুলি আশা বাদি। এই এটা মই পৰাশ আগবঢ়াইছো। দ্বিতীয়তে মাননীয় শিক্ষা মন্ত্ৰী WPT & OBC ৰো মন্ত্ৰী তেখেতৰ জৰিয়তে আমি college বা আমাৰ বিভিন্ন বিদ্যালয় বিলাকত আমি Hostel পাবলৈ সক্ষম হৈছো বা ৰজহুৰা অধীনতো পাবলৈ সক্ষম হৈছো। স্কলবিলা বা আমাৰ college বিলাকত WPT & OBC পৰা পাইছো । আমি girls hostel পাইছো কিন্তু girls hostel ৰ estimate বিলাকৰ লগতে boundary wall নাই।

মোৰ সমষ্টিৰে কলাবাৰী কলেজ খনত মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ চেষ্টাত এটা ছোৱালী Hostel পাবলৈ সক্ষম হৈছো আৰু তাৰ আন্তগাঁথনি ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু যোৱা কেইদিন মান আগত যি Governing body হৈছিল তাৰ সভাত মই যাওতে কলেজ কতৃপক্ষ আৰু আমাৰ Governing body ৰ মাজত আলোচনা হৈছিল যে Boundary wall টো যদি আমি বনাই দিয়া উচিত কিয়নো আমাৰ বহু দূৰৰ পৰা ছাত্ৰী বিলাকে বিশেষকৈ চৰ চাপৰি অঞ্চলৰ পৰা জনজাতীয় লৰা ছোৱালী বিলাক ইয়াত পঢ়িবলৈ আহে, এনেকুৱা সমস্যা নিশ্চয় বেলেগ সমষ্টিটো আছে। গতি কে মন্ত্ৰী মহোদয়ে এই বিষয়ত গুৰুত্ব দিলে ভাল হয়। মই আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যে যিটো সমস্যা প্ৰতেকটো সমষ্টিতে আছে যে in-charge Headmaster আৰু in-charge Principal উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ। বহুক্ষেত্ৰত দেখা যায় যে যাক দিয়া হয় তেখেতৰ ওপৰত কিবা এটা আইনগত বিষয় আহি যায় যাৰ ফলত স্কুল পৰিদৰ্শক জনকে হয়তো উচ্চতৰ মাধ্যমিক বিদ্যালয় Principal হিচাপে ৰাখে বা in-charge Headmaster হিচাপে ৰাখি বিদ্যালয় খন চলিবলৈ দিছে। মোৰ সমষ্টিত এজন স্কুল পৰিদৰ্শক আছে তেওঁ ১৫০ কি মি গৈ কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু টেটনবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় in-charge Principal হিচাপে কাম কৰি আছে, যাৰ ফলত মধ্যাহ্ন ভোজনৰ এটা চহীৰ বাবে তেখেতৰ ওচৰলৈ যাবলগীয়া হয়। গতিকে আমাৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক আৰু অধ্যক্ষৰ বিপৰীতে পূৰ্নাংগ প্ৰধান শিক্ষক আৰু অধ্যক্ষ নিযুক্তি অতি সোনকালে দিয়াৰ ব্যৱস্থা কৰিবলৈ মন্ত্ৰী মহোদয়ক মই আহ্বান জনাই শিক্ষা বিভাগে কৰি যোৱা কাম বিলাকৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ৰ নেতৃত্বাধীন চৰকাৰ খন আৰু শিক্ষা মন্ত্ৰী মহোদয়কে ধন্যবাদ জনাই এই মঞ্জুৰী সম্পূৰ্ণ ভাৱে দিয়াৰ ক্ষেত্ৰত কোনোৱে আপত্তি কৰিব নালাগে।

**সভাপতি ( শ্ৰী শিবু মিশ্ৰ)** ঃ এতিয়া মাননীয় বিধায়ক শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় সভাপতি ডাঙৰীয়া, কৰ্তণ প্ৰস্তাৱৰ সমৰ্থনত কবলৈ সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। ইতিমধ্যে কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা

কৰি শাসকীয় পক্ষৰ মাননীয় বিধায়ক সকলে চৰকাৰৰ গুন গাই আছে শিক্ষা বিভাগৰ কাম কাজক প্ৰশংসা কৰিছে।

**সভাপতি ( শ্ৰী শিবু মিশ্ৰ)** ঃ আপোনাৰ ৫ মিনিট।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় সভাপতি ডাঙৰীয়া, শিক্ষা মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নৰ যি উত্তৰ দিছে সেই তথ্যৰে মই মোৰ ভাষণ আৰম্ভ কৰিব বিচাৰিছো। আমাৰ ৰাজ্যত শিক্ষাৰ অধিকাৰ আইন বলবৎ হৈ থকা সত্বেও বৰ্তমান ৰাজ্যখনত LP স্কুলত ৮২৪৯ জন আৰু উচ্চ প্ৰাৰ্থমিক বিদ্যালয়ত ৭৩০৩ টা আৰু মাধ্যমিক বিদ্যালয়ত ১২৩৮২ টা শিক্ষকৰ পদ খালী হৈ আছে। তাৰ পিছতো চৰকাৰী পক্ষই শিক্ষা বিভাগক লৈ জয় গান গাইছে। শিক্ষাৰ অধিকাৰ আইন বলবৎ থকাৰ পিচতো ৰাজ্য খনত চৰ অঞ্চল আৰু গাওঁ অঞ্চলত ইমান শিক্ষকৰ পদ খালী হৈ থকাৰ পিচত মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰৰ পৰা আমি বুজিব পাৰিছো। ইয়াৰোপৰি গুণোৎসৱ পাতিছে কিন্তু আজি তাৰিখত শিক্ষা মন্ত্ৰী ডাঙৰীয়াই প্ৰশ্নৰ উত্তৰত দিছে যে খোৱা পানী নথকা বিদ্যালয়ৰ সংখ্যা ৩৪৭ খন ল'ৰা আৰু ছোৱালীৰ শৌচাগাৰ নথকা স্কুৰ সংখ্যা হল ৮০৯ অৰ্থাৎ গুণোৎসৱ পাতি বিদ্যালয় সমূহৰ অসুবিধা বোৰ দূৰ কৰাৰ কথা কৈছে এই চৰকাৰৰ খনৰ ১০ বছৰ সম্পূৰ্ণ হ'বই। ইয়াৰ পৰা বুজা যায় যে ৰাজ্যখনৰ শিক্ষা খণ্ডত ৰাজ্য চৰকাৰে বা শিক্ষা বিভাগে কি ধৰণে গুৰুত্ব আৰোপ কৰিছে ইয়াক আমি বুজিব পাৰিছো। গতিকে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক আহ্বান জনাইছো যে অতি সোনকালে শিক্ষকৰ পদ পূৰণৰ ব্যৱস্থা কৰাৰ লগতে খোৱাপানী, Toilet আৰু লগতে বিদ্যালয় বোৰৰ যি আন্তগাঁথনিৰ সমস্যা আছে তাক সমাধান কৰিব লাগে। আজি দুটামান কথা মন্ত্ৰী মহোদয়ক দৃষ্টি গোচৰ কৰিব বিচাৰিছো আৰু দাবী জনাইছো যে কিছুদিন আগতে যি বিলাক Venture স্কুল চৰকাৰী কৰণ কৰিলে কিন্তু এখন বিদ্যালয়ত যেতিয়া ১০/১২ জন শিক্ষক কৰ্মচাৰীয়ে বছৰ বছৰ ধৰি Venture হিচাপে শিক্ষকতা কৰিলে কিন্তু সেই বিদ্যালয় খনৰ মাত্ৰ ২/৩ জন শিক্ষককহে চৰকাৰী কৰণ কৰিলে আৰু অন্য বিলাকক চৰকাৰী কৰণ নকৰিলে অথচ একেলগে তেওঁলোকে চাকৰিত যোগ দান কৰিলে চৰকাৰী নিয়ম নীতি মতে কাম-কাজ বোৰ কৰিলে কিন্তু দুই তিনিজনৰ বাহিৰে বাকী বোৰৰ নহল তেওঁলোকৰ দোষ কি, তেওঁলোকে একে লগে দায়ত্ব পালন কৰিছে শিক্ষাগত অৰ্হতাও একে কিন্তু তেওঁলোকক চৰকাৰীকৰণ নহল। চৰকাৰীৰণ কৰা বিদ্যালয় বোৰত যি বোৰ পদ দ্ৰপ হৈ আছে আৰু যিহেতু এতিয়াও বহুতো শিক্ষকৰ পদ চৰকাৰী কৰণ হোৱা নাই আৰু তেওঁলোকৰ বিভিন্ন সংস্থাসমূহে মুখ্য মন্ত্ৰী ডাঙৰীয়াক স্মাৰক পত্ৰ দিছে গতিকে সকলো শিক্ষকৰ পদ চৰকাৰীকৰণ কৰিব লাগে। ইয়াৰ লগতে বিভিন্ন LP আৰু ME স্কুলৰ ক্ষেত্ৰত যিবোৰ হিন্দী, আৰবী শিক্ষকৰ পদ আছে সেইবোৰ চৰকাৰী কৰণ কৰা নাই কিন্তু ৰাজ্যচৰকাৰে বিভিন্ন সময়ত কৈ থাকে যে আমি ২ লাখ নিযুক্তি দিলো ৰেকৰ্ড কৰিলো কিন্তু বছৰ বছৰ ধৰি হিন্দী, আৰবী আৰু সংস্কৃতৰ শিক্ষকৰ পদ বিলাক চৰকাৰী কৰণ কৰা নাই, আৰু শিক্ষা বিভাগে তেওঁলোকক কোনো স্পষ্ট উত্তৰ দিব পৰা নাই। কিয় তেওঁলোকক চৰকাৰীকৰণ কৰা নহল। তেওঁলোকৰ ডিগ্ৰী আছে তথাপিও তেওঁলোকক চৰকাৰীকৰণ কৰা হোৱা নাই, এইটো এটা ডাঙৰ প্ৰশ্ন আৰু সেই মানুহ খিনিৰ এতিয়া পানীত হাঁহ নচৰা অৱস্থা গতিকে তেওঁলোকক ৰাজ্য চৰকাৰে ন্যায় দিব লাগে। লগতে Senior Secondary স্কুল বোৰত যিবোৰ গুৰুত্ব পূৰ্ণ পদ খালি হৈ আছে যেনে Musical Teacher আদিকে ধৰি থকা খালী পদ বোৰ পূৰণৰ ক্ষেত্ৰত নিয়ম নীতি কিছু শিথিল কৰি দিব লাগে। আজি যদি আমি UDISE ৰ কথাটো চাওঁ তেতিয়া হ'লে DC Office ৰ গাফিলতিৰ বা শিক্ষা বিভাগৰ গাফিলতিৰ বাবে হওঁক যি সকল

বিদ্যালয়ে নাম অন্তৰ্ভূক্ত কৰিব পৰা নাই তেওঁলোকৰ ক্ষেত্ৰত বিভাগ কিছু শিঠিল হব লাগে। আৰু যিটো ভিত্তি বৰ্ষ ২০১১-১২ ধৰিছে বা কিছুমান বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বিশেষ কাৰণত কম থাকিলেও তেওঁলোকক ধৰিব নালাগে আৰু তেওঁলোকক ন্যায় দিব লাগে। গতিকে মই শিক্ষা মন্ত্ৰী মহোদয়ক এইবিষয়ত গুৰুত্ব দিবলৈ অনুৰোধ জনাইছো।

**সভাপতি ( শ্ৰী শিবু মিশ্ৰ)** ঃ এতিয়া মাননীয় সদস্য শ্ৰী দূৰ্গা দাস বড়ো। আপোনাৰ সময় আঢ়ৈ মিনিট।

**শ্ৰী দূৰ্গা দাস বড়ো, কলাইগাঁও** ঃ মাননীয় সভাপতি মহোদয় কৰ্তন প্ৰস্তাৱ ৰ বিৰোধীতা কৰি দুটা কথা কবলৈ ওলাইছো যে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়া শিক্ষা ব্যৱস্থাটো উন্নত কৰিবলৈ হ'লে শিক্ষাৰ আন্তঃগাঁথনিৰ উন্নয়নৰ লগতে শিক্ষক অভিভাৱকৰ এটা সমন্বয়ৰ প্ৰয়োজন আছে। মই ভাৱো সেই সমন্বয়টো আনিবলৈ চৰকাৰে চেষ্টা কৰিছে। কিন্তু এই আটাইবোৰকে পৰিচালিত কৰিবৰ বাবে প্ৰশাসনিক ব্যৱস্থা আছে যেনে Elementary Education ৰ জিলা বিষয়া বুলিও কওঁ বা অন্যান্য যি বিলাক বিষয়া থাকে তেওঁলোক Sincere হয় নে নহয়, তেওঁলোকে সময় মতে পৰিৰ্দশন কৰিছেনে নাই বা শিক্ষা ব্যৱস্থাত থকা Lapses বোৰ চাইছেনে নাই এইবোৰ বিষয়ে আমি চিন্তা কৰিব লাগিব। মই এটা সৰু উদাহৰণ দিছো এই টো মই আপোনাক Whatsapp ত দি দিম । মই মোৰ বিটিচি অঞ্চলৰ কথা কৈছো, আজি বিটিচি অঞ্চলত যিটো আমি নিযুক্তি দিব নোৱাৰো বিটিচি এৰিয়াত, 2nd grade officer, Graduate officer ৰ পৰা আৰম্ভ কৰি মাত্ৰ শিক্ষা বিভাগৰ আপোনালোকে Grade 2, Grade 1, গোটেই assistant inspector যি সকলক কয়, inspector of school যি বিলাক কয়, তেনেকুৱাকৈ ১৭ টা বিষয়াৰ পদ খালী হৈ আছে এটা সৰু এৰিয়াত। গতিকে all most নাই বুলি ক'লেও হয়। কেনেকৈ administration টো নাথাকিলে এখন স্কুল চলিবৰ কাৰণে হেড মাষ্টাৰ শিক্ষক সকলৰ ওপৰত, প্ৰিন্সিপাল, ভাইচ প্ৰিন্সিপাল থাকে বাকী বিলাকৰ ওপৰত আৰু তেওঁ বিলাকে যদি ঠিক মতে কাম নকৰে তেওঁ বিলাকক চাবৰ কাৰণে General Administration টো সম্পূৰ্ণ থকাটো দৰকাৰ। গতিকে এইখিনি চোৱা দৰকাৰ আছে বুলি ভাবিছো, এইটো হৈছে মোৰ প্ৰথম পৰামৰ্শ। মাত্ৰ ৫ মিনিট সময় মোৰ।

**সভাপতি (শ্ৰীশিবু মিশ্ৰ)** ঃ আপোনাক আঢ়ৈ মিনিট সময় দিয়া হৈছে।

**শ্ৰীদুৰ্গা দাস বড়ো, কলাইগাঁও** ঃ নাই নাই ৫ মিনিট দিয়া হৈছে, গোটেই কেইটাৰ সময়টো লৈছো। গতিকে দ্বিতীয় পৰামৰ্শটো হৈছে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই, মই কেইবাবাৰো কৈছো তেওঁ এখন বিজ্ঞান ডিগ্ৰী কলেজ তাত দিছে। ৮০ শতাংশ সম্পূৰ্ণ হৈছে ইতিমধ্যে। এই বিজ্ঞান ডিগ্ৰী কলেজ খনত ডিগ্ৰী বিজ্ঞানত পঢ়িবৰ কাৰণে সমগ্ৰ কলাইগাঁও এৰিয়াত মই শিক্ষামন্ত্ৰী মহোদয়ক কৈছিলো, এখনো বিজ্ঞান হায়াৰ চেকেণ্ডাৰী স্কুল নাই। অথচ কলাইগাঁওৰ ওচৰে পাজৰে হায়াৰচেকেণ্ডাৰী ৫ খন আছে। এই ৫ খনৰ এখনতো বিজ্ঞান হাইচেকেণ্ডাৰী নাই। যাৰ কাৰণে সেই বিজ্ঞান ডিগ্ৰী কলেজ খনত কোনে পঢ়িব এতিয়া, ক'ৰ পৰা আহিব পঢ়িবলৈ, এইটো খুব গুৰুত্বপূৰ্ণ বিষয় যে ৮০ শতাংশ সম্পূৰ্ণ হৈছে হয়তো মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কেইবাখনো কলেজ একেলগে অপেনিং কৰিব। তেতিয়া এইখন কলেজো হয়তো পৰি যাব। তাৰ পিছত যেতিয়া ক্লাছ আৰম্ভ হ'ব ক'ৰ পৰা তাত ছাত্ৰ-ছাত্ৰী আহিব। মই আপোনাক ৩ খন হায়াৰচেকেণ্ডাৰীৰ নাম দিছো, য'ত নেকি প্ৰত্যেকখন হায়াৰ চেকেণ্ডাৰীত ২০০ কৈ ল'ৰা-ছোৱালী বছৰত তেওঁলোকৰ পাছ কৰি ওলাই। গতিকে ৬০০ ল'ৰা-ছোৱালীৰ নিশ্চয় ২০০ বা ৩০০ য়ে বিজ্ঞান পঢ়িব, তেওঁলোকৰ

পঢ়িবৰ কাৰণে ব্যৱস্থা নাই। ইয়াৰোপৰি সভাপতি মহোদয়, শিক্ষা বিভাগ এটা ইমান ডাঙৰ বিভাগ, new Education policy লোৱাৰ ফলত ভাৰত চৰকাৰ আৰু ৰাজ্যচৰকাৰে যিখিনি কাম কৰিবলৈ প্ৰচেষ্টা চলাইছে তাৰ ভিতৰত আন্তঃগাথনিৰ লগতে আমাৰ কিছুমান লেপ্চ আছে, মোৰ অলপ আগতে উৎপল বৰা ডাঙৰীয়াই যিখিনি বক্তব্য ৰাখিছে মোৰ যিহেতু সময় কম গতিকে তেখেতৰ বক্তব্যত মোৰ ১০০ শতাংশই সমৰ্থন আছে। বিশেষকৈ হায়াৰচেকেণ্ডাৰী বিলাকত শিক্ষক নিযুক্তিৰ সময়ত, হাইস্কুলত যেতিয়া নিযুক্তি দিব লগত হায়াৰচেকেণ্ডাৰী খন আছে, গ্ৰেজুৱেট শিক্ষকৰ লগত যদি এম এ, এম এচচি শিক্ষক বিলাকক নিযুক্তি দিয়ক, কাৰণ এম এ, এম এচ চি শিক্ষক বিলাকেও গ্ৰেজুৱেট শিক্ষকৰ কাৰণে এপ্লাই কৰিছে, তেওঁলোকে নিযুক্তি পাইছে, এইবিলাকক যদি preference দিয়ে obviously আপোনালোকে যিবিলাক হায়াৰ চেকেণ্ডাৰীত নিযুক্তি দিলে কিছুদিন আগত মাত্ৰ ১৪/১৫ দিন আগত তাত এখন হায়াৰ চেকেণ্ডাৰীত ৪ জন শিক্ষক লাগে আপোনালোকে কৰবাত এজন দিব পাৰিছে কৰবাত দুজন দিব পাৰিছে। একেলগে সকলো বিলাক দিব লাগে মই সেই কথাটো ক'ব বিচৰা নাই। গতিকে বৰা ডাঙৰীয়াই কোৱাৰ নিচিনাকৈ এই consideration টো যদি আনে তেতিয়াহ'লে সামূয়িক ভাৱে এটা বছৰ দুটা বছৰ শিক্ষা বিভাগে পাব আৰু তেওঁলোকৰ শিক্ষা ব্যৱস্থাটো সুকলমে চলি থাকিব লাগিব। এতিয়া বি টি চি এৰিয়াত মই কৈছো যদি উৎপল বৰা ডাঙৰীয়াই সেই কথাটো কৈছে যিমান স্কুলত মেট্ৰিক চেন্টাৰ আছে, যিমান স্কুল হায়াৰ চেকেণ্ডাৰী আছে এই বিলাকত যিহেতু পৰীক্ষা হয়, যদি জেওৰাখন নাথাকে পকাৱাল নাথাকে তাত চেন্টাৰ নিদিয়ে। গতিকে বি টি চি য়ে এটা সিদ্ধান্ত লৈছে ইতিমধ্যে, যে বি টি চি ত মেট্ৰিক চেন্টাৰ নথকা স্কুল বিলাকত য'ত বাউণ্ডেৰী নাই তাত compulsory বাউণ্ডেৰী দিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছে। মই ভাবো বৰা ডাঙৰীয়াই সমগ্ৰ অসমৰ মেট্ৰিক চেন্টাৰ আৰু হায়াৰ চেকেণ্ডাৰী বিলাকত য'ত পৰীক্ষা হয় সেই বিলাকত যদি ৱালৰ ব্যৱস্থা কৰে মই ভাবো এইটো যথেষ্ট সুবিধা হ'ব। Otherwise প্ৰত্যেকটা ডাঙৰ ৰাস্তাৰ ওচৰত এল পি স্কুল যিবিলাক আছে সেইবোৰৰো ৱাল নাই। তাত ল'ৰা-ছোৱালী সকলে দৌৰি গ'লে শিক্ষকৰ হাহাকাৰ হয়, দুজন শিক্ষক থাকে ৫ টা ক্লাছ, ল'ৰা-ছোৱালীৰ পিছে পিছে দৌৰি যাব নোৱাৰে। গতিকে ৰাস্তাত দুৰ্ঘটনাও হোৱা দেখা যায়। সেইবিলাকতো ৱালৰ প্ৰয়োজন আছে। গতিকে শিক্ষা ব্যৱস্থাটো উন্নত কৰাৰ লগতে শিক্ষা গ্ৰহণ কৰিবলৈ যোৱা ছাত্ৰ-ছাত্ৰী সকলৰো জীৱন আমি ৰক্ষা কৰিব লাগিব। গতিকে মই এইখিনিকে কওঁ শিক্ষা ব্যৱস্থাক আগুৱাই লৈ যাবলৈ এই খন চৰকাৰে যথেষ্ট প্ৰচেষ্টা চলাইছে, শিক্ষা মন্ত্ৰী ডাঙৰীয়াক বি টি চি ৰ যিটো সমস্যা মই তেখেতলৈ পঠিয়াই দিম, তেখেতে যাতে এইটো চাই, বিশেষকৈ গ্ৰেড ওৱান, গ্ৰেড টু অফিচাৰ আমি নিযুক্তি দিব নোৱাৰো, ৰাজ্য চৰকাৰে দিয়ে, এই ব্যৱস্থাটো যাতে কৰে আৰু যি বিজ্ঞান শাখা বিচাৰিছো সেই দুখন বা তিনিখনত দিলে কলেজখন গ্ৰাণ্ট কৰিব পাৰিব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰীহেমাংগ ঠাকুৰীয়া।

**শ্ৰীহেমাংগ ঠাকুৰীয়া, (পলাশবাৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ বিৰোধীয়ে শিক্ষামন্ত্ৰী মহোদয়ৰ যি প্ৰস্তাৱ আছিল তাৰ বিৰুদ্ধে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ মই সম্পূৰ্ণ বিৰোধীতা কৰি কথাখিনি ক'ব ওলাইছো। আমি সকলোৱে জানো যে শিক্ষাৰ জৰিয়তে আমাৰ ৰাজ্য খন আমাৰ দেশ খন আমি আগবঢ়াই লৈ যাব পাৰো আৰু শিক্ষাক যিমান খিনি চৰকাৰে অনুদান দিব আৰু তাতকৈ আৰু বেছি অনুদানৰহে প্ৰয়োজন হয় আৰু সেইটোৰ কাৰণে আমি সকলোৱে জ্ঞাত যে ইতিমধ্যে আমি মাননীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই ১৯৮৬ ৰ পৰা যি ৩৫ বছৰীয়া যিখন শিক্ষানীতি

চলি আছিল বহুত পুৰণি পদ্ধতিৰে আমি যাতে আমাৰ শিক্ষা ব্যৱস্থাটো Globalised কৰিব পাৰো সেইটোৰ কাৰণে মাননীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই NEP 2020 ত New Education Policy, 2020 বলবৎ কৰিছে। আৰু অসমতো মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আৰু লগতে আমাৰ শিক্ষমন্ত্ৰী মহোদয়ে নতুন শিক্ষা নীতিৰ লগত খাপ খুৱাবলৈ বিশেষকৈ আন্তঃগাথনিৰ উন্নতিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। আমি সকলোৰে জ্ঞাত আৰু আমাৰ ইয়াত বহি থকা বিধায়ক সকলে পাইছে যে আমাৰ নিজৰ নিজৰ যি অঞ্চল আছে সেই অঞ্চল সমূহৰ যিবিলাক বিশেষকৈ হাই স্কুল, এই হাইস্কুলত বিগত সময়ছোৱাত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত আৰু আমাৰ শিক্ষামন্ত্ৰী মহোদয়ৰ পৃষ্ঠাপোষকতাত অসমৰ প্ৰায় ৪৮৯ খন স্কুলত প্ৰায় ৭ কোটি কৈ টকা ইতিমধ্যে দিয়াৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে Secondary School Development ৰ কাৰণে আমাৰ যি RIDF আৰু NESIX ৰ under ত আৰু পি এম ডিভাইদাৰ আগুৱৰত প্ৰায় ৪৮৯ কোটি টকাৰ কাম ইতিমধ্যে চলি আছে। মোৰ সমষ্টিতো বহুত কেইখন স্কুলত ৭ কোটিকৈ টকাৰ কাম চলি আছে আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু শিক্ষামন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত আমাৰ স্কুল সমূহে কিয়নো ইয়াত কোৱা হৈছে যে আমাৰ শিক্ষা ব্যৱস্থাটোত বিৰোধী পক্ষই বহুখিনি কথা কৈছে। মই এটা উদাহৰণ দিব বিচাৰিছো যে শিক্ষা বৰ্তমান যে কি ধৰণে আমাৰ চৰকাৰ অহাৰ পিছত আমাৰ ইয়াত কি দৰে আমাৰ শিক্ষা ব্যৱস্থাটো আগবঢ়াই লৈ যোৱাৰ ক্ষেত্ৰত আমাৰ মুখ্যমন্ত্ৰী মহোদয় আৰু শিক্ষমন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিছে। আমি যদি চাও ২০১১ চনত আমাৰ literacy rate প্ৰায় আছিল আমাৰ অসমৰ ৭২.১৯ শতাংশ, তাৰ মানে national যিটো literacy rate 74% আছিল তাতকৈও কম আছিল। কিন্তু বৰ্তমান দেখা যায় যেতিয়া আমাৰ চৰকাৰ আহিলে ২০১৬ চনত, ২০১৭-১৮ চনত যদি literacy rate চোৱা যায় ৮৫ শতাংশ আমাৰ অসমৰ literacy rate হৈ গৈছে। আৰু বৰ্তমান ২০২৪ চনত আমি -যদি চাও literacy rate হৈছে ৮৭ শতাংশ। কিয়নো এইখিনি হৈছে কাৰণ আমাৰ মুখ্যমন্ত্ৰী মহোদয়ৰ লগতে আমাৰ শিক্ষামন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি আমাৰ যদি স্কুল সমূহত প্ৰায় ২৬৭৯ স্কুলত ইতিমধ্যে আমি লাইব্ৰেৰী পাইছো। মই নিজৰ সমষ্টিত ১৬ খন স্কুলত লাইব্ৰেৰী পাইছো। প্ৰায় ৪১ স্কুলত ইতিমধ্যে বিজ্ঞান আৰু গণিতৰ লেব দিয়া হৈছে আৰু মোৰ নিজা সমষ্টিত ১০ ত কৈও অধিক এই লেব পাবলৈ সক্ষম হৈছো। মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় শিক্ষামন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত আমাৰ বহুত খিনি কলেজ ইতিমধ্যে আজি কেইদিন মানৰ ভিতৰতে আমাৰ কলেজ বিলাকক বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰা হৈছে। বঙাইগাঁও, গুৰুচড়ণ, জগন্নাথ বৰুৱা, উত্তৰ লখিমপুৰ, নগাঁও, শিৱসাগৰ, কোকৰাঝাৰ আদি কলেজক বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰা হৈছে। ইয়াৰোপৰি আমাৰ গহপুৰত কনকলতা বিশ্ববিদ্যালয়ো স্থাপন হ'ব গৈ আছে। আমি সকলোৰে এইটো জ্ঞাত। নতুন Engineering College ৰো যদি চোৱা যায় অনাগত সময়ত আমি নলবাৰীত নতুন ইঞ্জিনিয়াৰিং কলেজ পাবলৈ গৈ আছো, ওডালগুৰিত নতুন ইঞ্জিনিয়াৰিং কলেজ পাবলৈ গৈ আছো, নগাঁওত পাবলৈ গৈ আছো, বঙাইগাঁৱত, শুৱালকুচিত নতুন ইঞ্জিনিয়াৰিং কলেজ পাবলৈ গৈ আছো আৰু তাৰ লগতে ডিব্ৰুগড় পলিটেকনিকক ইঞ্জিনিয়াৰিং কলেজলৈ ৰূপন্তৰিত কৰা হৈছে। লগতে আমাৰ বিহালিতো আমাৰ এখন ইঞ্জিনিয়াৰিং কলেজ স্থাপন কৰা হৈছে। আমি জানো যে আমাৰ ২০০৮ চনত উত্তৰ-পূৰ্বাঞ্চলত এখন আই. আই এম আহিছিল আৰু এই আই আই এম খনো কিন্তু চৰকাৰে সেই সময়ত ৰাখিব নোৱাৰিলে আমাৰ অসমত আৰু ২০০৮ ত সেই আই এম খন শ্বিলং গৈ

পাইছিল। কিন্তু বৰ্তমান মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু শিক্ষা মন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত আমি *Indian Institute of management* আমি অসমবাসীয়ে পাবলৈ সক্ষম হৈছো। যিখন নেকি ২২ নম্বৰ আই আই এম হ'বলৈ গৈ আছে। আমি আমাৰ পলাশবাৰী সমষ্টিতে এই আই আই এম খন হ'ব গৈ আছে আৰু আমি জানো আজিম প্ৰেমজী ইউনিৰ্ভাচিটি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত অসমত হ'বলৈ গৈ আছে। ভাৰতৰ বিভিন্ন ৰাজ্যত এই বিশ্ববিদ্যালয়ৰ ইতিমধ্যে থ্ৰি ব্ৰান্সেচ আছিল আৰু এতিয়া ফ'ৰ্থ ব্ৰান্স অসমত হ'বলৈ গৈ আছে। অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত এচ টি ছাত্ৰ- ছাত্ৰীৰ হোষ্টেল - য'ত এচ টি ছাত্ৰ- ছাত্ৰী পঢ়া শুনাৰ সুবিধাৰ বাবে থাকিব পাৰে তেনে এখন হোষ্টেল মই মোৰ সমষ্টিত পাবলৈ সক্ষম হৈছো। এচ টি অধ্যুষিত অসমৰ আন আন সমষ্টিৰ বিধায়কসকলেও এচ টি ছাত্ৰ-ছাত্ৰীৰ হোষ্টেল পাবলৈ সক্ষম হৈছে। মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে কয় যে আমি শিক্ষাৰ ক্ষেত্ৰত পিছ পৰি আছো কিন্তু আজি মাননীয় বিধায়ক চক্ৰধৰ গগৈয়ে তেখেতৰ বক্তব্যত উল্লেখ কৰি গৈছে যে, আমাৰ শিক্ষা বিভাগৰ 'অসম শিক্ষা সেতু' নামৰ যিটো এপ আছে সেইটো আজি ভাৰতৰ নেশ্যনেল এৱাৰ্ড পাবলৈ সক্ষম হৈছে। মই শিক্ষানুষ্ঠান উন্নয়ণৰ এটা সৰু উদাহৰণ দিওঁ যিটো আমি আগতে কল্পনা কৰিব পৰা নাছিলো -মই নিজে আমাৰ তাৰ 'উপৰহালী হাইস্কুল'ত পঢ়িছিলো। সেই স্কুলখন প্ৰতিবছৰ বাৰিষা পানীত ডুবি জৰাজীৰ্ণ অৱস্থাপ্ৰাপ্ত হৈছিল। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক এই কথাটো জনোৱা হৈছিল আৰু তাৎক্ষনিকভাৱে 'চি এম ডিভাইন' যিটো চৰকাৰী স্কীম আমাৰ আছে তাৰ পুঁজিৰ দ্বাৰা আমাৰ এই স্কুলখন মেৰামতি তথা পাঠদানৰ উপযোগী কৰি তোলা হৈছে। এতিয়া বাৰিষা তাত পানী নুঠে। গতিকে সামগ্ৰিকভাৱে যদি চোৱা হয় আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ৰ পৃষ্ঠপোষকতাত আমাৰ অসম তথা ভাৰতৰ নতুন শিক্ষা নীতি মতে আগবঢ়াই লৈ যোৱাৰ চেষ্টা কৰা হৈছে। আমি জানো যে এতিয়া নতুন শিক্ষা নীতিৰ লগত খাপ খোৱাৰ বাবে যথেষ্ঠ অংগনবাদী চেন্টাৰ আৰু মডেল অংগনবাদী চেন্টাৰ নিৰ্মাণ কৰা হৈছে অসমত গতিকে অধ্যক্ষ মহোদয় বিৰোধী দলে অনা এই কৰ্তন প্ৰস্তাৱ মই সম্পূৰ্ণভাৱে বিৰোধিতা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ.... এতিয়া মাননীয় গোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰীগোবিন্দ চন্দ্ৰ বসুমতাৰী, (ওদালগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱটোত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। আমি জানো যে, শিক্ষা বিভাগটো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ কাৰণ মানৱ সমাজ আগুৱাই যোৱাৰ বাবে শিক্ষাৰ জৰিয়তে এটা পথ বিচাৰি পায়। গতিকে অতি গুৰুত্বপূৰ্ণ শিক্ষাৰ বিকাশৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে বিভাগৰ বাবে অতিৰিক্ত পুঁজি বিচাৰিছে কিন্তু বিৰোধী দলে ইয়াৰ বিৰোধিতা কৰি কৰ্তন প্ৰস্তাৱ আনিছে। বিৰোধী দলে অনা কৰ্তন প্ৰস্তাৱ মই বিৰোধিতা কৰি মোৰ বক্তব্য ৰাখিব বিচাৰিছো। আমি মানুহ হিচাপে আগুৱাই যাব লাগিব আৰু সেই কাৰণে আমি শিক্ষা বিভাগটোক গুৰুত্ব দিব লাগিব কাৰণ শিক্ষাৰ জৰিয়তেহে আমি আমাৰ সমাজখন আগুৱাই লৈ যাব পাৰো। এই বিভাগটোত গুৰুত্ব নিদিলে হয়তো আমি বহু ক্ষেত্ৰত পিছ পৰি যাম। ভাৰতত বৃটিছে কেৱল প্ৰশাসনীয় ক্ষেত্ৰত কেৰাণী- মহৰী সৃষ্টি কৰিবৰ বাবে শিক্ষা প্ৰচলন কৰিছিল। কিন্তু পৰৱৰ্ত্তী সময়ত শিক্ষা ব্যৱস্থা সলনি কৰিবলৈ স্বাধীন ভাৰত চৰকাৰে বিভিন্ন কমিশ্যন ইত্যাদি গঠন কৰিলে আৰু তাৰ ফলতেই ভাৰতত শিক্ষা ব্যৱস্থা বৰ্ত্তমানৰ অৱস্থাপ্ৰাপ্ত হ'ল। এই চেগতে মই ভাৰত তথা বিভিন্ন ৰাজ্যিক চৰকাৰক তথা শিক্ষা বিভাগৰ মন্ত্ৰী, বিষয়াসকলক মই ধন্যবাদ দিছো। আজিৰ

পৰা প্ৰায় ৬-৭ বছৰমান আগত অসমৰ শিক্ষা ব্যৱস্থাত আমি জৰাজীৰ্ণ অৱস্থা দেখিছিলো । আমাৰ স্কুল ঘৰবিলাক ভঙা- চিঙা আছিল। স্কুলবিলাকত বহু শিক্ষক পদ খালি হৈ আছিল। বহু প্ৰাইমেৰী স্কুলত বহু সংখ্যক ছাত্ৰী- ছাত্ৰী আছিল যদিও সেই অনুপাতে শিক্ষক এজন বা দুজনহে আছিল । এজন শিক্ষক থকা স্কুলবিলাকত শিক্ষকজন চৰকাৰী কামত যাব লগা হ'লে নিয়মিত পাঠদান কৰিব পৰা নাছিল তাৰ ফলত ছাত্ৰ- ছাত্ৰী অভিভাৱকসকল চৰকাৰী স্কুলত লৰা - ছোৱালীক ভৰ্ত্তি কৰোৱাত অনীহাৰ সৃষ্টি হৈছিল আৰু সেই বাবে প্ৰায়ভাগ অভিভাৱকে নিজৰ নিজৰ ল'ৰা - ছোৱালীক প্ৰাইভেট স্কুলত পঢ়োৱাত গুৰুত্ব দিছিল । এতিয়া এই অৱস্থাৰ পৰিৱৰ্তন আনিবলৈ আমাৰ চৰকাৰে যথেষ্ট ফলপ্ৰসু কাৰ্য্যপন্থা হাতত লৈছে । মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই মুখ্যমন্ত্ৰীৰ দায়িত্ব লোৱাৰ লগে লগে অসমৰ যিমানবিলাক হাইস্কুল আৰু হায়াৰ চেকেণ্ডৰী স্কুল আছে সেইবিলাকৰ ঘৰ নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত লৈছে । তাৰ কাৰণে বৰ্তমানে বহু বিদ্যালয়ত শ্ৰেণীকোঠা নিৰ্মাণ কাৰ্য্য চলি আছে আৰু ইতিমধ্যে বহু বিদ্যালয়ত নিৰ্মাণ কাৰ্য্য সমাপ্তও হৈছে । লগতে বিদ্যালয়সমূহত শিক্ষক নিযুক্তি দিয়াও সম্পন্ন কৰিছে । সম্প্ৰতি মেধাৰ ওপৰত ভিত্তি কৰি শিক্ষক নিযুক্তি দিয়াৰ ফলত অন্ততঃ বিদ্যালয়সমূহত শিক্ষাৰ মানদণ্ড উন্নত হ'বলৈ সক্ষম হ'ল । তথাপিও আমাৰ অসমত এতিয়াও যথেষ্ঠখিনি শিক্ষাৰ ক্ষেত্ৰত সমস্যা আছে । মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক মই অনুৰোধ কৰিব বিচাৰো যে, আমাৰ শিক্ষা বিভাগত বৰ্তমান যিখিনি সমস্যা আছে সেইখিনি সমাধানৰ বাবে অহা দিনবিলাকত যাতে ব্যৱস্থা গ্ৰহণ কৰে । মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো যে আমাৰ শিক্ষা বিভাগটোক তেখেতে যথেষ্ঠখিনি আগুৱাই লৈ গৈছে । তথাপিও আমি ক'ব পাৰো যে কেৰেলা - মিজোৰাম , দিল্লী আদি ৰাজ্যৰ তুলনাত অসমৰ শিক্ষাখণ্ড যথেষ্ট পিছ পৰি আছে। বৰ্তমান চৰকাৰে বেচৰকাৰী বিদ্যালয়সমূহ চৰকাৰী কৰিবৰ বাবে এখন এমেণ্ডমেন্ট বিল আনিবলৈ সিদ্ধান্ত লৈছে গতিকে মই এই সিদ্ধান্তটোক আদৰণি জনাইছো । এই ক্ষেত্ৰত বিশেষকৈ চিক্স চিডুল কাউন্সিলৰ অধিবাসী হিচাপে এটাই অনুৰোধ কৰিম যে, আমাৰ বিটিআৰ অঞ্চলসমূহ শিক্ষাৰ ক্ষেত্ৰত এতিয়া যথেষ্ট পিছপৰা হৈ আছে। আমাৰ বহু স্কুল এতিয়াও প্ৰভিন্সিয়েলাইজড হোৱা নাই । অসম চৰকাৰে প্ৰভিন্সিয়েলাইজড কৰাৰ বাবে ০১-০১-২০০৬ চনৰ যিটো ডেডলাইন বান্ধি দিছিল সেই কাৰণে আমাৰ বহু স্কুল প্ৰভিন্সিয়েলাইজড ৰ পৰা বাদ পৰি গৈছিল । গতিকে আমাৰ বিটিআৰ অঞ্চলত থকা বড়ো মিডিয়ামৰ স্কুলৰ লগতে অন্যান্য মিডিয়ামৰ স্কুলসমূহ প্ৰভিন্সিয়েলাইজড কৰাৰ বাবে অসম চৰকাৰে বান্ধি দিয়া এই সীমাটো বা ডেডলাইনটো আমি গ্ৰহণ কৰিব বিচৰা নাই । এই বিষয়ে চৰকাৰে যাতে বিটিআৰ চৰকাৰৰ লগত মিলিত হৈ এটা উচিত সিদ্ধান্ত গ্ৰহণ কৰে। এই ডেডলাইনটো ০১-০১-২০০৬ ৰ পৰা ২০২০ চনলৈ পিচুৱাই দি এটা ডেডলাইন ফিক্সড কৰাৰ বাবে মই চৰকাৰক আজি অনুৰোধ কৰিছো । আৰু এটা কথা ক'ব বিচাৰো যে, মোৰ সমষ্টিত ৪ খন স্কুল যোৱা ২ বছৰমান আগতে হায়াৰ চেকেণ্ডৰী হিচাপে ঘোষণা কৰা হৈছিল কিন্তু তাত এতিয়াও পাঠদান আৰম্ভ হোৱা নাই । এই ক্ষেত্ৰত মই মাননীয় মন্ত্ৰী ডাঙৰীয়াই ব্যৱস্থা গ্ৰহণ কৰিব বুলি আশা ৰাখিলো লগতে এই হায়াৰ চেকেণ্ডৰী বিদ্যালয়সমূহত কমাৰ্চ ষ্ট্ৰীম অৰ্ন্তভূক্ত কৰাৰ বাবে মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিলো । যেতিয়ালৈকে আমাৰ নিউ এডুকেশ্যন পলিচি ইমপ্লিমেন্ট হ'ব তেতিয়ালৈকে যাতে কমাৰ্চ ষ্ট্ৰীম আমাৰ হায়াৰ চেকেণ্ডৰী স্কুলবিলাকত ব্যৱস্থা কৰে। ওদালগুৰি কলেজত চাইন্স আৰু আৰ্টছ ষ্ট্ৰীমহে আছে তাতো মই কৰ্মাছ ষ্ট্ৰীমৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক অনুৰোধ জনালো । ধন্যবাদ

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ওৱাজেদ আলি চৌধুৰী।

**শ্ৰী ওৱাজেদ আলি চৌধুৰী, দক্ষিণ শালমাৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, School Education ৰ ওপৰত আনিছো, তাৰ সপক্ষে বক্তব্য ৰাখিবলৈ ওলাইছো।

প্ৰশ্নকালীন ঘন্টাত শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা সদ উত্তৰ আমি নাপালো। চৰ অঞ্চলৰ ওপৰত মোৰ প্ৰশ্ন আছিল। প্ৰায় ৩০ হাজাৰ পদ খালী হৈ আছে শিক্ষা বিভাগত। কিন্তু পদসমূহ কেতিয়া সম্পূৰ্ণ কৰিব তাৰ উত্তৰ আমি নাপালো।

মাননীয় অধ্যক্ষ মহোদয়, এনেকৈ এটা অঞ্চল বাদ দি পেলাই শিক্ষাৰ ক্ষেত্ৰত অসমৰ উন্নয়ন হ'ব নোৱাৰে। সদনত এজন সন্মানীয় সদস্যই কৈছে যে ৮৭ শতাংশ শিক্ষাৰ হাৰ। কিন্তু মই কব বিচাৰিছো আমাৰ চৰকাৰৰ সময়ত ২০০৩ চৰ অঞ্চলৰ শিক্ষাৰ হাৰ survey কৰিছিল, তাত দেখা গৈছিল চৰ অঞ্চলৰ শিক্ষাৰ হাৰ মাত্ৰ ১৯ শতাংশ আৰু মহিলাৰ হাৰ আছিল ৩ শতাংশ। গতিকে সেই সময়ত গোটেই অসমৰ শিক্ষা হাৰ কিন্তু ৫৬ শতাংশ আছিল। এই যে এটা আকাশ পাতাল পাৰ্থক্য, সেই পাৰ্থক্যটো এতিয়াও চলি আছে। অন্যান্য অঞ্চলত ছাত্ৰ-ছাত্ৰীৰ অভাৱ চৰকাৰী স্কুলবিলাকত। কিন্তু চৰ অঞ্চলত এজন এজন শিক্ষক, ৩ শ, ৪ শ ছাত্ৰ-ছাত্ৰী, তাত শিক্ষকৰ অভাৱ, বিদ্যালয় অভাৱ। মোৰ সমষ্টিৰ খুলপাকাটা এটা পঞ্চায়ত আছে। তাত এম ই স্কুল মাত্ৰ এখন আছে, হাইস্কুল নাই। এম ই স্কুল পাছ কৰাৰ পিছতে তেওঁলোকৰ পঢ়া শুনা শেষ হৈ যায়। মই কেইবাবাৰো বিধান সভাত উত্থাপন কৰিছিলো যে তাত এখন হাইস্কুলৰ ব্যৱস্থা কৰিব লাগে। মন্ত্ৰী মহোদয়ে যদিও প্ৰতিশ্ৰুতি দিছিল, কিন্তু এতিয়ালৈ কামত অহা নাই। তাত এম ই এখন আছে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যে যিহেতু এটা জলন্ত সমস্যা, তাত কমেও এখন হাইস্কুলৰ প্ৰয়োজন, সেই এম ই স্কুলখন যদি upgrade কৰি দিব পাৰে, তথাপি তাত লৰা-ছোৱালীখিনিয়ে হাইস্কুললৈকে পঢ়া শুনা কৰিবলৈ সুবিধাখিনি পাব।

মাননীয় অধ্যক্ষ মহোদয়, মই শুনি আছে, ইতিমধ্যে বিল lay কৰিছে, কিছু স্কুল provincialize কৰিব। কিন্তু মই আগতে কলো যে আমাৰ চৰ অঞ্চলত স্কুলৰ অভাৱ। গতিকে তাত এই ৯, ১০ ৰ DISE code যিটো, সেই DISE code ৰ সেই সময়ত যিজন DO আছিল, BO আছিল, তেওঁলোকে দক্ষিণ শালমাৰা Education Block ৰ ১০ বছৰৰ DISE code টো তেওঁলোকে দিব পৰা নাছিল। যাৰ ফলত ১০ বছৰৰ DISE code বাদ দি যিকোনো DISE code ৰ ভিত্তিত আমাৰ চৰ অঞ্চলৰ, বিশেষকৈ মোৰ সমষ্টিৰ স্কুলখিনি provincialize কৰিব লাগে। তেতিয়া হলে হয়তো শিক্ষাৰ হাৰ অন্তত চৰ অঞ্চলত অলপ বাঢ়িব। আমাৰ চৰ অঞ্চলত উচ্চ শিক্ষাৰ কোনো ব্যৱস্থা নাই। আমাৰ এখন Jr. College আছে, Joruar - Char Jr. College, তাত বহুত লৰা -ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰে আৰু তাৰ ফালফল ভাল। গতিকে মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে আমাৰ চৰ অঞ্চলটোৰ উচ্চ শিক্ষাৰ বাবে সেই Jr. College খন এবাৰ চৰকাৰী কৰণৰ ব্যৱস্থা কৰিব বুলি অনুৰোধ জনাই মোৰ বক্তব্য ইয়াতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা, ডুলিয়াজান ঃ** ধন্যবাদ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগত অতিৰিক্ত পুঁজি বিচাৰি Grant No. 71ৰ জৰিয়তে যি প্ৰস্তাৱ আগবঢ়াইছে, তাৰ সমৰ্থনত আৰু বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ বিৰুদ্ধে মই কেইটামান কথা কবলৈ বিচাৰিছিলো।

মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া বিদ্যালয়ত পঢ়িছিলো তেতিয়া আমি ভাৰতবৰ্ষৰ বিশিষ্ট শিক্ষাবিদ সকলৰ কিছু বাণী শুনিছিলো শিক্ষা কি, what is education? Educa-

tion is the life long process. Education is all round development আৰু life long process বা জীৱনযোৰা প্ৰক্ৰিয়াৰ কথা আমি যেতিয়া পাতো, তেতিয়া হলে আজিৰ পবিত্ৰ বিধান সভাত স্বাভাৱিকতে মই গৌৰৱ অনুভৱ কৰিছো যে অন্যান্য জাতি-জনগোষ্ঠীৰ তুলনাত অসমৰ বিশেষকৈ চাহ বাগিচা অধ্যুষিত থকা বা চাহ বাগিচাৰ শ্ৰমিকৰ সন্তান সকলে পঢ়িবৰ কাৰণে ৭৫ বছৰ অপেক্ষা কৰিবলগীয়া হ'ল । যদি ভৰতবৰ্ষ আৰু অসমত বি জে পিৰ চৰকাৰ নাহিলেহেতেন, তেতিয়া হলে হয়তো আজি কেৱল মাত্ৰ বাগিচা শ্ৰম আইনৰ অধীনত যি ১৯৫১ চনৰ কেন্দ্ৰীয় চৰকাৰে আইন ৰূপায়ন কৰিছিল, সেই আইনৰ অধীনত কেৱল মাত্ৰ আমি এখন বাগিচা প্ৰাথমিক বিদ্যালয়ত পঢ়ি হয়তো কৰবাত লৰা খেলাবলৈ যাবলগীয়া হ'লহেতেন, গৰু ৰখীয়া হ'বলগীয়া হ'লহেতেন, নহলে কৰবাত শিশু শ্ৰমিক হ'বলগীয়া হ'ল হেতেন।

২০১৬ চনত যেতিয়া অসমত বি জে পি চৰকাৰ আহিছে, ২০১৭ চনৰ এই পবিত্ৰ বিধান সভা সাক্ষী আছে যে বাজেট অধিবেশনত চাহ বাগিচাৰ ওপৰত সম্পূৰ্ণ দিন আলোচনা হৈছিল আৰু আলোচনাত বহু কথাই উলিয়াইছিল আৰু তেতিয়াৰ পৰা আমি এটা পৰিবৰ্তন বা নৱজাগৰণ দেখিব পালো যে আজি চাহ বাগিচা বিলাকত এল পি স্কুলৰ কথা আমি কৈ আছিলো, আজি অসম চৰকাৰে তাত Higher Secondary School বনাবলৈ আৰম্ভ কৰিলে, ইয়াতকৈ আৰু ডাঙৰ কথা কেতিয়াও হ'ব নোৱাৰে । কাৰণ এই চাহ বাগিচা Model School বা Higher Secondary School পাবৰ কাৰণে চাহ জনগোষ্ঠীয়ে বা চাহ শ্ৰমিক ৰাইজে ৭৫ বছৰ অপেক্ষা কৰিবলগীয়া হ'ল। কিন্তু নিৰ্বাচনৰ সময়ত এই মানুহবিলাকক সদায় আগত গৈছিল, কিন্তু নিৰ্বাচনৰ পিছত আমি সদায় দুৰত গুছি গৈছিলো। সেই কাৰণে সৰু কালৰ এটা শ্লো-গান আজি মনত পৰিছে, আমাৰ বিৰোধী দলে ভালে কথা কৈছিল, আমাক কৈছিল যে "কংগ্ৰেছ কাৰ হাত, দুখীয়াকে ভাত, বাগানীয়াকা মাই বাপ" বুলি কৈছিল। মাই বাপ অৰ্থাৎ পিতৃ-মাতৃসকল। কিন্তু যি পিতৃ-মাতৃ হৈছিল, নিৰ্বাচনৰ পিছত আমাক পাহৰি গৈছিল। যাৰ কাৰণে আজি চাহ বাগিচা অঞ্চলত প্ৰায় ১১৮ খন চাহ বাগিচা model school পাইছো আৰু দুলীয়াজান বিধান সমষ্টিত ৬ খন বিদ্যালয় পোৱাৰ কাৰণে মই চৰকাৰক ধন্যবাদ জনাইছোঁ আৰু তাতে এতিয়া higher secondary লৈ দিয়াৰ কাৰণে মই ধন্যবাদ জনাইছোঁ।

মাননীয় অধ্যক্ষ মহোদয়, আজি এটা report ত আহিছে যে ১২০০ - ১৫০০ খন মাধ্যমিক বিদ্যালয়ৰ ২,৪৭,৫৫৮ গৰাকী শিক্ষাৰ্থীয়ে বিনামুলীয়া নামভৰ্তিৰ বাবে ৰখিবলগীয়া হৈছিল। সাজ-পোছাকৰ কাৰণে ৰখিবলগীয়া হৈছিল, আজি সেইখিনি পাইছো। আজি যদি বি. জে. পিৰ চৰকাৰ নাহিলহেতেন, চাগে গৌৰৱৰে নহয় দুখৰে ক'বলগীয়া হ'লহেতেন যে চাহ বাগিচাৰ লৰা-ছোৱালীসকলে দৈনিক মজুৰীত কাম কৰিবৰ কাৰণে আকৌ ঘূৰি গ'ল হেতেন। আজি মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াও এই কথাখিনি শুনিছে। বীৰ্ছা মুণ্ডা জন্মজয়ন্তী উপলক্ষে আজি প্ৰধানমন্ত্ৰী চাহ শ্ৰমিক প্ৰসাদ যোজনাৰ জৰিয়তে চাহ বাগিচাৰ বিদ্যালয়বিলাকত আন্তঃগাঠনি উন্নয়নৰ কাৰণে পইচা দিছে। তাৰ কাৰণে মই ধন্যবাদ জনাইছো।

মাননীয় অধ্যক্ষ মহোদয়, আমি দুলীয়াজান বিধান সভা সমষ্টিত বিধায়ক হিচাপে গৌৰৱ অনুভৱ কৰিছো যে মোৰ দুলীয়াজান সমষ্টিত ২০১৭ চনৰ আজিলৈকে ছয় খন হাইস্কুল হাইয়াৰ ছেকেণ্ডাৰীলৈ কনভাৰ্ট কৰা হ'ল। পাঁচখন চাহ বাগিচাৰ বিদ্যালয়ত ইতিমধ্যে মডেল স্কুল নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ ক্লাচ আৰম্ভ হৈছে। তাৰ বাবে মই চৰকাৰক ধন্যবাদ জনাইছো। মই মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক এটা অনুৰোধ জনাম যে সমগ্ৰ শিক্ষা বিভাগৰ জৰিয়তে আন্তঃগাঁথনি উন্নয়ণৰ বাবে

যি পুঁজিৰ আৱণ্টন দিছে, তাৰ গ্ৰাউণ্ড ৰিপোৰ্ট কোনে দিছে নাজানো? কিন্তু সেই ক্ষেত্ৰত কিছু অঞ্চলত এনেকুৱা হৈছে যে একেখন বিদ্যালয়ত দুটাকৈ টয়লেট আছে, ৰান্ধনিশাল আছে। তাত আকৌ টকা দিয়া হৈছে। ইয়াৰ পুনৰ বিবেচনা কৰিব লাগে। সাতাশী লাখ টকা নতুন বিদ্যালয় ভৱন নিৰ্মাণৰ বাবে দিয়া হৈছে। কিন্তু কোনো অঞ্চলত মাটি নাই অথবা কোনো ঠাইত ইতিমধ্যে স্কুলভৱন আছেই। তাতেও টকা দিয়া হৈছে। ইয়াৰ পুনৰ নিৰীক্ষণ কৰিবলৈ অনুৰোধ জনাইছে। চাহ বাগিছাৰ মডেল বিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে অতিৰিক্ত টকা দিয়া হৈছে। তাৰ বাবে মই ধন্যবাদ জনাইছো। এই বিদ্যালয়সমূহ নিৰ্মাণ হোৱাৰ ফলত ত্ৰিশ হাজাৰ ছয় শ সত্তৰ গৰাকী চাহ শ্ৰমিকৰ সন্তানে বিনামূলীয়াকৈ অধ্যয়ণ কৰিবলৈ সুবিধা পাইছে। আজি বিৰোধীয়ে কৈছে যে শিক্ষক আৰু নিযুক্তি দিব লাগে আৰু বিদ্যালয়সমূহ কিয় বন্ধ কৰা হ'ল? আমি জানো যে কংগ্ৰেছ চৰকাৰৰ দিনত বা সেই সময়ত যি চৰকাৰ আছিল, তেতিয়া শিক্ষক নিযুক্তিৰ এটা বজাৰ আছিল। যাৰ পইচা আছিল তেওঁৰে বজাৰৰ পৰা চাকৰি কিনি ল'ব পাৰিছিল। আজি যেতিয়া স্বচ্ছতা আৰু যোগ্যতাৰ আধাৰত নিযুক্তিৰ ব্যৱস্থা কৰা হ'ল, চাহ জনগোষ্ঠীৰ তিনি শ সাতসত্তৰ গৰাকী যোগ্যতা সম্পন্ন ব্যক্তিয়ে চাকৰি পাবলৈ সমৰ্থ হৈছে। কেইদিন মান আগতে কলাক্ষেত্ৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হৈছে আৰু আমি ইয়াৰ বাবে গৌৰৱ অনুভৱ কৰিছো। আজি হয়তো বি জে পি চৰকাৰ নাহিলে তেওঁলোকে নিযুক্তি নাপালেহেঁতেন। মই দুগৰাকী এনেকুৱা পাৰ্থী পালো যিয়ে উজনি অসমৰ পৰা ট্ৰেইনৰ জেনেৰেল ক্লাছত বহি আহিছে। কাৰণ তেওঁলোকৰ বাছত বা ট্ৰেইনৰ ভাল ক্লাছত আহিবলৈ পইচা নাই। তেওঁলোকে ৰেলেৱেৰ বেছিনত হাত-মুখ ধুই নিযুক্তি পত্ৰ নিবলৈ আহিছে। যোগ্যতাৰ ভিত্তিত এইখন চৰকাৰে নিযুক্তি দিবলৈ চেষ্টা কৰিছে। ইয়াতকৈ ডাঙৰ কথা আৰু একো হ'ব নোৱাৰে। মই মোৰ সমষ্টিতো বহু প্ৰাথমিক বিদ্যালয় বন্ধ হোৱা দেখিছো। কিছুমান এনেকুৱা আছিল যে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আৰু শিক্ষকৰ সংখ্যা বেছি। যিসকল শিক্ষক মন্ত্ৰী-বিধায়ক আৰু বিভাগৰ লগত আৰ্শীবাদ পুষ্ট হৈ আছিল, তেওঁলোকক ৰাস্তাৰ কাষৰ স্কুলসমূহত নিযুক্তি দিয়া হৈছিল আৰু সেই সমূহ স্কুলত শিক্ষকৰ সংখ্যা বাঢ়ি গৈছিল। ভিতৰুৱা স্কুলসমূহত শিক্ষকসকল যোৱা নাছিল। কিন্তু বিভাগ এতিয়া ইমান কঠোৰ, নিষ্ঠুৰ আৰু নিৰ্দ্দয়ী হৈছে যে প্ৰত্যেকখন স্কুলতে যাতে শিক্ষক যায় তাৰ চেষ্টা কৰি আছে। বৰ্তমান শিক্ষক নিযুক্তি প্ৰক্ৰিয়া চলি আছে আৰু আমি নিশ্চয় আৰু শিক্ষক পাম। মই মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো আৰু বিৰোধী দলৰ এই কৰ্তন প্ৰস্তাৱত দু-আষাৰ ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য আব্দুৰ ৰহিম আহমেদ ডাঙৰীয়াই কওঁক।

**শ্ৰী আব্দুল ৰহিম আহমেদ, (বৰপেটা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দু-আষাৰ ক'ব খুজিছো। ইতিমধ্যে আমাৰ এগৰাকী মাননীয় সদস্যই কৈছে যে dropout ৰ ক্ষেত্ৰত সৰ্ব্ব ভাৰতীয় পৰ্য্যায়তকৈ অসমৰ অৱস্থা আৰু বেয়া। বৰ্তমান শিক্ষা বিভাগে কিছুমান চমক প্ৰদানকাৰী আঁচনি লোৱা আমি সময়ে সময়ে দেখিবলৈ পাইছো। কিন্তু সঁচা অৰ্থত এতিয়াও যদি গ্ৰামাঞ্চল আৰু চৰাঞ্চলত যোৱা যায়, তাৰ শিক্ষাৰ ক্ষেত্ৰত চাৰ্ভে ৰিপোৰ্ট আপোনালোকৰ হাতত আছে। আপোনালোকে গম পাব যে বিদ্যালয় একত্ৰীকৰণ কৰাৰ পিছত বহু স্কুলত অত্যাধিক ছাত্ৰ-ছাত্ৰী হোৱাৰ বাবে আন্তঃগাঁথনিৰ অভাৱ হৈছে। নতুন বিদ্যালয়ভৱন, নতুন শ্ৰেণীকোঠা আদিৰ অভাৱ হৈছে। ইয়াত আটাইতকৈ ডাঙৰ সমস্যাটো হৈছে-ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষকৰ অভাৱ। উদাহৰণ স্বৰূপে মই মোৰ সমষ্টিৰ কেইখনমান বিদ্যালয়ৰ কথা ক'ব বিচাৰিছো। দাবায়লাপাৰা আঞ্চলিক হাই মাদ্ৰাছাত দুজন গ্ৰেজুৱেট শিক্ষক আৰু দুজন ইণ্টাৰ মিডিয়েট শিক্ষক নাই।

দাবায়লাপাৰা হাইয়াৰ ছেকেণ্ডাৰী স্কুলত গ্ৰেজুৰট শিক্ষক আঠজন নাই। যোগীপামত চাৰি জন গ্ৰেজুৰেট শিক্ষক আৰু সাতজন ইণ্টাৰ মিডিয়েট শিক্ষক নাই। দাবায়লাপাৰ ডি ডি পি হাইস্কুলত পাঁচ জন গ্ৰেজুৰেট শিক্ষক আৰু সাত জন ইণ্টাৰ মিডিয়েট শিক্ষক নাই। কোমলীপাৰাত চাৰি জন গ্ৰেজুৰেট শিক্ষক আৰু দুজন ইণ্টাৰ মিডিয়েট শিক্ষক নাই। কদমগুৰি হাইস্কুলত চাৰি জন গ্ৰেজুৰেট শিক্ষক আৰু ছয় জন ইণ্টাৰ মিডিয়েট শিক্ষক নাই। এয়াই হৈছে আমাৰ চৰকাৰৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়বদ্ধতা। আমি আটাইয়ে জানো যে টেট পাচ কৰাৰ পিছতো নানা ধৰণৰ আৰু কিছুমান কথা জাপি নিদিয়া হ'লে সেইসকলক বৰ্তমানলৈ খালী পদসমূহত নিযুক্তি দিব পৰা গ'লহেঁতেন। কিন্তু চৰকাৰে জানি-বুজি সেইটো নকৰিলে। আজি মোৰ ভেঞ্চাৰ স্কুল সম্পৰ্কে এটা প্ৰশ্ন আছিল আৰু এইক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্তৰ দিছে যে মাধ্যমিক বিদ্যালয়ৰ চাৰি শ দুই খন বিদ্যালয়ে চৰকাৰৰ অনুমতি লৈ ভেঞ্চাৰ স্কুল কৰাৰ পিছতো ২০১৭-১৮ চনৰ আইনৰ গইনা লৈ প্ৰাদেশিকী কৰণ নকৰিলে। আমাৰ ইয়াত দিয়া তথ্যমতে নিম্ন প্ৰাথমিক বিদ্যালয় এঘাৰ শ ত্ৰিশ খন অ-প্ৰদেশীকৃত অৱস্থাত থাকিলে। উচ্চ প্ৰাথমিক বিদ্যালয় দুই শ চৌত্ৰিশ খন অ-প্ৰদেশীকৃত অৱস্থাত থাকিলে। মই ক'ব বিচাৰিছো যে যিসময়ত বহুতক টিউটৰ হিচাপে নিযুক্তি দিয়া হ'ল সেই সময়তে বহু শিক্ষকক চাকৰিৰ পৰা বঞ্চিত কৰা হ'ল। চৰকাৰে কৈছিল যে পাঁচ লাখকৈ প্ৰত্যেক বছৰে নিবনুৱাক সংস্থাপন কৰা হ'ব। সেই সময়ত বছৰ বছৰ ধৰি ভেঞ্চাৰ স্কুলসমূহ থকাৰ পিছতো স্কুলসমূহৰ পদসমূহ লোৱা হ'ল। কিন্তু একেলগে কাম কৰা একাংশক চাকৰিৰ পৰা বঞ্চিত কৰা হ'ল। সেই লোকসকলক সকাহ দিয়াৰ বাবে কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নহ'ল। আজি যি বিল সদনত আনিছে, ইয়াত প্ৰত্যেকখন অ-প্ৰাদেশীকৃত বিদ্যালয় আৰু কলেজৰ শিক্ষক সকলক বাৰে বাৰে প্ৰতিশ্ৰুতি দিয়া হৈছিল। ২০১৭-১৮ চনৰ আইনখন যদি সংশোধিত কৰি ২০১৮ চনলৈকে যদি জইনিং ডেটটো ধৰা হয় তেনেহ'লে বহু শিক্ষকৰ চাকৰি নিয়মীয়াকৰণ কৰা হ'ব। মই আপোনাৰ জৰিয়তে মাননীয় শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে ২০১৭ চনটোৱেই যদি শেষ কথা হয় তেতিয়াহ'লে কোনো বিদ্যালয়, মহাবিদ্যালয় উপকৃত নহ'ব আৰু হাজাৰ হাজাৰ শিক্ষক বঞ্চিত হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য ফণীধৰ তালুকদাৰ ডাঙৰীয়াই ক'ব।

**শ্ৰী ফনীধৰ তালুকদাৰ, (ভৱানীপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোক দু-আষাৰ ক'বলৈ দিয়াৰ কাৰণে অধ্যক্ষ মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিছো। শিক্ষা হ'ল মানুহৰ হৃদপিণ্ড। আমি সৰুতে সংস্কৃতত পাইছিলো 'নৰস্য বিদ্যা নাম অধিকং ৰূপং প্ৰসন্ন গুপ্ত ধনম, বিদ্যা ভোগকাৰী য়শ সুখকাৰী বিদ্যা গুৰুনাং গুৰু।' আনফালে কৈছিল 'সাহিত্য সংগীত কলাবিহীন, পশু পুচ্ছবিষাণহীন সাক্ষাত তৃণং ন খাদন্নপি জীৱমান তদ্ভাগধেয়ং পৰমং পশুনাম।' ইয়াত কৈছে যে সাহিত্য সংগীত অবিহনে এজন মানুহ সাক্ষাৎ নেজ নোহোৱা পশু। এই বাক্যটো সাৰোগত কৰিয়েই আমাৰ ভাৰতীয় জনতা পাৰ্টীৰ চৰকাৰে শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে আগতে শিক্ষা মন্ত্ৰী হৈ থকাৰ সময়ৰ পৰা এই বিভাগটোৰ ওপৰত যথেষ্ট অধ্যয়ণ কৰিছে, যথেষ্ট গুৰুত্ব দিছে আৰু আমাৰ মাতৃ গৰ্ভত প্ৰথম সংস্থাপন হোৱা ভ্ৰূণটোৰ পৰা শিশুটোক ধৰি ল'লে সুযম খাদ্যৰ ব্যৱহাৰ কৰিলে। শিশুৰ জন্ম হোৱাৰ পিছত তিনি বছৰৰ পৰা বাস্তৱ শিক্ষা দিয়াৰ কাৰণে Model অংগনবাড়ীৰ সৃষ্টি কৰিলে। তাত যেন এটা ভাল পৰিবেশৰ, ভাল practical শিক্ষা দিবৰ বাবে Model অংগনবাড়ীৰ জৰিয়তে আৰম্ভ কৰিলে। তাৰ পিছত আৰম্ভ হ'ল, L.P School, Primary School বিলাক। আচলতে আজিৰ দিনত

যি সকল জ্যেষ্ঠ, কনিষ্ঠ বিধায়ক আছো আমাৰ আক্ষেপ লাগে যে আমি কি Primary School ত পঢ়িছিলো, কি অনুষ্ঠানত পঢ়িছিলো, আজিৰ সেই অনুষ্ঠানৰ ৰূপ কেনেকুৱা, সেই শিক্ষকৰ শিক্ষা ব্যৱস্থা কেনেকুৱা দেখিলে আমাৰ আক্ষেপ লাগে। সেই Primary শিক্ষাৰ পৰিৱৰ্তন কৰিলে। M.E ৰ লগতে secondary শিক্ষাৰ পৰিৱৰ্তন কৰিলে। স্কুলৰ dress দিলে, কিতাপ দিলে, আনকি দুপৰীয়াৰ আহাৰৰ ব্যৱস্থাও কৰি দিলে। গতিকে আমাৰ শিক্ষা ব্যৱস্থাৰ আমোল পৰিৱৰ্তনৰ কাৰণে মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক, মাননীয় শিক্ষামন্ত্ৰী মহোদয় ৰণোজ পেগু দেৱক ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ যথেষ্ট অধ্যয়ন কৰি অসমৰ ভিতৰতে বিশাল এটা বিভাগ হ'ল শিক্ষা বিভাগ আৰু এই বিভাগটো অতি ওচৰৰ পৰা চোৱাৰ কাৰণে আমাৰ চৰকাৰে গুণোৎসৱৰ ব্যৱস্থা কৰিলে আৰু ইয়াৰ জৰিয়তে এই বিভাগটোৰ একেবাৰে ওচৰৰ পৰা প্ৰতিখন স্কুল পুংখানুপুংখভাৱে অধ্যয়ন কৰিবলৈ সমৰ্থ হ'ল। যাৰ কাৰণে আমাৰ অলপ আগতে মাননীয় বিধায়ক ড০ ৰফিকুল ইছলাম দেৱে ক'লে যে এতিয়া ৮০০০ স্কুল বন্ধ হৈ গ'ল। বন্ধ হোৱাটো বহুত উপকৃত কাম হৈছে। কাৰণ মোৰ নিজৰ গাঁৱত চৰাভিটা গাওঁ , হাঠিনাপুৰ গাঁওত ৪ খন স্কুলত মাত্ৰ ২ টা ছাত্ৰ, মোৰ নিজৰ চুপাটোত ২ জন শিক্ষক ২ জন ছাত্ৰ-ছাত্ৰী। তেওঁলোকৰ চাকৰি নাই। পঢ়া-শুনা কৰিছে, দুখন তিনিখন টিনপাত লগাই এখন ভেন্সাৰ স্কুলৰ সৃষ্টি কৰিছে, কৰি উঠি যেতিয়া গুণোৎসৱ কৰিলে তেতিয়া উপলব্ধি কৰিলে আমাৰ চৰকাৰে যে এই দুজন শিক্ষক দুজন ছাত্ৰ-ছাত্ৰীৰ লগত থাকিব নোৱাৰে, যাৰ বাবে মই নিজে পঢ়া সাউলাবাৰী primary স্কুলখন বন্ধ হৈ গ'ল। চৰাভিটা primary স্কুল বন্ধ হৈ গ'ল। এখন স্কুলত যেতিয়া amalgamation দিলে তেতিয়া শিক্ষা ব্যৱস্থাটো ভাল হ'ল। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৰ্তন প্ৰস্তাৱত শাসকীয় পক্ষৰ চৰকাৰৰ গুণ কীৰ্তন সমূহ চাই খুব আচৰিত হৈছো যে এই বিভাগটো আচলতে ইমান বেয়া ধৰণে functioning হৈছে যে অসমৰ শিক্ষা ব্যৱস্থাটো কি ধৰণে গেলিব ধৰিছে, মই সেই কথাটোকে কেইটামান উদাহৰণৰ সৈতে জনাব বিচাৰিছো। মহোদয় এই বিভাগটোক আজিৰ দিনটোত আমোল পৰিৱৰ্তনৰ প্ৰয়োজন। মই কোৱা নাই যে পৰিৱৰ্তন হোৱা নাই, পৰিৱৰ্তন নিশ্চিতভাৱে হৈছে কিন্তু আৰু অধিক কৰিবলগীয়া প্ৰয়োজন আছিল। ব্যৱস্থাগত আৰু পদ্ধতিগত কিছুমান ভুলৰ বাবে সেইখিনি হৈ উঠা নাই। মহোদয় আমি দূৰ্ভগীয়া যে এনেকুৱা ঠাইৰ নিৰ্বাচিত হৈ আহিছো যে আমাৰ ঠাইত আমি বাৰাম্বাৰ শিক্ষক বিচৰাৰ পিছতো আমাৰ অঞ্চলত শিক্ষক গৈ নাপায়। স্কুল এখন ভালকৈ চলিবলৈ হ'লে স্কুলখনৰ ঘৰ, পঢ়িবলৈ ডেস্ক-বেঞ্চ আৰু পঢ়াবলৈ শিক্ষক আৰু লগতে পাঠ্যপুথি যদি থাকে দিলে ভাল। য'ত আমাৰ শিক্ষকেই নাই পঢ়াব কোনে? আজি মই চেঙা সমষ্টিৰ পৰা দুটামান উদাহৰণ লৈ আপোনাক ক'ব বিছাৰিছো যে চেঙা সমষ্টি বা বৰপেটা জিলাত শিক্ষা ব্যৱস্থাটো কেনেকুৱা হৈ আছে? মোৰ সমষ্টিত চাংবান্ট এল. পি স্কুলত এজনেই শিক্ষক ৭৪ ছাত্ৰ-ছাত্ৰী, দক্ষিণ লেহী এল. পি স্কুলত এজন শিক্ষক ৯১ ছাত্ৰ-ছাত্ৰী, মৰিচেঙু এল. পি স্কুল এজন শিক্ষক ৭৯ ছাত্ৰ-ছাত্ৰী। এনেকুৱা ধৰণে single teacher ৰ স্কুল প্ৰায় ডেৰ কুৰিৰ ওচৰা-ওচৰি এটা ব্লকতে আছে। মহোদয়, চেঙা সমষ্টিৰ অন্তৰ্গত বা মন্দিয়া সমষ্টিৰ অন্তৰ্গত শিক্ষাকেন্দ্ৰত এজন শিক্ষক, কাৰৈমাৰী এল. পি. স্কুল ১২২ জন ছাত্ৰ-ছাত্ৰী, চাপৰি পথাৰ চৰ এল. পি. স্কুলত ১০৭ জন ছাত্ৰ-ছাত্ৰী, এজন শিক্ষক। চত্ৰপুনাৰা ১৪ নং এল. পি. স্কুল ১০৫ জন ছাত্ৰ-ছাত্ৰী, চুখাৰজাৰ NC এল. পি. স্কুলত ১০৭ জন ছাত্ৰ-ছাত্ৰী, এজন শিক্ষক। চিদ'নী এল. পি. স্কুলত ১০৪ জন ছাত্ৰ-ছাত্ৰী, এজন শিক্ষক। পশ্চিম মাজাৰচৰ খাতিয়ামাৰী (চেঙা সমষ্টি) এম. ই. স্কুলত ২১১ জন ছাত্ৰ-ছাত্ৰী,

২ জন শিক্ষক । ৰহমানীয়া এম. ই. স্কুল PTR 130*33 ৩৯১ জন ছাত্ৰ-ছাত্ৰী, ৩ জন শিক্ষক। মহোদয় এইটো হ'ল বাস্তৱতা। কিন্তু জিলাখনৰ বা ব্লক খনৰ PTR লক্ষ্য কৰা যায়, দেখা যাব বৰপেটাৰ জিলাৰ ভিতৰত বৰপেটা ব্লকৰ PTR এল. পি ত ১৯, Upper Primary ত ১৯ Higher Secondary/High School ত ২২। চেঙা সমষ্টিতো তেনেকুৰাকে এল. পি ত ২২, U.P ত ২০ আৰু Higher Secondary/High School ত ২৬। মন্দিয়া ত ২৮, ৩০, ৩৭। বজালীত এল. পি ত ১৩, U.P ত ১১ আৰু High School ত ১৫। মোটামুটিভাৱে আপাত দৃষ্টিত দেখা যায় যে জিলাখনত PTR ঠিকে আছে। কিন্তু সমস্যাটো হ'ল যিবিলাক ভাল ঠাই, টাউনৰ পৰা বাইক লৈ গৈ ধুনীয়াকৈ শিক্ষকতা কৰি ঘূৰি আহিব পাৰে তাতে শিক্ষকৰ সংখ্যা বেছি। এনেও আমাৰ মহিলাৰ শিক্ষয়িত্ৰীৰ সংখ্যা বেছি, সেইকাৰণে এটা অসুবিধা তাতো আছে। অন্যহাতেদি যিবিলাক পুৰুষ শিক্ষক তেওঁলোকক CRCC বনাই থোৱা হৈছে। Actually এই data টোৰ ওপৰত আৰু যোৱা যায় এইটোতো Dice data ৰ পৰা filter কৰি single teacher পোৱা হৈছে বা PTR ৰ কথা কোৱা হৈছে। যেতিয়া আপুনি চাব যে CRCC সকলক আঁতৰাই দিলে মই challange দি ক'ব পাৰো ৯০ শতাংশ CRCC য়ে নিজৰ স্কুল খনত প্ৰথমটো class নকৰে। কিন্তু ইয়াৰ ক্ষেত্ৰত কোনো monitoring নাই। মই ভাৱো ইয়াৰ কাৰণে উত্তম পন্থা এটাই CRCC ৰ কাৰণে নতুন cadre সৃষ্টি কৰক, বেলেগকৈ recruitment লওঁক। CRCC বেলেগ আৰু শিক্ষক বেলেগ। তেনেহ'লে অন্তত অকণমান হ'লেও সকাহ পাব। অন্যহাতেদি আমাৰ ৰাজ্যৰ যিটো PTR ৰ অৱস্থা, সেই অৱস্থাটো যথেষ্ট ভাল। L.P School ত ২০ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক। U.P ত ১৯ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক, হাইস্কুলত ২৩ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক । কিন্তু মাজুলীত ১০ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক, U.P ত ৯ জন,, আমগুৰিত L.P School ত ৯ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক, শেলোৱা শিৱসাগৰত ৬ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজন শিক্ষক এটা ব্লকত। কিন্তু দেখা যায় ধুবুৰী, গোৱালপাৰা, বৰপেটা, হোজাই, নগাওঁ এই জিলাসমূহত কোনো ঠাইতে L.P level ত district average যদি বিচাৰে ৩০-৩৫ ৰ তলত নাপাব। দৰংত যদি চাই আপুনি একে অৱস্থা পাব। চমৰীয়া ব্লক কামৰূপৰ ruralৰ বাকীখিনি বাদ দি চমৰীয়া ৩১, ৩৫, ২৯। প্ৰশ্ন হ'ল এইটো যে এই ব্লক বিলাকত discrimination কিয়? এই ব্লকবিলাকৰ ছাত্ৰ-ছাত্ৰী single teacher কৰি, শূণ্য teacher কৰি কিয় লৈ যোৱা হয়? বৰপেটা জিলাত কিস্মত মৈনবাৰী এল. পি. স্কুল আজিৰ দিনত শূণ্য teacher. পৰুৱা চন্দনপুৰ এল. পি. স্কুল চেঙা সমষ্টি শূণ্য teacher, মহোদয় এই স্কুল বিলাকৰ পৰা teacher লৈ যোৱা হৈছে অথচ চেঙা সমষ্টিৰ বহৰী boys M.V.school ৰ ৭ জন শিক্ষক, ১০ জন ছাত্ৰ-ছাত্ৰী। বৰশলা এল. পি. স্কুল ৬ জন শিক্ষক, ২৪ জন ছাত্ৰ-ছাত্ৰী। মহোদয় এইটো যদি অৱস্থা হয়, তেনেহ'লে ভুলটো ক'ত কোনটো স্তৰত ৰৈ আছে সেইটো উলিয়াব লাগে। ভুলটো উলিয়াই ল'ব পাৰিলেহে সমস্যাৰ সমাধান হ'ব নহ'লে কেতিয়াও নহ'ব। চেঙা সমষ্টিত মই সভাপতি হৈ থকা এখন স্কুল খোলাবন্ধা হাইস্কুল তাত ১১০০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ৭ জন শিক্ষক। এই বিধানসভাত record উলিয়াওক অতি কমেও মই ৫ বাৰতকৈ বেছি বাৰ এই বিধানসভাত উচ্চাৰণ কৰিছো। আজিলৈকে সমাধান হোৱা নাই। সেই স্কুল খনৰ managing committee ৰ সভাপতি মই আছিলো। আজি মহোদয় আপোনাৰ জৰিয়তে বিদ্যালয় খনৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিলো। এই সদনৰ ১২৬ জন সদস্যক সেই স্কুল সমূহত প্ৰতিটো সমষ্টিত এখন এখন স্কুল সভাপতি বাচি দিয়া হৈছিল। মই লাজ

পাওঁ এই বিধান সভাৰ সদস্য হিচাপে। এই বিধান সভাত বাৰে বাৰে কোৱা হিচাপে মই যিখন স্কুলৰ সভাপতি।

**মাননীয় অধ্যক্ষ ঃ** Please conclude. শ্ৰী নিহাৰ ৰঞ্জন দাস।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা সমষ্টি ঃ** মহোদয়, এই স্কুলখনত আজিলৈকে শিক্ষক নিদিয়াৰ কাৰণটো কি? আজি সেই কাৰণে মই এই স্কুলখনৰ সভাপতি পদৰ পৰা পদত্যাগ কৰিলো আৰু মই ইয়াৰ উচিত উত্তৰ আৰু ন্যায় বিচাৰিছো। মহোদয়, চাওঁক, আজি আমাৰ দলগাওঁৰ সমষ্টিৰ বিধায়ক মহোদয়ে কৈছে।

(সদনত কথাৰ মাজত গণ্ডগোল)

**মাননীয় অধ্যক্ষ ঃ** Please conclude. সময় নাই Reply আছে। Please. বিল আছে, আপুনি বিলত ক'ব। Please conclude.

(সদনত কথাৰ মাজত গণ্ডগোল)

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী নিহাৰ ৰঞ্জন দাস। আপোনাৰ সময় ৩ মিনিট।

**শ্ৰী নিহার রঞ্জন দাস (ধলাই সমষ্টি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা ব্যবস্থা উন্নতিকরণের জন্য প্রথমে কোয়ালিটি শিক্ষার প্রয়োজন আছে। আমরা যদি লক্ষ্য করি দেখব এই সরকারের নেতৃত্বে কোয়ালিটি শিক্ষার উপর জোর দেওয়া হচ্ছে। আজকের দিনে মডেল অঙ্গনওয়াড়ি সেন্টারে **২৫** লক্ষ টাকা করে দিচ্ছে এবং এই মডেল অঙ্গনওয়াড়ি সেন্টারে বাচ্চারা সব ধরণের ফেসিলিটি পাচ্ছে। সরকার মনে করে যে আজকের দিনের শিশুরা তারা শুধু এদেশের ভবিষ্যৎ নয় এদেশের সম্পদ। আর এই সম্পদকে কিভাবে গড়ে তুলতে হবে, কিভাবে মানুষ করতে হবে তাদের সব ধরণের ফেসিলিটি দিয়ে গড়ে তুলতে হবে তার ব্যবস্থা সরকার করছে। স্কুলগুলোতে যদি আমরা লক্ষ্য করি আজকের দিনে সায়েন্স ল্যাবের ব্যবস্থা করা হচ্ছে, কম্পিউটার ল্যাবের ব্যবস্থা করা হচ্ছে। এই সরকার বিভিন্ন স্কুলকে **৭** কোটি, **৮** কোটি টাকা দিয়ে বিল্ডিং এর ব্যবস্থা করে দিচ্ছে। ফলে ছাত্র-ছাত্রীরা সব ধরনের সুবিধা পাচ্ছে। এখানে ভালো বসার ব্যবস্থা হচ্ছে। এবং সর্বপরী যেটার দরকার সবচেয়ে বেশি সেটা হল কোয়ালিটি টিচার। আজকের দিনে টেট শিক্ষকের ব্যবস্থা করা হয়েছে। প্রত্যেকটি স্কুলে সাবজেক্ট টিচার আছে। আমাদের এই সরকার টেটের মাধ্যমে অসংখ্য শিক্ষকের ব্যবস্থা করেছে যা আসামের ইতিহাসে রেকর্ড। আর এই টেট শিক্ষকরা আজকের দিনে পাঠদান করার ফলে আসামের শিক্ষা ব্যবস্থার উন্নতি হয়েছে। আজকের দিনে আমরা লক্ষ্য করি যে এই সর্বভারতীয় স্তরে আসামের ছেলেমেয়েরা ভালো রেজাল্ট করছে আর এর পিছনে একটিই কারণ যে সরকার কোয়ালিটি শিক্ষার ব্যবস্থা করে দিচ্ছে। এই কোয়ালিটি শিক্ষার ফলে আজকে আমরা সমস্ত ভারতবর্ষে দেখতে পাচ্ছি যে আসামের ছাত্র-ছাত্রীরা আসামের ছেলে-মেয়েরা এগিয়ে যাচ্ছে। সরকার টি-গার্ডেনে ভালো পদক্ষেপ নিয়েছে। টি-গার্ডেনে ভালো স্কুল ছিল না। মডেল স্কুল স্থাপন করে যারা শ্রমিকের ছেলেমেয়েরা আছে তাদেরকে কিভাবে মূল শ্রোতে নিয়ে আসা যায় তাদেরকে কিভাবে শিক্ষিত করে গড়ে তোলা যায় সব ধরনের ফেসিলিটি দিয়ে যাতে অন্ধকার থেকে আলোর দিকে নিয়ে আসা যায় তার ব্যবস্থা করছে। চা-বাগান অঞ্চলে আমরা লক্ষ্য করেছি শিক্ষা ব্যবস্থার ব্যপক বিস্তার করেছে। মাননীয় অধ্যক্ষ মহোদয়, আমি আবারও সরকারের এই উদ্দেশ্যকে সমর্থন করে আমার বক্তব্য শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** ডাঃ আছিফ নাজাৰ আপোনাৰ সময় ৩ মিনিট।

**ডাঃ আছিফ নাজাৰ, লাহৰীঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি কৰ্তন প্ৰস্তাৱ অনা হৈছে বিদ্যালয়

শিক্ষাৰ ওপৰত তাৰ সমৰ্থনত মই দুযাৰমান ক'ব বিচাৰিছো। যিসময়ত বাহিৰত দেখা গৈছে ছাত্ৰী সকলে Artificial Engineer, Machine Learning, Data Mining আৰু Robotic ৰ ওপৰত চাৰিওফালে এক নতুন দিশত, নতুন নতুন ধাৰাত আগবাঢ়ি গৈছে সেই একেসময়ত দেখা গৈছে যে অসমত আমি যদি চাওঁ যে এতিয়াও সংবাদ শিৰোনামৰ প্ৰথম লাইনতে আছে যে প্ৰথমিক বিদ্যালয়ত এগৰাকী শিক্ষক থাকে। এতিয়া শ্ৰেণীকোঠাতে ৫ টাকৈ ক্লাছ লোৱা হয় পাঠদান কৰা হয়। সেই একেধৰণে যদি দেখা যায় তেনে প্ৰেক্ষাপটত অসমৰ যি ছাত্ৰ-ছাত্ৰী আছে তেখেতেসকলে যি প্ৰতিযোগিতামূলক পৰীক্ষা থাকে, সেইবোৰত ভাগ ল'ব নোৱাৰে। আমি সকলোৱে দেখিছো যে UPSC ৰ যি পৰীক্ষা হয়, সেই পৰীক্ষাবোৰত ছাত্ৰ-ছাত্ৰী সকলে বেছিকৈ লাভ কৰে বিহাৰ আৰু তামিলাড়ুৰ পৰা। ইয়াৰ দুটা উদাহৰণ দিব বিচাৰিছো ২০২৪ চনত তামিলনাডুত প্ৰায় ৫৭ গৰাকী অসামৰিক সেৱাত উত্তীৰ্ণ হৈছিল। কাৰণ তাত ২৫ হাজাৰ ছাত্ৰ-ছাত্ৰী পৰীক্ষা দিছিল। সেই একেধৰণে বিহাৰত ৪৪ হাজাৰ ছাত্ৰ-ছাত্ৰী পৰীক্ষা দিছিল য'ত ৪৪ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিয়ে তাত উত্তীৰ্ণ হাৰ definately বেছি থাকিব। সেই মই ক'ব বিচাৰো যে, আমাৰ অসমতো ছাত্ৰ-ছাত্ৰী সকলে UPSC Exam দিবলৈ হ'লে হাইস্কুলৰ পৰা তেখেতসকলক মানসিকভাৱে প্ৰস্তুত কৰিব লাগিব। কিন্তু দেখা গৈছে আমাৰ অসমত অসম চৰকাৰে হাইস্কুলতে হওঁক, উচ্চতৰ মাধ্যমিকতে হওঁক এই প্ৰতিযোগিতামূলক যিবোৰ exam হয় সেইবোৰৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে? আমি প্ৰত্যেকে দেখি আছো যে প্ৰত্যেক বছৰে ছাত্ৰ-ছাত্ৰীৰ drop out ৰ সংখ্যা বাঢ়ি গৈছে আমাৰ অসমত। এই চৰকাৰৰ সময়তে ছাত্ৰ-ছাত্ৰী সকলে পৰীক্ষাৰ ফলাফলৰ কাৰণে আন্দোলন কৰ।দেখা গৈছে। আমাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়তে হওঁক এইবোৰ বিদ্যালয়ত এতিয়াও computer ৰ শিক্ষা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, এজন চিকিৎসক হিচাপে মই ক'ব বিচাৰো যে মোৰ সমষ্টিত প্ৰায় ৩ লাখৰ ওপৰত ভোটাৰ আছে। এই বিজ্ঞান প্ৰযুক্তিৰ চমকপ্ৰদ উৎখানত ৩ লাখ মানুহক মোৰ সমষ্টিত বিজ্ঞান আৰু বাণিজ্য শাখা উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু মহাবিদ্যালয়ত এটা শাখা প্ৰতিষ্ঠান কৰিব দিছিলো কিন্তু অতি দুখৰ কথা হ'ল যে বিগত ৫ বছৰত ২০২১ চনৰ পৰা যেতিয়াৰ পৰা মই বিধান সভাত আহিছে তেতিয়াৰ পৰা প্ৰত্যেকবাৰে এই বিধান সভাৰ মজিয়াত এখন বিজ্ঞান আৰু এখন বাণিজ্য শাখা দিবলৈ অনুৰোধ কৰাৰ পাছতো আজিলৈকে দিয়া হোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। ড° অমিয় কুমাৰ ভূঁঞা, আপোনাৰ ৩ মিনিট সময়।

**ড° অমিয় কুমাৰ ভূঁঞা, বিহপুৰীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদন, মানৱ সম্পদ পৰিকল্পনা আৰু বিকাশ আৰু উন্নয়ণৰ ক্ষেত্ৰত আজি ৰাষ্ট্ৰ আৰু ৰাজ্যজুৰি আজি প্ৰচলিত শিক্ষা ব্যৱস্থাৰ উভয়তে আমোল পৰিবৰ্তন আহিছে। আমি আমাৰ ৰাষ্ট্ৰত দেখিলো যে, ৩৬ বছৰ বিয়পি পাছত নতুন ৰাষ্ট্ৰীয় শিক্ষা বিল ২০২০ ৰ যোগেদি আমাৰ দেশখনক বিশ্বৰ সন্মুখত জ্ঞানৰ কেন্দ্ৰ হিচাপে গঢ়িবৰ বাবে লক্ষ্য কৰা হৈছে যাৰ বাবে উচ্চ শিক্ষাৰ বিদ্যাৰ্থী সকলক পাঠ্যপুথি পাঠ্যক্ৰমৰ উপৰিও তেওঁলোকৰ দক্ষতা বিকাশ, enovation, research, technogy, induction ৰ যোগেদি বিকশিত বাৰত যাত্ৰাৰে আগবঢ়াই নিবৰ কাৰণে প্ৰয়াস কৰা হৈছে। একেলগে ৰাজ্যত মাধ্যমিক প্ৰাথমিক শিক্ষাখণ্ডত ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত গুণগত শিক্ষা প্ৰদান ছাত্ৰ-ছাত্ৰীৰ যি মৌলিক সুবিধা প্ৰদান পাঠ্যক্ৰম পাঠ্যপুথিক নতুন সংযোজনৰ দিশে আগবঢ়া আমি সকলোৱে দেখিছো। শেহতীয়াকৈ ৰাজ্যখনত দীঘলীয়া এটা আমাৰ দাবী আছিল যে অসমৰ স্কুলীয়া পাঠ্যক্ৰমত পুণৰ ভূগোল আৰু বুৰঞ্জী পাঠ্যক্ৰমত অন্তৰ্ভূক্ত কৰিব লাগে। শেহতীয়াবাৰে আমাৰ

চৰকাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। তাৰ উপৰিও আমাৰ চৰকাৰে বিদ্যালয় গঢ়াৰ যিটো যাত্ৰা একোখন বিদ্যালয়ত ভূমি আৰু ছাত্ৰ-ছাত্ৰী অনুপাতে ৫ কোটিৰ পৰা ৮ কোটিলৈকে দিয়াৰ যিটো যাত্ৰা, এই যাত্ৰাই চৰকাৰী প্ৰদেশীকৃত বিদ্যালয় বিলাকলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে যাৰবাবে আমি সকলোৰে আনন্দিত যে আমি যি বিশ্ববিদ্যালয়ত অধ্যয়ণ কৰিবলৈ আহিছিলো সেইখিনি সময়ত আমাৰ ৰাজ্যখনত আমি ৩ খন বিশ্ববিদ্যালয় পাইছিলো যাৰ জৰিয়তে হাজাৰ হাজাৰ লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে উচ্চশিক্ষা গ্ৰহণ কৰিবলৈ সুযোগ পোৱা নাছিল আৰু আজি চাৰে ৯ বছৰৰ ভিতৰত চমক প্ৰদ ভাৱে আমি ২৫ খন বিশ্ববিদ্যালয় আমি আগবাঢ়িব পাৰিছো যাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ চাহিদা অনুসৰি উচ্চ শিক্ষা পুৰণ কৰাৰ এটা বাট মুকলি হৈছে। অন্যহাতেদি মাধ্যমিক আৰু প্ৰাথমিক বিদ্যালয় গঢ়াৰ যাত্ৰাৰ লগতে বিদ্যালয় পৰিচালনা কৰিবৰ কাৰণে BJP চৰকাৰ অহাৰ পাছতে প্ৰতিখন বিদ্যালয়ে নিয়মীয়া পুঁজি পাই আছে। ছাত্ৰ-ছাত্ৰীৰ খেলাধূলা কৰিবৰ কাৰণে নিয়মীয়া পুঁজি পাই আছে আৰু সেইধৰণে সময়মতে পৰীক্ষাবিলাক অনুষ্ঠিত কৰা, সময়মতে ফলাফল দিয়া যিবোৰ দীৰ্ঘদিনীয়া বিষয় আছিল সেই ভাল কামবিলাক যদি হৈছে এই চাৰে ন বছৰ দিনত হৈছে। আজি ইয়াত Artificial intelligence ৰ প্ৰথাটো ড° হিমন্ত বিশ্ব শৰ্মাৰ এই চৰকাৰখনে শেহতীয়াকৈ যি কনকলতা বিশ্ববিদ্যালয় গহপুৰত পাতিবলৈ ইতিমধ্যে কাম আৰম্ভ কৰিছে তাত Artificial intelligence course লৈকে আধুনিক যিমান course আছে তাৰ সুযোগ সুবিধা যাতে আমাৰ ৰাইজে যাতে উপলব্ধ কৰিব পাৰে তাৰ বাটেৰে গতি কৰিছে। ড০ হিমন্ত বিশ্ব শৰ্মাৰ এই চৰকাৰখনৰ অৱদানৰ বাবে আমাৰ সমষ্টিত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ পূৰ্ণাঙ্গ ৰূপ দিব পাৰিছো,G+3 ইতিমধ্যে আমি সম্পূৰ্ণ কৰিব পাৰিছো, তাৰবাবে মই তেখেতক ধন্যবাদ জনাইছো।

একেলগতে আজি বিদ্যালয়ৰ সমগ্ৰ শিক্ষা অভিযানৰ যোগেদি বিজ্ঞান আৰু গণিতৰ পৰীক্ষাগাৰ নিৰ্মাণৰ কাৰণে আজি ৰাজ্যজুৰি যি ধন আবন্টন দিছে তাৰ মাজত আমি আমাৰ সমষ্টিতো এই বৰ্ষতেই ৩৭ খন বিদ্যালয় গণিত আৰু বিজ্ঞানগাৰ নিৰ্মাণ কৰিবৰ কাৰণে একোখন বিদ্যালয়ৰ বাবে ১৮,৯২,০০০ টকাকৈ ধন আবন্টন দিছে, additional class room ৰ কাৰণেও টকা দিছে। মোৰ সমষ্টিত এখনো এনেকুৱা স্কুল নাই য'ত এজন শিক্ষকে স্কুল পৰিচালনা কৰিবলগীয়া হৈছে। এখনো এনেকুৱা স্কুল নাই য'ত খোৱাপানীৰ অভাৱ আছে, এখনো এনেকুৱা স্কুল নাই য'ত অনাময় ব্যৱস্থা নাই। এইখিনিত আমাৰো দায়িত্ব আছে। গতিকে আমি আশা ৰাখিছো যে মানৱ সম্পদ বিকাশ ৰ পৰিকল্পনাৰ ক্ষেত্ৰত শেহতীয়াকৈ BJP চৰকাৰে যি ব্যৱস্থা লৈছে সেয়া সময় সাপেক্ষে আগবাঢ়িছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, Question hour ত যি আলোচনাৰ শেষ মূহুৰ্তত শিক্ষা মন্ত্ৰীৰ লগত আমাৰ অলপ বিতৰ্ক হৈছিল যে আমাৰ শিক্ষক লাগে, শিক্ষক লাগে। কিন্তু শিক্ষকৰ যি সমস্যা, এই সমস্যাটো যোৱা period ত সমাধান কৰিব নোৱাৰাটো এই বিভাগটোৰ যথেষ্ট পৰিমাণে ব্যৰ্থতা। হায়াৰ চেকেণ্ডাৰী স্কুল উন্নত কৰিছে ৪০৬ খন। অদ্ভুদ ধৰণৰ পৰিস্থিতি এটা আমি আমাৰ সমষ্টিবিলাকত দেখিছো। হাইস্কুল যেতিয়া হায়াৰ চেকেণ্ডাৰী স্কুললৈ উন্নত কৰিছে, স্কুল বিলাকে কৈছে যে ৫ জন আমাৰ মাষ্টাৰ ডিগ্ৰী হোল্ডাৰ আছে। কিন্তু তাৰে ৪ জন হৈছে অসমীয়াত। বুৰঞ্জী কোনে শিকাব, বা অন্য বিষয় কোনে শিকাব। আজিলৈকে

তাত শিক্ষক দিয়াৰ ব্যৱস্থাটো নহ'ল। এনেকুৱা এটা অৰাজক পৰিস্থিতি সৃষ্টি কৰিছে যাৰফলত মোৰ এখন স্কুল হায়াৰ চেকেণ্ডাৰী স্কুল হৈছে নতুনকৈ, যোৱাবছৰ তাত admission য়ে নহ'ল আৰু দিবও নোৱাৰে কাৰণ তাত শিক্ষকে নাই। তাত ৪ জনকৈ অসমীয়াৰ শিক্ষকহে আছে। এনেকুৱা ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। তাৰফলত আমাৰ ৰাজ্যখনতে drop out ৰ সমস্যাটো সৃষ্টি হৈছে। এই সমস্যাটো সমাধান কৰিবৰ কাৰণে মুখ্যমন্ত্ৰী মহোদয়ে বাৰে বাৰে বহুত কথা কয় কিন্তু আমি কি achieve কৰিছো। যদি আমি all India basis ত চাওঁ, ১৯.৫ শতাংশ drop out দেখিবলৈ পাওঁ। All India ratio টো হৈছে ১০.৯ শতাংশ। তেনেহ'লে কি অৱস্থাত আমাৰ শিক্ষা ব্যৱস্থাটো আছে। দেশৰ অন্য ৰাজ্যসমূহৰ ভিতৰত শেষৰ পৰা ৩ নম্বৰত আমাৰ ৰাজ্যৰ অৱস্থান আছে। কিন্তু আমি বাজেটত আটাইতকৈ বেছি টকা শিক্ষা বিভাগতে ধৰিছিলো। এইবাৰো আটাইতকৈ বেছি পুঁজি তাতে আবন্টন হৈছে। কিন্তু সেইমতে আমাৰ achivement হোৱা নাই।

Rationalization ৰ কথা ক'লে, শিক্ষকৰ কথা আশ্ৰাফুলেও ক'লে, কিন্তু বেছিভাগ স্কুলতে rationalization নোহোৱাৰ ফলত শিক্ষক নাই। আনকি rationalization ৰ এটা কামো যদি বিভাগটোৱে আজিলৈকে সমাধা কৰিব নোৱাৰিলে তেতিয়াহ'লে এই সম্পৰ্কত বিভাগটোক ্আৰু কি কম? PTR তো সেই অৱস্থা হৈছে। Rationalization নহ'লেতো PTR উন্নত নহয়, 30:1 কৰা সম্ভৱ নহয়। LP school ত ৫টা class ত এজন শিক্ষক দিলে কেনেকৈ হয়? মই অনুৰোধ কৰিছো তেওঁ কেৰেলালৈকে এবাৰ যাওঁক আৰু তাত কি ব্যৱস্থাৰে শিক্ষক নিয়োগ কৰে, প্ৰতিটো class ত শিক্ষক কেনেকৈ থাকে, ৩০ জন পাৰ হোৱাৰ পাছতে কিদৰে নতুন শিক্ষক নিযুক্তি দিয়ে, তাৰফলত আজি কেৰেলাত শিক্ষা ব্যৱস্থা কি হৈছে সেয়া মডেল হিচাপে লওক, তেতিয়া কি অসবিধা আছে তেওঁলোকে জানিব। ইয়াত tutor ৰ সমস্যা, হিন্দী শিক্ষকৰ সমস্যা, মিউজিক শিক্ষৰ সমস্যা, drop post এই সকলো সমস্যা বছৰৰ পিছত বছৰ আমাৰ ৰাজ্যতআছে। তাৰ পিছতো আমাৰ ৰাজ্যত সেই বিভাগটোত আমি আটাইতকৈ বেছি পুঁজি নিৰ্দ্ধাৰিণ কৰিছো। আমাৰ সাংঘাতিক ধৰণৰ এই ব্যৰ্থতাটোত আমি দুখ প্ৰকাশ কৰিছো।

এই শিক্ষা বিভাগত দুৰ্নীতি কেনেকৈ বিয়পি পৰিছে, স্কুলত ছাইকেল বিতৰণ কৰোতে যদি প্ৰধান শিক্ষয়িত্ৰীয়ে ২০০ টকাকৈ পইচা লৈছে, তাত DC, Director আদিয়ে গৈ inquiry কৰিছে কিন্তু সেই শিক্ষয়িত্ৰী প্ৰধন শিক্ষয়িত্ৰী হৈয়ে আছে। মই এটা specific evidence দিব বিচাৰিছো, এই যে বালাৰ ভিটাৰ দলৰ পাথাৰ হাইস্কুলত ছাইকেল বিতৰণত ২০০ টকাকৈ প্ৰধান শিক্ষয়িত্ৰীয়ে লৈছে। তাৰ ওপৰত DC য়ে inquiry কৰাৰ পাছতো কোনো action লোৱা নাই। এতিয়া শুনিছো ৩ লাখ টকাৰ লেনদেন কৰি তেখেত চাকৰিত বাহাল আছে। এই টকা কোনে লৈছে মই নাজানো। এইটো অকল এখন স্কুলৰ চিত্ৰ নহয়। দুৰ্নীতি আনফালেদিও চলিছে। এফালে শিক্ষক নাই, ছাত্ৰ-ছাত্ৰীৰ হাহাকাৰ অৱস্থা, স্কুল বন্ধ হৈছে। এনেকৈ থাকিলে এই বিভাগটো ধ্বংশ হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, আপুনি বাকী কথা Education bill ত ক'ব পাৰিব। এতিয়া মাননীয় সদস্য শ্ৰী জিৰণ বসুমতাৰী। আপোনাক তিনি মিনিট সময় দিয়া হৈছে।

**শ্ৰী জিৰণ বসুমতাৰী, গোসাইগাওঁ ঃ** Honourable Speaker, I want to express against the cut motion proposed for demand No. 71 of the Department of Education. As the way of the current Department of Education is functioning; I believe that it has shown some development over the last five years compared to earlier times. However, there are still some schools where there is shortage of teachers, although this is not the case for all schools. প্ৰত্যেকখন স্কুলতে তেনেকৈ শিক্ষকৰ shortage আমি দেখিবলৈ পোৱা নাই। এই ৫ বছৰত আমাৰ স্কুল সমূহত যথেষ্ট পৰিমাণে শিক্ষক পাবলৈ আমি সক্ষম হৈছো। এতিয়াও এনেকুৱা কম সংখ্যক কিছুমান স্কুল আছে য'ত single teacher আছে। মই specially BTR অঞ্চলৰ কথাটো ক'ব বিচাৰিছো। BTR ত TET pass কৰা শিক্ষক সকলক এতিয়াও নিযুক্তি প্ৰদান কৰিবলৈ বাকী আছে। এই শিক্ষক সকলক যদি নিযুক্তি প্ৰদান কৰা হয় নিশ্চয় এইটো fulfillment কৰা হ'ব বুলি মই ভাবো। ইয়াৰ লগতে বৰ্তমান আমাৰ যিখিনি আন্তঃগাথঁনি নিৰ্মাণ কৰি থকা হৈছে, মই দেখিবলৈ পাইছো যে প্ৰতিটো সমষ্টিতে আমি ৫-৬ খনকৈ 'মডেল স্কুল' নামাকৰণেৰে স্কুল বিল্ডিং পাবলৈ সক্ষম হৈছো। এই স্কুল বিল্ডিংবোৰে আমাৰ অঞ্চলৰ অভিভাৱক সকলক এটা আস্থালৈ আনিছে। নিশ্চয়কৈ আমি যিসকলে লৰা-ছোৱালীক private school পঢ়াও, তাত আমি দেখিবলৈ পাওঁ যে স্কুলখন আকৰ্ষণীয় হয়। কিন্তু বৰ্তমান আমাৰ চৰকাৰী পঢ়াশালি সমূহৰো আন্তঃগাঁথনি ভাল হৈ গৈছে। কিছু আগতে আমাৰ সন্মানীয় সদস্য সকলেও কৈছে যে মডেল অঙ্গনবাড়ী দিয়াৰ পাছত বহুতো কণ কণ শিশুৱে তাত শিক্ষা গ্ৰহণ কৰে, খেলাধূলা কৰে আৰু এতিয়া তেওঁলোকে তাত বেছি মনোযোগ দিয়া দেখিবলৈ পাইছো। এই spirit টো আমাৰ চৰকাৰে তৰান্বিত কৰিব লাগে বুলি মই উনুকিয়াই দিছো। লগতে আমাৰ প্ৰত্যেকটো সমষ্টিত যি একোখনকৈ মডেল স্কুল দিয়া হৈছিল য'ত আমি SMDC ৰ সভাপতি হিচাপে আছো ঠিক তেনেকৈয়ে মই গোসাইগাওঁ সমষ্টিৰ জাৰাগুৰি হায়াৰ চেকেণ্ডাৰী স্কুলৰ মই SMDCৰ সভাপতি হৈ আছো। তাৰ এটা নাটনিৰ কথা মই ক'ব বিচাৰিছো। এই স্কুলখন PM Shri school হয়। কিন্তু তাত integrated science lab এতিয়ালৈকে হোৱা নাই। এই স্কুলখনত ১১৫০ ৰ পৰা ১২০০ ছাত্ৰ-ছাত্ৰী আছে। গতিকে অনতিপলমে যদি তাত integrated science lab কৰি দিব পৰা যায়, ভাল হ'ব। আমি ইতিমধ্যে District Mission Coordinator, সমগ্ৰ শিক্ষা কোকৰাঝাৰ জিলাত দিয়াৰ বাবে লিখিত দাবী দিছো। এই দাবীটো যাতে অতি সোনকালে fulfill কৰিব পাৰে তাৰবাবে মই অধ্যক্ষ মহোদয়ৰ জড়িয়তে মাননীয় শিক্ষা মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অখিল গগৈ ।

**শ্ৰী অখিল গগৈ (শিৱসাগৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক সুধিব বিচাৰিছো যে যোৱা ৫টা বছৰ আমি বিধায়ক হ'লো, মন্ত্ৰী হ'লো। কিন্তু বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত actually আমি কি কৰিব পাৰিলো তেখেতে কেতিয়াবা এবাৰ ভাবি চাইছেনে? আমাৰ অসমত যিমান স্কুল আছে, এল.পি স্কুলবোৰ ক'ৰবাত ৫ জন, ৫ টা ক্লাচ, ক'ৰবাত ৬ টা ক্লাচ। শিক্ষক আছে ক'ৰবাত এজন, ক'ৰবাত দুজন। এটা কথা আপোনালোক সকলোৱে ভাৰি চাওঁক যে য'ত ৫টা বা ৬ টা ক্লাচ থাকে তাত যদি দুজন বা এজন শিক্ষকে গোটেই ক্লাচবোৰত একেলগে পঢ়ুৱাব লগীয়া হয় সেইটো এটা শিক্ষা ব্যৱস্থা চলি থকা বুলি ক'ব পাৰিনে? সেয়ে মই ভাবো যে আজি বিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত শিক্ষামন্ত্ৰী জনৰ বা চৰকাৰ খনৰ প্ৰধান আৰু প্ৰথম কৰণীয় কাম আছিল ঃ

১) প্ৰত্যেকটো ক্লাচৰ বিপৰীতে এজন -এজনকৈ শিক্ষক আৰু প্ৰধান শিক্ষক নিযুক্তি দিয়া আৰু
২) যিমানটা ক্লাচ আছে প্ৰত্যেকটো ক্লাচৰ কাৰণে একো একোটাকৈ ক্লাচ ৰূমৰ ব্যৱস্থা কৰা।
৩) প্ৰত্যেক জন শিক্ষকক এনেকুৱাকৈ training দিয়া যাতে international standard ত আমাৰ এল.পি. স্কুলবোৰত পঢ়ুৱাব পাৰে।

আজি এল.পি. স্কুলবোৰত এটা হলৰ ভিতৰত ৫টা বা ৬ টাকৈ ক্লাচ য'ত একেলগে কোনোবাই নেওঁতা চিঞঁৰি থাকে, একেলগে কোনোবাই কবিতা মাতি থাকে, একেলগে কোনোবাই অংক কৰি থাকে, একেলগে কোনোবাই সাহিত্য পাঠ কৰি থাকে তাত কিবাপ্ৰকাৰে কেনেবাকৈ গুণগত শিক্ষাৰ সম্ভৱ হয়নে? অধ্যক্ষ ডাঙৰীয়া, আমি যদি বিধান সভাত সকলো মানুহ বহি আছো কিন্তু আমাৰ আইন প্ৰণেতা সকলে আমাৰ ছাত্ৰ-ছাত্ৰী সকলক প্ৰকৃত শিক্ষা দিবৰ কাৰণে যদি কোনো ব্যৱস্থা কৰিব নোৱাৰো তেনেহ'লে আমি বিধান সভাত অহাৰ কি অৰ্থ আছে? আজি মোৰ ল'ৰাই দুবছৰ বয়সৰ পৰাই মোবাইলটো খুলি লৈ আমেৰিকাত স্কুল কেনেকৈ চলিছে, আমেৰিকাৰ শিক্ষা চাই থাকে। যেতিয়া আমাৰ অংগনবাড়ী কেন্দ্ৰলৈ যায় অথবা এল.পি স্কুল খনলৈ যায় য'ত মজিয়াখনো ভঙা, ওপৰৰ পৰা পানীও পৰি আছে, এজনো শিক্ষক নাই , য'ত হুলস্থুল পৰিৱেশৰ সৃষ্টি হৈছে, সেইখন স্কুলত গৈ আজিৰ যুগত কোনোবা ল'ৰা-ছোৱালীয়ে শিক্ষা ল'ব পাৰিবনে? সেইকাৰণে মই স্পষ্ট ভাষাৰে এটা কথা ক'ব বিচাৰিছো যে বিজেপি চৰকাৰ সম্পূৰ্ণ ৰূপে ব্যৰ্থ হৈছে, এই চৰকাৰে শিক্ষা ব্যৱস্থাৰ উন্নতিৰ কাৰণে কোনো কাম কৰিব পৰা নাই , এই চৰকাৰে কেৱল আৰু কেৱল সাম্প্ৰদায়িকতাৰ কাৰণেহে কৰিছে কিন্তু শিক্ষাৰ উন্নতিৰ কাৰণে একো এটা কাম কৰিব পৰা নাই। সেয়ে মই স্পষ্ট ভাৱে কৈছো শিক্ষামন্ত্ৰীয়ে আজি পদত্যাগ কৰিব লাগে, শিক্ষামন্ত্ৰীয়ে ক'ব লাগে যে মোৰ জীৱনত একো কৰিব নোৱাৰিলো। আপোনালোকে জানে যে আজিৰ দিনটোত drop out ৰ ক্ষেত্ৰত আমি গোটেই ভাৰতৰ ভিতৰতে এক নম্বৰত। আমাৰ ল'ৰা-ছোৱালীয়ে আটাইতকৈ বেছিকৈ আধাতে স্কুল এৰি দিয়ে। এল.পি স্কুলৰ ক্ষেত্ৰত, স্কুলৰ ক্ষেত্ৰত drop out ৰ ক্ষেত্ৰত আমি গোটেই ভাৰতৰ ভিতৰত চাৰি নম্বৰত।এনেকুৱা অৱস্থা আমাৰ শিক্ষা ব্যৱস্থাত চলি আছে। সেইকাৰণে মই দাবী উত্থাপন কৰিব খোজো......

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয়া সদস্যা শ্ৰীমতী শিৱামণি বৰা।

**শ্ৰীমতী শিৱামণি বৰা, (বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষা বিভাগৰ বিভিন্ন ব্যৰ্থতাৰ কাৰণে মই শিক্ষা বিভাগৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত দুআষাৰ ক'বলৈ বিচাৰিছো।

প্ৰাদেশিকৰণৰ ঢাক-ঢোল বজাই শিক্ষকতাৰ দৰে মহান বৃত্তিত জড়িত সকলক 'টিউটৰ' নাম দিলে। ২০২১ চনৰ নিৰ্বাচনৰ আগে আগে প্ৰাদেশিকৰণ কৰি শিক্ষাগুৰু সকলক 'টিউটৰ' নাম দি সীমিত মজুৰীৰে নিযুক্তিৰ হুকুম পত্ৰ বিতৰণ কৰিছিল। নিৰ্বাচনৰ পিছত টিউটৰ সকলক নিয়মীয়াকৰণৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। তেতিয়াৰ শিক্ষামন্ত্ৰী গৰাকী বৰ্তমান মুখ্যমন্ত্ৰী হ'ল।কিন্তু টিউটৰ সকলৰ সমস্যাৰ সমাধান নহ'ল। আজিৰ অতিপাত মূল্যবৃদ্ধিৰ দিনত অতি নগন্য বেতনত শিক্ষাকতাৰ দৰে গুৰু দায়িত্ব পালন কৰি আহিছে। টিউটৰ সকলে শিক্ষকৰ মৰ্য্যদা পালন, সম-কামৰ সম-বেতন প্ৰদান, অপ্ৰশিক্ষিত টিউটৰ সকলৰ বাবে সেৱাকালীন প্ৰশিক্ষণৰ সুবিধা, অৱসৰপ্ৰাপ্ত বা মৃত্যু বৰণ কৰা টিউটৰ সকলক এক্সগ্ৰেচিয়া প্ৰদান কৰা, পেঞ্চন আদি বিভিন্ন দাবীত শ্ৰেণীকোঠা এৰি আন্দোলন কৰি আহিছে। কিন্তু চৰকাৰে আন্দোলনকাৰী টিউটৰ সকলৰ আন্দোলনৰ প্ৰতি কোনো সঁহাৰি দিয়া নাই। ইয়াৰ ফলত ৰাজ্যিক ভাষাত পঢ়া ছাত্ৰ-ছাত্ৰী সকল ক্ষতিগ্ৰস্ত হৈছে। মাহে মাহে শ-শ কোটি টকা ঋণ লোৱা চৰকাৰ খনে ১৬ হাজাৰ টিউটৰৰ ন্যায্য দাবী সমূহ পূৰণ

নকৰাটো দুখজনক। অসম চৰকাৰৰ ঋণৰ পৰিমাণ হৈছেগৈ ১ লাখ ৫৪ হাজাৰ কোটি টকাতকৈ অধিক। তথাপিতো টিউটৰ সকলৰ সমস্যাৰ সমাধান নহ'ল। কেৱল ডাঙৰ বিল্ডিং বনালেই শিক্ষাৰ আন্তঃগাঁথনিৰ উন্নয়ন হোৱাতো নুবুজায়। তাৰ লগে লগে স্থায়ী শিক্ষক-কৰ্মচাৰীৰ নিযুক্তি আৰু অন্যান্য সুবিধা সমূহ গঢ়ি তুলিব লাগিব।

২০২১ চনৰ নিৰ্বাচনৰ আগে আগে প্ৰাদেশিকৰণ কৰা বিদ্যালয় সমূহৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সকলৰ আজি পানীত হাঁহ নচৰা অৱস্থা হৈছে, অতি নূন্যতম দৰমহাত চাকৰি কৰিবলৈ বাধ্য হৈছে। চৰকাৰে এই বিষয়ে আজি পৰ্য্যন্ত কোনো সিদ্ধান্ত নল'লে। প্ৰাদেশিকৰণ কৰাৰ আগতে এই সকলো বিষয় চালি-জাৰি চাই আগতীয়া সিদ্ধান্তত উপনিত হ'ব লাগিছিল।

অধ্যক্ষ মহোদয়, ২০০৫ চনৰ পূৰ্বে কৰ্মত যোগদান কৰা ২০১৩ চনত প্ৰাদেশিকৰণসহ অৱসৰপ্ৰাপ্ত শিক্ষক আৰু কৰ্মচাৰী সকলক অন্তিম মূল দৰমহাৰ ৫০% পেঞ্চন প্ৰদানৰ ব্যৱস্থা কৰিলে তেওঁলোকৰ পৰিয়ালসমূহ উপকৃত হ'ব। আনহাতে তদানীন্তন শিক্ষা আৰু বিত্তমন্ত্ৰী তথা বৰ্তমানৰ মুখ্যমন্ত্ৰীয়ে যোৱা ইংৰাজী ৫ ফেব্ৰুৱাৰী, ২০২১ তাৰিখে সৰুসজাই ষ্টেডিয়ামত শিক্ষক নিযুক্তি সমাৰোহত কেৱল এমাহৰ দৰমহা পাই অৱসৰ গ্ৰহণ কৰিলেও১০ লাখ টকাৰ গ্ৰেচুইটি প্ৰদান কৰা হ'ব বুলি কৰা ঘোষণা অতি শীঘ্ৰে কাৰ্য্যকৰী কৰিলে বঞ্চিত শিক্ষক-কৰ্মচাৰী সকলৰ লগতে তেওঁলোকৰ পৰিয়াল সমূহ উপকৃত হ'ব। উক্ত অৱসৰপ্ৰাপ্ত শিক্ষক-কৰ্মচাৰী সকলক বিনামূলীয়া স্বাস্থ্য আৰু চিকিৎসা সেৱা প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰাৰ সমান্তৰালভাৱে অৱসৰ গ্ৰহণৰ পিছত মৃত্যুবৰণ কৰা শিক্ষক-কৰ্মচাৰীৰ পৰিয়ালৰ নিকটাত্মীয়ক অতি শীঘ্ৰে পেঞ্চন আৰু গ্ৰেচুইটী প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰাটো বাঞ্ছনীয়।

চৰকাৰী পক্ষৰ বিধায়ক সকলে কৈছে যে বহুকেইখন University, Engineering College হৈছে। ভাল হৈছে। আমি মানি লৈছো। কিন্তু সেইখিনি কৰাৰ আগতে পুৰণি স্কুল সমূহত য'ত regular teacher নাই, toilet নাই, বিভিন্ন ধৰণৰ facility নাই এইখিনি কথা আগতীয়াকৈ চিন্তা-চৰ্চা কৰি নতুন কামখিনি আগবঢ়ালে ভাল হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**শ্ৰী ৰণোজ পেগু, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰিপূৰক দাবী মঞ্জুৰীৰ মঞ্জুৰী নং ৭১ ৰ ওপৰত বহুকেইজন বিধায়কে আলোচনা কৰিলে । মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া, চক্ৰধৰ গগৈ, ৰফিকুল ইছলাম, সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, জাকিৰ হুছেইন সিকদাৰ, মৃণাল শইকীয়া, আমিনুল ইছলাম (কণিষ্ঠ), ভৰেশ কলিতা, ভৰেন্দ্ৰনাথ ভঁৰালী, উৎপল বৰা, দুৰ্গাদাস বড়ো, হেমাংগ ঠাকুৰীয়া, তেৰছ গোৱালা, আব্দুৰ ৰহিম, ফণীধৰ তালুকদাৰ, আশ্ৰাফুল হুছেইন, নিহাৰ ৰঞ্জন দাস, ড০ আছিফ মহম্মদ নাজাৰ, ড০ অমিয় কুমাৰ ভূঞা, মনোৰঞ্জন তালুকদাৰ, জিৰণ বসুমতাৰী আৰু শিৱামণি বৰা- সকলোৰে বক্তব্য মই মন দি শুনিলো। সময়ৰ অভাৱৰ বাবে বুলেট পইণ্টত মই কেইটামান কথা ক'ব বিচাৰিছো। অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই মোক কেৰেলালৈ গৈ তাৰ শিক্ষা ব্যৱস্থা অধ্যয়ন কৰিবলৈ কৈছে যে কেৰেলাত কেনেকৈ বাঁওপন্থী চৰকাৰে শিক্ষা দান কৰিছে মই গৈ চাই শিক্ষা ল'ব লাগে। মই মাননীয় বিধায়ক তথা সদনক জনাব বিচাৰিছো যে কেৰেলাৰ বিদ্যালয় শিক্ষা ব্যৱস্থা ইমান অধম যে তাত ৬৩ % বিদ্যালয়েই হৈছে ব্যক্তিগত খণ্ডৰ বিদ্যালয়।.. মই মাননীয় বিধায়ক তথা এই সদনত জনাব বিচাৰো যে কেৰেলাৰ বিদ্যালয় শিক্ষা ব্যৱস্থা ইমান অধম যে তাত ৬৩ শতাংশ বিদ্যালয়ে হ'ল প্ৰাইভেট স্কুল। তেওঁলোকে তাত চৰকাৰী বিদ্যালয়ৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক শিক্ষা দিব পৰা নাই। তেওঁলোকৰ শিক্ষা ব্যৱস্থা

বেয়া। সেইকাৰণে ৰাইজ বাধ্য হৈছে প্ৰাইভেট স্কুলত পঢ়িবৰ বাবে। 63% schools in Kerela are private schools, only the 37% are Government school. ইয়াৰ বিপৰীতে মাননীয় অধ্যক্ষ মহোদয়, অসমৰ পৰিস্থিতি হ'ল ৬৯ শতাংশ স্কুল অসমত চৰকাৰী বিদ্যালয়। মাত্ৰ ৩১ শতাংশ প্ৰাইভেট স্কুলহে অসমত আছে। প্ৰাইভেট স্কুলৰ সংখ্যা অসমত কম। চৰকাৰী স্কুল বা বিদ্যালয়ৰ সংখ্যা বেছি। এই চৰকাৰী বিদ্যালয়ৰ সংখ্যা আৰু চৰকাৰী বিদ্যালয়ত নামভৰ্ত্তিৰ সংখ্যা বৃদ্ধি পায় আহি আছে। মাননীয় শিৱসাগৰ জিলাৰ বিধায়ক শ্ৰী অখিল গগৈৰ কথাকেইটা শুনি মই অলপ আচৰিত হ'লো। অসমত আমি যি গুনোৎসৱ অনুষ্ঠিত কৰো, এই গুনোৎসৱত একেলেথাৰিয়ে শিৱসাগৰ জিলাখনে প্ৰথম স্থান অধিকাৰ কৰি আহি আছে। শিৱসাগৰ জিলাখন উৎকৃষ্ট চৰকাৰী শিক্ষাৰ নিদ্দৰ্শন। মই শিক্ষামন্ত্ৰী হিচাপে শিৱসাগৰ জিলাৰ শিক্ষাক লৈ গৰ্ব্ব অনুভৱ কৰো। কিন্তু মাননীয় শিৱসাগৰ জিলাৰ বিধায়কজনে এই চৰকাৰী শিক্ষা ব্যৱস্থাক একদম নিকৃষ্ট বুলি আজি ইয়াত কৈ শিৱসাগৰ .বাসীক অপমান কৰিছে। শিৱসাগৰৰ শিক্ষা ব্যৱস্থাৰ প্ৰতি তেখেতৰ..........

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** আপোনাক অপমান কৰিছো বা চৰকাৰক অপমান কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Please don't interrupt. আপুনি কথাখিনি শুনি লওঁক।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** ৪৪ খন বিদ্যালয়ত মই টিং লগাই দিছো। পানী পৰে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক। আপুনি কিয় তৰ্ক কৰিব?

**ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ মন্ত্ৰী ঃ** মই এই সদনক আৰু এই সদনৰ জৰিয়তে শিৱসাগৰবাসীকো মই সোঁৱৰাই দিছো যে শিৱসাগৰৰ বিধায়কজনৰ শিৱসাগৰৰ প্ৰতি তেখেতৰ কেনেকুৱা দৃষ্টিভঙ্গী। তেওঁ শিৱসাগৰৰ গুণ-গান গোৱা নাই। তেওঁ এইটো উল্লেখ নকৰিলেই যে শিৱসাগৰ এখন উৎকৃষ্ট বিদ্যালয় শিক্ষাৰ স্থান।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** সময় পালে শিৱসাগৰৰ ওপৰত এঘণ্টা ক'ম। মোক ২ মিনিট সময় দিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহক, ৰিপ্লাইটো শুনক। মাননীয় মন্ত্ৰী গৰাকীয়ে ৰিপ্লাই দি আছে। মাননীয় অখিল গগৈ ডাঙৰীয়া মই কৈ আছো আপুনি বহক।

**ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ মন্ত্ৰী ঃ** শিৱসাগৰবাসীক অপমান কৰিছে এইটো মই উল্লেখ কৰি দিছো। এইটো মই সোঁৱাৰাই দিছো। মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিধায়ক ৰফিকুল ইছলাম ডাঙৰীয়া আৰু কেইবা গৰাকীও বিধায়কে এটা কথা উল্লেখ কৰিছে যে সৰ্ব্ব ভাৰতীয় সমীক্ষাত অসম তল ফালৰ পৰা দ্বিতীয়। এইটো কেনেকৈ ? যদি কোনোবা এটা সমীক্ষাৰ পৰা আপুনি তথ্য দিছে সমীক্ষাটো কি আপুনি জানি লোৱা উচিত। সমীক্ষাটো কি নজনাকৈ তল ফালৰ পৰা দ্বিতীয় বুলি কৈ নিজৰ ৰাজ্যখনক তুচ্ছ-তাচ্ছিল্য কৰা মানসিকতাটো সুস্থ মানসিকতা নহয়।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** Secondary Education ত dropout কেই নম্বৰত?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ৰ উত্তৰৰ পিছত আপোনালোকে ক'ব।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** তেখেতে ৰিপ্লাই দিয়া নাই। গালি পাৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে কৈছে, তেখেতে তাৰ উত্তৰ দি আছে। আপোনালোক বহক।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** তেখেতে political statement দিছে।

**মাননীয় অধ্যক্ষ ঃ** আপুনিও political statement দিছে।

**ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ মন্ত্ৰী ঃ** Performance grading index, এইটো সৰ্ব্বভাৰতীয় সমীক্ষা। ইয়াত বিদ্যালয় সমূহক grading কৰিছে। প্ৰথম grading টো হৈছে

দক্ষ। দ্বিতীয় grading টো কৰিছে উৎকৰ্ষ, তৃতীয় grading টো কৰিছে অতি উত্তম আৰু চতুৰ্থটো উত্তম। এই চাৰিটা grading ভাৰতবৰ্ষৰ কোনো ৰাজ্য ইয়াত অন্তৰ্ভুক্ত হোৱা নাই। এইকেইটা grading ত nil. ইয়াৰ পিছত যি grading আছে সেইকেইটা হ'ল grading প্ৰচেষ্টা ১, প্ৰচেষ্টা ২, প্ৰচেষ্টা ৩। ইয়াতো প্ৰচেষ্টা ১ ত কোনো স্কুল নাই। প্ৰচেষ্টা ২ ত চণ্ডীগড় অন্তৰ্ভুক্ত হৈছে আৰু প্ৰচেষ্টা ৩ ত কোনো বিদ্যালয় নাই। ইয়াৰ পিছৰ তিনিটা grading হৈছে আকাংক্ষী ১, আকাংক্ষী ২ আৰু আকাংক্ষী ৩। এতিয়া আকাংক্ষী ২ ত আমি সোমাইছো আৰু আমি evaluation ৰ ১০০০ পইণ্টৰ ভিতৰত আমি অসমে লাভ কৰিছো ৫১২। এতিয়া আমি grading হিচাপে আকাংক্ষী ২ ত আছো। কিন্তু আমি সৰ্ব্বভাৰতীয় পৰ্য্যায়ত গোটেই ৰাজ্য সমূহৰ ভিতৰত তলৰ ফালৰ পৰা ২ নম্বৰ, এইটো এটা ভুল তথ্য। এই যি Performance grading index ইয়াত আমাতকৈ তলত কোন কোন আছে? আমাতকৈ তলত আছে উত্তৰ প্ৰদেশ, বিহাৰ, তেলেংগানা, উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যখিনি। যদি আপুনি ক্ৰমাংশ অনুযায়ী আমাৰ স্থানটো চাই তেতিয়া আমি ওপৰৰ ফালৰ পৰা ২৬ ত আৰু তলৰ ফালৰ পৰা ১১ ত আছো। উৰিষ্যাৰ নিচিনা ৰাজ্যৰ লগত আমাৰ পাৰ্থক্য হৈছে মাত্ৰ ১-২ নম্বৰৰ। তেওঁলোকে .পাইছে ৫১৭ আৰু আমি পাইছো ৫১২। এইটো এটা নিৰবিচ্ছিন্ন প্ৰক্ৰিয়া, যিটোত performing grading index অহা বছৰো হ'ব। এতিয়া যদি আমি আহো আমাৰ বিদ্যালয় শিক্ষাত যদি UDISE ৰ সমীক্ষালৈ যাওঁ তেতিয়াহ'লে এই সমীক্ষাত আমাৰ drop out rate 2021-22 বৰ্ষৰ পৰা কমাবলৈ সক্ষম হৈছো। ২০২২-২৩ চনত চেকেণ্ডাৰী ৰেট আছিল ২৯.৫ আৰু এতিয়া সেই ৰেটটো ১৭.৫ লৈ কমাবলৈ সক্ষম হৈছো।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** Ranking ত কেই নম্বৰত আছে?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া আপোনাৰ শুনাৰ ধৈৰ্য্য কিয় নাই? আপুনি বিধায়ক শুনিবই লাগিব, মন্ত্ৰী নহয়। আপুনি একো নক'ব। আপুনি শুনি থাকক।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে কেৱল পলিটিকেল মন্তব্য হে দিছে। তেখেতে political attack কৰিছে আৰু তেখেতে শিক্ষাৰ ওপৰত কোৱা নাই।

**ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ মন্ত্ৰী ঃ** আপুনি কি কৰিলে? আপুনি কোৱা ভুল কথাখিনি শুধৰাই দিবই লাগিব। দ্বিতীয় কথাটো হ'ল Gross enrollment rate যিটো সামগ্ৰিক নামভৰ্ত্তিৰ হাৰ, সেই নামভৰ্ত্তিৰ হাৰটো যদি আমি ২০২১-২২ চনৰ পৰা চাওঁ সেই হাৰো Gross enrollment rate আমাৰ বাঢ়ি আহিছে। আমি আৰম্ভ কৰিছিলো ৩৭.১ শতাংশ। Gross enrollment rate of secondary education এতিয়া আমি সেইটো পালো 37.6% আৰু চেকেণ্ডাৰীটো আমি 75% ত আৰম্ভ কৰিছিলো আৰু পালো 79.6%. এতিয়া আমাৰ Gross enrollment rate টো হ'ল 79.6%. আমি সৰ্ব ভাৰতীয় পৰ্য্যায়ত আগবাঢ়ি আছোনে, পিছপৰি আছো। সৰ্বভাৰতীয় Gross enrollment rate in Secondary Education is 78.7%. এইটো অসমতকৈ ক'ম। আমি ৭৯.৬ শতাংশৰে সৰ্ব ভাৰতীয় ৰেটতকৈ আগবাঢ়ি আছো। আৰু বহুখিনি পেৰা মিটাৰ আছে। এই গোটেইখিনি পেৰা মিটাৰৰ বিষয়ে ক'বলৈ নাযাওঁ। কিন্তু যিসকলে এই ডাটাবোৰ দি সৰ্ব ভাৰতৰ অন্য ৰাজ্যতকৈ পিছপৰি আছে বুলি কৈছে কিন্তু ইয়াৰ বিপৰীতে Performance grading index ত আমাৰ performance ভাল আৰু UDISE ত আমাৰ performance পূৰ্বৰ বছৰ কেইটাৰ তুলনাত প্ৰতিবছৰে আমি আগবাঢ়ি আছো আৰু আমাৰ উন্নতি হৈ আছে। এই কথাটো মই এই পবিত্ৰ সদনত জনাব বিচাৰিছো।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** Drop out rank কিমান ?

**ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ মন্ত্ৰী ঃ** আপুনি আহিব। আপোনাৰ যিমান আছে................

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অখিল গগৈ ডাঙৰীয়া, এনেকুৱা নহয়। আপুনি এনেকুৱা কথা-বতৰা ক'ৰ পৰা শিকিছে। গতিকে আপোনাক মই নিলম্বন কৰিলো। আপুনি বাহিৰলৈ যাওঁক।

**ডাঃ ৰণোজ পেগু, শিক্ষা বিভাগৰ মন্ত্ৰী ঃ** ৰাষ্ট্ৰীয় শিক্ষা নীতি যেতিয়া প্ৰৱৰ্তন হ'ল, বিদ্যালয় শিক্ষা মানে এতিয়া তিনি বছৰ বয়সৰ পৰা দ্বাদশ শ্ৰেণীলৈকে বিদ্যালয় শিক্ষা। আগৰ নিচিনা প্ৰথম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে বিদ্যালয় শিক্ষা নহয়। এতিয়া ৰাষ্ট্ৰীয় শিক্ষা নীতি যেতিয়া হ'ল আমাৰ প্ৰথম স্তৰটোৱেই হৈছে বুনিয়াদী স্তৰ বা foundational stage. সেই foundational stage মানে তিনি বছৰ বয়সৰ পৰা ৮ বছৰ বয়সলৈকে। ইয়াক শক্তিশালী কৰাৰ কাৰণে চৰকাৰখনে যি পদক্ষেপ লৈছে মোৰ সন্মুখত Women and Child Development Minister মাননীয় শ্ৰীমতী অজন্তা নেওঁগ বাইদেউ বহি আছে। আজিকালি শিক্ষা বুলি ক'লে আমি একেলগে কাম কৰো। অঙ্গনাৱাড়ী কেন্দ্ৰ সমূহক যদি শক্তিশালী কৰা নহয় তেনেহ'লে আমি প্ৰাক্ প্ৰাথমিক শিক্ষাক শক্তিশালী কৰিব নোৱাৰো। প্ৰাক্ প্ৰাথমিকক শক্তিশালী নকৰিলে প্ৰাথমিক শিক্ষাক শক্তিশালী কৰিব নোৱাৰো। এতেকে প্ৰাক্ প্ৰাথমিক শিক্ষাক শক্তিশালী কৰিবৰ কাৰণে এই চৰকাৰে ১০ হাজাৰ খন অঙ্গনবাড়ী কেন্দ্ৰ প্ৰায় আঢ়ৈ হাজাৰ কোটি টকা খৰছ কৰি নিৰ্মাণ কৰিছে। ই শিক্ষা বিভাগলৈ অৱদান, ই আমাৰ প্ৰাক্ প্ৰাথমিক শিক্ষাক শক্তিশালি কৰিব। এই গোটেইখিনি গৱেষণা কৰি চাই দেখিলো আমাৰ দুৰ্বলতা প্ৰাক্ প্ৰাথমিকত আছিল বিদ্যালয় শিক্ষাৰ আৰু দ্বিতীয় দুৰ্বলতা আছিল হাই স্কুল, হায়াৰ ছেকেণ্ডাৰী স্কুল, তাৰ কাৰণে মাননীয় মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছিল প্ৰায় ২ হাজাৰখন স্কুলত এখন এখন বিদ্যালয়ত ৭ ৰ পৰা ৮ কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰা হ'ব। আজি এই পবিত্ৰ সদনক মই জনাব বিচাৰো যে যোৱা তিনিটা বছৰত ২ হাজাৰ কোটি টকা বিনিয়োগ কৰি প্ৰায় ৪ শ খন বিদ্যালয় নৱনিৰ্মাণ অসম চৰকাৰখনে বিদ্যালয় শিক্ষা বিভাগে কৰিছে। আমাৰ কেইবাগৰাকী বিধায়কে উল্লেখ কৰি গৈছে, কেৱল চাৰে সাত কোটি নহয় ক'ৰবাত ক'ৰবাত আমি এখন এখন বিদ্যালয়ত ১৪ কোটি ১৫ কোটি খৰচ কৰি আমি এই মাধ্যমিক শিক্ষাৰ যিটো sector এই sector টোক আমি শক্তিশালি কৰাৰ কাৰণে আমি ব্যৱস্থা গ্ৰহণ কৰিছো। সমগ্ৰ শিক্ষাৰ অধীনত আমাৰ চৰকাৰ খনৰ অধীনত বিদ্যালয় বিশেষকৈ Lower Primary, Upper Primary ইয়াৰ বিদ্যালয়ৰ আন্তঃগাঠনি শক্তিশালি কৰাৰ কাৰণে আমি কিমান কাম কৰিলো। আমি ছেকেণ্ডাৰীত ২ হাজাৰ কোটি টকা খৰচ কৰিলো। RIDF, PM-DevINE, SOPD ৰ অধীনত, বাকীখিনিৰ ক্ষেত্ৰত সমগ্ৰ শিক্ষাৰ পৰা প্ৰায় ৩ হাজাৰ কোটি টকা কেৱল আন্তঃগাঠনি উন্নয়নৰ কাৰণে আমাৰ চৰকাৰখনে ২০২১ চনৰ পৰা এতিয়ালৈকে খৰচ কৰিছে। অসমৰ বিদ্যালয় সমূহৰ আন্তঃগাঠনিৰ ক্ষেত্ৰত এটা নতুন ৰূপ পাবলৈ সক্ষম হৈছে। মই আজি এই পবিত্ৰ সদনক জনাবলৈ পাই সুখী হ'ম যে অসমৰ প্ৰত্যেকখন হাইস্কুল, প্ৰত্যেকখন হায়াৰছেকেণ্ডাৰী স্কুল এই বছৰ মাৰ্চ মাহৰ ভিতৰত প্ৰত্যেকখনতে স্মাৰ্ট ক্লাছ ৰূমৰ নিৰ্মাণ প্ৰক্ৰিয়া সম্পূৰ্ণ হ'ব। এখনো স্কুল বাকী নাথাকে ছেকেণ্ডাৰী য'ত একোটা স্মাৰ্ট ক্লাছৰুম আমাৰ অসম দেশৰ বিদ্যালয়ত নাথাকে, তেনেকুৱা এখনো স্কুল নাথাকিব। শিক্ষকৰ খালী পদ সম্পৰ্কে মই ইতিমধ্যে মাননীয় বিধায়ক ৰাজেদ আলি ডাঙৰীয়াই যিটো প্ৰশ্ন উত্থাপন কৰিছিল মই উত্তৰ দিব নোৱাৰিলো। কোৱা হ'ল যে ১৫ হাজাৰ খালী পদ আছে প্ৰাথমিক শিক্ষাৰ অধীনত। ১৫ হাজাৰ খালী পদ পুৰন কৰাৰ যিটো ব্যৱস্থা সেইটো মোক ক'বলৈ নিদিলে। এতিয়া ১৫ হাজাৰৰ ভিতৰত ৫৫০০ শিক্ষকৰ নিযুক্তি

হৈ গ'ল। এইটো তাৰ পৰা বাদ দিব লাগিব। ৪৫০০ শিক্ষক document verification ৰ কাম আৰম্ভ হৈ গ'ল। ইয়াৰ পৰা document verification এই ৪৫০০ টো বাদ দিব লাগিব। ৫৫০০ আৰু ৪৫০০ টো যদি যোগ কৰে তেতিয়াহ'লে দহ হাজাৰ হৈ যাব। তেতিয়াহ'লে দহ হাজাৰ শিক্ষকৰ পদ পুৰন কৰাৰ ৫৫০০ খালী পদ পুৰন হ'ল আৰু ৪৫০০ টো পুৰন কৰাৰ পর্য্যায়ত আছে, এই দহ হাজাৰটো বাদ দিলে আজিৰ তাৰিখত অসমত এলিমেন্টৰীত খালী হৈ থকা পদৰ সংখ্যা ১৫ হাজাৰ নহয় মাত্ৰ সেই সংখ্যা মাত্ৰ ৫ হাজাৰ। এই ৫ হাজাৰ কেতিয়া খালী হ'ল যোৱা এটা বছৰত খালী হৈছে, তাৰো বিজ্ঞাপন দিয়াৰ প্ৰক্ৰিয়া সেই পদ খিনি পুৰন কৰাৰো প্ৰক্ৰিয়া আমি ইতিমধ্যে আৰম্ভ কৰিছো। কোৱা হৈছে যে ছেকেণ্ডাৰীত ১২ হাজাৰ খালী পদ আছে, ১২ হাজাৰ খালী পদ নাই, এই ১২ হাজাৰটো ৮ হাজাৰ পদ আমি বিজ্ঞাপন কৰিলো আৰু নিযুক্তিও দিলো এতিয়া জিলাই জিলাই ক'ত নিযুক্তি হ'ব সেইটো প্ৰক্ৰিয়া চলি আছে। শিক্ষক সকলে বিদ্যালয়ত জইন কৰা নাই জইন কৰাৰ অৱস্থাত আছে। গতিকে এই ৮ হাজাৰটো ১২ হাজাৰৰ পৰা বাদ দিওঁ তেনেহ'লে আমাৰ মাধ্যমিক পর্য্যায়ত খালী থকা পদৰ সংখ্যা হ'ব ৪ হাজাৰ। এই ৪ হাজাৰ পদ খালী থাকিব এইখিনিৰ বিজ্ঞাপন ডিচেম্বৰ মাহৰ ভিতৰত বিজ্ঞাপন প্ৰকাশ কৰবৰ কাৰণে মই চেষ্টা কৰি আছো। এটা সমস্যা আছে, যিটো মই স্বীকাৰ কৰো যে আমাৰ চৰ অঞ্চল আৰু কিছুমান ভিতৰুৱা গাওঁ অঞ্চলত শিক্ষক সকল তাত যাব নিবিচাৰে, শিক্ষক সকলে তাত সেৱা আগবঢ়াব নিবিচাৰে, বিভিন্ন অযুহাতত তেওঁলোকে transfer লয়। Transfer লোৱাৰ এখন আইন আছে। গতিকে তেওঁলোকৰ অধিকাৰ আছে আৰু বহু সময়ত জিলা পর্য্যায়ত যি আমাৰ rationalization committee থাকে তেওঁলোকেও কেতিয়াবা ভুল সিদ্ধান্ত লয় সেইটো মই স্বীকাৰ কৰো। এতিয়া কথাটো হ'ল যে সমস্যা আছে, সমস্যাটো সমাধান কৰাৰ পথ কি? মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক মই কথাটো জনাইছো আৰু মুখ্যমন্ত্ৰী মহোদয়ে মোক এটা পৰামর্শ দিছে, মই সদনক কৈ দিওঁ, এতিয়াওঁ কিন্তু আমি তাত নিয়মলৈ ৰূপান্তৰ কৰা নাই। মুখ্যমন্ত্ৰী মহোদয়ে গোটেই কথাখিনি শুনাৰ পিছত মোক কৈছে যে চৰ অঞ্চল বা এনেকুৱা ভিতৰৰ অঞ্চলৰশিক্ষকৰ পদটো সেই স্কুল কেন্দ্ৰীক কৰি দিয়ক, সেইটো অসম কেডাৰ, District cadre ৰ পৰা মুক্ত কৰি তাক school cadre কৰি দিয়ক। যাতে সি কোনোদিন transfer ল'ব নোৱাৰে। অর্থাৎ কোনোবা এখন চৰ অঞ্চৰ বিদ্যালয়, সেই বিদ্যালয়খনত শিক্ষকৰ পদবীত বদলী দিলেওঁ তেওঁ জইন নকৰে আৰু যেতিয়া জইন কৰে, নামটো সেই বিদ্যালয়তে থাকে, attachment, deployment বেলেগ বিদ্যালয়লৈ লৈ যায়। এতেকে মই মুখ্যমন্ত্ৰীপ প্ৰস্তাৱটোক আমি বিভাগে খুব চিৰিয়াচলি বিবেচনা কৰিছো যে আমি দূর্গম অঞ্চলৰ বিদ্যালয় সমূহৰ শিক্ষক শিক্ষয়ত্ৰীৰ পদ সমূহ সেই ব্যিদালয়কেন্দ্ৰীক কৰি দিম যাতে সেই বিদ্যালয়ৰ পৰা তেওঁলোকে কেতিয়াওঁ transfer ল'ব নোৱাৰে। আবেদন কৰোতে গম পাব যে মোৰ হাটশিঙিমাৰীৰ চৰত বিদ্যালয়খন আছে। মই চাকৰিটো পাতে তাতে জইন কৰিব লাগিব আৰু গোটেই ৬০ বছৰ বয়সলৈকে তাতে থাকিব লাগিব আৰু যদি মই গুছি আহিব লাগে, তেতিয়াহ'লে মই তাত পদত্যাগ কৰি গুছি আহিব লাগিব। কাৰণ এইটোট আমাৰো serious concern আছে যে আমাৰ গ্ৰামাঞ্চলৰ বিদ্যালয়, চৰ অঞ্চলৰ বিদ্যালয় তাত শিক্ষক লাগে। শিক্ষক আমাৰ অসমত আছে। আমাৰ যিটো PTR ৰ ব্যৱস্থা PTR ব্যৱস্থাটোত সকলোৱে স্বীকাৰো কৰি লৈছে যে আমাৰ PTR টো উন্নত। ভৰতবর্ষৰ ৰাষ্ট্ৰীয় PTR ত কৈ আমাৰ অসমৰ State PTR উন্নত। তাৰ পিছটো আমাৰ ভিতৰুৱা অঞ্চল, দুর্গম অঞ্চল বিলাকত শিক্ষক নাই। শিক্ষা বিভাগে এইটোত কাম কৰি আছে। আমি এতিয়া দুর্গম অঞ্চল চিনাক্ত

নকৰো, কাৰণ তাতো খেলি-মেলি হ'ব। আমি দুৰ্গম অঞ্চলৰ বিদ্যালয় নিৰ্দিষ্টভাৱে চিনাক্ত কৰিছো আৰু সেই বিদ্যালযত বিদ্যালয় ভিত্তিক শিক্ষকৰ পদবী সৃষ্টি কৰি তাৰ বিজ্ঞাপন অহাবাৰ আমি কৰি বিদ্যালয় ভিত্তিত নিযুক্তি যাতে কৰিব পাৰো তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰক্ৰিয়া এটা চলি আছে। আপোনালোকেৰো কিবা যদি পৰামৰ্শ আছে, সেই পৰামৰ্শখিনি মোক দিব পাৰে আৰু সেই পৰামৰ্শ আমি বিবেচনা কৰিম। ইয়াৰ উপৰিও মই আন কেইটামান কথা ক'ব বিচাৰিম যে সন্মানীয় বিধায়ক দূৰ্গাদাস বড়ো ডাঙৰীয়াই উল্লেখ কৰিছিল যে কেৱল শিক্ষক নহয় বহু ঠাইত শিক্ষা বিষয়াৰ পদসমূহো খালী আছে। বিটি আৰ টো খালী আছে। আমাৰ যি শিক্ষা বিষয়া সকল থাকে, ইয়াতে আমাৰ দুই ধৰণৰ বিষয়া থাকে। এফালে Assam education service আৰু কিছুমান আছে যিসকল BO, DIS তেওঁলোকAES service ৰ নহয়। গতিকে ইয়াত cadre strength টো বঢ়োৱাৰ কাৰণে আমি চিন্তাভাৱনা কৰিছো যে সকলো শিক্ষাবিষয়া একেবাৰে BO, DIS আৰম্ভ কৰি সঞ্চালকলৈকে সকলো বিষয়া যাতে AES cadre ৰ হয় তাৰ কাৰণে আমি cadre strength টো বঢ়াব লাগিব, cadre strength টো বঢ়াবলৈ হ'লে কিছু পোষ্ট বিত্ত বিভাগৰ নীতি নিৰ্দেশনা অনুযায়ী কিছু পদ আমি হয়তু abolish কৰিব লাগিব। কাৰণ abolish নকৰাকে নতুন পদ আমি ক্ৰিয়েট কৰাত বিত্ত বিভাগৰ এতিয়া বাধা আছে। কিন্তু শিক্ষা বিষয়া সকল যাতে অধিক competent হয়, অধিক accountable হয়, আৰু তাৰ কাৰণে তেওঁলোকক সকলোখিনিকে যাতে আমি AES কৰিব পাৰো তাৰো আমি ব্যৱস্থা ৰাখিছো আৰু ইয়াৰ কাৰণে আমি এখন পৃথক service rule ৰো ব্যৱস্থা কৰিছো। মই অলপ আগতে অধ্যক্ষ মহোদয়, প্ৰশ্নোউত্তৰ শিতানত এটা কথা কৈছিলো যে আমি Higher Secondary স্কুললৈ --

**মাননীয় অধ্যক্ষ ঃ-** Hon'ble Minister just 1 minute.আমাৰ সময় **already** ২ বাজিলে এই কাৰণে মই ডাবি মঞ্জুৰি নং ৭১ **হওক** বাকী থকা সমূহ দাবী guilletin ত দি দিলো। আপুনি continue কৰক।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী শিক্ষা বিভাগ ইত্যাদি)ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, মই আৰু দুটা মান কথা কৈ সামৰনি মাৰিম যে আমি শিক্ষাৰ - শিক্ষা বিষয়াৰ strength বঢ়াব কাৰণে আমি চেষ্টা কৰিছো যাতে শিক্ষানুষ্ঠানটো অধিক শক্তি শালী আমি কৰিব পাৰো। বিদ্যালয় শিক্ষাক একেবাৰে অৰাজনৈতিক আৰু সকলোৰে সামৰি লোৱাৰ কাৰণে আপোনালোক সকলোৰে দেখিছে যে চৰকাৰখনে ব্যৱস্থা কৰিছে। Drop-out rate টো কমাব লাগে তাৰো ব্যৱস্থা আমি কৰিছো আৰু নিজুত মইনা introduce কৰাৰ পাছত Higher Secondary ত নাম ভৰ্তি পৰিমানটো যথেষ্ট বাঢ়িছে। এই বছৰ আমি প্ৰেৰনা নামৰ এখন আঁচনিৰ অধীনত class X, মেট্ৰীক পৰীক্ষা দিব লগীয়া , ৪ লাখ ৪২ হাজাৰ ছাত্ৰ-ছাত্ৰীক প্ৰত্যেককেই অহা ৬ মাহৰ কাৰণে মাহে ৩০০ টকাকৈ আমি দিয়াৰ ব্যৱস্থা প্ৰেৰণা আঁচনিৰ অধীনত গ্ৰহণ কৰা হৈছে। ইয়াত কোনো APL, BPL, private, চৰকাৰী এনেকুৰা কোনো পাৰ্থক্য নাই । Universal সকলো ছাত্ৰ-ছাত্ৰীয়ে ৩০০ টকাকৈ কাইলৈ পৰা লাভ কৰিব। কাইলৈ মই মাননীয় মুখ্য মন্ত্ৰীক অনুৰোধ জনালো তেখেতে কাইলৈ অনুষ্ঠানিক বাবে এই প্ৰেৰণা আঁচনিখন তেওঁ মুকলী কৰিব আৰু মই আগতীয়াকৈ সকলো Class Xত থকা ছাত্ৰ- ছাত্ৰীক মোৰ ফালৰ পৰা অভিনন্দন জ্ঞাপন কৰিছো আৰু যাতে কাইলৈ কাৰ্য্যসূচী তেওঁলোকে ৩০০ টকাকৈ তেওঁলোকে লাভ কৰিব। ইয়াৰ ওপৰিও বিনামূলীয়া নাম ভৰ্তি শিক্ষাৰ অধিকাৰ আইন অনুযায়ী Class 8 লৈকে আমি বিনামূলীয়া শিক্ষা দিবলৈ আমি বাধ্য। কিন্তু Class 9,10,11,12 ত আমাৰ কোনো বাধ্যবাধকতা নাই । তৎ স্বত্বেও । ৰাজ্য

চৰকাৰখনে Elementary কাৰণে যিখিনি সা-সুবিধা আছে সকলোখিনি বিনামূলীয়াকৈ আমি Class 9,10,11,12 ৰ ছাত্ৰ-ছাত্ৰী সকলোকো প্ৰদান কৰি আহিছো ৰাজ্য চৰকাৰৰ নিজৰ বাজেটৰ পৰা। সমগ্ৰ শিক্ষাৰ বাজেটৰ পৰা Class 8 লৈকে বিনামূলীয়া পাঠ্য পুঠি পায়। কিন্তু Class 9,10,11,12 ৰ কাৰণে বিনামূলীয়া পাঠ্যপুঠি ৰাজ্য চৰকাৰৰ পুঁজিৰ পৰা প্ৰদান কৰে। সমগ্ৰ শিক্ষাৰ অধীনত বিনামূলীয়া uniform Class 8 লৈকেহে পাই। কিন্তু Class 9,10,11,12 ৰ বিনামূলীয়া uniform এইটো আমি ৰাইজ্য চৰকাৰ বাজেট পৰা আমি প্ৰদান কৰো। আৰু এতিয়া আমি Class 9,10,11,12 ত আমি বিনামূলীয়া নাম ভৰ্তিৰ সুবিধা প্ৰদান কৰিছো। সম্পূৰ্ণ ৰূপে আমাৰ এতিয়া ১০০ শতাংশয়ে আমাৰ এতিয়া বিদ্যালয় শিক্ষা, ১০০ শতাংশয়ে সাৰ্বজনীন, ১০০ শতাংশয়ে বিনামূলীয়া। ভাৰতৰ্বষৰ কোনো এখন ৰাজ্যই বিদ্যালয় শিক্ষাক এনেধৰণে সম্পূৰ্ণ বিনামূলীয়া কৰিব পৰা নাই। ইয়াৰ পাছৰ ঘটনাটো হ'ল যে আমাৰ যি পাঠ্যক্ৰম আছে আমি এতিয়া CBSE পাঠ্যক্ৰম যেনেকুৱা আমাৰো পাঠ্যক্ৰম তেনেকুৱা তাত কোনো গুনাগুনৰ পাৰ্থক্য নাই। CBSE Teaching Methodology যেনেকে হয় ,আমাৰ Assam State Education Board ৰো শিক্ষা ব্যৱস্থা বা Teaching Methodology লগত একে। আমি কিছু নতুন কাম কৰিব বিচাৰিছো। আমি বিদ্যালয় শিক্ষাত Skill Education টো অৰ্থপূৰ্ণ কৰিব বিচাৰিছো আৰু সমগ্ৰ শিক্ষাৰ অধীনত যি National Skill Qualification Frame ৰ যি program আছিলে যাৰ জৰিয়তে আমি বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক বিভিন্ন trade ত আমি তেওঁলোক Skill দিম। মই কেইদিনমান আগত নলবাৰী গৈছিলো, এই শিক্ষাটো কেৱল যে এটা উচিত বিষয় তেনেকুৱা নহয়। মই নলবাৰী গৈ সেইদিনাখন Appointment Letter distribute কৰি আহিছো। বিদ্যালয়তSkill শিক্ষা লৈছে আৰু তেওঁলোকে পোনপতীয়াকে কোম্পানীত তেওঁলোকে চাকৰি যোগদান কৰিছে। ক'ত যোগদান কৰিছে TATA Electronics, TATA Motors যোগদান কৰিছে। ১৯ হাজাৰ টকা তেওঁলোকে দৰমাহা আৰম্ভ কৰিছে। আৰুTATA Motors কৈছে আমাৰটো কেৱল program টোৰে হ'ল Earn while you learn--আপোনালোকৰ বিদ্যালয় শিক্ষা পৰা আমি যিখিনি ছাত্ৰ-ছাত্ৰী লৈ লৈছো তেওঁলোকক আমি ৩ বছৰ কাৰণে পঢ়াম আৰু তাৰ পাছত আমি diploma দিম। ৩ বছৰ আমাৰ কোম্পানীত যি সকলে কামও কৰিব আৰু পঢ়িব, প্ৰত্যেকে ১৯ হাজাৰ টকাকৈ তেওঁলোকে মাহে মাহে দৰমহা পাব। এইটো আমাৰ Skill Education.এতিয়া আমি TATA NELCO ৰ লগত এখন চুক্তিত হৈছো। এই বছৰ পৰা আৰম্ভ হ'ব ৫০০ কোটি টকাৰ project. যি TATA NELCO ৰ project ৰ অধীনত আমাৰ যি সমূহ New Age Subject আছে, এই New Age Subject বিলাক আমি বিদ্যালয়ত introduce কৰাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিছো। TATA NELCO আমাৰ বিদ্যালয়ত কি কি বিষয়ত Skillত দিব, Design & Innovation, Design Development, Computer Aided Machine, Industrial Robotics, Industrial Internet of Things, Additive Manufacture in 3D, Drones, Electric vehicle and Automobiles, Augmented Reality & Vertual Reality, Household Electronics -এই বিষয়বিলাক আগৰ কাৰপেনটেৰী মেচনটেৰী সেইবিলাক বিষয় এতিয়া Skill ত নাই। কাঠ মিস্ত্ৰী ৰাজ মিস্ত্ৰী সেই বিলাক আমাৰ Skill ৰ বিষয় নহয়। Security Guard আমাৰ Skill ৰ বিষয় Artificial Intelligence. আমাৰ Skill ৰ বিষয় 3D Printing আমাৰ Skill ৰ বিষয় Automission

Internet of things এইবিলাক আমাৰ Skill ৰ বিষয় আৰু এইখিনি আমি আৰম্ভ কৰিছো। সকলো ঠিকে ঠাকে থাকিলে অহা এক মাহৰ ভিতৰত আমি বিদ্যালয় শিক্ষাৰ পৰাই TATA Electronic, TATA Motors ৰ প্ৰায় ২ হাজাৰ ছাত্ৰ-ছাত্ৰীক তেওঁক Skill Level -3 , Level 4 পাছ কৰা ল'ৰা -ছোৱালী দিবলৈ আমি সক্ষম হ'ম। সাততা বিষয় হ'ব এতিয়া Higher Secondary ত। ৯ টা বিষয়ৰ ৰ টা বিষয় ১১ (XI) ত আৰু এটা বিষয় 12 (Xii) ত আমি Compulsory কৰিব বিচাৰিছো। সেইটো উপৰঞ্চি বিষয় হৈছে environmental Science Class 11 ত আৰু Class 12 ত General Studies. কাৰন Class 12 ৰ পাছতে ADRE পৰীক্ষা বহুতে দিবলৈ যাব। তেওঁলোকে Competitive Examination ত যাব। আৰু Competitive Examination ত যেতিয়া যায় তেওঁলোকে General Studiesৰ Question face কৰিব লগা হয়। General Studies যদি School ত শিকোৱা নহয়, যদি Higher Secondary ত শিকোৱা নহয় তেতিয়াহ'লে পুনে তেওঁলোকে Competitive Examination ৰ কাৰণে Competate হৈ নুঠে। সেইকাৰণে তাক আমি অন্তৰ্ভূক্ত কৰিছো। আৰু তাৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ নিজৰ মেধা তেওঁলোকৰ talent,তেওঁলোকৰ ইচ্ছা, তেওঁলোকৰ **ৰাপ** কোন বিষয়ত আছে তাক লৈ প্ৰায় ৯০ টা বিষয় আমি ছাত্ৰ-ছাত্ৰী সকলক Elective Subject হিচাপে ল'বৰ কাৰণে আমি Option দিছো। য'ত আমি কৈছো যে ফুটব'ল ও তাত থাকিব, ক্ৰিকেট ও তাত থাকিব , সত্ৰিয়া নৃত্য ও তাত থাকিব। তাত Artificial Intelligence ও থাকিব, তাত Robtics ও থাকিব। ছাত্ৰ- ছাত্ৰীয়ে নিজৰ ইচ্ছা অনুযায়ী এইখিনি ল'ব পাৰিব। গতিকে অসমৰ বিদ্যালয় শিক্ষাত Total transformation হৈছে। বিদ্যালয় শিক্ষাই আই টি আই সমূহৰ লগত আমি MOU ত চহী কৰিছো। বিদ্যালয় শিক্ষা Polytechnic ৰ লগত MOU ত চহী কৰিছো। আপোনালোকক মই এইটো জনাবলৈ পায় সুখী First time in India,অন্য কোনো ৰাজ্যত হোৱা নাই। বিদ্যালয় শিক্ষা বিভাগে Fishery Department, Veterinary Department, Agriculture Department, Industry Department ৰ লগত আমি বুজা-বুজি চুক্তিত চহী কৰিছো যে আমাৰ বিদ্যালয়ত Agricultur, Fishery, Animal Husbandary Industry এই বিলাক সৰ্ম্পকে শিক্ষাদান কৰিম তাত আমাক সহায় কৰিব লাগে। Evalution ত Department বিলাক জড়িত হ'ব লাগে। গতিকে Holistics Education under NE (9-19) তাৰ ফালে এক বৃহৎ পদক্ষেপেৰে আমি আগবাঢ়িছো বিদ্যালয়ৰ শিক্ষা নিশ্চিত ভাৱে অৰ্থপূৰ্ণ হ'ব লাগিব। অৰ্থপূৰ্ণ কৰাৰ কাৰণে আগবাঢ়িছো। তাৰ কাৰণে আমাক অতিৰিক্ত ধনৰাশী ২০২৫ ৰ ৩১ মাৰ্চৰ ভিতৰত ব্যয় কৰিব লাগে। তাৰ কাৰণে আমি এই মঞ্জুৰী নং ৭১ বিধান সভাত পাচ কৰাৰ কাৰণে মই অনুৰোধ জনাই আৰু যি সকলে গঠন মূলক পৰামৰ্শ কৰিব পৰা নাই বহু মাননীয় বিধায়কে বহুখিনি গঠনমূলক পৰামৰ্শ দিছে, সেইখিনি মই লিখি লৈছো। অনাগত দিনত সেইখিনি আমি Follow কৰিম বুলি প্ৰতিশ্ৰুতি ৰাখি মই যিটো cut Motion আছিল সেইটো withdraw কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তব্য সামৰনি মাৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া দাবী মঞ্জুৰী নং ১, ২, ৩, ৪, ৫, ৬, ৯, ১১, ১২, ১৩, ১৪, ১৬, ১৭, ১৯, ২০, ২১,২২,২৫,২৬,২৭,২৮,২৯,৩০,৩১, ৩৪,৩৫,৩৬,৩৭,৩৮,৩৯,৪০,৪১,৪২,৪৩,৪৪, ৪৭,৪৮, ৪৯, ৫০,৫১,৫২,৫৩,৫৪,৫৬,৫৭,৫৮,৬২,৬৩,৬৪,৬৭,৭১,৭৩,৭৫, ৭৬,৭৭,৭৮,৭৯, ৮০, ৮১,

৮২, আৰু ৮৩ ভোট দানৰ বাবে সদনত দাঙি ধৰিলো। যি সকলে সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে কওঁক নহয়, মই ভাৰো হয়ৰ সাপেক্ষ, হয়ৰ সাপেক্ষ, হয়ৰ সাপেক্ষ ২০২৫-২৬ বৰ্ষৰ দাবী মঞ্জুৰী সমূহ গৃহিত কৰা হ'ল। এতিয়া Item No. 4 এই ক্ষেত্ৰত ৰাজভৱনৰ পৰা এটা বানী আছে মই বানীটো পঢ়ি দিছো Under the Provision of Article 207(1) of the Constitution of India, I Shri Laxman Prasad Acharya, Governor of Assam recommends that the Assam Appropriation (No.III) Bill,2025 be taken into introduction in the Assam Legislative Assembly. সন্মানীয় মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Appropriation (No.III) Bill,2025 সদনত উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়ক খন সদনত উত্থাপন কৰাত অনুমতি আছেনে? যি সকলে সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে কওঁক নহয় মই ভাৰো হয়ৰ সাপেক্ষ, হয়ৰ সাপেক্ষ, হয়ৰ সাপেক্ষ প্ৰস্তাৱটো গৃহিত হ'ল। সন্মানীয় মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে মই The Assam Appropriation (No.III) Bill,2025 সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কাৰ্য্যসূচী নং ৫ । এই ক্ষেত্ৰত ৰাজভৱনৰ পৰা এটা বানী আছে মই বানীটো পঢ়ি দিছো Under the Provision of Article 207(3) of the Constitution of India, I Shri Laxman Prasad Acharya, Governor of Assam recommends that the Assam Appropriation (No.III) Bill,2025 be taken into consideration in the Assam Legislative Assembly. সন্মানীয় মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ মই The Assam Appropriation (No.III) Bill,2025 খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল The Assam Appropriation (No.III) Bill,2025 খন বিবেচনাৰ বাবে লোৱা হওঁক। যি সকলে সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে কওঁক নহয় মই ভাৰো হয়ৰ সাপেক্ষ, হয়ৰ সাপেক্ষ, হয়ৰ সাপেক্ষ প্ৰস্তাৱটো গৃহিত হ'ল। এতিয়া বিধেয়ক খনৰ ২ আৰু ৩ নং সংশোধনী প্ৰস্তাৱ নাই এতিয়া দফা নং ২ আৰু ৩ বিধেয়ক খনৰ অংশ হব। যি সকলে সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে কওঁক নহয় মই ভাৰো হয় সাপেক্ষ, হয় সাপেক্ষ, হয় সাপেক্ষ দফা নং ২ আৰু ৩ বিধেয়ক খনৰ অংশ হ'ল। দফা নং ১ অধীনীয়ম, সুত্ৰ, প্ৰস্তাৱনা; শিৰোনামাত আৰু অনুসূচীত কোনো সংশোধনী নাই। এতিয়া দফা নং ১ অধীনীয়ম, সুত্ৰ, প্ৰস্তাৱনা; শিৰোনামাত আৰু অনুসূচী বিধেয়ক খনৰ অংশ হ'ব। যি সকলে সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে কওঁক নহয় মই ভাৰো হয়ৰ সাপেক্ষ, হয়ৰ সাপেক্ষ, হয়ৰ সাপেক্ষ দফা নং ১ অধীনীয়ম, সুত্ৰ, প্ৰস্তাৱনা; শিৰোনামাত আৰু অনুসূচী বিধেয়ক খনৰ অংশ হ'ল। সন্মানীয় মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওঁগ, (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে The Assam Appropriation (No.III) Bill,2025 খন পাৰিতকৰনৰ বাবে লোৱা হ'ল।

**অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়ক খন পাৰিত কৰা হওঁক। যি সকলে সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে কওঁক নহয় মই ভাৰো হয় সাপেক্ষ, হয় সাপেক্ষ, হয় সাপেক্ষ প্ৰস্তাৱটো গৃহিত

হল আৰু বিধেয়ক খন পাৰিত কৰা হ'ল। এতিয়া কাৰ্য্যসূচী নং ৬ মাননীয় মুখ্য মন্ত্ৰী মহোদয়।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই The Assam Prohibition of Polygamy Bill, 2025 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল The Assam Prohibition of Polygamy Bill, 2025 খন বিবেচনাৰ বাবে লোৱা হওক। যি সকলে সপক্ষে আছে কওঁক হয় আৰু যি সকল বিপক্ষে কওঁক নহয় মই ভাৱো হয় সাপেক্ষ, হয় সাপেক্ষ, হয় সাপেক্ষ প্ৰস্তাৱটো আলোচনাৰ বাবে লোৱা হ'ল।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে যিখন বিল উত্থাপন কৰিছে।

**মাননীয় অধ্যক্ষ ঃ** বিধেয়ক খন ইতিমধ্যে উত্থাপন কৰা হৈছে আজি মাত্ৰ বিবেচনা কৰা হে হ'ব। আপুনি নিজৰ ভাষণত ক'ব পাৰিব। এতিয়া সাধাৰণ আলোচনা, ইয়াৰ পিছত আমি সংশোধনী যদি কিবা আছে যেতিয়া আমি বিলখনৰ দফাই দফাই বিবেচনা কৰিম তেতিয়া হ'ব। প্ৰথম আমাৰ ইয়াত যি খিনি নাম দিছে তেওঁলোকৰ ভিতৰত শ্ৰী আব্দুৰ ৰশিদ মণ্ডল।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাৰতীয় সংবিধানৰ এইটো concurrent list ৰ বিষয় তাত ভাৰত চৰকাৰে আইন প্ৰনয়ন কৰিব পাৰে আৰু ৰাজ্য চৰকাৰে আইন প্ৰনয়ন কৰিব পাৰে কিন্তু তাত মহামান্য ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ প্ৰয়োজন হ'ব। যিহেতু মুছলিম বিবাহ আইন অৰ্থাৎ চৰিয়ত আইন ১৯৩৭ পৰিপন্থী কাৰণ ৰাজ্যই এই ক্ষেত্ৰত আইন প্ৰনয়ন কৰাৰ লগে লগে কেন্দ্ৰীয় আইন Override কৰা হ'ব যাক Ultra Vires বুলি কব পাৰি। ইয়াৰ অধীকাৰৰ ওপৰত প্ৰশ্ন আহিব পাৰে আৰু এই আইন খন আদালতত Challenge হব পাৰে। আৰু বহুত কেইটা কথা আছে য'ত সংবিধানৰ দফা ১৪,১৫ আৰু ২১ Violate হৈছে। গতিকে মই ভাৱো যে এই বিল খন ইয়াত বিবেচনা কৰাৰ আগতে Select committee লৈ পথাব লাগে আৰু যদি Select committee ক নিদিয়াকৈ বিবেচনা কৰে তেতিয়া আমাৰ ফালৰ পৰা যি খিনি সংশোধনী দিয়া হৈছে যেনে Section 2 ত দিয়া আছিল যে এই বিলখন নিৰ্দিষ্ট কিছুমান অঞ্চলৰ বা জনগোষ্ঠীৰ মাজত ৰাখিব বিচৰা হৈছে তাৰ আমি আপত্তি কৰিছো যে The word Nothing shall be substituted by the Word Everything আইন সকলোৰে কাৰণে সমান কোনো জনগোষ্ঠিৰ বাবে আইন discriminating হব নালাগে। কিন্তু এই বিলখনৰ দফাত লিখা হৈছে যে 6th schedule area ক skip কৰিব বিচৰা হৈছে আৰু জনগোষ্ঠিয় মানুহ বিলাকক ইয়াৰ বাহিৰত ৰাখিব বিচৰা হৈছে। গতিকে কোনো অঞ্চল বা জনগোষ্ঠীক লৈ আইন বনাব নালাগে। যাৰ কাৰণে আমি এই সংশোধনীটো The word Nothing shall be substituted by the Word Everything. দফা নং ৭ ত Marriage Perform কৰাৰ বাবে গাওঁৰ গাওঁবুঢ়া গাওঁৰ মুখিয়াল আৰু দৰা কইনাৰ মাক দেউতাকক জৰিমনা বিহিব বিচৰা হৈছে। কিন্তু আমি সকলোবে জানো যে আজি কালিৰ বেছিভাগ ল'ৰা ছোৱালী য়ে মাক দেউতাকৰ অগোচৰে আৰু গাওঁবুঢ়াৰ আগোচৰে বিয়া পাতে। গতিকে তেনেক্ষেত্ৰত যদি সেই মাক দেউতাক, গাওঁবুঢ়া আৰু গাওঁৰ মুখিয়াক জৰিমনা বা শাস্তি দিয়া হয় সেইটো শুদ্ধ কথা নহয়। গতিকে এই খিনি আমি সংশোধনী জৰিয়তে Delete কৰিব বিচাৰিছো। আজিকালি এনেকুৱা প্ৰায় হৈ থাকে খুব বেছি Register বা কাজী গম পাব পাৰে। গতিকে Directly যি সকল এনেকুৱা বিবাহৰ লগত জড়িত তেওঁলোকক শাস্তি বিহিব লাগে। কিন্তু আপোনালোকৰ সংখ্যা

যিহেতু আছে গতিকে বিলখন পাচ কৰিব পাৰিব। আৰু তাৰ বাবে আমি এই সংশোধনীবোৰ আনিছো যদি হে বিল খন Select committee লৈ পঠোৱা নহয়। Section 11 ত পুলিচক Warrent নোহোৱাকৈ search কৰাৰ ক্ষমতা দিয়া হৈছে কাৰণ আমি পুলিচৰ কাৰ্য্যকলাপ দেখিছো। গতিকে পুলিচে চৰকাৰী পক্ষৰ হেচাতে হওঁক বা কাৰোবাৰ প্ৰৰোচনাতে হওঁক যাক তাক আত্যাচাৰ কৰাৰ সম্ভাৱনা আছে। গতিকে নিৰ্দিষ্ট অভিযোগ নোহোৱাকৈ কাৰণ যি কোনো মানুহৰ ঘৰত Raid কৰিবলৈ গলে দণ্ডাধীখৰ উপস্থিতিৰ প্ৰয়োজন। আমি ইয়াত দণ্ডাধীশৰ কথাটো সুমোৱাব খোজা নাই। কিন্তু আমি বিচাৰিছো অতি কমেও লিখিত অভিযোগ অবিহনে বা কেচ Register কৰাৰ পিছত কাৰোবাৰ ঘৰত তালাচি কৰে তাত আমাৰ ক'বলগীয়া নাই। এই খিনি সংশোধন আমি বিচাৰিছো। আৰু ১৯ নং দফাত Not Withsatnding anything inconsistent their with contain in any other law for the time being enforced the provisions of this act shall have affect and period. এই কথাটো একেই কথা যে State Legislation Parliament ৰ কোনো এক্ট আপোনাৰ ৰিপিল কৰিব নোৱাৰে। যিহেতু মেৰেজৰ ক্ষেত্ৰত হিন্দু মেৰেজ এক্ট আছে, মুছলিম চৈৰত এক্ট আছে গতিকে এই চেকচনটো দিলিট কৰাৰ কাৰণে আমি এমেণ্ডমেন্ট দিছিলো। কিন্তু ৰাজ্যৰ এইটো এক্ট ইয়াৰ বাহিৰত যে পাৰ্লিয়ামেন্টে পাছ কৰা কোনো আইন ৰিপিল কৰিব নোৱাৰে।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য আপুনি discusionটো শেষ কৰা যিটো এমেণ্ডমেন্টত দিয়া আছে এইখিনি discusion ত কৈ যাব।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম ঃ** এইটোৰ প্ৰথমতে আছে মোৰ দৃষ্টিভঙ্গিৰে এইটো ultra virus unconstitutional violation of constitutional provision and beyond capacity of State Legislation. এই খিনিয়ে ছাৰ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজো** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি Assam Prohibition of Polygamy Bill, 2025 এই খন এখন ঐতিহাসিক বিল। আজি আমি সকলোৱে আমাৰ সদস্যই গৌৰৱ অনুভৱ কৰিছো যে আমাৰ কাৰ্য্যলয়ত এনেকুৱা এখন বিল আহিছে যি বিলে এনেকুৱা অঞ্চলৰ মহিলাক অধিকাৰ দিবলৈ গৈ আছে সেই মহিলা সকলে কেতিয়াও আমাৰ চৰকাৰক বা আমাক কেতিয়াও আপোন বুলি ভৰা নাছিল বা তেওঁলোকে আমাক ভোট টো দিয়া নাছিল সেই মহিলা সকলৰ কাৰণে আমাৰ ড০ হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী মহোদয়ে চিন্তা কৰিছে। আপুনি ভাৱক যেতিয়া প্ৰথম বিবাহিত মহিলা থকাৰ পিছত তেখেতৰ স্বামীয়ে যেতিয়া আৰু এগৰাকী লৈ আহিব ঘৰৰ ভিতৰলৈ যিটো মুকলি আছে দুটা, তিনিটা, চাৰিটা যেতিয়ালৈকে বিয়া কৰিব পাৰে, যেতিয়া লৈ আহিব আপুনি ভাৱক সেই মহিলা গৰাকীয়ে অকল ঘৰে দুভাগ নকৰে, তেওঁৰ আৱেগ, অনুভুতিও ভাগ ভাগ হৈ যায়। ল'ৰা-ছোৱালী কেইটাও ভাগ ভাগ হৈ যায়। সেই ল'ৰা-ছোৱালী কোলাত লৈ যেতিয়া মাকৰ ঘৰত কান্দি কান্দি গুচি যায় সেই মহিলা সকলৰ কথা কিয় ইমান দিন কংগ্ৰেছ চৰকাৰে চিন্তা নকৰিলে ? যেতিয়া আমি সেই মহিলা সকলৰ ওচৰত ভোট বিচাৰি কেতিয়াবা যদি যাও মোক কয়, আমাক কয়, না না দিদি আমি হাত চাৰা আৰু চিনি নাই। আমৰা হাতেই ভোট দিলো, হাতদি খাইবো, হাতদিয়ে কাজ কৰিব, হাতে ভোট দিলো, সেই মহিলা সকলৰ কাৰণে সেই হাতে কি কৰিলে ? সেই হাতে তেওঁলোকৰ কাৰণে চিন্তা কৰিলেনেকি যে তেওঁলোকৰ পৰিয়ালৰ কথা চিন্তা নকৰে তেওঁলোকৰ মহিলা সকলৰ কথা চিন্তা নকৰে, মহিলা সকলৰ আৱেগ-অনুভূতিৰ

কথা চিন্তা নকৰিলে, ৪/৫ গৰাকী যেতিয়া লৈ আহে, তেতিয়া মাকৰ ঘৰলৈ গুচি যায় আৰু কান্দি কান্দি তেতিয়া ঘৰলৈ গুচি আহে। অধ্যক্ষ মহোদয়, ইয়াৰ লগত আৰু এটা ডাঙৰ ষড়যন্ত্ৰ আছিল যিটোক আজি এই বিল খনে ৰোধ কৰিবলৈ গৈ আছে ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ যি ঐতিহাসিক বিল আনিছে। মই ভাৱো যেনেকৈ আমাৰ আঁচনিখিনি অৰুণোদয়ৰ পৰা আৰম্ভ কৰি মহিলা উদ্যেমিতা অসমৰ বাহিৰৰ ৰাজ্যত জনপ্ৰিয় হৈছে, আজি এই পলিগেমি বিলখনেও তেনেকৈ এটা ঐতিহাসিক সিদ্ধান্ত সমগ্ৰ ভাৰত বৰ্ষত দিবলৈ গৈ আছে। এনেকুৱা এটা ষড়যন্ত্ৰ ৰোধ কৰিবলৈ গৈ আছে আজি সদনত জনাবলৈ বিচাৰিছো যে যেতিয়া এই দুটা তিনিটা বিবাহৰ পলিগেমি মেৰেজৰ যিটো সুবিধা লৈ যেতিয়া এনেকৈ আনে ছোৱালী আমাৰ সনাতন সংস্কৃতিৰ লগত জড়িত থকা ছোৱালী আমাৰ সমাজৰ ছোৱালী তেওঁলোকে লৈ গুচি যায় সংখ্যালঘু অঞ্চলত। কোনোবা আজমলে নাম লব অমিত, কোনোবাই বেলেগ।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম ঃ** অধ্যক্ষ মহোদয়, মোৰ আপত্তি আছে।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজো** ঃ মোৰ হাতত তথ্য আছে, মোৰ হাতত প্ৰমান আছে। অধ্যক্ষ মহোদয়, আপোনাক জনাবলৈ পাই মই দুখৰে জনাইছো তেওঁলোকে ৰঙা ফোঁট লৈ হালধীয়া কাপোৰ পৰিধান কৰি ভোলেবমত গৈছে। মোৰ হাতত তথ্য আছে, বিচাৰিলে দিম। চন্দ্ৰপুৰৰ ছোৱালী এজনিৰ নাম নলও আমি উদ্ধাৰ কৰি আনিলো। ভোলেবমত গৈছে ৰঙা ফোঁট লৈ হিন্দুৰ নাম লৈ যেতিয়া ঘৰলৈ গৈছে তেতিয়া লৈ গৈছে বহু দিনৰ পিছত হোটেলৰ পৰা নি তেতিয়া জানিব পাৰিছে যে সেই ল'ৰাটোৰ ধৰ্ম বেলেগ। কেৱল ধৰ্মই বেলেগ নহয় সেই লৈ যোৱা ছোৱালী সকলক ধৰ্মাপ্ৰাণ কৰিবলৈ চেষ্টা কৰা হয়, অখাদ্য খোৱাব চেষ্টা কৰা হয়। আপোনাক অতি দুখৰে জনাব বিচাৰিছো যে ইমান জোৰ জবৰ্দষ্টি কৰি তেওঁলোকক ইছলাম ধৰ্ম লবলৈ জোৰ দিয়া হয়।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, সৰুক্ষেত্ৰী** ঃ অধ্যক্ষ ডাঙৰীয়া, বিষয় প্ৰশ্নৰ লগত সংগতি নাই।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম ঃ** অধ্যক্ষ মহোদয়, বেলেগ বিষয় কৈ আছে।

**মাননীয় অধ্যক্ষ** ঃ Please.

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজো** ঃ সেই ছোৱালী সকলক অখাদ্য খুৱাই খুৱাই তেওঁলোকক ধৰ্ম পৰিবৰ্তন কৰাবলৈ চেষ্টা কৰা হয়। এই দুটা তিনিটা বিবাহ কৰাৰ পৰা এই বিল খনে আমাৰ ছোৱালী বোৰৰ ওপৰত থকা এই ষড়যন্ত্ৰ ৰোধ কৰিবলৈ সক্ষম হ'ব। আৰু আমি বিচাৰিম বহুত কম হৈছে ৭ বছৰ ১০ বছৰ নহয় গোটেই জীৱন কাৰাদণ্ড দিব লাগে।

(হুলস্থূল)

**মাননীয় অধ্যক্ষ** ঃ Please. আপোনালোকৰ কাৰণ বোৰ দিব কিবা যদি কাৰণ থাকে।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজো** ঃ অধ্যক্ষ মহোদয়, আপোনাক শেষত আৰু এটা জনাব বিচাৰিছো সেই দুৰ্ভগীয়া ছোৱালী এতিয়াও আছে, আমাৰ সমাজত এতিয়াও আছে। তেওঁলোকৰ সমাজত মাইনৰিটি সন্ধোষিত অঞ্চলত এতিয়াও আছে।

**মাননীয় অধ্যক্ষ** ঃ মই বুজি পোৱা নাই, কোনটোৰ ক্ষেত্ৰত কৈ আছে।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া** ঃ অধ্যক্ষ মহোদয়, মাইনৰিটি সন্ধোষিত অঞ্চলত সেই ছোৱালী এতিয়াও আছে আমাক কয় টোলফ্ৰি নম্বৰ লাগে। মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম আপোনাৰ জৰিয়তে টোলফ্ৰি নম্বৰ এটা দিয়ক যাতে সেই ছোৱালী সকলে উদ্ধাৰৰ কাৰণে আমাক ফোন কৰিব পাৰে।

**মাননীয় অধ্যক্ষ** ঃ বিলৰ ওপৰত কওঁক মাননীয় সদস্যা।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া, হাজো** ঃ অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰিম যাতে সেই সকল ছোৱালীক

ঘুৰাই আনিব পাৰো। বহুতে ঘুৰাই নোলোৱাৰো উদাহৰণ আছে, সেই কাৰণে কান্দি কান্দি আকৌ বেক কৰে সেই অখাদ্য খাৰৰ কাৰণে সেই অধৰ্ম লবৰ কাৰণে। গতিকে আমাৰ সমাজত এটা পৰিৱৰ্তন আহক সেই ছোৱালী খিনিক যাতে আমি ঘুৰাই আনিব পাৰো, টোলফ্ৰি নম্বৰ ব্যৱস্থা কৰি দিয়ক যাতে তেওঁলোকে আমাক ভালকৈ জনাব পাৰে। ধন্যবাদ।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, গোৱালপাৰা পশ্চিম ঃ** অধ্যক্ষ মহোদয়, আমাৰ আজি আলোচনা হৈ আছে বিলৰ ওপৰত। বিলৰ প্ৰত্যেকটো দফাৰ ওপৰত কথা কওঁক, কিন্তু বিলক কেন্দ্ৰ কৰি বাহিৰা কথা বিলাক টানে, definitely we will also have the right to defend us. Hon'ble Member talking about things which is not included in the Bill and which is beyond the contempt of this Bill.

**মাননীয় অধ্যক্ষ ঃ** মই কৈছো বাকী বক্তা সকলেও কব পাৰিব কিবা যদি আছে। বিয়াৰ বিলত বিয়াৰ কথাই আহিব আৰু।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ ঃ** ছাৰ, আমি বেলেগ কথা কলে আপুনি হুলস্থূল লগাই দিয়ে। আপুনি treasuryক সকলো এলাও কৰি দিয়ে কিন্তু আমি কলে একেবাৰে হাল্লা কৰি দিয়ে।

**মাননীয় অধ্যক্ষ ঃ** মই কাকো এলাও কৰা নাই, কৈ থাকিলে মই কি কৰিম? আপোনালোকেতো কৈয়ে থাকে। এইটো বিয়াৰ কথা গতিকে সকলো বিয়াৰ কথায়ে আহি যাব, কি কৰিব আৰু । এতিয়া আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আচলতে জেনেৰেল আলোচনা চলি আছে, পৰৱৰ্তী সময়ত পেৰা ৰাইজ যিটো সংশোধনী অনা হ'ব এইটো পিছত ৰাখিছে বুলি কৈছে ইতিমধ্যে।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট মাননীয় সদস্য, আমি আৰু পিছত আলোচনা নকৰো, মোভ কৰি withdrawal কৰিম কাৰণ উত্তৰ দি দিব গতিকে আপোনাৰ ভাষণতে আপোনাৰ সংশোধনৰ বিষয়ে উল্লেখ কৰি যাব আপুনি কিয় সেইটো বিষয়ত সংশোধনী বিচাৰে।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ) ঃ** ছাৰ, জেনেৰেল আলোচনাটো কৰি লওঁ, অত্যন্ত sensitive বিষয় এটা। প্ৰথম কথাটো হ'ল যে Assam Prohibition of The Polygamy Bill, 2025 মই বিচাৰিছো যে এই বিলাটোৰ এই মুহূৰ্তত প্ৰয়োজনীয়তা কি? যদিও ইয়াত কোৱা হৈছে যে বহু বিবাহ ৰোধ কৰিব বা পপোলেচন কন্ট্ৰোল ৰোধ কৰিব এনেকুৱা কিছু কথা ইয়াত প্ৰত্যক্ষ বা পৰোক্ষ ভাৱে উল্লেখ আছে। আমাৰ কথাটো হ'ল যে এখোজ দুখোজকৈ ইউ চি চি এটা প্ৰবৰ্তন কৰা এটা প্ৰক্ৰিয়া চলি আছে নেকি? ইউ চি চি যিহেতু গোটেই ভাৰতত কৰিব নোৱাৰে আমি এটা multi legal system ত আছো, ভাৰতৰ secularism দেশত আছো, বিভিন্ন গ্ৰুপ আছে, আমি এই বিলটো যদি লক্ষ্য কৰো দেখা যাব যে Article 342, Clause 25 of the Article 366 Indian constitution ত যিখিনি কথা আমাৰ যিখিনি ক্ষেত্ৰত বা যিখিনি বি টি চি ৰ ক্ষেত্ৰত বা ট্ৰাইবেল বেল্ট এণ্ড ব্লক'ৰ ক্ষেত্ৰত বা ট্ৰাইবেল হিল্‌চ আৰু প্লেইন্‌চ ৰ ক্ষেত্ৰত যিখিনি আহিব সেইখিনি অঞ্চলৰ ক্ষেত্ৰত অলপ বেলেগকৈ দিয়া হৈছে। এই কথাটো এতিয়ালৈকে স্পষ্ট হোৱা নাই যে তাৰ ভিতৰত থকা মানুহ খিনি আমি যদি ইয়াত ৩৪২ টো চাওঁ তাত আমিতো সেই অঞ্চলত থকা বসবাস কৰা খিনিও এইটোত কভাৰ নকৰিব। এতিয়া আমাৰ কথাটো হ'ল যে আমি অসমৰ ভিতৰত এইখিনিৰ মাজতে আমি Article 14 equality before the law and equal protection of the laws for all persons. যিটো কৰিব বিচাৰিছো

সেইটো কিন্তু মেইনটেইন কৰিব পৰা নাই। যদি সেইটো মেইনটেইন কৰিব পৰা নাই ইউ চি চি ৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা ইয়াত কৰা হৈছে, কিছুদিন ইয়াৰ আগত ২০২৪ ত আমি সকলোৰে জানো যে Muslim Marriage and Divorce Registration Act, 1935 Abolish কৰি দিয়া হ'ল। নতুনকৈ সেইটো এমেণ্ডমেন্ট কৰি Muslim Marriage and Divorce compulsory Act, 2024 কৰা হ'ল। এইটো ক্ষেত্ৰত যদি লক্ষ্য কৰো দেখা যায় যে compulsory Act. বা compulsory registration কৰা হ'ল বা পঞ্জীয়ন কৰাৰ ক্ষেত্ৰত যিখিনি ব্যৱস্থা কোনে কোনে পঞ্জীয়ন কৰিব, কি কি আইনৰ অধীনৰ ভিতৰত কৰিব? এইখিনি কৰাৰ ক্ষেত্ৰত এইটো যিমানখিনি বিয়া হৈ আছে After this compulsory Marriage and Divorce Registration Act. সেইখিনিৰ পিছত যিমান খিনি হৈছে সেই খিনি হৈছে Special Marriage Act., 1954. Same Marriage in the inter caste যদি এজনে খ্ৰীষ্টিয়ানে মুছলিমক বিয়া কৰিব পাৰে, মুছলিমে হিন্দুক বিয়া কৰিব পাৰে, হিন্দুৰে মুছলিমক বিয়া কৰিব পাৰে সেইটোৱে হ'ল provision of the 1954 of this Special Marriage Act. মোৰ কথাটো হৈছে যে এতিয়া সকলোখিনি পি আই সেইটো ক্ষেত্ৰত হৈছে, এতিয়া Muslim Marriage and Divorce Registration Act, 1935 আমাৰ এইটো এবুলাইছ কৰি দি সেইটো আমি এমেণ্ড কৰি দিম। Aftar the compulsory Marriage and Devorce Registration Act সেইখিনিৰ পিচত যিমান হৈছে That is the Special Marriage Act, 1952. what is the Special Marriage Act ,1954- Speacial Marriage Act is the inter community- inter Caste. If a Christan can marry a Muslim , a Muslim can marry a Hindu, a Hindu can marry a Muslim that is the provision of special Marriage Act, 1954. মোৰ কথাটো হৈছে এতিয়া সকলো বিয়াই সেইটো ক্ষেত্ৰত হৈছে । Muslim Marriage and Divorce Registration Act,1935 abolish কৰি দি আমি এমেণ্ড কৰিম - এতিয়া কথাটো হৈছে কি, 1935 , Act a major Act which is passed by the Indian Parliament. আমি বাৰে বাৰে এই আপত্তিটো জনাইছিলো যে, Saction -9 and 10 of Muslim Marriage and Divorce Registration, 1935 যদি আমি এমেণ্ড কৰি দিওঁ - এই সমস্যাটো সমাধান হৈ যায় । কিন্তু সেইটো নকৰাকৈ আমি compulsory Act টো কৰি দিলো । এতিয়া compulsory Act টো কৰাৰ লগে লগে আমি কি কৰি দিলো যে - আমি Kazi Act,1880 - abolish কৰি দিলো । Kazi Act,1880 - abolish কৰাৰ পিচত আজি বিয়াখিনি কোনো কৰি দিব ? Muslim solemnization খিনি কোনে কৰি দিব ? এইখিনি বিয়া কোনে কৰাই আছে এতিয়া ? এইখিনিতো আপোনালোকে ডাইৰেক্ট আমাৰ ' কোৰাণ শ্বৰীফ' ত হাত দি আছে । আমাৰ যিটো মেৰিজ প্ৰভিজন তাত হাত দি আছে । শ্বৰীয়ত আইন, ১৯৩৭ যিটো আমাৰ আছে , এই আইনৰ বহু কথা আমিও নামানো । বহু কথা আমিও এৰি দিছো- যে পপুলেশ্যন কনট্ৰ'লৰ ক্ষেত্ৰত, আমাৰ ক'ম বয়সত বিয়া দিয়াৰ ক্ষেত্ৰত- এইখিনিত যিখিনি সংশোধন আমি আনিলো সেইখিনি চেপাৰেট মেটাৰ। আমাৰ কথাটো ক'ব বিচাৰিছো এতিয়া যে, যিহেতু both party Muslims- if both party Hindus, if both party Parsis then separate Law - আমি ক্লিয়েৰলী জানো যে, Muslim marriage and divorce Registration Act আছে , আমি জানো যে হিন্দু মেৰিজ এক্ট আছে - গতিকে

এইবিলাক থকাৰ পিচত আমি কাৰ স্বাৰ্থত, কোনজন মানুহে , কোন গ্ৰুপে, কোন চোচাইটীয়ে, কোন অৰ্গেনাইজেশ্যনে বিচাৰি আছে যে , আমাক এইখিনি উদ্ধাৰ কৰি দিয়ক । হয়, আপোনালোকে এতিয়া যিটো কথা আনিব , যিটো কথা এতিয়া আনি আছে সেইটো ক্লিয়েৰলী এইটো ভায়োলিশ্যন হৈছে যে- এটা ক্ষেত্ৰত মহিলাই বেলেগ এটাক বিয়া পাতিব- এই কথাটো ভিতৰত আছেই , এইক্ষেত্ৰত মই ক'ব বিচাৰো এইখিনি যে, মুছলিম মেৰিজ এক্টৰ ক্ষেত্ৰতো আমি যদি লক্ষ্য কৰো দেখা পাম যে, যথেষ্ঠ ষ্ট্ৰং এজনে এখন বিয়াৰ কৰাৰ পিচত যদি চেকেণ্ড বিয়া কৰিব বিচাৰে - then what is the condition? সেই কনডিশ্যনবিলাক যদি আমি চাওঁ - যদি earliar wife জনীৰ প্ৰথম কণ্ডিশ্যনটো হ'ল- Husband can't be bias- হাজবেণ্ড প্ৰথম পত্নীৰ প্ৰতি বায়াচ হ'ব নোৱাৰিব, তেখেতৰ ওপৰত equally Justice দিব লাগিব । চেকেণ্ড বিয়া কৰিবলৈ যাওতে প্ৰথম পত্নীৰ কনচেন্ট লাগিব । কনচেন্ট নোহোৱাকৈ চেকেণ্ড বিয়া পাতিব নোৱাৰে । এইটো আমাৰ চিষ্টেমত দিয়া আছে । এতিয়া আমি কোনখিনি কেতিয়া কৰিব পাৰিম ?- যদি মোৰ ৱাইফজনী পাগল হৈ যায়। যদি মোৰ ৱাইফজনীৰ কুষ্ঠ ৰোগ হয়, ৱাইফজনী যদি ফিজিকেল ৰিলেশ্যন মেইনটেইন কৰিব নোৱাৰা হয় , - গতিকে এনেকুৱা some condition- আছে। Islamic Law কেতিয়াও encourage কৰা নাই যে তুমি যোৱা আৰু গৈ ৩-৪জনীক বিয়া পাতি লৈ আহা । এইটো কেতিয়াও কোৱা নাই । তাত ৰেষ্ট্ৰিকশ্যন দিছে যাতে কোনোপধ্যে কৰিব নোৱাৰে । কিন্তু unavoidable circumstance create যদি হয় , তেতিয়াতো কৰিব পাৰিব । গতিকে আমি এই কথাটো এই কাৰণে ক'ব বিচাৰিছো যে, আজি এই মুছলিম মেৰিজ এক্টৰ ক্ষেত্ৰত যদি আমি লক্ষ্য কৰো দেখা যাব যে, এইটো ডাইৰেক্ট আৰ্টিকূল-২৩ - ২৫ কিন্তু ভায়োলেশ্যন হৈ আছে । freedom of the conciles and free propogation practice and propogation of religion . Article-26 violation হৈ আছে । Article-26 ত Marriage religion affairs - এইখিনি অধিকাৰতো ভাৰতীয় সংবিধানে দিছে । এই অধিকাৰ ডাইৰেক্টলী affect the Indian Constitution- Article-25, Article-26, Article-14, Article-15, Article-21 এই ৫টা ভাৰতীয় সংবিধানৰ ধাৰা ডাইৰেক্টলী এফেক্ট কৰি আছে । আমি আইনৰ ছাত্ৰ হিচাপে যিখিনি জানো We can't make any Law which is contradict to the other Mother Law.That is in the Constitution . কনষ্টিটিউশ্যনৰ লগত যদি ক'বাত কন্ট্ৰাডিক্ট হয় - কনষ্টিটিউশ্যন প্ৰিভেন্ট কৰিব । কনষ্টিটিউশ্যনৰ এগেইনষ্টেতো একো কৰিব নোৱাৰি ।Then this Law will be done .Moreover Shariyat Act is there, তাৰ পিচত কিয় এইটো কৰি থকা হৈছে ? এতিয়া আমি এই কথাটোৰ লগতে আৰু কিছু কথা উল্লেখ কৰিব বিচাৰিছো যে, মই নাজানো যে, এনেকুৱা এটা চিষ্টেম অসমত কিয় হৈ আছে , আমি বিভিন্নসময়ত বিভিন্ন এক্ট কৰি আছো । যদি আমি দুই - তিনি বছৰৰ আগৰ এক্টখিনি চাওঁ তেতিয়া তাত দেখা পাম যে, আমি কাজি এক্ট ত হাত দিছো, মাদ্ৰাছাৰ ক্ষেত্ৰত হাত দিছো , লেণ্ড চেলৰ ক্ষেত্ৰত হাত দি আছো ,পপুলেশ্যন কন্ট্ৰল' বিলত হাত দি আছো । কেটল প্ৰিজাৰ্ভেশ্যন বিলত হাত দি আছো । এইদৰে টাৰগেট ক'ৰবাত নহয় ক'ৰবাত মুছলিম ৰিলেটেড মেটাৰ বিলাক । যিটো পাৰ্চনেল মেটাৰ- ব'থ পাৰ্টি মুছলিম - যদি এইটো ক্ষেত্ৰত কোনো মুছলিম মানুহৰ কোনো আপত্তি নাথাকে - দুজন হিন্দু মানুহ ইনহেৰিটেঞ্চ আছে, আমাৰ সম্পত্তিৰ ভাগ -বতৰা কেনেকৈ হ'ব ? আমাৰ ৱাকফ কেনেকৈ কৰিম , কেনেকৈ আমাৰ সম্পত্তি গিফ্ট কৰিম , এনেকুৱা কিছুমান ব্যৱস্থা চলিছে, হিজাবৰ ক্ষেত্ৰত বেলেগ, তিনি তালাকৰ ক্ষেত্ৰত- এতিয়া

এই যুক্তিবিলাক কেনেকুৱা - কোনোবাই যদি তিনি তালাক দিয়ে সাত বা আঠ বছৰ জেইলত যাব লাগিব। If Tin Talak is not a Talak at all- যদি তিনি তালাকটো তালাকেই নহয় তেনেহ'লে জেইল কিহৰ কাৰণে ? এইটো মই বুজি পোৱা নাই । চেইম যদি আমি আজি বিয়া কৰাৰ ক্ষেত্ৰত যিখিনি ইয়াত দিয়া হৈছে ধৰা হ'ল এজন মানুহে চেকেণ্ড মেৰিজ কৰিছে - আপোনালোকে কৈছে হাজবেণ্ডক টেন ইয়েৰছ পানিছমেন্ট দিব লাগে । যদি পানিছমেন্ট দিয়ে , তেওঁৰ আগৰ পত্নীৰ যদি ল'ৰা ছোৱালী আছে এই ল'ৰা ছোৱালীৰ পঢ়া শুনাৰ দায়িত্ব কোনে ল'ব ? আগৰ পত্নীৰ ভৰণ- পোষণ কোনে দিব ? যদিও আইনত দিয়া আছে মেইনটেনেন্স কিমানখিনি পাই আছে আমি জানো । গতিকে এই আইনখিনি যথেষ্টখিনি সমস্যাযুক্ত আইন । প্ৰিয়ম্বলত যিখিনি কথা কোৱা হৈছে - এই কথাটো মই এই কাৰণে ক'ব বিচাৰো যে, আজিৰ দিনটোত এনেকুৱা কিছুমান ল' লাহে লাহে গৈ আপোনালোকে আমাৰ কোৰাণ শ্বৰীফত হাত দি আছে ।

**মাননীয় উপাধ্যক্ষ ঃ** ........................প্লিছ কনক্লুড ।

**শ্ৰীআমিনুল ইছলাম, মানকাছাৰ ঃ** হয়, শেষ কৰিম উপাধ্যক্ষ মহোদয়। কোৰান শ্বৰীফত কিছু কথা আমি এক্সকিউজ কৰিছো কিন্তু দেখা গৈছে যে, এখোজ দুখোজকৈ গৈ লুটি লোৱাৰ আপ্ত বাক্য এটা আমাৰ আছে। ঠিক তেনেকৈ আইন বনাই বনাই ইউ চি চি বনাই অনলী কনফাইন কৰি আমাক সীমাবদ্ধ কৰা হৈছে- মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই মাজে মাজে যেনেকৈ আমাৰ বিৰুদ্ধে বক্তব্য দিয়ে, বিজেপিৰ সভাপতিও যেনেধৰণে বক্তব্য দিয়ে - সেইদিনা তেখেতে বক্তব্য দিলে মডাৰ্ণ যিখিনি মোগল আছে তেওঁলোকক খেদিব লাগে । আজি ৰাতিপুৱা এটা পালো যে মোগলমুক্ত কৰিব লাগিব এচেমব্লী। মাননীয় মুখ্যমন্ত্ৰী সদায় কৈ থাকে মিঞা- মিঞা । আমি চাপ্ৰেছড হৈ গৈছো । ওৱান থাৰ্ড টোটেল পপুলেশ্যন অৱ দি ষ্টেট -তাৰ পিচতো বাৰে বাৰে শুনাই থকাটো , বাৰে বাৰে আইন বনাই থকাটো , চাৰিওফালৰ পৰা চেপি ধৰা হৈছে - মাটি বেচা কিনা কৰিব নোৱাৰিব, উচ্চেদ চলাই থকা হ'ব , বিভিন্ন ভাৱে আমাক চাৰিওফালৰ পৰা ঘেৰী ধৰা হৈছে । এইটো এটা ভাল লক্ষন নহয় । ওৱান থাৰ্ড পপুলেশ্যনক যদি আনৰেষ্ট কৰিব বিচাৰে , চোচাইটীটো আনৰেষ্ট হৈ যাব । সেই কাৰণে মই কৈছো আমি যদি সমাজখনত শান্তি বিচাৰো ,টোটেল চোচাইটীৰ যদি আপলিফ্টমেন্ট বিচাৰো , গোটেই সমাজখনক যদি উঠাই আনিব বিচাৰো তেতিয়াহ'লে সকলোৱে মিলি কেনেকৈ আমি শান্তিত থাকিব পাৰো তাৰ এটা পৰিবেশ নিশ্চয় সৃষ্টি কৰাৰ আমাৰ প্ৰয়োজন আছে । আপোনাৰ জৰিয়তে মই মাননীয় মুখ্যমন্ত্ৰী আৰু আন মন্ত্ৰীসকলক মই সকলোকে ৰিকোৱেষ্ট কৰিব বিচাৰিছো অকল ভোট বা পোলাৰাইজেশ্যনৰ স্বাৰ্থত এনেকুৱা যাতে কোনো আইন নবনাও যিটো আমাৰ এনটায়াৰ চিষ্টেমটো, চোচিয়েল ফেব্ৰিক যিটো সেইটো যাতে ব্ৰীছ নহয় এইটো ৰিকোৱেষ্ট কৰি মই মোৰ বক্তব্য সামৰিলো - ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** পাৰ্লিয়ামেন্টৰী চিষ্টেমটোৱে এনেকুৱা , কি কৰিব । এতিয়া অনাৰেব্‌ল মেম্বাৰ নিহাৰ ৰঞ্জন দাস ।

**শ্ৰীনীহাৰ রঞ্জন দাস (ধলাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিল একটা যুগান্তকারী বিল "The Assam Prohibition of Polygamy Bill, 2025" আমার বিশ্বাস সমস্থ ভারতবর্ষ এই বিলকে অনুসরণ করবে। তার জন্য আমি মাননীয় মুখ্যমন্ত্রীকে অসংখ্য ধন্যবাদ জানাই। This bill aims to prohibic polygamy and to eliminate the polygamous marriage. আজকের দিনে আমরা লক্ষ্য করি যে সমাজে অনেক জায়গাতে একজন স্বামী কোন না কোন ভাবে আর একটা বিয়ে করে ফেলে। বিয়ে করার ফলে পরিবারে একটা অশান্তি তৈরী হয়

এবং আগের যে স্ত্রী ছিল তাকে ঘর থেকে বের করে দেওয়া হয়। এই অবস্থায় অসহায় মেয়ে তার ছেলে মেয়েকে নিয়ে বাবার বাড়ীতেও স্থান পায় না। গরীব বাবা তার কাছেও থাকার ব্যবস্থা নেই। অনেক সময় তাকে Destitute home থাকতে হয় এবং একটা অসহায় জীবন তাকে মেনে নিতে হয়। এই পরিস্থিতিতে যে বিল আনা হয়েছে সেটা সত্যি একটা ঐতিহাসিক বিল। গরীব অসহায় মহিলা যারা আছে তারা নিশ্চিতভাবে মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ জানাবেন। আজকের দিনে আমরা লক্ষ্য করি ৪৯৮ (A) একটা section ছিল। সেই বিভাগটা এখন Diluted হয়ে গিয়েছে। যার জন্য মহিলারা আজকের দিনে বিচার পাচ্ছে না। এই section টা এখন প্রায়ই Bailabe Section হয়ে গিয়েছে। শুধুমাত্র আঘাতপ্রাপ্ত অবস্থা থাকলে non bailabe section হয়। না হলে Bailabe Section হয়। Domestic violence এর কেসেও আমরা দেখতে পাচ্ছি lengthy process হয়। এখানেও বিচার তাড়াতাড়ি পাওয়া যাচ্ছে না। যার জন্য মহিলারা খুব কষ্টে দিনযাপন করেন। যার জন্য এই বিলে কিছু Prohibition রাখা হয়েছে। এটাকে Criminal Offence বলা হয়েছে। Criminal Offence এ যারা এই polygamy তে যুক্ত হবে তাদের জন্য সাত বছরের জেলের ব্যবস্থা করা হয়েছে। যদি আগের বিয়েকে গোপন করে আরও একটা বিয়ে করা হয় তার ক্ষেত্রেও দশ বছরের জেলের Prohibition রাখা হয়েছে, এবং যদি Repeated offence হয় তার জন্য double punishment র ব্যবস্থা করা হয়েছে। এমনকি যারা এই দ্বিতীয় বিয়াতে ইন্ধন যোগাবে এখানে কাজী হোক, পুরোহিত হোক বা মা-বাবা হোক তাদেরও শাস্তির ব্যবস্থা করা হয়েছে। দুই বছরের শাস্তির ব্যবস্থা করা হয়েছে এবং দেড় লক্ষ টাকা জরিমানার ব্যবস্থা আছে। এই বিলে সমাজের একেবারে নিঃস্ব মহিলা যারা অত্যাচারের স্বীকার হচ্ছেন, যারা স্বামীর ঘরে অত্যাচারের স্বীকার হয়ে নিঃস্ব মহিলা হয়ে দিনযাপন করছেন, তাদের জীবনে একটা আশার আলো জ্বলবে। এই polygamy র ফলে কেউ কেউ তিনটা চারটা বিয়ে করেন। পরিবারে একজন স্বামী রোজগার করেন কিন্তু ছেলে-মেয়ে হয়ে যায় **৮,১০,১৫** বা **২০** জন। একজনের রোজগারে এই সংসার চলেনা। তার জন্য দেখা যায় ছেলে-মেয়েগুলো খাদ্যের অভাবে ভোগে। লেখা-পড়া করতে পারেনা। যাচ্ছেতাই জীবন-যাপন করে। আর এই দিকটা আমাদের সমাজ অর্থনীতিকে পেছনে ফেলে দিচ্ছে। আমাদের রাজ্যের অর্থনীতি দিন দিন এগিয়ে যাচ্ছে। কিন্তু এই কারণগুলো আমাদের সমাজ ব্যবস্থাকে পেছন দিকে ঠেলে দেওয়ার চেষ্টা করছে যার জন্য অগ্রগতি হচ্ছেনা। আজকের দিনে এই বিল একটা যুগান্তকারী বিল। এই বিল পাশ হওয়া অত্যন্ত দরকার। আমি এই বিলকে সমর্থন করি, এবং একই সঙ্গে মাননীয় মুখ্যমন্ত্রীকে ধন্যবাদ ও কৃতজ্ঞতা জানাই। নমষ্কার।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এই যে আইনখন আজি আলোচনা হৈ আছে। আমাৰ বিৰোধী দলৰ সংখ্যা কম, আপোনালোকে বিবেচনা কৰিব, নকৰিব সুকীয়া কথা। কিন্তু যিখিনি ক'বলগীয়া কথা, সেই কথাখিনি কোৱাটো উচিত।

আজি দেখিছো BNS 82 section ত এই গোটেই বিষয়টো থকাৰ পিছতো আজি same provision ত এই আইনখন ইয়াতে অনা হৈছে আৰু ইয়াত কোৱা হৈছে য়ে ৭ বছৰত যি শাস্তি আৰু ১০ বছৰ, এই দুয়োটা BNS section 82 ত আছে।

এতিয়া বিষয়টো হৈছে Muslim Shariyat Application Act., 1937 ৰ জৰিয়তে মুছলমানৰ বিবাহ বিচ্ছেদ, ভূমিৰ এজনৰ পিছত আনজনে Hereditarily যিখিনি

পাব লাগে, সেই অধিকাৰ সমূহ, সেই আইনখনত সুনিশ্চিত কৰিছে। যেতিয়া Muslim marriage বা মুছলমানৰ বিবাহ এটা Civil Contract, কিন্তু অন্য বিবাহ সমূহ civil contract নহয় আৰু civil contract ৰ বিষয়টো এতিয়া শাস্তি যোগ্য, জেল যোগ্য অপৰাধলৈ পৰ্য্যামুখিত কৰা হৈছে। ইয়াৰ জৰিয়তে মুছলমান সকলৰ যি স্বকীয়তা, তেওঁলোকৰ যি personal law সেই সমূহক ক্ষতিগ্ৰস্ত কৰা হৈ থকা হৈছে। এই মুহুৰ্তত আমি দেখিছো যে যাৰ বাবে আমি ইয়াতে সংশোধনী আনিছো যে যি সকলক relaxation দিয়া হৈছে, যিসকলক ইয়াৰ পৰা আতঁৰাই ৰখা হৈছে, তাৰ লগতে Those who were Governed by the Muslim Personal Application Act., 1937 তেওঁলোককো relaxation দিয়া হওঁক আৰু তেওঁলোকৰ ক্ষেত্ৰত বিশেষ আইন যিহেতু আছে, সেই আইনৰ জৰিয়তে তেওঁলোকৰ বিয়া সমূহ হওঁক। দেখা গৈছে যে Polygamy টো আচলতে কিমান ডাঙৰ সমস্যা, সেই সমস্যাটো কিন্তু চোৱা উচিত। আজি যদি Polygamy ৰ তথ্য চোৱা যায়, আপুনি NFS data ৰ যিটো NFS ৰ ফাইল সেইটো চাব লাগিব। আছে Polygamy, ইমানো নহয় সামন্য কিছু। দেখা গৈছে যে অসমৰ ক্ষেত্ৰত non Muslim 1.8 আৰু Muslim ৰ ৩.৬ এইটোৱে data। বৰঞ্চ ভাৰতবৰ্ষৰ দৃষ্টিত যদি দেখা যায় তেলেংগনাত non Muslim ৰ মাজত ৩, কৰ্নাটকাত ২.৪ আৰু অন্যান্য ৰাজ্যসমূহতো আছে।

যদি একেদৰে কেইখনমান ৰাজ্যসমূহৰ  দেখা যায় যে কোন জিলাত আটাইতকৈ বেছি Polygamy হৈ আছে, বিশেষভাৱে মেঘালয়, অৰুণাচল, উৰিষ্যা, মিজোৰাম ইত্যাদিসমূহ ৰাজ্যত Polygamy ৰ সংখ্যাটো বেছি। আমাৰ কাষৰ ৰাজ্যৰ জিলা ইষ্ট জয়ন্তীয়া হিল জিলা, তাত Polygamy rate ২০, অৰুণাচল ১৬.৪, তাৰ তুলনাত আমাৰ ইয়াত কম। আমি Polygamy ৰ ক্ষেত্ৰত এই কথাটো কবলৈ লৈছো মুছলমানসকলৰ যিহেতু আইন আছে, compulsory Muslim Marriage and Registration Act. খন কিছুদিন আগত কৰা হৈছিল, কাৰণ পিছত সেই আইনখনৰ ক্ষেত্ৰত দেখা গ'ল যে চৰকাৰে সেই আইনখনৰ ওপৰত যিখিনি rules frame কৰিব লাগিছিল আৰু যিখিনি মানুহ নিযুক্ত কৰিব লাগিছিল, তেওঁলোকক নিযুক্ত নকৰিলে। যাৰ কাৰণে divorce ৰ প্ৰক্ৰিয়াটো ব্যাহত হৈছে। registration টো যদি কোনোবাই Special Marriage Act. কৰিছে, সেইটো কৰিব পাৰিছে। কিন্তু সকলোৱে Muslim Marriage Act. থকাৰ পিছত কিয় তেওঁলোকে Special Marriage Act. ত যাব, Special Marriage Act.কৰাৰ যিটো উদ্দেশ্যে আছিল, যিটো লক্ষ্য আছিল, লক্ষ্যটো আছিল সুকীয়া। লক্ষ্যটো আছিল যে special case ৰ কাৰণে Special Marriage Act. আৰু Muslim Marriage Act. ৰ কাৰণে Muslim Marriage Act.আছে। ঠিক আছে, আমি সংশোধন কৰি ২০২৪ চনত যিখন আইন আনিলো, সেই আইনখনৰ জৰিয়তে Muslim Marriage Registration ৰ কাৰণে মানুহ নিযুক্ত কৰিব লাগিছিল, সেইখিনি কৰা হোৱা নাই। যাৰ কাৰণে divorce, last one year মুছলমানৰ মাজত divorce ৰ কেছ সমূহ pending আছে, বা তেওঁলোকে হয় বেলেগকৈ আছে, কিন্তু divorce টো হোৱা নাই। divorce নহলে মানুহ অশান্তিত দিন কটাব নোৱাৰে। কাৰোবাৰ যদি কাৰোবাৰ লগত মিলা নাই, তেতিয়া divorce হওঁক, divorce হৈ আকৌ যদি বিয়া পাতিব বিচাৰে পাতক।

গতিকে Muslim Marriage Act টো যেনেকৈ কোনো নাম নোহোৱাকৈ কৰি থৈছে। এই পিনে তালাকটো আগতে কাজিৰ জৰিয়তে দিব পাৰিছিল, কাজিটোও বন্ধ কৰি থৈছে। এই

ব্যৱস্থাটো বিয়া বাৰুৰ ক্ষেত্ৰত যিহেতু একান্ত ব্যক্তিগত, এই বিষয়টোত ইমান বেছি সোমাবলৈ ইয়াত কি আছে। আচলতে বিষয়বিলাক যেনেকুৱা আছিল, সামান্য সামান্য সংশোধন লৈ হ'ব পাৰিলেহেতেন। আমি যেনেকুৱা কৈছে যে Qazi Act. ৰ লগত বাল্যবিবাহৰ বিষয় আছিল আৰু বাল্য বিবাহৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰৰ আইন এখন আছিল, সেই আইনখন হোৱাৰ পিছত সেই কথাটো সংশোধন কৰিলে হৈ গ'লহেতেন। কিন্তু দেখা গ'ল গোটেই আইনখন আমি যোৱা বাৰ repeal কৰিলো। গতিকে আমি আশা ৰাখিছো যে এই আইনখন Select Committee লৈ দিয়া হওঁক আৰু ইয়াৰ বিভিন্ন দফা কিছুমান gender neutral কৰাৰ প্ৰয়োজনীয়তা আছে। সেই clause অনুযায়ী যদি আলোচনা কৰে তেতিয়া বাখ্যাসমুহ আগবঢ়াব পৰা যাব। আমাৰ দলৰ ফালৰ পৰা ক'বলগীয়া খিনি এই যে Muslim Personal Law Application Act. য়ে সামৰি লোৱা মানুহখিনি ইয়াৰ পৰা exemption দিয়া হওঁক। এই কেইটা সময়তে এই আইনখনক আজি ইয়াতে পাছ নকৰি Select Committee দি এখন এনেকুৱা আইন কৰিব নালাগে, যি আইনখন আমাৰ সংবিধানৰ বিভিন্ন দফা আৰু অতি পুৰাতন personal আইনবিলাক যাতে contradict নকৰে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য জাকিৰ হুছেইন সিকদাৰ ডাঙৰীয়াই কওঁক। আপোনাক পাঁচ মিনিট সময় দিয়া হ'ল।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, 'অসম বহু বিবাহ নিষেধাজ্ঞা বিধেয়ক ২০২৫' ৰ ওপৰত আপোনাৰ অনুমতি সাপেক্ষে দু-আষাৰ ক'বলৈ বিচাৰিছো। আমাৰ কংগ্ৰেছ দলৰ মাননীয় সদস্য আব্দুল ৰশিদ মণ্ডল ডাঙৰীয়াৰ বক্তব্যৰ লগত যোগ দি দুটা কথা ক'ব বিচাৰিছো। এই বিলখন অনাৰ যিটো উদ্দেশ্য- যে কোনো মহিলা বা বিবাহিত পত্নীৰ স্বামীয়ে যেতিয়া দ্বিতীয় বিবাহ কৰে তেতিয়া প্ৰথম পত্নীয়ে অত্যন্ত দুখ পায় আৰু তেওঁৰ মৰ্যদা হানি হয়। যিকেইটা লক্ষ্য, উদ্দেশ্য লৈ এইবোৰ কৰা হৈছে এইটো ইয়াৰ এটা অন্যতম উদ্দেশ্য। কিন্তু আমি চেকশ্যন-২ ত দেখা পাইছো যে কিছুমান অঞ্চল ইয়াত বাদ দিয়া হৈছে। ধুবুৰীৰ কোনো মহিলাৰ স্বামীয়ে যেতিয়া দ্বিতীয় বিবাহ কৰে সেই মহিলা গৰাকীয়ে যিমান দুখ পাব, ডিব্ৰুগড়, কোকৰাঝাৰ, কাৰ্বি আংলং ৰ মহিলাৰ স্বামীয়ে ও দ্বিতীয় বিবাহ কৰালে সমানে দুখ পাব। তেনেক্ষেত্ৰত এই আইনত কিছু এলেকা কিয় বাদ দিয়া হ'ল? তাক লৈ আমাৰ এটা ডাঙৰ প্ৰশ্ন আছে। কাৰণ সকলো মহিলাৰ প্ৰতি সম মৰ্য্যদা, সম অধিকাৰ সকলো মহিলাৰ আঘাত-অনুভুতিৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰ বা বিভাগে এই কথাখিনি বিবেচনা কৰিব লাগে। দ্বিতীয় কথাটো হ'ল যে Section-6 and 7 ৰ Sub-Section ত যিখিনি কথা উল্লেখ কৰিছে, ইয়াত অভিভাৱক পিতৃ-মাতৃ, কাজি, মাতব্বৰ লাইনত যিখিনি কথা উল্লেখ কৰিছে, যিখিনি দ্বিতীয় বিবাহৰ ক্ষেত্ৰত জড়িতহৈ থাকে তেওঁলোকক শাস্তি দিয়াৰ বাবে পুলিচে গ্ৰেপ্তাৰ কৰিব পাৰে। এই পৰিপ্ৰেক্ষিতত মই এটা কথাই ক'ব বিচাৰিছো যে বহু সময়ত বহুতে নিজৰ পিতৃ-মাতৃৰ অজ্ঞাতে বিয়া কৰায়। এই ক্ষেত্ৰত অনুসন্ধান কৰিববলৈ গৈ অভিভাৱক নিৰ্দোষী হোৱাৰ পিছতো তেওঁলোকক গ্ৰেপ্তাৰ বা হাৰাশাস্তি কৰা হয়। এই বিল খনৰ ক্ষেত্ৰতো যদি আমি Section-6 and 7 ৰ কথা উল্লেখ কৰো নিশ্চিতভাৱে দেখা যায় যে বহু লোক নিৰ্দোষী আৰু এইবোৰৰ লগত জড়িতই নহয়। কিন্তু পুলিচে ইচ্ছা কৰিলে তেওঁলোকক সাঙুৰি আনি কষ্ট দিব পাৰে। টকা-পইচাৰ অংক তাত কৰিব পাৰে। এইক্ষেত্ৰত যিসকল দোষী তেওঁলোকে শাস্তি পাওঁক কিন্তু বিনা দোষত যাতে অভিভাৱক সকলে যাতে শাস্তি নাপায়। তাৰ বাবে পুলিচক সুৰুঙা দিব নালাগে। এই কথাখিনি বিবেচনা কৰিবৰ বাবে মই অনুৰোধ কৰিলো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য হাফিজ ৰফিকুল ইছলাম ডাঙৰীয়াই কওঁক। আপোনাক পাঁচ মিনিট সময় দিয়া হ'ল।

**হাফিজ ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, 'দ্যা আসাম প্ৰ'হিবিশ্যন অফ পলিগেমি বিল, ২০২৫' খন পাৰিত কৰাৰ বাবে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে উত্থাপন কৰিছে। পলিগেমি বাতিল কৰিব লাগে। এই বিষয়ে আলোচনা কৰাৰ উত্তম স্থান হৈছে-পাৰ্লিয়ামেণ্ট। পাৰ্লিয়ামেণ্টত এই বিলখন আনি পুংখানুপুংখ ভাৱে আলোচনা কৰি সকলো ৰাজ্যতে সমানভাৱে লাগু কৰা সুবিধা আছে। বি জে পি চৰকাৰ দিল্লীতো আছে আৰু মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়া তাতেই আছে। কিন্তু আমি লক্ষ্য কৰিছো যে ভাৰতৰ ক'তো এনেকুৱা বিল নাই। কেৱল মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই অসমত এই বিল আনিছে। কিন্তু অসমতো তেওঁ বহুকেইটা ভাগত ভাগ কৰিছে। বি টি এ ডি, ষষ্ঠ অনুসূচীত অঞ্চল, কাৰ্বি আংলং, ডিমাহাচাও অঞ্চলত শিথিলতা দিয়া হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ অঞ্চলতো শিথিলতা দিয়া হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** ট্ৰাইবেল সকলৰ জনসংখ্যা কম। সেয়েহে শিথিলতা দিব লাগিব।

**হাফিজ ৰফিকুল ইছলাম,(জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সেইটো কাৰণে যদি কৰিছে, ঠিকেই আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে যদিও কোৱা নাই, তেওঁ হয়তো ধাৰণা এটা দিব বিচাৰিছে। কিন্তু বি জে পিৰ মাননীয় সদস্য এগৰাকীৰ যি বক্তব্য আছিল তাত তেওঁ এক বিশেষ ধৰ্মৰ লোকক লক্ষ্য কৰি টাৰ্গেট কৰিছে। কিন্তু তেখেতে জানিব লাগে যে কথাটো এনেকুৱা নহয়। পলিগেমিৰ প্ৰেক্টিচ্ কেৱল ভাৰতত মুছলিম লোকেই যে বেছিকৈ কৰিছে সেইটো নহয়। মুছলিম সকলৰ মাজত এইটোৰ অনুমতি আছে। অনুমতি থকা মানে হৈছে কোৰাণত option আছে। 'ৰা ইনতা আদিলু শৰা হিদাতান।' যদি তুমি দুজনীৰ মাজত ন্যায় কৰিব নোৱাৰা তেন্তে দুজনী বিয়া কৰিব নালাগে। এজনীৰ লগতে ভৰসা কৰি থাকিব লাগে। এনেকুৱা ধৰণৰ শব্দ কোৰাণত ব্যৱহাৰ কৰা হৈছে। তাৰ অৰ্থ এইটো হৈছে যে কোৰাণে বহু বিবাহ কৰিবলৈ উৎসাহিত কৰা নাই। তেন্তে কিহৰ কাৰণে option টো আছে? Option আছে আৰু এই বিষয়ে অন্য কিছু মাননীয় সদস্যই কৈছে যে কিবা কাৰণত যদি প্ৰথম পত্নীৰ বেমাৰ হয় আৰু শিশুটি অতি সৰু হৈ আছে, তেনে ক্ষেত্ৰত মহিলা গৰাকীয়ে নিজেই স্বামীক অনুৰোধ কৰিব যে মই অতি অসুস্থ আৰু স্বামীয়ে ঘৰখন পৰিচালনা কৰিবৰ বাবে যাতে দ্বিতীয় বিবাহ কৰে। তেনেকুৱা অৱস্থা কিছুমানৰ আহে। ঠিক তেনেকৈ কোনোবা এগৰাকী মহিলা যদি সাংঘাতিক বেমাৰত আছে, ত্ৰিশ বছৰীয়া ডেকা যুৱক এজনৰ বিভিন্ন ডিমাণ্ড থাকে। তেনে ক্ষেত্ৰত আমাৰ ইছলামে কৈছে যে বেয়া ৰাস্তাত যাব নালাগে। গতিকে বৈধভাৱে যি পদ্ধতি আছে সেই মতে দ্বিতীয় বিবাহ পাতি পত্নী হিচাপে ঘৰত আনিব লাগে। তেখেতক কেৱল সম্বন্ধৰ বাবে বান্দী হিচাপে নহয়, ৰাণীৰ নিচিনাকৈ ৰাখিব লাগে। তেতিয়া ঘৰখন চলিব আৰু তেওঁ বেয়ালৈ নাযাব। কিছুমান দেশত যুদ্ধ চলি আছে। আজি ইউক্ৰেইন, পেলেষ্টাইন আদি দেশত পুৰুষসকলক মাৰি-কাটি শেষ কৰিছে। মহিলাসকলৰ সংখ্যা বাঢ়ি গৈছে। তেখেতসকলক মহিলা হিচাপে আশ্ৰয় লাগিব। কিন্তু য'ত পুৰুষৰ সংখ্যা কম আৰু কেৱল এজনৰ ওপৰতে ভৰসা কৰিব লাগে, তেন্তে বহু মহিলা বিয়া আদিৰ পৰা বঞ্চিত হ'ব। তেনে ক্ষেত্ৰত যাতে সেই মহিলাসকলেও আশ্ৰয় পায় আৰু সন্মানেৰে জীৱন-যাপন কৰিব পাৰে। এনেকুৱা কিছুমান লজিকৰ কাৰণে কোৰাণত এইটো Option আছে। কিন্তু এইটো বাধ্যতামূলক নহয়। বৰ্তমান ভাৰতবৰ্ষত ১.৮৯ শতাংশ আছে। কিন্তু হিন্দু সকলৰ মাজত য'ত বহু বিবাহ অবৈধ হয়, তাত ১.৩ শাতংশ আছে। য'ত মুছলিম মানুহ নাই যেনে-মেঘালয়ত তাত বহু বিবাহ ৬.১ শাতংশ, মিজোৰামত ৪.১ শাতংশ, অৰুণাচলত

৩.৭ শাতংশ আছে। তাত মুছলিম মানুহ প্ৰায় নাইয়েই আৰু অনা মুছলিম বা ট্ৰাইবেল লোকসকলে কৰি আছে। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কিবা উদ্দেশ্যৰ বাবে হয়তো বিলখন আনিছে আৰু তেখেতে ইয়াৰ ব্যাখ্যা কৰিব। এজন মুছলিম হিচাপে মই পৱিত্ৰ কোৰাণত বিশ্বাস কৰো, মই প্ৰফেট মহম্মদৰ ওপৰত আল্লাৰ messanger হিচাপে বিশ্বাস কৰো আৰু ইছলাম ধৰ্মত ইয়াৰ Option আছে। ভাৰতৰ সংবিধানেও ইয়াৰ Option দিছে। ভাৰতৰ সংবিধান মতে 'Muslim Personal Law (Shariat) Application Act, 1937' it is allowed in India. গতিকে এইটো সংবিধানত অনুমতি আছে আৰু ভাৰতৰ অন্য ৰাজ্যতো কৰি আছে আৰু যিসকলৰ অনুমতি নাই, তেওঁলোকেও কৰি আছে। খ্ৰীষ্টান ধৰ্মত ইয়াৰ অনুমতি নাই। তেওঁলোকেও বহু বিবাহ কৰি আছে। আমি বহু বিবাহ উৎসাহিত কৰা নাই। কিন্তু Option টো থাকিব লাগে। এই বিল খনৰ জৰিয়তে কোৰাণৰ এই Option টোৰ পৰা বঞ্চিত হ'ব। সেয়েহে আমি ইয়াৰ বিৰোধিতা কৰিছো। অন্যথা এই কামটো কোনেও পছন্দ নকৰে। দুজনী বিয়া পাতি আনিব লগত ভালদৰে প্ৰেমেৰে থাকিব আৰু আনজনীৰ খা-খবৰ নল'ব এইটো অতি জঘন্য কথা। কোৰাণে কৈছে যে যদি তুমি ন্যায় কৰিব পাৰা, সম দৃষ্টিত সমানভাৱে মৰম স্নেহ দিব লাগিব। তেতিয়াহে ইয়াৰ অনুমতি আছে। আমাৰ তাতেও ইয়াৰ অনুমতি নাই। আমাক টাৰ্গেট কৰিব নালাগে। কোনো মুছলমানে এগালমান বিয়া পাতে আ ৰু প্ৰত্যেক ঘৰে ঘৰে এনেকুৱা হয় এইটো নহয়। আমাৰ বংশত এজনো নাই। আমি ইমান ভাই-ককাই আছো কিন্তু কাৰো ঘৰতেই নাই। কিন্তু এই ধাৰণাটো একেবাৰে ভুল, তেনেকুৱা হ'ব নালাগে যিহেতু আমাৰ কোৰাণৰ বিৰুদ্ধে গৈছে। ভাৰত এখন secular, democratic country, আমাৰ এখন সংবিধান আছে, সংবিধান প্ৰদত্ত অধিকাৰ বাকী ৰাজ্যৰ মুছলমান সকলে এইটো পাব। এইটো মুখ্যমন্ত্ৰী মহোদয়ে withdraw কৰিব লাগে। যি দেশত live in relation allow কৰিছে, যিটো ভাল দৃষ্টিত চোৱা নাযায়। এজনী স্ত্ৰী আছে, পুৰুষ জন গৈ live in relation কৰিব Supreme Court ৰ verdict হিচাপে সেইটো crime নহয়। সমাজে পছন্দ নকৰে, তেনেকুৱা কোনেও কৰিব নালাগে। নিজৰ স্ত্ৰী আছে আৰু কিয় ইফাল-সিফাল কৰিব লাগে। একেবাৰে কৰিব নালাগে। কিন্তু যি দেশত এইটো allow কৰি থৈছে, আপুনি এফালে bill আনি polygamy বন্ধ কৰিব আনফালে live in relation 1,2,3,4,5...10 লৈকে কৰিলেও কোনো crime নাই, দোষ নাই। Ultimately polygamy চলি থাকিব। এতিয়াতো বিয়া পাতি আনিলে মহিলা জনীক সন্মান দিব লাগিব, সম্পত্তি share কৰিব, সন্তান হ'লে নিজে তুলি-তালি বাপেক জনৰ দায়িত্ব ল'ব লাগিব। এই গোটেইখিনি কিন্তু live in relation ত না উপযুক্ত সন্মান পায় না ল'ৰা-ছোৱালীৰ কোনো life আছে, বেলেগ দেশৰ দৰে সেই সন্তানবোৰৰ বাপেকৰ পৰিচয় নাই, মাকৰ পৰিচয় দি ঘূৰি ফুৰিব লাগিব। গতিকে এইবোৰৰ demerits আছে এই বিলৰ। মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিজে এজন Lawyer, মই তেখেতক অনুৰোধ কৰিম যি দেশত live in relation allow সেই দেশত polygamy banned কৰাৰ যুক্তিযুক্ততা নাই। সেই কাৰণে এটা ধৰ্মৰ ওপৰত আঘাত হয়, সংবিধান প্ৰদত্ত অধিকাৰ খৰ্ব হৈ আছে। Article 24-25 এইবিলাক খৰ্ব হৈ আছে। সেই গতিকে freedom of religion ৰ ওপৰতো হাত দিয়া হৈ আছে। এই বিলটো withdraw কৰিব লাগে বুলি উপাধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** As of now, আপোনাৰ family এই বিলৰ আওঁতাৰ বাহিৰত । এতিয়া সন্মানীয় সদস্য শ্ৰী আব্দুল বাতিন খন্দকাৰ।

**শ্ৰী আব্দুল বাতিন খন্দকাৰ, (অভয়াপুৰি উত্তৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ধন্যবাদ মোক

দুষাৰ ক'বলৈ সুবিধা দিয়াৰ বাবে। মই বুজি নাপালো যে মুখ্যমন্ত্ৰী মহোদয় জনা-বুজা মানুহ আইনৰো ছাত্ৰ। কিন্তু যিখিনি কথা এই বিলত আছে, সেই কথাখিনি BNS ত আছে 81, 82, 83 এইবিলাকত সকলো শিথিলতা আইনত আছে। ভাৰতীয় ন্যায় সংহিতা ইতিমধ্যে আছেই আৰু কোনোবাই যদি তথ্য গোপন কৰি বিয়া পাতে তাৰ ১০ বছৰ, কোনোবাই যদি এনে polygamy কৰে তাৰ ৭ বছৰ এই কথাবিলাক আইনত আছে। আকৌ কিয় বা মুখ্যমন্ত্ৰী মহোদয়ে এইটো আনিলে সেইটোহে বুজি নাপালো। যি নহওঁক polygamy rate অসমত অলপ আছে, নথকা নহয়। গতিকে সেইখিনি control হোৱাটো আমি সকলোৱে বিচাৰো। কিন্তু এই BNS টো যদি ভালকৈ enforce কৰিব পাৰো, তেনে কৰিলে এই বিলখনৰ প্ৰয়োজন থকা বুলি মই নাভাবো। যিহেতু সংখ্যাৰ ওপৰত বিল পাছ হোৱা নোহোৱা depend কৰে, গতিকে আমি যদি বিলখন withdraw কৰিব লাগে বুলি বিবেচনা কৰো এইটো কোনো matter নকৰিব সংখ্যাৰ ফালৰ পৰা।যদি bill খন পাছ কৰিবলগীয়া হয় আমি কেইটামান Amendment দিব বিচাৰিছো। Amendment কেইটা আছিল এনেকুৱা ধৰণৰ Section-IV ত কাৰ prohibition হ'ব polygamy কৰাৰ ক্ষেত্ৰত তাত দিয়া আছে। কিন্তু তাত এটা Section-III আছে, তাতে IV এটা add কৰাৰ কাৰণে সদনৰ দৃষ্টিগোচৰ কৰিবলৈ বিচাৰিছো। Exception অলপ যদি দিয়া নহয়, কিছুমান ক্ষেত্ৰত Exception দিয়া নহ'লে সেই আইনখন অবস্তৱ হ'ব। বাস্তৱৰ লগত সামঞ্জস্যতা নাথাকিব। এতিয়া ধৰক মই Section-IV ত Sub section add কৰাৰ কাৰণে মই addendum দিছো, তাত যদি কোনো স্বামী বা স্ত্ৰীৰ দুজনৰ এজন ৭ বছৰ হ'ল হেৰাই গৈছে, তেওঁৰ কোনো সহাৰি পোৱাটো খবৰ নাই বা জীৱিত আছে নে নাই তাৰো খবৰ নাই, সেই ক্ষেত্ৰত যদি মানুহজনক বা মানুহজনীক দ্বিতীয় বিবাহ কৰাৰ সুযোগটো দিয়া নহয়, সেইটো বাস্তৱৰ বাহিৰত গুচি যায় আৰু BNS ৰ explenation ত এই কথাবোৰ আছে। যদি husband আৰু wife ৰ কোনোবা যদি ৭ বছৰৰ কাৰণে জেলত আছে, তেওঁৰ কাৰণে যদি Exeception নিদিওঁ, allow নকৰো সেইটো হ'লে অবাস্তৱ হৈ যাব। সেইকাৰণে এই সংশোধনীৰ দৰকাৰ আৰু এটা Execeptionৰ দৰকাৰ যে পুৰুষ বা মহিলা গৰাকীৰ যদি infertile হয় বা সন্তান জন্ম দিব নোৱাৰে, সেইটো যদি medically prove হয়, তেনেহ'লে সেই ক্ষেত্ৰত Exeception এটা দিব লাগে বা কোনোবা যদি পাগল হয়, তেতিয়াহ'লে আনজনক এটা সুস্থ জীৱন যাপনৰ বাবে সুযোগ দিব লাগিব। এই Exeception খিনি অনুগ্ৰহ কৰি সোমাই দিলে ভাল হ'ব। মই amendment ত দিছো kindly consider কৰিলে ভাল হ'ব। Section-17 ত যিসকলৰ বিবাহ register হৈছে, সেই আইনখন commencement হোৱাৰ আগত যিসকলে বিয়া পাতিছে, তেওঁলোকৰ বিয়া register হ'লেহে সেই আইনৰ যি pannel action তাৰ পৰা অব্যাহতি দিয়া হৈছে। কোনোবাই যদি ২০ বছৰ আগত বিয়া পাতিছে তেওঁৰটো registration নাই, গতিকে তাতো এটা সংশোধনীৰ প্ৰয়োজন আছে। গতিকে তাত কিবা সাক্ষীৰ ব্যৱস্থা কৰিব পাৰিলে কৰক, নহ'লে যিটো sub-section-17 ৰ programme-2 বুলি দিয়া আছে। সেইটো উঠাই দিলে ভাল হ'ব। নহ'লে এই আইনটো enforce কৰিবলৈ গৈ খেলিমেলিৰ সৃষ্টি হ'ব। মহোদয়, section আমাৰ ইয়াত আলোচনা কৰাত বুজি পালো, কেনোবাই centre Law ৰ কথা কৈছে, constitution ৰ কথা কৈছে। গতিকে section-19 ত যিটো all other Law ৰ যিটো over right কৰিব বুলি কৈছে। সেই Clause টো যদি উঠাই দিয়া যায়, existing Law মতে আৰু এই আইনমতে ভালকৈ যদি ৰূপায়ণ হয়, তেনেহ'লে সমাজত এটা ভাল প্ৰভাৱ পৰিব

পাৰে। কিন্তু আমি সতৰ্কতাৰে আগবাঢ়িলে সমাজৰ বাবে বেয়া হ'ব বুলি মোৰ ধাৰণা নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** ঠিক আছে হ'ব। এতিয়া সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, এই বহু বিবাহ সম্পৰ্কত যিখন বিল আনিছে, এই বহু বিবাহৰ প্ৰতি মই তীব্ৰ বিৰোধী। কিন্তু কিছু confusion আৰু কিছু ক'বলগীয়া আছে এই ক্ষেত্ৰত। মোৰ confusion টো হৈছে এই বিল খনত আৰক্ষীক অধিক ক্ষমতা দিয়া হৈছে। ৭ নং section টো যদি চোৱা যায়, তাত গাওঁবুঢ়াকে ধৰি Guardian লৈকে যিদৰে তেওঁলোকক দায়বদ্ধ কৰিব বিচৰা হৈছে, ইয়াৰ জৰিয়তে police য়ে ভয়ংকৰভাৱে ক্ৰিয়া কৰিব। এনেকুৱা বিষয়বোৰত দেখিছো police ৰ role টো কেনেকুৱা। Police ক এই ধৰণে excess দিয়াটো যথেষ্ট ক্ষতিকাৰক হ'ব। কাৰণ বহুক্ষেত্ৰত পৰিয়ালত guardian বহুত কথা নাজানে। Guardian ৰ পৰা separate থাকে ল'ৰা। তাৰপিছত আৰু এগৰাকীৰ কথা ভাৱে আৰু বাপেকে গমেই নাপায়। শেষততো তাৰপিছতো আনিয়ে দিয়ে। অনাৰ পাছত বাপেকজন যেতিয়া তাত দোষী সাব্যস্ত কৰাৰ এই provision টো থাকে, পুলিছ বিলাককতো অলপ পইচা লাগে। ক'বলৈ বেয়া লাগে এই যিটো কাণ্ড হ'ব পুলিচক যথেষ্ট ক্ষমতা দিয়া হ'ব আৰু এই কাৰণে এইটো মই ভাবো এই গোটেই section টোৰে delete কৰিব লাগে আৰু অন্য কিছু কথা বতৰা আছে। যিবিলাক কথা-বতৰাত এই কথা আছে তেওঁৰ অধীনত section 11 (1) ত এক অপৰাধ সংঘটিত হৈছে তাতে থাকিলে ঠিক। কিন্তু সংঘটিত হ'ব বুলি বিশ্বাস কৰাৰ কাৰণ আছে। এইটো অনুমান কৰিব পাৰিলেই গুচালে। কাৰণ আছে এইটো জানিলে ভয়ংকৰ কথা হ'ব কাৰণ বিচাৰি ফুৰিব ক'ত অনুমান কৰি বিচাৰি ফুৰিব এইবিলাক কথা বতৰা অলপ seriously চোৱা ভাল। আন এটা মোৰ confusion আছে ইতিমধ্যে social media ত ওলাইছে এই ষষ্ঠ আনুসূচীত জিলাত ২ টা, ৩ টা, বহু বিবাহ কৰিব পাৰে। ষষ্ঠ অনুসূচীত জিলা এলেকাত কেৱল tribal নাথাকে, অন্যবিলাকেও ধাৰণা কৰি লৈছে আমিও পাৰিম। আমি Six Schedule ৰ under ত আছো। মানুহ সকলোতো BTAD তে যাব। কাৰোবাৰ যদি বিশেষ ইচ্ছা থাকে। BTAD ত গৈ পাব এই কথাটো ষষ্ঠ অনুসূচীত উঠাই দিব লাগে। কাৰণ সচাঁকৈ যদি আমি tribal ক এই অধিকাৰটো দিব খুজিছো বা তেওঁলোকৰ পৰম্পৰাগত কথা আছে। এই পৰম্পৰাগত কথাটো থাকিলে ষষ্ঠ অনুসূচীত বুলি ক'লে কিন্তু বিপদ হৈ যাব। কাৰণ তেতিয়া তাত ব্ৰাহ্মীণ, কোঁচ, কলিতা সকলোৰে আছে। সুবিধা এটা দিব ওলাইছে। এই সুবিধা দিয়াতো মই বহু বিবাহৰ যিহেতু তীব্ৰ বিৰোধিতা কৰো কাকো সুবিধা দিব নালাগে। কাকো সুবিধা দিয়া উচিত নহয়। মই tribal কো সুবিধা দিয়াৰ সপক্ষে নহয়। বহু বিবাহ সকলোৰে কাৰণে বন্ধ হ'ব লাগে। কাৰণ বহু বিবাহ কাৰোবাক দিম, তেওঁলোকৰ population কমি আছে কাৰণে বঢ়োৱাৰ সুযোগ দিম। কিন্তু মহিলা ক'ৰ পৰা বঢ়া গ'ল? 49:51 শেষ ratio টো, যদি সকলোৰে নতুনকৈ দুটাকৈ বিবাহ কৰাব ওলাইছে মহিলাই নোহোৱা হ'ব। কথাটো অলপ গুৰুত্বপূৰ্ণ। সেই কাৰণে ষষ্ঠ অনুসূচীত নালাগে এইটো। যদি complete tribal ক দিবও খুজিছে অনুচ্ছেদ ৪২ ৰ যিটো ৩৬৬ ৰ খণ্ডৰ ২৫ ত আছে এতিয়া সকলো tribal should get the opportunity আৰু তেতিয়া মহিলা নোহোৱা হ'ব আৰু তেতিয়া non tribal বিলাকৰ ওপৰত আকৌ clause নোহোৱা হৈ যাব ঝামেলা হ'ব। এই কথাবিলাকো চাব লাগিব। সেই কাৰণে মোৰ বিশেষ অনুৰোধ এইখন বিল আপোনালোকে select committee ত পঠাই দিয়ক। দৰকাৰ হ'লে সময় ধৰি দিয়ক। ১ মাহ বা ২ মাহৰ ভিতৰত select committee ত বহি এই সকলোবিলাক কথা খৰচি মাৰি পুলিচত যাতে ex-

cess নহয় আৰু বহু বিবাহতো একেবাৰে strictly যাতে বন্ধ হয় এইটো কোনো caste, creed, religion ৰ কথা নাই। বহু বিবাহ মানে অমানবীয় একেবাৰে ভয়ংকৰভাৱে অমানৱীয় আৰু মহিলাৰ প্ৰতি এটা অন্যায়। এই অন্যায়টো যাতে সকলোৰে বাবে বন্ধ হয় তাৰ দাবী জনাইছো। মই এইখন select committee পঠিয়ালে আনন্দিত হ'ম। মাননীয় মুখ্যমন্ত্ৰীক মই আহ্বান জনাইছো select committee লৈ পঠিয়াই দিয়ক। Let us discuss immediately. এই কথাখিনি ক'লো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া আৰু সদন, এটা কথা খাটাং যে পৃথিৱীৰ কোনো মানুহে কেতিয়াও দ্বিতীয় বিবাহ পতাৰ কথা ভাবিব নোৱাৰে যদিহে তেওঁ নিজৰ conscience যদিহে তেওঁৰ বিবেচনা শক্তি আছে আৰু তেওঁৰ মানৱীয়তা আছে মই ভাবো যে এইটো ভবাই উচিত নহয় কোনোমতে। সেইটো পুৰুষেই হওঁক বা মহিলাই হওঁক দ্বিতীয় বিবাহ যদি তেওঁৰ পত্নী থাকে বা তেওঁৰ পতি থাকে তেতিয়াহ'লে দ্বিতীয় বিবাহৰ কথাটো সেইটো মই ভাবো যে এইটো এটা inhuman আৰু একেবাৰে বিবেচনা নথকা এটা কথা আৰু সেই কাৰণে সেইফালৰ পৰা চাবলৈ গ'লে নিশ্চয় “ The Assam Prohibition of Polygamy Bill, 2025” নিশ্চিতভাৱে সমৰ্থনযোগ্য। এইফালৰ পৰা সেইটো চাবলৈ গ'লে সমৰ্থনযোগ্য বিষয় এটা। কিন্তু একেটা সময়তে আমি যদি চাও বিলখনতে স্পষ্টকৈ কৈ দিছে যে ইয়াৰ পৰা আমাৰ Six Schedule কো ইয়াৰ আওতাৰ বাহিৰত ৰখা হৈছে। তাৰমানে কিয় ? তাৰমানে এইকাৰণে যে আমাৰ ভাৰতৰ সংবিধানৰ Article-13 য়ে যিবিলাক Customary Law জনজাতি সকলৰ আছে, তেওঁলোকৰ সংস্কৃতি, তেওঁলোকৰ দৈনন্দিন জীৱন তেওঁলোকৰ আইন অনুসৰি চলে আৰু সেই আইনক অন্যায় নকৰো বুলি ভাৰতৰ সংবিধানে Article-13 ত লিখি থৈ দিছে। ঠিক একেদৰে একেখন ভাৰতৰ সংবিধানত Article 25 আৰু 26 ত কৈছে যদি কোনোবা ধৰ্মই নিজা ধৰণে তেওঁলোকৰ জীৱন যাত্ৰা পৰিচালনা কৰে তেতিয়াহ'লে Article 25, 26 য়ে কৈছে যে সেই ধৰ্মৰ মানুহবিলাকক তেওঁলোকৰ নিয়ম অনুসাৰী জীৱন যাত্ৰা চলাবলৈ দিব লাগে। মই ভাবো, এই Polygamy Act খন বিৰোধিতা কৰো এই কাৰণে। এবাৰ সমৰ্থন কৰিলো আৰু বিৰোধিতা কৰিলো দুয়োটা মিলাই নিশ্চয় তাৰ এটা সাৰাংশ আহিব । এই কাৰণে মই বিৰোধিতা কৰো যে এই বিলখনে আমাৰ মুখ্যমন্ত্ৰীৰ গাত যিটো লম্বিছে অনবৰতে communalism, communalism, হিন্দু মুছলমান সেই বেমাৰটোৰ কাৰণে এই Act খন তেখেতে ইয়ালৈ আনিছে। কাৰণ আপোনালোক সকলোৰে জানে যে ভাৰতৰ আমাৰ যিখন নতুন BNS (Bharatiya Nyaya Sanhita) আছে তাতে তাৰ section-81, 82, 83 ত স্পষ্টকৈ কৈছে যে যদি কোনোবাই এনেকৈ দুবাৰ বিবাহ পাতে তেনেহ'লে ৭ বছৰ, ১০ বছৰ জেল খাব। তাৰ পাছত এই আইনখন কিয় লাগে ? বেলেগ একো কাৰণত নহয়। তেখেতৰ মনত খুচখুচাই থকা মুছলমান বিদ্বেষ তাৰ বাহিৰে বেলেগ একো নহয় ইয়াত। সেই কাৰণে মই ভাবো যে এজন মুখ্যমন্ত্ৰী বা আইন প্ৰণেতা ৰাজ্যৰ মুৰব্বী সদায় নিৰপেক্ষ হ'ব লাগে। তেখেতে কেতিয়াও কাৰোবাক অন্যায় কৰি মোক কি লাগে জাননে মই যদি মোৰ ধৰ্মৰ মানুহ নহয় তেওঁৰ প্ৰতি আৰু মৰম দেখুৱাবলৈ মন যায় যে তেওঁলোকৰ প্ৰতি অন্যায় নকৰিবা, তেওঁলোক সংখ্যালঘু মোৰ এনেকুৱা ধৰণৰ ভাব হয়। মোৰ মানুহকেইটা মোৰ নিজৰ আপোনেই। মোৰ আহোম মানুহখিনি, মোৰ অসমীয়া মানুহখিনি, মোৰ হিন্দু মানুহখিনি সেইখিনিতো মোৰ আটাইতকৈ আপোন। কিন্তু ইয়াত থকা মোৰ যিখিনি

মুছলমান মানুহ, খ্ৰীষ্টান মানুহ তেওঁলোকক অপকাৰ নকৰাতো মোৰ ধৰ্ম। সেইটো মোৰ ধৰ্ম, সেইটো মোৰ মানৱীয়তা। আমাৰ মুখ্যমন্ত্ৰীয়ে মানৱীয়তা পাহৰিছে আৰু বিজেপি চৰকাৰে খনে কেৱল হিন্দু মুছলমান, হিন্দু মুছলমান কৰি বেলেগ কথাবিলাক পাহৰি গৈছে। সেই কাৰণে মই অসমৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰো মাজতে কেতিয়াবা আপুনি আঠোৰাৰ তলত বহি বা শুই ভাবিবচোন আপুনি অসমখনক কোনফালে নিব খুজিছে। আপুনি কেৱল ভোটৰ কাৰণে অসমখনত কাজিয়া লগাই থাকিব নে সচাঁকৈ অসমখনক সকলোৰে মিলিজুলি থাকিব পৰা এখন অসম গঢ়িব। মই ভাবো যে অসমৰ মুখ্যমন্ত্ৰীয়ে fundamental কথাটো নিজক এবাৰ প্ৰশ্ন কৰি চোৱাতো দৰকাৰ। এতিয়া মই ইয়াত বিলখনত বেছি ক'বলগীয়া একো নাই। বিলখন অনাতো polygame support য়ে নকৰো। মইতো কেতিয়াও দ্বিতীয় গৰাকী বিয়া পতা এই কথাটো যি মানুহে ভাবে মই মানুহতো বেয়া বুলিয়ে ভাবো। নিজৰ পত্নী আছে, বেমাৰ হৈছে বেমাৰৰ পাছত বেলেগ এজনী বিয়া পাতি লম নেকি? সেইটো কেনেকৈ হ'ব। তাইক ভালহে কৰিম আমি। তাইক ভাল কৰিবৰ কাৰণে মোৰ জীৱনটো দিম সেইটোহে প্ৰেম। হয়নে নে নহয় কওঁক মাননীয় অধ্যক্ষ ডাঙৰীয়া, আপুনিও এটা কথা বেয়া পাব লাগে যে আপুনি দুগৰাকী বিয়া পাতিব পাৰিব মই নোৱাৰিম সেই বিলখনত এইটো দিছে। আপুনি নিজে ক'ব লাগে যে আমাৰ তাতো কৰি দিয়ক। সেইটোতো ক'ব লাগে tribal মানুহে দুগৰাকী বিয়া পাতিব পাৰিব এইটোতো ভাল কথা নহয়। এইটোও বেয়া কথা। মই tribal ক আটাইতকৈ ভাল পাওঁ সকলোৱে জানে। কিন্তু সেইবুলি এনেকুৱা নহয় যে বেয়া কামটো ট্ৰাইবেলে কৰিব পাৰিব। এইটো হ'ব নোৱাৰে। এইটো কৰিবলৈ গৈ আপুনি ট্ৰাইবেলক ভাল কৰিছে নে বেয়া কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** বৰ্তমান আপুনি কাক আটাইতকৈ বেছি ভাল পায়, এইটোহে কথা।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** বিয়া পতাটো ঠিকেই আছে। কিন্তু কৈছে যে মানুহ কেইটাক ৭ বছৰ যে জেল দিব সেইটো কেনেকুৱা কথা? এই বিয়া পতা মানুহ কেইটাৰ দেউতাক আৰু মাকক জেলত দিয়া, legal guardian বিলাকক জেলত দিয়া, গাওঁ বুঢ়াকেইটাকো দুবছৰ জেল, ১ লাখ টকা জৰিমনা, এইবোৰ অলপ বেছি হৈছে। বেছি dictator ৰ নিচিনা হোৱা কথাটো ভাল নহয়। এতিয়া আপোনাৰ হাতত সংখ্যা গৰিষ্ঠতা থকাৰ কাৰণে সকলো কথাতে আপোনাৰ কথাটোৱে মানিব লাগিব, এইটো আপুনি বেয়া কাম কৰিছে। গতিকে মই ভাৱো দেউতাক -মাক, গাওঁ বুঢ়াক জেলত দিয়াটো বন্ধ কৰক, দেউতাক-মাকৰ ওপৰত ফাইন লগোৱাটো বন্ধ কৰক। যদি দেউতাক মাকৰ সহযোগীতা থাকে, এইক্ষেত্ৰত কিবা এটা ফাইন লগাই দিয়ক। কিন্তু সেইটো cognizable হ'ব নালাগে। দেউতাক মাকে জানিব নেকি পুতেকে ক'ৰ পৰা বিয়া পাতি আনিলে, তাৰ পিছত কৈছে এইটো জনাব লাগিব। জনালে পুতেকে আজিকালি দেউতাক-মাকক কাটিব। এইটো ঘৰতে আপোনালোক কাজিয়া লগাবলৈ গৈছে। গতিকে মই আশা কৰো আইন সম্পৰ্কে এই সংক্ৰান্তত এটা সৰ্ব্বসন্মত সিদ্ধান্ত ল'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, পবিত্ৰ সদনৰ সন্মানীয় সদস্য সকলক মই ধন্যবাদ দিছো যে তেখেতসকলে আমি যিখন আইন আনিছো 'The Assam Prohibition of Polygamy Bill, 2025', এই আইনখনৰ ওপৰত বিভিন্ন বক্তব্য দিয়াৰ বাবে। মই প্ৰথমতে কেইটামান কথা ক'ব বিচাৰিছো যে আমি যিবিলাক ধাৰণা লৈ সদনত আমাৰ বক্তব্য ৰাখিছো সেই ধাৰণাবিলাকৰ যাতে এটা সম্যক পৰিৱৰ্তন হয়। প্ৰথমতে, সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াই সংখ্যা গৰিষ্ঠতাৰ কথা কৈছে। সংখ্যা গৰিষ্ঠতা কোনে পায়? যি দলৰ ওপৰত ৰাইজৰ আস্থা আছে, ৰাইজে বিচাৰে যে এই দলটোৰ vision document খন আমি বিচাৰিছো আৰু সেইকাৰণেই এই দলটোৱে আমাক ৫ বছৰ শাসন চলাওক, আমি দলটোক সংখ্যা গৰিষ্ঠতা দিছো যাতে দলটোৱে নিজৰ ঘোষিত নীতি আৰু আদৰ্শক বাস্তৱত ৰূপায়িত কৰিব পাৰে। সংখ্যা গৰিষ্ঠতা মই আনিব নোৱাৰো। অসমৰ জনগণ কোনোবা এটা দলক সংখ্যা গৰিষ্ঠতা দিব লাগিব। আজি যে আমি ইয়াত বহি আছো, সেয়া কাৰো অনুগ্ৰহত বহা নাই। অসমৰ ৰাইজৰ অনুগ্ৰহত আমি ইয়াত বহিছো। অসমৰ ৰাইজৰ আশীৰ্বাদত আমি ৫ বছৰ শাসনত আছো। ২০২৬ চনত নিৰ্বাচন হ'ব আৰু অসমৰ জনগণে আকৌ এবাৰ জনাদেশ দিব যে আমি কৰা কামবিলাক তেওঁলোকে স্বীকাৰ কৰে নে নকৰে? সংসদীয় গণতন্ত্ৰত বিৰোধী পক্ষৰ ভূমিকাক আমি সন্মান কৰো আৰু সেইকাৰণে সদনতো আপোনালোকে দেখিছে যে আমি কম কথা কৈছো আৰু বিৰোধীক বেছিকৈ কথা ক'বলৈ সুবিধা দিছো।

অধ্যক্ষ মহোদয়, নাৰীৰ সৱলীকৰণ, নাৰীৰ স্ব-শক্তিকৰণ, আমাৰ চৰকাৰৰ এটা ঘোষিত নীতি। ইয়াত ধৰ্মৰ কোনো ৰোল নাই, religion neutral and gender bias. অৰ্থাৎ আমি ইয়াত কোনো ধৰ্মৰ পোষকতা কৰা নাই। কিন্তু মই মোৰ চৰকাৰখনক অলপ gender bias কৰি আছো from the day one. কাৰণ যোৱা ৭৫ বছৰত আমি পুৰুষ সকলে যিহেতু সদনত বেছিকৈ আহোঁ, আমি আমাৰ মতে সকলো কাম কৰিলো। এতিয়া এখন চৰকাৰৰ প্ৰয়োজনীতা আছে যিখন চৰকাৰে with open commitment স্পষ্ট কৰি ক'ব পাৰে যে yes, এই চৰকাৰখনে সকলোকে ন্যায় দিব but we will be a little bias towards our mothers and sisters.Fair play থাকিব কিন্তু মহিলা সকলৰ justice আমাৰ বাবে আটাইতকৈ প্ৰয়োজনীয় হ'ব। তাৰ আৰম্ভণি আমি অৰুণোদয়ৰে কৰিছো। ১২৫০ টকা পৰিয়ালটোলৈকে যাব, যদি আমি ভোট বিচাৰিলোহেতেন তেতিয়াহ'লে আমি ক'লোহেতেন পুৰুষৰ account ত যাব। কিন্তু তাত আমি bias হ'লো, টকাটো মহিলাৰ account ত যাব কাৰণ এই ১২৫০ টকাই মহিলা গৰাকীক নিজৰ পৰিয়ালটোৰ ভিতৰত এটা সন্মান প্ৰদান কৰিব।

আমি নিযুত মইনা আঁচনি আৰম্ভ কৰিছিলো যেতিয়া সদনত বাল্য বিবাহৰ কথা আলোচনা হৈছিল, আপোনালোকে মোক accused কৰিছিলে যে arrest কৰি আপুনি কেনেকৈ বাল্য বিবাহ বন্ধ কৰিব? তেতিয়া মই কৈছিলো যে সমাজত চলি থকা প্ৰথা এটা বন্ধ কৰিবলৈ প্ৰথমতে আমি shock treatment দিব লাগিব। তাৰ পিছত তাৰ carry forward কৰিবৰ কাৰণে আমি মমতাৰ আঁচল এখন পিন্ধাব লাগিব। আমি বাল্য বিবাহ বন্ধ কৰিব বিচাৰিছিলো কাৰণ আমাৰ কাৰণে এইটো গ্ৰহণীয় নাছিল যে মোৰ ছোৱালীয়ে ২১-২২ বছৰত বিশ্ববিদ্যালয়ত পঢ়িব আৰু কাৰোবাৰ ঘৰত দৰিদ্ৰতা আছে কাৰণে ১৪ ৰ পৰা ১৬ বছৰ বয়সত তেওঁলোকক অনিচ্ছাকৃত মাতৃ হ'বলৈ বাধ্য কৰোৱা হ'ব। অসমে বাল্যবিবাহৰ বিৰুদ্ধেও যুঁজিলে, ৫০০০ ত কৈও অধিক গ্ৰেপ্তাৰ হ'ল। সন্দেহ প্ৰকাশ কৰা হৈছিল যে তেওঁলোকক আদালতে শাস্তি দিবনে? আজি

POSCO ৰ অধীনত এজন এজনকৈ ব্যক্তিক আইনে শাস্তি দিছে আৰু মানুহে এতিয়া বাল্য বিবাহ কৰিবলৈ বা associated হ'বলৈ ভয় কৰা আৰম্ভ কৰিছে। কিন্তু লগে লগে আমি মানুহৰ দুখ আৰু দৰিদ্ৰতা অনুভৱ কৰিছিলো। ঘৰত ছোৱালীজনী পঢ়িব নোৱাৰিব, তাইৰ এটা স্বতন্ত্ৰ অধিকাৰ নাথাকিব, তাই পৰিয়ালটোৰ এটা বোজা হ'ব, তাৰবাবে আমি নিযুত মইনা আঁচনি আৰম্ভ কৰিছিলো। আজি সমগ্ৰ দেশতে নিযুত মইনা আঁচনি সমাদৃত। সদনে জানি ভাল পাব যে এই বছৰ অসমৰ কলেজ সমূহত ৫০,০০০ ছোৱালীয়ে যোৱাবাৰৰ তুলনাত বেছিলৈ নামভৰ্ত্তি কৰিছে। মহাবিদ্যালয় সমূহত drop out লক্ষনীয়ভাৱে nil বুলি ক'ব পাৰি। অধ্যক্ষ মহোদয়, নাৰীৰ সৱলীকৰণ, বাল্য বিবাহ, নিযুত মইনা, পঞ্চায়তত আসন সংৰক্ষণ, চাকৰিত আসন সংৰক্ষণৰ পিছত the next logical step was বহু বিবাহ বন্ধ কৰা। সন্মানীয় সদস্য সকলে কেইটামান কথা কৈছিল যে এইয়া ৰাজনীতিৰ বাবে কৰা হৈছে। অধ্যক্ষ মহোদয়, এইয়া আমি ৰাজনীতিৰ কাৰণে কৰিছো। কিন্তু এই ৰাজনীতি নিপীড়িত, নিষ্পেষিত সমাজ খনৰ মহিলা গৰাকীৰ কাৰণে। আজি ইয়াত ইছলামিক সমাজৰ হৈ ভাষণ দিয়া প্ৰত্যেক গৰাকীয়েই পুৰুষ। আজি অসমত ২২ টাৰ পৰা ৩৫টা সমষ্টি মুছলমান সমাজে কোন বিধায়ক জিকিব তাক নিৰ্ণয় কৰে। কিন্তু সদনে আজি বহু বছৰ আনোৱাৰা টাইমুৰ বাইদেউৰ পিছত মুছলিম মহিলাক বিধায়িকা হিচাপে দেখিবলৈ পোৱা নাই। আজি গোটেই কেইজন আমাৰ সদনত ইছলাম সমাজৰ পৰা বিধায়ক আহিছে। কিন্তু মুছলমান সমাজৰ মহিলা সকলক প্ৰতিনিধিত্ব কৰিব পৰা এগৰাকীও বিধায়িকা নাই। অধ্যক্ষ মহোদয়, বাল্য বিবাহ আৰু বহু বিবাহ অসমৰ মুছলমান সমাজৰ মহিলা সকলৰ মুখৰ পৰা, মহিলা সকলৰ হাতৰ পৰা, তেওঁলোকৰ জীয়াই থকাৰ নুন্যতম অধিকাৰ খিনিও কাঢ়ি লৈ গৈছে। ১২ বছৰ বয়সত ছোৱালী মাতৃ হৈছিল আৰু লগত ৬০/৭০ বছৰীয়া ব্যক্তিয়ে মাতব্বৰ হোৱাৰ কাৰণে ১৮ বছৰ -২০ বছৰ বয়সৰ ছোৱালীক বিয়া কৰাই ট্ৰফি এটা যেন ঘৰলৈকে আনি লোৱাৰ দৰে মানুহক প্ৰদৰ্শন কৰিছিল। কাৰোবাৰ ঘৰত মাটিৰ গোচৰ আছে, মাতব্বৰে বিচাৰ কৰিব যে তোৰ ঘৰৰ ছোৱালী জনীক মোলৈ বিয়া দে আৰু লগে লগে গোচৰ নিষ্পত্তি হৈ যায়। সেইখন নিপীড়িত সমাজৰ মাতৃ সকলক আজি আমি আইনৰ দৃষ্টিৰে অধিকাৰ এটা দিবলৈ প্ৰচেষ্টা কৰিছো। হিন্দু বহু বিবাহৰ পৰা মুক্ত নহয়। কোনোবাই যদি কয় যে এই আইন খনৰ জৰিয়তে আমি মুছলমান সমাজক target কৰিছো, দ্বিধাহীন ভাৱে মই ক'ম যে আমাৰ হিন্দু সমাজতো বহু বিবাহ বিক্ষিপ্ত ৰূপত আছে আৰু সেই বহু বিবাহো বন্ধ কৰাৰ দায়িত্ব আমাৰ। এই বিল খনত ক'তো লিখা নাই যে বহু বিবাহ মুছলমানৰ মাজত বন্ধ হ'ব। বহু বিবাহ খ্ৰিষ্টিয়ান, হিন্দু আৰু মুছলমান সমাজৰ মাজতো বন্ধ হ'ব। অধ্যক্ষ মহোদয়, কোৱা হৈছে যে 6th Schedule ত আমি কিয় শিথিল কৰিছো। স্বায়ত্ব শাসন এই সদনে উপলব্ধি কৰিব লাগিব। যোৱাকালি আমি শিক্ষাৰ প্ৰাদেশীকৰণৰ আইনো আনিছো তাতো আমি সিদ্ধান্ত লৈছো যে 6th Schedule ত এই আইনৰ পৰা আমি ৰেহাই দিম। লাহে লাহে আমি BTR accord খন বুজিব লাগিব। Bodoland Territorial Council ত এই সদনে অকণমান মনত ৰাখিব যে BTC ক অকল executive power দিয়া হোৱা নাই, BTC ক legislative power ও দিয়া হৈছে। ভাৰতৰ সংবিধানৰ ষষ্ঠ অনুসূচীয়ে BTC ক legislative power ও দিছে ।গৃহ বিভাগ, medical education যিকেইটা department state government ৰ লগত আছে তাক বাদ দি এই সদনে 6th Schedule area ত আইন প্ৰণয়ন কৰিব নোৱাৰে without concurrence of BTR Karbi Anglong and Dima Hasao. ই এক সংবিধান প্ৰদত্ত অধিকাৰ। সংবিধানে তাক অধিকাৰ দিছে যে যদি

আপোনালোকে BTR accord পঢ়ে, সংবিধানৰ 6th Schedule পঢ়ে। They have been conferred legislative rights also. Without their consent আমি আইন আনিব নোৱাৰো, তেওঁলোকে আমাক অনুৰোধ কৰিব লাগিব অগত্যা তেওঁলোকে নিজে আইন প্ৰণয়ন কৰি ৰাজ্যপালৰ অনুমোদন ল'ব লাগিব। 6th Schedule area ত মই আশা কৰো যে আমাৰ সদনে এই বিলখন পাছ কৰাৰ লগে লগে অনুৰূপ আইন এখন Bodoland Territorial Council, Karbi Anglong Council আৰু Dima Hasao Council য়েও নিশ্চয় পাছ কৰিব যাতে তেওঁলোকে এই সদনে দেখুওঁৱা ৰাস্তাইদি আগ বাঢ়িব পাৰে। But we can not impose. এই সদনে জনজাতীয় লোকসকলৰ Customary Law প্ৰাচীন কালৰে পৰা চলি আছে। ৪০০০-৫০০০ বছৰৰ পৰা, কুমাৰ ভাস্কৰ বৰ্মাৰ দিনৰ পৰা প্ৰৱাহমান এটা ধাৰা। আজি tribal লোকক আইনৰ জৰিয়তে আমি শিকোৱাৰ প্ৰয়োজন নাই। জনজাতীয় লোক সকলে নিজস্ব ধৰণে তেওঁলোকৰ চিন্তা-চৰ্চাৰে আগ বাঢ়িছে। তাতো polygamy নাই। আজি অসমত জনজাতীয় লোকসকলৰ মাজত polygamy মই যদি নাই বুলি কওঁ তাত অত্যুক্তি কৰা নহ'ব। আমি তেওঁলোকক সদনে জনজাতীয় লোকৰ sensitivity আমি যে respect কৰো বাৰে বাৰে message দিয়াৰ প্ৰয়োজন আছে কাৰণ তেওঁলোকৰ ভূমি, তেওঁলোকৰ সংস্কৃতিৰ ওপৰত আজি আমি আমাৰ দপদপনি বঢ়াইছো। যেতিয়ালৈকে জনজাতীয় লোকৰ sensitivity ক আমি সন্মান নকৰো নিজেই কোনেও polygamy নকৰে। কিন্তু এই সদনে ক'ৰবাত নহয় ক'ৰবাত বাৰে বাৰে তেওঁলোকলৈ message পঠিয়াই থাকিব লাগে যে we respect your feelings, respect your Customary Laws আৰু সেই কাৰণে যি সকল প্ৰকৃত শাসক, যি সকলে প্ৰকৃতভাৱে শাসন কৰিব জানে they do not try to impose legislation on tribal people. They wait till the request come from the community যে কমিউনিটিৰ ভিতৰৰ পৰা request আহক। We, BJP follow that to golden principle যে হয় 6th Schedule ত কাৰ্বি আংলং, ডিমা হাচাওত ক'তো polygamy নাইয়েই। কিন্তু আমি message এটা পঠালো যে we respect you আৰু ই বৰ অসমখন একে থকাত ক'ৰবাত নহয় ক'ৰবাত বৰঙণি যোগায়। অধ্যক্ষ মহোদয়, আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়াই যুক্তিপূৰ্ণ কথা কৈছে যে আমাৰ ভাৰতত শ্বৰিয়ত আইন ১৯৩৭ Parliament এ পাছ কৰিছিল আৰু ১৯৩৭ শ্বৰিয়ত আইন is a Law of the Land. সেইকাৰণে মাননীয় অখিল গগৈ ডাঙৰীয়াই BNSS ৰ ওপৰত যিটো provision কৈছে, এই BNSS ৰ provision is not applicable so far as Muslim people are concerned. ভাৰতৰ সাংসদে Muslim Personal Law Shariat Application Act,1937 এই আইন খনক স্বীকৃতি দিছে। গতিকে যদি হিন্দুৱে polygamy কৰে they can be arrested under the Section of BNSS. কিন্তু যদিহে এজন মুছলিম মানুহক আমি গ্ৰেপ্তাৰ কৰো যে আপুনি polygamy কিয় কৰিছে তেওঁ ক'ব লাগে যে Sharia ই মোক অধিকাৰ দিছে, পৱিত্ৰ কোৰাণ শ্বৰীফে মোক অধিকাৰ দিছে। গতিকে যদি হিন্দুৱে polygamy কৰে they can be arrested under the section of BNSS. কিন্তু যদি আমি মুছলিম মানুহক গ্ৰেপ্তাৰ কৰো যে আপুনি polygamy কিয় কৰিছে তেওঁ কয় যে চৰিয়াই মোক অধিকাৰ দিছে, পবিত্ৰ কোৰাণ শ্বৰিফে মোক অধিকাৰ দিছে। That all, case is closed. সেইকাৰণে চৰিয়া থকা পিছতো আমি কেনেকৈ বহু বিবাহ বন্ধ কৰিব পাৰো? We started then exercise, 3 years back. ২০২৩ চনৰ

১২ মে’ তাৰিখে জাষ্টিচ শ্ৰীমতী ৰুমী ফুকন, দেৱজিৎ শইকীয়া, Advocate General, নলীন কৌহলি Senior Additional Advocate General Government of Assam, নেকিবুৰ জামান, Senior Advocate Guwahati High Court ক লৈ আমি এখন কমিটি গঠন কৰি দিছিলো আৰু এই কমিটিখনে publicly মানুহৰ পৰা পৰামৰ্শ খুজিছিল। মই অসমৰ ইছলাম সমাজক ধন্যবাদ দিওঁ যে দুখন মাত্ৰ কাগজ বহু বিবাহক সমৰ্থন কৰি আহিছিল। বাকী সকলোৱে আহি কৈছিল বহু বিবাহ বন্ধ কৰা। কাৰণ অসমৰ মাটিৰ এটা different শক্তি আছে। এই মাটিত সতী সাধনী। সতী ৰাধিকাই জন্ম লৈছিল, এই মাটিত মূলা গাভৰু, কনকলতাই জন্ম পাইছিল। এই মাটিৰ উৰ্ব্বৰা শক্তিয়ে কৰ’বাত নহয় কৰ’বাত ইছলামক বিশ্বাস কৰা লোক সকলৰ মানসিকতাটোক ক্ৰিয়া কৰে। মাটিৰ শক্তি অদ্ভুত। মাটি,পানী আৰু বতাহৰ শক্তি অদ্ভুত আৰু সেইকাৰণে পশ্চিমবংগত আজি যি কৰিব নোৱাৰি অসমত তেনে বহুত কাম কৰিব পাৰি। যদিও মানুহবোৰ একেলগে কোনোবাদিনা একেখন গাঁৱৰ পৰাই অসম আৰু পশ্চিমবংগলৈ আহিছিল। মৈমন সিং ৰংপুৰৰ পৰা, চিলেটৰ পৰা একেবোৰ মানুহ অসমত গৈছিল আৰু একেবোৰ মানুহ পশ্চিমবংগলৈ গৈছিল। কিন্তু অসমত অসমৰ মাটিৰ শক্তিয়ে অকণমান নহয় অকণমান মানুহক পৰিবৰ্তন কৰে আৰু তাৰ কাৰণে এই কমিটিখনৰ সন্মুখত মাত্ৰ দুখন application আহিছিল। তেওঁলোকৰ গ্ৰাউণ্ড কি আছিল আজি হাউচত কোৱা গ্ৰাউণ্ডখিনি। যে কোনোবা এজনে যদি সন্তান জন্ম দিব নোৱাৰে, কোনোবাৰ যদি পত্নীৰ বেমাৰ হয়, তেতিয়াহ’লে দ্বিতীয় বিবাহৰ অনুমতি দিয়ক। তিনি আৰু চাৰি খোজাও নাছিল। কাৰণ পবিত্ৰ কোৰাণ শ্বৰিফে কি কৈ গৈছিল আপোনালোক সকলোৱে জানে। In Islamic Society Monogamy is the Law, Polygamy is the exception. হজৰত মহম্মদৰ ধৰ্ম্মীয় যাত্ৰাৰ আৰম্ভণীতে সেইখন সমাজত এজন ব্যক্তিয়ে ৫০ ৰ পৰা ১০০ গৰাকীলৈকে মহিলাক বিয়া কৰাইছিল আৰু তাৰ কাৰণে তেখেতে he regulate যে মই একেবাৰে কমাব নোৱাৰো, ৪ লৈকে মই কমাই দিম। That means his line of thinking was not in favour of polygamy. তেওঁৰ line of thinking আছিল যে atleast মোৰ সময়ত মই ৫০ ৰ পৰা কমাই আনো। তাত কোৱা হৈছিল যে প্ৰথম গৰাকী পৰিবাৰৰ যেতিয়ালৈকে concent পোৱা নাযায় তেতিয়ালৈকে আমি দ্বিতীয় গৰাকীক বিয়া কৰাব নোৱাৰো আৰু বিয়া কৰালেও ইছলামত তাক কেতিয়াও মানি ল’ব পৰা নাযাব। কিন্তু কাৰ্য্যক্ষেত্ৰত আজি আমি সেই কাম কোনেও নকৰো। প্ৰথম পত্নী গৰাকীৰ দূৰ্দ্দশা আৰু প্ৰথম পত্নী গৰাকীৰ অৱস্থা আজি আমি সকলোৱে দেখা পাওঁ। সেইকাৰণে বিশ্বৰ কেইবাখনো ইছলামিক ৰাষ্ট্ৰই polygamy সম্পূৰ্ণৰূপে বেণ্ড কৰিছে। কাৰণ হজৰত মহম্মদৰ পৰামৰ্শ আজিৰ সমাজে ১০০ শতাংশই মানি নচলে। তেওঁলোকে আইনৰ সৈতে খেলা কৰে। কোন প্ৰথম পত্নীয়ে consent দিব। আপোনালোকে ইছলামত বিশ্বাস কৰে। হজৰত মহম্মদৰ বক্তব্যখিনি আকৌ এবাৰ মনলৈ আনক যে কোন গৰাকী প্ৰথম পত্নী হ’ব যিগৰাকীয়ে consent দিব যে মোৰ স্বামীয়ে দ্বিতীয় এগৰাকীক বিয়া কৰক আৰু কোন জন পুৰুষ হ’ব যিয়ে দুয়োগৰাকীকে সমানে মৰম কৰিব পাৰে আৰু সমানে সন্মান দিব পাৰে। কাৰ্য্য ক্ষেত্ৰত তেওঁ কাৰোবাৰ প্ৰতি অলপ হ’লেও bias হ’বই লাগিব। আজি আপোনালোকে যদি ইছলামক বিশ্বাস কৰে তেতিয়াহ’লে মই বিশ্বাস কৰো যে সময় পৰিবেশৰ লগত পৰিবৰ্তন হয়। কাৰণ In Islamic word Monogamy is the Law, not Polygamy. ইছলামিক Jurisprudence ত কোৱা হৈছে যে polygamy is exception. ইয়াত ইমান সঁচা মুছলমান আছে জানো যিয়ে exception ৰ অধিকাৰী হ’ব

পাৰে। কৰ’বাত নহয় কৰ’বাত আমি আল্লাক ফাঁকি দিব নোখোজো জানো। আল্লাহ ফাঁকি নিদিয়াকৈ দ্বিতীয় বিবাহ কৰ’বাত হয় নেকি? মই জাকিৰ হুছেইন ডাঙৰীয়াক উঠোতে কৈছিলো যে তেওঁৰে সন্মুখত জীৱন্ত প্ৰমাণ আছে। কৰ’বাত নহয় কৰ’বাত প্ৰথম গৰাকী পত্নীয়ে মনত দুখ লৈ গোটেই জীৱনটো অতিবাহিত কৰে আৰু সেই ব্যক্তিজনো প্ৰকৃত মুছলমান হোৱাৰ পৰা বঞ্চিত হয়। .বাৰে বাৰে মই কৈছো এই আইনখনে .মানুহক প্ৰকৃত মুছলমান হ’বলৈ শিকাব। কাৰণ বিশ্ব নবী হজৰত মহম্মদে কৈ গৈছিল যে monogamy is the law. Consent ল’লেই নহ’ব, গোটেই জীৱনটো fear থাকিব লাগিব। দ্বিতীয়তে ইয়াত যুক্তি দিয়া হৈছে যে প্ৰথম গৰাকীয়ে সন্তান জন্ম দিব নোৱাৰিলে কি হ’ব, বেমাৰ হ’লে কি হ’ব। আপুনি জীৱন ভৰ সেই মহিলা গৰাকীক সেৱা কৰি থাকিব লাগিব। বজাৰৰ পৰা আমি চবজি কিনা নাই যে ভাল আৰু বেয়া বাচি ল’ব। এগৰাকী মানুহৰ স্বামী কোন হ’ব বা পত্নী কোন হ’ব সেইটো আল্লা বা ইশ্বৰে ঠিক কৰি পঠিয়াই দিয়ে। সন্তান জন্ম দিব পৰা নাই, যদি দ্বিতীয় গৰাকী বা তৃতীয় গৰাকী বা চতুৰ্থ গৰকীয়েও নোৱাৰে তেতিয়া কি ইছলামে পঞ্চম গৰাকী বিয়া কৰোৱাৰ অনুমতি দিব। গতিকে এই ধৰণৰ কথাই আমাক সভ্যতাৰ পৰা দূৰলৈ লৈ যায়। আমাৰ কিমান মানুহ আছে যাৰ সন্তান নাই কিন্তু কোনেও পত্নী গৰাকীক ডিভোৰ্চ নকৰে। তাতকৈ এগৰাকী মহিলাৰ কাৰণে অপমান কি হ’ব পাৰে। এই শব্দটোত যিসকলে আজি মন্তব্য দিছে তেওঁলোকৰ সমষ্টিৰ মহিলাই যদি শুনে যে মই সন্তান জন্ম দিব নোৱাৰাৰ কাৰণে মই সতিনীক মাতি আনিব লাগিব। তাৰ মানে এগৰাকী মহিলাক তাতকৈ আৰু অপমান কৰাৰ আৰু আন শব্দ থাকিব নোৱাৰে। সন্তান জন্ম দিব নোৱাৰাৰ কাৰণ সকলো সময়তে মহিলা গৰাকী নহয়। সন্তান জন্ম নোহোৱাৰ কাৰণ পুৰুষ গৰাকী নিজেও হ’ব পাৰে আৰু এনে ধৰণৰ শব্দৰ কাৰণে Supreme Court য়ে বাৰে বাৰে কৈ আছে time has come to adopt Uniform Civil Code. মাননীয় বিধায়ক আমিনুল ইছলাম ডাঙৰীয়াই ঠিক কথাই কৈছে যে UCC ৰ ফালে আগবাঢ়ি গৈ আছে নেকি? মই প্ৰতিশ্ৰুতি দিছো যদি অসমৰ মুখ্যমন্ত্ৰী হৈ মই উভটি আহিব পাৰো UCC সদনত মই আনিম। মোক যিমান পাৰে ৰখাই লওঁক। যোনে যেনেকৈ পাৰে ৰখাই লওঁক। মোক যদি ৰখাব নোৱোৰে সদনৰ প্ৰথম অধিবেশনতে অসমত UCC আহিব। গতিকে মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ দায়িত্ব বাঢ়িল। মোক ৰখোৱাৰ। মোক ৰখোৱাৰ দায়িত্ব আপোনাৰ বাঢ়িলে । আপোনালোকে আৰু কষ্ট কৰক যাওঁক আৰু চেষ্টা কৰক যাতে আপোনালোকে আমাক ৰখাব পাৰে আৰু আমাক যদি ৰখাব নোৱাৰে, মই আপোনাক commitment দিলো অসমত মই UCC আনিহে এৰিম।

**শ্ৰী অখিল গগৈ, বিধায়ক (শিৱসাগৰ )** ঃ কিন্তু পৰিবেশটো এনেকুৱা দেখা গৈছে যে আপুনি ৰ’ব যেন লাগে এইবাৰ।

**মাননীয় অধ্যক্ষ** ঃ please, Hon’ble Member, বহিও অনুভৱ কৰিব পাৰিব।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয় , খন্তেক সময় পিছত আমি জীয়াই থাকিম নে নাই তাৰে সিদ্ধান্ত মই ল’ব নোৱাৰো, ওলাই যাওঁতে কিজানি গাড়ীখনত accident হয়। আপুনিও আপোনাৰ জীৱনৰ দায়িত্ব ল’ব নোৱাৰে যিজন মানুহে নিজৰ জীৱনৰ দায়িত্ব ল’ব নোৱাৰে, তেওঁ ক’ব পাৰিব নেকি মই অহাবাৰ অসমৰ মুখ্যমন্ত্ৰী হ’ম বুলি বা আপুনিও ক’ব পাৰিব নেকি ৰখাব পাৰিম বুলি। নেদেখাজনে সিদ্ধান্ত লয়, অসমৰ মানুহে সিদ্ধান্ত ল’ব। কিন্তু আপোনাৰ ভাষাতে কৈছো ভুলতে যদি ইয়াত আহো প্ৰথম UCC টো কৰিম। ভুলতে যদি আহো প্ৰথম UCC আৰু মই ধন্যবাদ জনাইছো আমিনুল ইছলামক যে আপুনি মোৰ পেটৰ কথা জানিলে, যে

হয় এডেও দুডেওঁ কৰি লোটা নিয়াৰ চৌ একদম correct কথা কৈছে।

**ড° ৰফিকুল ইছলাম, বিধায়ক, (জনীয়া)** ঃ Six schedule বাদ দি কেনেকৈ UCC ৰ কথা ক'ব। handicap হ'ব UCC নহয়।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, (মুখ্যমন্ত্ৰী) ঃ** handicap খনকে আহকচোন জনীয়া বাঘবৰ চলি যাব বাকী কথা পিছত হ'ব। মাননীয় অধ্যক্ষ মহোদয় আমাৰ টাৰগেটত কি আছে, লুকাই টো লাভ নাই চিধা কৈ দিব লাগে , আমাৰ target আছিল ban on polygamy, হৈ গ'ল. ban on child marriage, 21 and 18 years আছে age, মোক যদি ভগবানে শক্তি দিয়ে আল্লাহ, ঈশ্বৰে, অহাবাৰ মহিলাৰ বিয়াৰ নুন্যতম বয়স হ'ব ২১ বছৰ । ১৮ ৰ পৰা আমি ২১ লৈকে লৈ যাম, অধ্যক্ষ মহোদয়, mandatory registration of all marriages, no instant divorce তালাক বুলিলে তালাক হ'ব নোৱাৰিব। no instant divorce, কি কি কৰিম মই agenda কৈ আছো equal rights in divorce proceeding, cruelty, desertion, adultery, impotence, পুৰুষ মহিলা দুইগৰাকীকে পৰীক্ষা কৰাব লাগিব এগৰাকীক দোষ দিয়াৰ system নহ'ব। অধ্যক্ষ মহোদয় নাড়ীৰ সবলীকৰণ, equal inheritance আজিও ইছলামে ছোৱালীক আজিৰ পৰ্য্যয়ত আমাৰ ল' হজৰত মহম্মদৰ নহয়,

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ )** ঃ মই আপোনাক এটা অনুৰোধ কৰিব খুজিছিলো, যে অসমৰ মাটিৰ যিটো পট্টা সেইটো পুৰুষ আৰু মহিলা দুয়োজনৰ নামত দিয়াৰ কাৰণে ব্যৱস্থা কৰিব লাগে। মাটিৰ পট্টা অকল পুৰুষৰ নামত থাকে দুয়োজনৰ নামত থাকিব লাগে তেতিয়া আৰু এনেদৰে খেদিব নোৱাৰে।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মুখ্যমন্ত্ৰী ঃ** মোক কৈ যাব। ban on নিকা হালালা মোটা, temporary বিয়া হয়, মই ক'লো নহয় অসমত নাই , মই নিজেই ক'লো আপোনালোকক মই ধন্যবাদ জনালো,অসমৰ মাটিয়ে অসমৰ ইছলামিক সমাজকো পৰিবৰ্তন কৰিছে বিযেশকৈ বঙ্গীয় পূৰ্ব দেশৰ পৰা অহা। আপোনালোকৰ এই communal শব্দ বিলাক মই ব্যৱহাৰ নকৰো। কাৰণ মই জানো মাটিয়ে মানুহক পৰিবৰ্তন কৰে। মোটা marriage আমি বন্ধ কৰিব লাগিব, নিকাহ হালালা আমি বন্ধ কৰিব লাগিব, চিয়াৰ মাজত আছে, ডিব্ৰুগড়ত আছে। মই এক ফালৰ পৰা কৈ গৈছো আপোনালোকে মোৰ agenda জানিব খুজিছিল । গতিকে মই গোটেইখিনি এজেণ্ডা কৈছো। এতিয়া আহিছে যে চৰিয়া আইন থাকোতে এই আইনখনৰ গ্ৰহণ যোগ্যতা ক'ত? অধ্যক্ষ মহোদয় আমি সকলোৱে ইয়াতে বিধায়ক হিচাবে যেতিয়া আহো we become automatically students of Law আমাৰ কি কি পাৰাৰ আছে , আমাৰ কি কি পাৰাৰ নাই তাক আমি নিশ্চিত ভাৱে জানিব লাগে। 254(II), আপুনি ১৩- ১৪ ৰ কথা কৈছে । সংবিধানত প্ৰথম আছে Directive Principles কৰা হৈছিল। মহামানৱ মহাত্মাগান্ধী নিৰ্দেশত Directive Principles of State Policy adopt কৰা হৈছিল। তাত কোৱা হৈছিল যে The State will implement uniform civil code, ban on polygamy is a direction towards uniform civil code. So, we have Constitutional mandate equality before law. Article 14. We have Constitutional mandate but 1937 Soria Act, that is a restriction, we can not adopt a Law, Parliament য়ে এইখন আইন কৰিব লাগিব। Now what is the way we can implement the Law. Expert Committee য়ে কাম কৰিছিল and they are of the opinion,

Article 254(II) যেতিয়া Parliamentৰ আইনৰ বিৰোদ্ধে গৈ State Legislature য়ে কিবা আইন প্রনয়ন কৰে,তাত ৰাষ্ট্রপতিৰ accent লাগিব। ৰাষ্ট্রপতিয়ে যদি accent দিয়ে, concurrent list ৰ যিকোনো subject ৰ ওপৰত Parliamentary Act থাকিলেও Article 254(II) State Legislature is competent to enact a law provided President of India gives accent to it সেই কাৰণে এই আইনখন ৰাজ্যপালে অনুমোদন নজনাব। This Act will be reserved for Presidential accent আৰু নিশ্চয়কৈ আপোনালোকে আন্দাজ কৰিব পাৰে যে আইনখন অনাৰ আগতে কেন্দ্রীয় চৰকাৰৰ লগত নিশ্চয়কৈ I have taken their advice, I Have taken their consent at an informal level. Because this activity is going on for last two and half years আৰু লুকাই নহয় পেপাৰত বিজ্ঞাপন দি, আজি বিধান সভাই আইন পাছ কৰিব we reserved it for the accent of president of India. আৰু যেতিয়ালৈকে ৰাষ্ট্রপতিৰ চহী নহয়, এই আইনখন কাৰ্য্যকৰীকৰণ হ'ব নোৱাৰে। গতিকে আপোনালোকৰ কোনোবাই যদি বিচাৰে memorandum দিব। আপোনালোকে দিব পাৰে। কিন্তু আমি আমাৰ দায়িত্ব পালন কৰি আজি আমি এই আইনখন ৰাষ্ট্রপতি মহোদয়ালৈকে পঠাই দিম। ৰাষ্ট্রপতি মহোদয়া নিজে মহিলা গতিকে মই সন্দেহো কৰা নাই যে এই আইনখন অনুমোদন ন'হব বুলি। অধ্যক্ষ মহোদয় সুমন হৰিপ্রিয়া ডাঙৰীয়ানীয়ে কোৱাৰ দৰে আৰু এখন আইন এই সদনৰ সময়ছোৱাৰ ভিতৰতে আমি আনিব লাগিব Law against deceptive marriage সহজ ভাষাত আমি এটা বেলেগ শব্দ কওঁ কিন্তু সদনৰ ভিতৰত সেই শব্দটো মই ক'ব খোজা নাই। কিন্তু দুটা শব্দতে আমি কৈ দিওঁ সেইটো এটা বেলেগ কথা। কিন্তু Law against deceptive marriage যিখিনি সুমন হৰিপ্রিয়া ডাঙৰীয়ানীয়ে ক'লে, এইখিনি সংলগ্ন কৰি ফেব্রুৱাৰীৰ শেষ বিধান সভাত আমি সেই বিলখনো আনিম। তাৰ মানে যিমানখিনি নিৰ্বাচনৰ সময়ত মিটিঙত কৈছিলো লেণ্ড জেহাদ, লাভ জেহাদ যিমান কৈছিলো, প্রত্যেকটো কথায়ে অৰুনোদয়ৰ পৰা ১ লাখ চাকৰিলৈকে। অসমৰ ইতিহাসত এইখন চৰকাৰে থাকি যাব যিখনে এশ শতাংশ কমিটমেন্ট পুৰা কৰিছে।

**শ্রী অখিল গগৈ, বিধায়ক ,(শিৱসাগৰ)** ঃ আপুনিটো অৰুনোদয়ত ৩ হাজাৰ টকা কৈ দিম বুলি কৈছিল প্রতিগৰাকী মহিলাক। চাহ শ্রমিকৰ মজুৰীটো কিমান দিব।

**ড০ হিমন্ত বিশ্ব শৰ্ম্মা, মুখ্যমন্ত্রী** ঃ মইটো এতিয়া বেছি চিন্তা কৰি আছো। আপুনি ১ জানুৱাৰীত মোৰ প্রেছ কনফাৰেঞ্চ শুনিব। চাহ শ্রমিকে যিমান বিচাৰিব সিমান দিম। শুনক অখিল গগৈ ডাঙৰীয়া, আপোনাৰ যেতিয়া গোটেই কাৰ্ড বিলাক শেষ হৈ যায়, তেতিয়া আপুনি নতুন কাৰ্ড কিয় লাগে। কিন্তু লগে লগে মোৰ মূৰত বুদ্ধি এটা দিয়ে কাৰণে মই প্রতিপক্ষ পোৱা বস্তু বিলাকৰ পৰা Idea ওলাইলম। আজি আপুনি মোক আৰু এটা Idea দিলে যে অৰুণোদয় টো আৰু অলপ ভালকৈ কৰি দিব লাগে।

**শ্রী অখিল গগৈ, (শিৱসাগৰ)**ঃ- ৩ হাজাৰকে সকলোকে দিয়ক। আপোনাৰ assurance আছিলে ৩ হাজাৰকে দিম বুলি ।

**ড০ হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্রী)**ঃ- **কিজানি** ৩১০০ হৈ যায়।

**শ্রী অখিল গগৈ, (শিৱসাগৰ)**ঃ- অৰুণোদয় সকলো মহিলাকে দিব। ইয়াতে ৫০ শতাংশ হে হৈছে।

**ড০ হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী , অসম)ঃ-** সকলোকে দিব নোৱাৰি। সকলোকে যিয়ে চলিব পাৰে তাক কিয় দিম। আপোনাৰ আৰু মোৰ পৰিবাৰক কিয় দিম?
**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** চাকৰি থকা মানুহ বিলাকক দিব নালাগে।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ-** মানে কংগ্ৰেছক হৰুৱাবৰ কাৰণে আপুনি যিমান পৰামৰ্শ দিব লাগে সেইখিনি indirectly কৈ দিয়ে। য'ত অখিল গগৈ থাকে তাত আৰু শত্ৰু আৰু বন্ধু নালাগে। ইমান দিনে এইটো মোৰ মূৰত সোমোৱা নাছিলে যে কিবা এটা সৰু অৰুণোদয়ত কৰিব পাৰি ধন্যবাদ। আপোনালোকৰো ধন্যবাদ, আপোনালোকৰ হাৰা ৰাস্তাটো Clear কৰি দিলে। আপুনি এতিয়া মনোৰঞ্জন তালুকদাৰ মাল শব্দটো ব্যৱহাৰ কৰি গৈছে। অধ্যক্ষ মহোদয়ে expunge কৰা নাই। যেতিয়া মাল শব্দটো মনোৰঞ্জন তালুকদাৰে উল্লেখ কৰিলে অধ্যক্ষ মহোদয় expunge কৰা নাই। তাৰমানে House ত এইটো শব্দ ক'ব পাৰি? গতিকে অখিল গগৈ মালতো কাৰ?
**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ** এই আপোনাৰ Below standard হৈ গ'ল।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী )ঃ-** মনোৰঞ্জন তালুকদাৰে কোৱাটো উঠাই দিয়ক আৰু মই কোৱাটো উঠাই দিয়ক মোৰ কোনো আপতি নাই।
**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মই শব্দ কোৱাটো মালটো টকা।
**মাননীয় অধ্যক্ষ মহোদয়ঃ-** Please Hon'ble Minister .

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ-** এতিয়া ১ জানুৱাৰী মোৰ Press Conference টো আপোনালোকে মনত ৰাখিব। অখিল গগৈ ডাঙৰীয়াই ব্যক্তিগত ভাৱেতো মোক পৰামৰ্শ নিদিয়ে। কথা বাৰ্তা কম পতা যায়, সেইকাৰণে এনেকুৱা মঞ্চৰ ব্যৱহাৰ কৰি হ'লেও তেওঁ মোক কিছু পৰামৰ্শ দি দিয়ে। যাতে কংগ্ৰেছবিলাকৰ দুৰ্গতি হ'ব পাৰে। আৰু Alliance কথা মিটিং গৈ বিয়া বাৰুৰ কথা পাতিব। আজি লৈকে কোনোবাই সুধিছেনে? ইমান ডাঙৰ Alliance ৰ মিটিঙত তেখেতৰ বিয়া পাতক, চৰকাৰ নাহিলেওতো তেওঁ বিয়া পাতিব লাগিব। চৰকাৰ আহিলহে কিয় বিয়া পাতে। ৰখি আছে। চৰকাৰ নাহিলেও বিয়া পাতিব লাগিব।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-**এটা problemকি জানে? আপুনি যেতিয়া থাকে বেলেগে পতকে কথা কবলৈ ভয়. কৰে। গতিকে বিজেপি ভিতৰত এনেকুৱা ঘৰুৱা কথা বিলাক নোলায়। আমি সকলো মিলা প্ৰীতিৰে থকাৰ কাৰণে ঘৰুৱা কথা পাতো। ঘৰুৱা কথাতোক আপুনি এনে ডাঙৰ কৰি দিয়ে।
**মাননীয় অধ্যক্ষ ঃ** Please
**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতিঃ-** ছাৰ অলপ প্ৰসংগলৈ আনি দিয়ক।
**মাননীয় অধ্যক্ষ ঃ** Please Hon'ble Member আৰু বহুত বিল আছে আমাৰ।

**ড° হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ-** যেতিয়া মই ক'লো অখিল গগৈ কাৰ মানুহ , মনোৰঞ্জন তালুকদাৰ ক'লে আপোনাৰ মানুহ।

মাননীয় অধ্যক্ষ মহোদয়ঃ Please Hon'ble Member Please sit down. Please silent .

**ডঃ হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ-** এইটো মই লগাই দিছো। আপুনি Video চাব। অখিল গগৈ ডাঙৰীয়াই Video চাব লাগে, মই যেতিয়া কলো অখিল গগৈ ডাঙৰীয়া কাৰ মানুহ মনোৰঞ্জন তালুকদাৰে আমাৰ ফালে দেখুৱাই দিছে। আপুনি আজি Video টো চাব কিন্তু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই অলপ ভূল দিছে, মই লাহেকৈ আতৰি দিছো আঙুলিটো যাতে পীযুষৰ ফালে যায়। এইটো মোৰ নহয় মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** ছাৰ, ঘাটিয়া শব্দটো expunge কৰিব লাগে নেকি ?

**মাননীয় অধ্যক্ষ ঃ** নালাগে। অসমীয়া শব্দ

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)ঃ-** ঘাটিয়া শব্দতো এজন মানুহৰ ক্ষেত্ৰত বিদাট খাতে।

**ডঃ হিমন্ত বিশ্ব শৰ্মা (মুখ্যমন্ত্ৰী)ঃ-** অধ্যক্ষ মহোদয়, Election হওঁক নহওঁক , জিকক হাৰক সেই নেতাজনৰ বিয়া কিন্তু আমি চবেই খাব লাগিব। সেইটোৰ লগত হাৰা জিকাৰ কোনো কথা নাই। বিজেপি ত বিয়া বাৰুৰ কথা পাতিলে আমি conditional হে পাতো। অই তোৰ বয়স হৈছে বিয়া ক'ৰ। ঘৰত দেউতা মা ৰখি আছে, মাক বোৱাৰী এগৰাকী লাগে বিয়া পাত। আপুনি Condition দিছে Election জিকিলেহে বিয়া কৰিব। হাৰি গ'লে কি হ'ব তাৰ মানে গোটেই জীংনটো বিয়া নাপাতিব নেকি ? সেইকাৰণে মই কৈছো যে অখিল গগৈৰ দৰে বন্ধু থাকিলে আৰু বেলেগ নালাগে, চলি যাব , মাননীয় অধ্যক্ষ মহোদয়, যি নহওঁক পবিত্ৰ সদনক মই ধন্যবাদ জনাইছো। আৰু স্বাধীনতাৰ ইমান বছৰৰ পিছত এই বিলখনক অসমৰ নিপীড়িত, নিষ্পেষিত সমাজৰ মহিলা সকললৈ আমাৰ শ্ৰদ্ধাঞ্জলি বুলি ধৰি ল'ব লাগে। ইয়াতে যিটো পুলিচৰ কথা কৈছে, মই এই Line টো আপোনালোকক পঢ়াই দিছো যাতে আপোনালোকৰ Confusion নাথাকে-- The Gaoburah Village at Kaji-- parent or Legal Guardian of the contracting party of the Polygamous Marriage shall if this honestly, this act of provision is not applicable. These honestly fraudulently hide it and intentionally take part in performance and solemnization of Polygamous Marriage shall be punished with 2 years and fine of Rs.1 lakh. তাৰমানে যেতিয়ালৈকে তেওঁ Honest থাকিব যে বিয়া কৰিছে নিজে কৰিছে মোৰ ক'ব লগীয়া একো নাই। মই নাজানো। মই জানিছো কিন্তু মোৰ ইয়াত সন্মতি নাই। There is no Prematative Action against that person. So these clause will be applicable. এই Actটো কি? যেনেকৈ যিকোনো Murder case ত এটা Group মিলি তেওঁলোকে Conspiracy কৰিছিল ইয়াতে তেতিয়াহে এই Provision টো applicable হ'ব যদি কোনোবা দেউতাক মাকে encourage কৰে। যে প্ৰথম জনি ঘৈনীয়েকে সন্তানে জন্ম দিব পৰা নাই। এই দ্বিতীয়জনী বিয়া কৰা। যিটো আপোনালোকে কৈ আছিলে। প্ৰথমজনি বেমাৰ হ'ল, দ্বিতীয় গৰাকী কৰা। যদি দেউতাক মাকে -if they became friends and become partners in crime, কাজি-- if he become partner in crime. নিয়ম মতে তেওঁৰ Punishment equal হ'ব লাগিছিল ৭-৮ বছৰ। কাৰণ তেওঁলোকে aged হ'ব, সেইকাৰণে knowing that they are partners in crime আমি এইটো cognizable

offence কৰা নাই। It is a non-cognizable offence.২ বছৰ মানে পুলিচও গ্ৰেপ্তাৰ কৰিব নোৱাৰে । কোৰ্ট হে decision ল'ব পাৰে। যিটো মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কৈছে যে পুলিচ will misuse cognizable offence. নহ'লে It is a non-cognizable offence. গতিকে পুলিচে একো কৰিব নোৱাৰে। In this case only trial court can take action against that.ইয়াত গ্ৰেপ্তাৰ কৰাৰ provision **নাই**। It is a bailable section of law.সেইকাৰণে কোৰ্ট যে যদি ultimately decide কৰে যে ল'ৰাজনে বিয়া কৰাৰ ইচ্ছা কৰা নাছিল। বাপেকে মাকে খুন্দিয়াই থাকিলে, তোৰ প্ৰথম জনি ঘৈনীয়ে সন্তান জন্ম দিব পৰা নাই। সন্তান জন্ম দিব পৰা নাই। সন্তান জন্ম দিব পৰা নাই, গতিকে অতিষ্ঠ হৈ দ্বিতীয় বিবাহ কৰালে । Then more than the boy, দেউতাক মাক বেচি দোষী হয়। When they will be the partner in the crime তেতিয়া হ'লে Provision will be effected if they are not partner of the crime then this provision will not applicable. আপোনালোকে এই provision টো পঢ়ি ল'লে দেখিব তাত কেইবাটাও rider দিয়া হৈছে dishonestly fradulently, intentionally ইয়াত কেইবাটাও rider দিয়া হৈছে। So that police can not touch them. আৰু ইয়াত Offence আমি মাত্ৰ ২ বছৰহে ৰাখিছো Court can punish not by the police. অধ্যক্ষ মহোদয় পুনৰ এবাৰ আমাৰ সকলোকে ধন্যবাদ জনাম আমাৰ অসমৰ বিধান সভাৰ ইতিহাসত যি সমূহ আইন আজি লৈকে সমাজক পৰিবৰ্তন কৰাৰ ঐতিহাসিক আইন পাচ হৈছে এইখন বিধান সভাত তাৰ ভিতৰত আমাৰ এইখন বিধান সভাই এনে এক মহা সামাজিক সংস্কাৰকৰ সাক্ষী হৈ থাকিব পাৰিব। আমাৰ প্ৰতিজনৰ বাবে ই এক গৌৰবৰ মূহৰ্ত প্ৰতি জনৰ বাবে ই গৌৰবৰ ক্ষণ এই আইন খন সৰ্বসন্মতিক্ৰমে যাতে অসমৰ নাৰী সমাজলৈ এটা Message যায় যে This House is united in safeguarding their interest irrespective of religions সেই বাৰ্তাটো যাতে দিব পাৰো তাৰ বাবে মই সকলোকে অনুৰোধ কৰিম যাতে আপোনালোকে সকলো এই আইন খন পাৰিত কৰে

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ ছাৰ মোৰ মাত্ৰ এটা কথা আছে মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক এটা কথাই সুধিব খুজিছো আজি আমি বহুত কথাই পাতিলো মোৰ ভালো লাগিছে আমাৰ মাজত ৰাজনৈতিক পাৰ্থক্য থাকিব পাৰে কিন্তু বিধায়ক হিচাপে কিছুমান ক্ষেত্ৰত আমি সহমত পোষণ কৰিব লাগিব। কিন্তু মুখ্য মন্ত্ৰী ডাঙৰীয়াই সকলো কথাই কলে কিন্তু আপুনি এটা ডাঙৰ প্ৰতিশ্ৰুতি দি থৈছিল যে Micro Finance ৰ ১২,৫০০ কোটি টকা মাৰি দিব।

**মাননীয় অধ্যক্ষ** ঃ গগৈ ডাঙৰীয়া আপুনি বহক, আমাৰ বহুতো বিল আছে।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ ছাৰ, মইও উত্তৰটো পালে ভাল পালো হয়।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয় অসমত Micro Finance ৰ কেইবাটাও Slab আছে। ৫০ হেজাৰ টকা লৈকে যাৰ লোন আছে, তেওঁলোকৰ লোন আমি ৰেহাই দিছো আৰু সকলোকে আমি NOC দিছো। ৫০ হেজাৰতকৈ অধিক লোন ল'লে They do not quality to the definiation of Micro Finance. ২ লাখ টকা লৈকে আছে আৰু আমি তেখেত সকলৰ লগত কথা পাতিছো যে আপোনালোকে defination ত নাহে কিন্তু আপোনালোকৰ সুদখিনি আমি দি দিম কিন্তু লোন খিনি আপোনালোকে ৫০ শতাংশ দিয়ক আৰু ৫০ শতাংশ আমি মাৰি দিম তাৰ এটা আলোচনা কৰি আছো আৰু নিশ্চিত ভাৱে আমি জনাম। ২

লাখ লোন মানে Micro Finance ত নপৰে আমি ৫০ হেজাৰৰ লৈকে ১৪ লাখ মহিলাৰ লোন আমি মাৰি দিছো আৰু বাকী খিনি আলোচনাৰ পৰ্য্যায়ত আছে।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মাননীয় অধ্যক্ষ মহোদয় মোৰ এটা অনুৰোধ আছে যে আইন খনৰ ৭ নম্বৰ দফাত Police যি Access power আছে সেইটো যদি re-write কৰে বা select committee লৈ যায় তেতিয়া হলে ভাল হয়। কাৰণ মই অভিজ্ঞতাৰ ফালৰ পৰা কৈছো যে police ক কোনো ধৰণ Access power দিব নালাগে। এই দফা ৭ নং অনুসৰি ।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ মাননীয় সদস্য গৰাকীৰ concern টো মই ধন্যবাদ জনাইছো। কিন্তু তেখেতে dispassionately যদি চাই তেতিয়া দেখিব কাৰাবাসটো হৈছে ২ বছৰ। 2 years impriosnment টো Non cognizable offence ইয়াত পুলিছে কৰায়ত্ত কৰিলেও লগে লগে জামিন দিব লাগিব। আৰু এই আভিযোগটো অকল আদালতে হে ঠিক কৰিব। মই যদি re-write কৰো তেতিয়া হলে পুলিছৰ অধিকাৰহে বাঢ়িব। এই Clause টো এনেকৈ বনোৱা হৈছে যাতে পুলিছ ইয়াত সুমাব নোৱাৰে অকল trial court হে chargsheet দিয়াৰ পিছত সোমাব পাৰিব। গতিকে আৰু অলপ আলোচনা কৰো যদি এনেকুৱা কিবা আছে কিছুমানে কৈছে পুলিছৰ Power আছে কিন্তু মোৰ মতে পুলিছৰ Power নাই।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ Select Committee ৰ কথাটো কি হ'ব।

**ডº হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী)** ঃ এই বিলখন যদি Select Committee লৈ যায় তেতিয়া হ'লে আমি নিজে নিজক defeat কৰা হ'ব আৰু মহিলা সমাজে আপোনাকো বেয়া পাব মোকো বেয়া পাব। গতিকে যদি কিবা সংশয় থাকে তেতিয়া হ'লে তাক সংশোধনৰ ৰাস্তা আছে। কিন্তু আজিৰ দিনটোত এই বিলখন আমি সুন্দৰ পৰিবেশত সকলোবে লগ লাগি পাৰ কৰি দিব লাগে।

**ডº ৰফিকুল ইছলাম, জনীয়া** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই দুটা কথা কব বিচাৰিছো যে আমি বিশ্লেষণ কৰি গম পালো যে এই আইনখন অসমৰ যি অঞ্চলৰ কাৰণে আনিব বিচাৰিছে তাক আমি দুটা ভাগত বিভক্ত কৰিব পাৰো, মুছলমান আৰু অমুছলমান। এই বিলখন পাচ হৈ যোৱাৰ লগে লগে অমুছলমানৰ ওপৰত কালিৰ পৰাই বলবৎ হৈ যাব। কিন্তু মুছলমানৰ কাৰণে এইখন Pending হৈ থাকিব ৰাষ্ট্ৰপতিৰ সন্মতি লৈকে। আচলতে এইটো এটা দীঘলীয়া সময় লব গতিকে এইখন Select Committee দিয়াত কোনো অসুবিধা নাছিল কিন্তু তেখেতে যদি দিব নিবিচাৰে আৰু তেখেতে ইছলাম সম্পৰ্কে যি খিনি বিশ্লেষণ কৰিলে Prophet মহম্মদৰ ওপৰত। ৮০ শতাংশ তেখেতে ঠিক কথাই কৈছে কিন্তু ২০ শতাংশত There is something. Being a muslim আৰু এজন ভাৰতীয় হিচাপে আৰু মোৰ যিহেতু কোৰাণৰ ওপৰত কিছুসংখ্যক জ্ঞান আছে আৰু তেখেতে ঠিকে কৈছে এই Prophet মহম্মদৰ দ্বাৰা আমাক উৎসাহিত কৰা নাই আৰু এইটো বাধ্যতামূলক নহয় আৰু উৎসাহিত কৰিলে বেছিভাগ মুছলিম মানুহৰে বহুবিবাহ থাকিল হেতেন। কিন্তু আজি যে  হৈ আছে ইয়াৰ অৰ্থ ইছলামে উৎসাহিত কৰা নাই। এইটো ভাল কথা নহয় ন্যায়টো ইমান সহজ নহয়, আমাৰ Prophet বাৰ বাৰ কৈছে ন্যায় দিব নোৱাৰিলে দ্বিতীয় বিবাহ নকৰিবা। ইয়াত উৎসাহিত কৰা নাই মানুহে নিজৰ ইচ্ছা মতে কৰিছে।

**অধ্যক্ষ** ঃ ইয়াত আৰু Debate নহয়।

**ডº ৰফিকুল ইছলাম, (জনীয়া)** ঃ কিন্তু কোৰাণে মোক অনুমতি দিছে মই মোৰ Option লোৱাত আৰু মই এই ক্ষেত্ৰত এক মত নহয়। আমাৰ শ্বৰিয়ত আইন ১৯৩৭ মতে Option টো লব

পাৰে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম)** ঃ প্ৰথম কথা হৈছে যে মুখ্যমন্ত্ৰী ডাঙৰীয়াই গোটেই খিনি কলে কিন্তু ইয়াত আইন খনৰ Jurisdiction ৰ কথাটোত পক্ষ্য পাতিত্ব দেখা যায় যিহেতু 6th Schedule অঞ্চল বিলাক এই আইন খনৰ আওতাৰ পৰা বাহিৰত ৰাখিছে সেইটো ঠিকে কৰিছে কিয়নো 6th Schedule অঞ্চলত একেধৰণৰ আইন আহি যাব পাৰে কিন্তু 6th Schedule area ৰ বাহিৰৰ অঞ্চল বিলাকত community based যিটো discrimination কৰা দেখা গৈছে।

**মাননীয় অধ্যক্ষ** ঃ 6th Schedule area ৰ মানুহে ২/৩ টা বিয়া কৰা বুলি ভাবিব।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (গোৱালপাৰা পশ্চিম)** ঃ 6th Schedule area ৰ কাৰণে একে ধৰণৰ আইন আহিব মুখ্য মন্ত্ৰীয়ে যিটো আশা কৰিছে সেইটো ভাল কথা কিন্তু 6th Schedule area বাহিৰৰ অঞ্চলত যদি community based discrimination হয় তেতিয়া হ'লে এইটো বেয়া কথা হ'ব। এই আইনখন Uniform হব লাগে। আৰু মুখ্যমন্ত্ৰী মহোদয়ে মুছলমান সম্পৰ্কে যিটো কথা কৈছে তথ্যই কিন্তু সেইটো কথা নকয়। আমি বহুবিবাহ সমৰ্থন নকৰো কিন্তু মুছলমানকলৈ বহুতে এটা ভুল ধাৰণা লৈ থাকে মুছলমান মানুহে বহুবিবাহ কৰে এই ভুল ধাৰণাটো থাকিব নালাগে মই সদনৰ পৰা আহ্বান জনাইছো কিন্তু মোৰ আবেদন থাকিব যে আইন সকলোৰে বাবে সমান হব লাগে আৰু এটা কথা হৈছে পুলিছক যিটো access power দিয়া হৈছে আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়াই শাস্তি যি ধৰণে নিশ্চিত কৰিছে তাত মই আস্বস্ত হব পৰা নাই কাৰণ পুলিছৰ কাৰ্য্য আমি সকলোৱে জানো, আইনত মাত্ৰ থাকিলে হ'ল পুলিছৰ অত্যাচাৰ বাঢ়িব।.এতিয়া মৌখিকভাৱে যিখিনি কথা কৈছে কিন্তু ইয়াতে Act of provision ত ভৱিষ্যতে rule ত আহিব নে নাহে সেইটো নাজানো। হয়তো Rule ত কেনেকুৱা ফ্ৰেম হ'ব, কাৰণ মোৰ প্ৰশ্ন আছিল ইয়াৰ jurisdictional ৰ capacity যিহেতু কংকাৰেণ্ট লিষ্টত এই বস্তু আৰু president ৰ অনুপস্থিতিৰ কথা কোৱা হৈছে গতিকে তাত মই আস্বস্ত, যে বিধান সভাই এই jurisdictional কৰাৰ ক্ষমতা ৰাখে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে, হ'ব।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ কিন্তু যিটো discrimination, সেই discrimination ৰ লগতে আৰু এটা সৰু বস্তু পলিগেমিৰ ক্ষেত্ৰত যিটো পঞ্চায়ত নিৰ্বাচন খেলিব নোৱাৰে কি কৰিব নোৱাৰে আমি কিন্তু এনে ক্ৰিমিনেল চেকচন দেখুৱা হৈছে যে convicted মানুহে চৰকাৰী আঁচনিৰ বেনিফিত খায়।

**মাননীয় অধ্যক্ষ** ঃ নতুনকৈ Debate আৰম্ভ কৰিব নালাগে। হ'ব হৈছে।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা** ঃ কিন্তু ইয়াতে convicted মানুহে পলিগেমিত পৰা মানুহে টোটেল বেনিফিতৰ পৰা যিটো ভাৰতবৰ্ষৰ যিটো প্ৰভিজন সেই প্ৰভিজনৰ সংশোধন আশা কৰি চৰকাৰে সিদ্ধান্ত যি লয় আমাৰ ফালৰ পৰা সহসন্মতি প্ৰকাশ কৰিছো।

**মাননীয় অধ্যক্ষ** ঃ হ'ব। এতিয়া মাননীয় মুখ্যমন্ত্ৰী।

**ড° হিমন্ত বিশ্ব শৰ্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ নাতিদীৰ্ঘ বক্তব্যত মই আমাৰ চৰকাৰ বা আমাৰ বক্তব্য খিনি ৰাখিছো, ইছলামিক law ৰ definitely মই expert নহয়, কিন্তু as a interested person মই ইছলামিক law পঢ়ো বা বুজিব চেষ্টা কৰো। তাৰপৰা মই এটাই বুজিছো যে ইছলামে পলিগেমিক প্ৰমোট নকৰে আৰু এটা কথা মনত ৰাখিব যে

নিজৰ ধৰ্ম নবী আৰু আল্লাক ফাকি দিয়া কামত আমি জড়িত হ'ব নালাগে। দুগৰাকী মহিলাক বিয়া কৰাই দুয়োগৰাকীকে সমান চকুৰে চাব কোনো ব্যক্তিৰ ক্ষেত্ৰত এইটো সম্ভৱ নহয়। এই আইন খন পাছ হলে আপোনালোকে প্ৰকৃত মুছলমান হোৱাৰ সুবিধা পাব। এই আইন খনে আপোনালোকক সুবিধা এটা দিব যে আল্লাৰ চকুত মই চিধা হৈ ক'ব পাৰিম যে নহয় মই তোমাৰ কোনো আইন ভঙা নাই, দুগৰাকী, তিনি গৰাকী বিয়া কৰালে নিজে নিজে আইন ভংগ হ'বই। আৰু সেই কাৰণে মই ভাবো যে এই আইন খন ইছলামৰ বিৰোধী নহয় ইছলামে এটা Acceptional power এটা আপোনালোকক দিছিল, সেই পাৱাৰটো কাক দিছিল Acceptional মানুহক। যি জনে দুই, তিনি, চাৰি গৰাকীক সমানে ব্যৱহাৰ কৰিব পাৰে। আমি কোনো অসাধৰণ ব্যক্তি নহয়। আমি সাধাৰণ মানুহ। কিমান আমি দিনে কি কি কৰি থাকো আপুনি মই আমিতো সকলোৱে ইজনক বুজো, আমি আপোনাক জানো, আপুনি আমাক জানে। আমিতো ৰাজনীতিৰ কাৰণেই কত কি কৰি থাকো। গতিকে আমি অসাধাৰণ নহয়, প্ৰকৃত ইছলামিক ৰাইজে এই আইন খনক আদৰণি জনাব আৰু সেই কাৰণে তুৰস্কৰ দৰে ৰাষ্ট্ৰও পলিগেমি ban কৰিছে, ইছলামিক ৰাষ্ট্ৰ। পাকিস্তানতো arbitration council আছে। বিয়া কৰাম বুলি বিয়া কৰাব নোৱাৰে, কাউন্সিলত যাব লাগে। আৰু কাউন্সিলৰ আগত জবাবদিহি হ'ব লাগে যে দুয়োগৰাকীকে মই সমানে মৰম কৰিম, তিনি গৰাকীকে মই সমানে মৰম কৰিম। এখন ঘৰৰ বায়েক ভনীয়েককে বিয়া কৰাই যাতে দুয়োজনীৰ মাজত শত্ৰুতা নাথাকে। কাৰণ perfect situation এটা ক্ৰিয়েট কৰিব লাগে। আৰু সেই perfect situationটো ক্ৰিয়েট কৰিব পৰা শক্তি আমাৰ ইয়াত নাই। সেই কাৰণে এই আইন খন পাছ কৰক, ই আপোনালোক সকলোকে আল্লাৰ দোৱা পোৱাৰ বাবে শক্তি দিব। গতিকে মই ইয়াত আৰু মোৰ নতুনকৈ উত্তৰ দিব লগীয়া একো নাই, যিমানখিনি মই জানো বুজো মই গোটেইখিনি উত্তৰ দিলো আৰু ইয়াৰ পিছত পবিত্ৰ সদনে সিদ্ধান্ত লওক, মই মাননীয় অধ্যক্ষ মহোদয়ক অনুৰোধ কৰিম যে আপুনি যেনেকৈ প্ৰচিডিং আগবঢ়ায় কিন্তু মোৰ ইয়াতকৈ আৰু বিশ্লেষণ দিবৰ কাৰণে মোৰ শব্দও নাই মই যিমান পাৰো মই চেষ্টা কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰীআমিনুল ইছলাম, (মানকাচৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** হৈছে আৰু। এইটো debate নহয়, debate টো complete হ'ল উত্তৰ হ'ল, এতিয়া আমি চৰ্চালৈ যাওঁ। Please, এইটো শেষ নহয়, আপুনি কলে সকলো কথা কৈ থাকিব পাৰে। এইটো শেষ নোহোৱা বিষয়।

এতিয়া বিধেয়ক খন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। দফা নং ২ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়াৰ লগতে সহযোগী সকল, শ্ৰীহাফিচ বচিৰ আহমেদ লগতে সহযোগী সকল আৰু শ্ৰীমনোৰঞ্জন তালুকদাৰ। গতিকে আপোনালোকৰ সংশোধনী প্ৰস্তাৱ উঠাই ল'ব?

**ড° ৰফিকুল ইছলাম, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কৈ আছিলো যে there is an option. গতিকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে এটা exception হৈ আছে, গতিকে just আমি exception নহয়, practice ত আমিও বিৰোধীতা কৰিছো, justice is not so easy আমি কৈছো, তেখেতে যিখিনি কথা কৈছে।

**মাননীয় অধ্যক্ষ ঃ** গতিকে আপোনালোকে উঠাই নলয়?

**ড° ৰফিকুল ইছলাম, জনীয়া ঃ** আমি উঠাই নলও, আমাৰ থাকিব।

**মাননীয় অধ্যক্ষ ঃ** এইফালে উঠাই ল'ব?

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** অধ্যক্ষ মহোদয়, দফাই দফাই নকৰি as a whole যদি কৰি দিয়ে withdraw কৰিম, দফাই দফাই নহয়, কথাবিলাক ইতিমধ্যে কৈছোৱে।

**মাননীয় অধ্যক্ষ ঃ** কথাটো হ'ল আমি দফাই দফাই আমি ক্লিয়াৰ কৰি যাব লাগিব।

**শ্ৰীআব্দুৰ ৰশিদ মণ্ডল, পশ্চিম গোৱালপাৰা ঃ** মুখ্যমন্ত্ৰী মহোদয়ে হাউচত কোৱা কথাখিনি আস্বস্ত যেনেকৈ police ৰ atrocity নহয় এই কথাখিনি, president য়ে এক্সন ল'ব, গতিকে যিহেতু এইখিনি বিধান সভাৰ এক্ট ইয়াৰ মাজত আৰু মুখ্যমন্ত্ৰীয়ে হাউচত দিয়া প্ৰতিশ্ৰুতি অনুযায়ী আশা কৰো যে পৰৱৰ্তী সময়ত যেতিয়া rule frame হ'ব তাত এই কথা বিলাক নিৰ্দিষ্ট ভাৱে উল্লেখ থাকিব। গতিকে আমাৰ ফালৰ পৰা আমি আমাৰ সংশোধনী উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া মনোৰঞ্জন তালুকদাৰ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই চিলেক্ট কমিটীৰ কথা কৈ আছো আৰু ৭নং চেকচনটো relate কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আপুনি উঠাই নলয়।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ ঃ** উঠাই নলও।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া আমাৰ শ্ৰীহাফিচ বচিৰ আহমেদ ডাঙৰীয়া আৰু শ্ৰীমনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো মই উত্থাপন কৰিছো যি সকল ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো নহয় সপক্ষে, নহয় সপক্ষে, নহয় সপক্ষে সংশোধনী কেইটা নাকচ হ'ল। প্ৰশ্নটো হ'ল যে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৩ ত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৱো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে। দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৪ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু তেখেতৰ সহযোগী আৰু শ্ৰীহাফিচ বচিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী, আপোনালোকে উঠাই লব? উঠাই লৈছে। এতিয়া মই শ্ৰীহাফিচ বচিৰ আহমেদ লগতে তেখেতৰ সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱ সদনত উত্থাপন কৰিছো। যি সকল ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো নহয় সপক্ষে, নহয় সপক্ষে, নহয় সপক্ষে সংশোধনী কেইটা নাকচ হ'ল। প্ৰশ্নটো হ'ল যে দফা নং ৪ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৪ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৫ ত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ৫ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৫ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৬ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় শ্ৰীহাফিচ বচিৰ আহমেদ ডাঙৰীয়া আৰু তেখেতৰ সহযোগী সকল আৰু শ্ৰীমনোৰঞ্জণ তালুকদাৰ আৰু শ্ৰীঅখিল গগৈ। গতিকে অখিল গগৈ ডাঙৰীয়াই উঠাই নলয়?

**শ্ৰীমনোৰঞ্জন তালুকদাৰ, সৰভোগ** ঃ মই বাকী খিনি উঠাইছো।

**মাননীয় অধ্যক্ষ** ঃ বাকী খিনি উঠাইছে, ঠিক আছে। এতিয়া অখিল গগৈ ডাঙৰীয়া।

**শ্ৰীঅখিল গগৈ, শিৱসাগৰ** ঃ অধ্যক্ষ মহোদয়, মই সাধৰণতে কোনো বিলত নুঠাওৰে, কিন্তু মই এইখন বিল ত উঠাইছো। কাৰণ মই বিচাৰো যে মহিলা আৰু পুৰুষৰ অধিকাৰ সমান হ'ব লাগে আৰু পৃথিৱীৰ কোনো পুৰুষে কেতিয়াও দুগৰাকী বিয়া কৰিবই নালাগে।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া মই সদনত দাঙি ধৰিছো। প্ৰশ্নটো হ'ল যে মাননীয় সদস্য শ্ৰীহাফিচ বচিৰ আহমেদ লগতে তেখেতৰ সহযোগী সকলৰ সংশোধনী প্ৰস্তাৱ কেইটা গ্ৰহণ কৰা হওঁক যি সকল ইয়াৰ সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাবো নহয় সপক্ষে, নহয় সপক্ষে, নহয় সপক্ষে সংশোধনী কেইটা নাকচ হ'ল। প্ৰশ্নটো হ'ল যে দফা নং ৬ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৬ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৭ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া আৰু শ্ৰীমনোৰঞ্জন তালুকদাৰ, আপোনালোকে উঠাই লৈছে। দফা নং ৭ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাবো হয় সপক্ষে, হয় সপক্ষে, হয় সপক্ষে দফা নং ৭ বিধেয়ক খনৰ অংশ হ'ল। **এতিয়া দফা নং ৭ ত সংশোধনী প্ৰস্তাৱ আছে । মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া আৰু মনোৰঞ্জন তালুকদাৰ তেখেতসকলে উঠাই লৈছে সেয়েহে দফা নং ৭ বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং-৭ বিধেয়কখনৰ অংশ হ'ল । এতিয়া দফা নং ৮ ত সংশোধনী প্ৰস্তাৱ নাই । প্ৰস্তাৱটো বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ৮ বিধেয়কখনৰ অংশ হ'ল । দফা নং-৯ ত সংশোধনী প্ৰস্তাৱ আছে - মাননীয় শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়া ইতিমধ্যে তেখেতে উঠাই লৈছে গতিকে ৯ নং দফা বিধেয়কখনৰ অংশ হ'ব । এতিয়া যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ৯ বিধেয়কখনৰ অংশ হ'ল । এতিয়া দফা নং-১০ সংশোধনী প্ৰস্তাৱ নাই । গতিকে দফা নং-১০ বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ১০ বিধেয়কখনৰ অংশ হ'ল । দফা নং-১১ ত সংশোধনী প্ৰস্তাৱ আছে । মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়াৰ লগতে সহযোগী শ্ৰীহাফিজ বছিৰ আহমেদ আৰু মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়া তেখেতসকলে সংশোধনীকেইটা উঠাই ল'লে । এতিয়া মই মাননীয় সদস্য হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগীসকলৰ সংশোধনী প্ৰস্তাৱকেইটা উত্থাপন কৰিছো ।**

**যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে সংশোধনী কেইটা নাকচ কৰা হ'ল। এই দফা নং- ১১ বিধেয়কখনৰ অংশ হ'ব। এতিয়া যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো**

'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ১১ বিধেয়কখনৰ অংশ হ'ল । এতিয়া দফা নং -১২ ৰ পৰা ১৪ লৈকে কোনো সংশোধনী নাই গতিকে দফা নং -১২ ৰ পৰা ১৪ লৈকে বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ১২ ৰ পৰা ১৪ লৈকে বিধেয়কখনৰ অংশ হ'ল । দফা নং- ১৫ নং সংশোধনী প্ৰস্তাৱ আছে - মাননীয় সদস্য শ্ৰীমনোৰঞ্জন তালুকদাৰ তেখেতে উঠাই ল'লে সেয়েহে দফা নং-১৫ বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ১৫ বিধেয়কখনৰ অংশ হ'ল। দফা নং ১৬ ত সংশোধনী প্ৰস্তাৱ নাই গতিকে দফা নং- ১৬ বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ১৬ বিধেয়কখনৰ অংশ হ'ল। এতিয়া দফা নং-১৭ সংশোধনী প্ৰস্তাৱ আছে । মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়া তেখেতে উঠাই ল'লে সেয়েহে দফা নং-১৭ বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং- ১৭ বিধেয়কখনৰ অংশ হ'ল । দফা নং-১৮ ত সংশোধনী প্ৰস্তাৱ নাই । দফা নং ১৮ বিধেয়কখনৰ অংশ হ'ব ।যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং ১৮ বিধেয়কখনৰ অংশ হ'ল। এতিয়া দফা নং-১৯ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়াৰ আৰু লগতে সহযোগী সকলে সংশোধনীকেইটা উঠাই ল'লে । এতিয়া দফা নং-১৯ বিধেয়কখনৰ অংশ হ'ব । যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ দফা নং-১৯ বিধেয়কখনৰ অংশ হ'ল । দফা নং -১ অধিনিয়ম সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামাত কোনো সংশোধনী প্ৰস্তাৱ নাই , দফা নং-১ অিধিনিয়ম সুত্ৰ, প্ৰস্তাৱনা আৰু শিৰোনামা বিধেয়কখনৰ অংশ হ'ব।যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ দফা নং- ১ বিধেয়কখনৰ অংশ হ'ল । এতিয়া মাননীয় মুখ্যমন্ত্ৰী।

**ডঃ হিমন্ত বিশ্ব শৰ্মা, মাননীয় মুখ্যমন্ত্ৰী, অসম ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে, "The Assam prohibition of Polygamy Bill, 2025, এই বিধেয়কখন পাৰিতকৰণৰ বাবে লোৱা হওঁক ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যে, বিধেয়কখন পাৰিত কৰা হওক , "যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়খন পাৰিত কৰা হ'ল । আইটেম নং-১৭ অনাৰেব্‌ল পাৰ্লিয়ামেন্টৰী মিনিষ্টাৰ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মুখ্যমন্ত্ৰীৰ হৈ " The Assam Police (Amendment) Bill, 2025 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল " The Assam Police (Amendment) Bill, 2025 খন বেবেচনাৰ বাবে লোৱা হওক ।"যিসকল সপক্ষে আছে , " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে , 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল । এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব । দফা নং-২ ত সংশোধনী প্ৰস্তাৱ আছে , মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগীসকল, আপোনালোকে সংশোধনী প্ৰস্তাৱ উঠাই ল'ব।

**ডাঃ আচিফ মহম্মদ নাজাৰ, লাহৰিঘাট ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি সদনত উত্থাপতি হোৱা অসম আৰক্ষী বিধেয়ক , ২০২৫ - কিছু ধাৰাৰ স্পটীকৰণ আৰু সংশোধনৰ বাবে প্ৰয়োজনীয়তা আছে বুলি অনুভৱ কৰো । আইনখন যাতে অধিক ন্যায়সংগত হয় সম্পূৰ্ণৰূপে কাৰ্য্যকৰী হয় আৰু নাগৰিক সমাজৰ বাবে আস্থাভাজন হয় লগতে নিৰপেক্ষ হয় । In the Amendment of Section -2 , Sub Section (B) The word and the Leader of the opposition Partys in Assam Legislative Assembly shall be inserted after the word " Polic" appearing the third line. অধ্যক্ষ মহোদয়, আমি ভাবো যে, যিখন অৰিজিনেল আসাম পুলিছ এক্ট আছে সেইখন যদি চায় তাত composition of the commission-71 -ত লিখা আছে - the commission shall have a Chair Person and three Members would a credible records of integrety and commitment to Human Right and shall consist of a retired High Court Judge. Second- a retired Police officer , in the Rank of Director General of Police or Additional Director General of Police. - third a person of minimum Ten Years experienced . and Forth, a retired officer with experienced Public Administration. মাননীয় অধ্যক্ষ মহোদয়, ইয়াত দেখা গৈছে যে ইয়াত বেছিভাগেই এডমিনিষ্ট্ৰেশ্যনৰ লগত জৰিত মানুহ আছে । যদি কিবা অফেন্স হয়, আমি যদি দেখো জেইলৰ ভিতৰত কোনোবা এজনৰ মাৰ্ডাৰ হৈছে তাৰ কাৰনে যাতে বায়াচ নহয়। সেই গতিকে আমি লিডাৰ অৱ অপ'জিশ্যনে যিকোনো পাৰ্টিৰ হ'ব পাৰে । লিডাৰ অৱ অপ'জিশ্যনক যাতে তাত ৰখা হয় । তাৰ কাৰণে আমি অনুৰোধ জনালো । ইয়াৰ লগতে চেকেণ্ড আছে - In the Amendment of Section - 3 , Sub Section-1, the word of a group of District Police Range shall be deleted. মাননীয় অধ্যক্ষ মহোদয়, এই খন চৰকাৰে প্ৰশাসন যাতে ৰাইজৰ কাষলৈ অধিক যাব পাৰে তাৰ বাবে Co Dirstrict বনাইছে । তাতে এজন এচ পি এপইন্ট কৰিছে গতিকে মই ক'ব বিচাৰো গ্ৰুপ অৱ ডিষ্ট্ৰিক্ট নহৈ প্ৰত্যেক ডিষ্ট্ৰিক্টতে হ'ব লাগে যাতে ৰাইজে আৰু অধিক সুবিধা পায় । প্ৰশাসন যাতে আৰু অধিক ৰাইজৰ কাষত যাব পাৰে । থাৰ্ডটো হৈছে - In the Amendment of Section -3 (A) Sub Section (E) The Senior most Member of Assam Legislative Assembly of the District shall be inserted after the Sub Section (D) মাননীয় অধ্যক্ষ মহোদয়, আপুনি যদি চায় -Sub Section (D) লিখা আছে - One Social Worker or prominant Citizen to be nominated by the Government of Government as Member of a period of not more than Three Years, মাননীয় অধ্যক্ষ মহোদয়, মহোদয়, চোচিয়েল ৱৰ্কাৰ বা প্ৰমিনেন্ট চিটিজেনৰ

**লগতে  ইয়াতে যিকোনো ডিষ্ট্ৰিক্টৰ অসম বিধান সভাৰ এজন জ্যেষ্ঠ সদস্যক যাতে ইয়াত অৰ্ন্তভূক্ত কৰা হয়  তাৰ বাবে মই অনুৰোধ কৰিলো যাতে যিবোৰ কাৰ্যক্ৰমমিকা বা কাম কাজ হয় সেইবোৰ যাতে নিৰপেক্ষ হয় তাৰ বাবে অনুৰোধ জনালো । ধন্যবাদ ।**

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকাদৰ।

**শ্ৰী জাকিৰ হুছেইন সিকাদৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, 'দি আসাম পুলিচ (এমেণ্ডমেন্ট) বিল, ২০২৫, তাৰ ওপৰত ইতিমধ্যে আমাৰ সন্মানীয় সদস্য এগৰাকীয়ে কলে। মই তিনিটামান কথা কবলৈ বিচাৰিছো, ইয়াতে Section 84 (2) (b) য'ত আগতে MP সকলক ৰখা হৈছিল। কিন্তু নতুন যিটো propose কৰিছে এমেণ্ডমেন্টত তাত MP সকলৰ পৰিবৰ্তে Additional District Commissioner (ADC) of the concern district. গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে চৰকাৰক অনুৰোধ জনাছো যে যিহেতু MP এজন ৰাইজৰ দ্বাৰা নিৰ্বাচিত, ৰাইজৰ প্ৰতিনিধি। আমি সততে পুলিচৰ বিভিন্ন সময়ত ভাল কামক আমি প্ৰশংসা কৰো, বেয়া কামক আমি সমালোচনা কৰো। এইটোও হয় যে বেয়া বহুত হয়। তেওঁলোকে বিভিন্ন সময়ত বেয়া কাম বহুত কৰে, বহু আইন ভঙ্গ কৰে, সুবিধামতে কাম কৰে, পক্ষপাতিত্ব কৰে। গতিকে এইখিনি সময়ত যেতিয়া সেই সমিতিটোত ৰাইজৰ দ্বাৰা নিৰ্বাচিত এজন MP থাকিব, নিশ্চিতভাৱে বহু কথা তেওঁলোকে কৰিব নোৱাৰিব পক্ষপাতিত্ব, নিয়ম নীতি মতে হ'ব।

MP জনৰ পৰিবেৰ্ত তেওঁলোকে Additional District Commissioner এজনক দিব বিচাৰিছে, এইটো কেতিয়াও গ্ৰহণযোগ্য নহয়। গতিকে MP জনক সমিতিত ৰাখিব লাগে। লগতে তেওঁলোকে Additional District Commissioner এজনক ৰাখিব পাৰে, তাত আমাৰ একো আপত্তি নাই। কাৰণ অসমত এতিয়া যদি আমি দেখো শাসকীয় পক্ষৰ MP বেছি আছে।  এইটো ক্ষেত্ৰত ৰখাৰ কি অসুবিধা বা এই গোটেইখিনিৰ যিটো সংশোধনী কৰিবলৈ বিচাৰি আছে, MP এজনক ৰাখিলে কি অসুবিধা, তাত যদি যুক্তি আমি বিচাৰি যাওঁ, তাত কোনো সৰল যুক্তি নাই। মই অনুৰোধ জনাম মাননীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক গৃহ মন্ত্ৰী, মুখ্যমন্ত্ৰীৰ হৈ তেখেতে উত্তৰ দিব। গতিকে MP এজনক কোনো যুক্তিত ইয়াৰ পৰা বাহিৰ কৰিব নোৱাৰে, MP জন ৰখাটো বাধ্যতামূলক।

মই আকৌ Section 84 (2) (c), ইয়াতে ৪ জন মাননীয় বিধায়কৰ কথা কোৱা হৈছে। কিন্তু সেই ৪ জন বিধায়কৰ পৰিবৰ্তে, ইয়াতে তেওঁলোকে এজন ১৫ বছৰ অভিজ্ঞ থকা Women Advocate দিয়াৰ কথা কৈছে। এজন ১৫ বছৰ অভিজ্ঞ থকা Women Advocate দিয়ক তাত আমাৰ ক'বলগীয়া নাই। কিন্তু বিধায়ক কেইজনক কিয় বাদ দিয়া হ'ল, ৰাইজৰ দ্বাৰা নিৰ্বাচিত বিধায়কসকল যদি তাত থাকে, তাত স্বচতা থাকিব, ৰাইজৰ লগত সংযোগ হ'ব, আৰক্ষী আৰু ৰাইজৰ মাজত সম্পৰ্ক ভাল হ'ব। এইটো ক্ষেত্ৰত কিয় কৰা গ'ল আমি বুজা নাই। গতিকে আমাৰ কথা হ'ল বিধায়কসকলক বাদ দিব নালাগে। এজন ১৫ বছৰ অভিজ্ঞ থকা Women Advocate ৰাখিব বিচাৰিছে, তাত ৰাখক, তাত আমাৰ বাধা নাই।

আৰু Section 84 (2) (d),এটা ইয়াতে কৈছে যে এজন Social Worker ৰখাৰ কথা কৈছে। আগতে District Superintendent of Police আছিল বা District Commission আছিল। গতিকে তাৰ পৰিবৰ্তে এজন Social Worker দিয়াৰ কথা। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া District Superintendent of Police বা District Commission থাকিব, তাৰ  পৰিবৰ্তে এজন Social Welfare ৰাখিব বিচাৰিছে। গতিকে আমাৰ

কথা হ'ল যে District Superintendent of Police বা District Commission জন থাকক। এজন Social Worker ল'ব বিচাৰিছে যে Social Worker জন কোন হ'ব, কি criteria, defination কি, যে কেনেকুৱা Social Worker তাত থাকিব। এতিয়া চৰকাৰী বিভিন্ন আঁচনি বাচনিৰ ক্ষেত্ৰত যেনেকৈ Social Worker দিয়ে, তাত যদি সংজ্ঞা নাথাকে, ৰাজনৈতিক দলৰ, শাসকীয় পক্ষ দলৰ কোনো কৰ্ম কৰ্তা Social Worker। কিন্তু এইটো যিহেতু অতি গুৰুত্বপূৰ্ণ এটা Commission হ'ব। গতিকে ইয়াতে Social Worker জন কোন হ'ব, তাৰ criteria কি থাকিব, অৰ্হতা কি থাকিব, গোটেইখিনি স্পষ্টভাৱে ইয়াত উল্লেখ নাই। গতিকে এইটো আমি স্পষ্ট কৰাটো আমি বিচাৰিছো।

এই তিনিটা কথা আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক দৃষ্টি গোচৰ কৰিলো আৰু আশা কৰো এই গোটেইখিনি কথা ইয়াতে ৰাখি এই আইনখন পাছ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, শিৱসাগৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথা কেইটা প্ৰায় একে। আগতে যিবিলাক ৰাইজৰ প্ৰতিনিধি দিছিল, এতিয়া গোটেইখিনি বিষয়া দি দিলে। চৰকাৰী প্ৰতিনিধি দিওঁতে নো কি অসুবিধা হৈছিল। মাত্ৰ কেইদিনমানৰ আগতে সেইটো সংশোধনী আনিছিল। অনাৰ পিছত হঠাতে এনেকুৱা কি ঘটনা ঘটিলে যে ৰাইজৰ প্ৰতিনিধি কেইজনৰ কাৰণে অসুবিধা হ'ল আৰু হঠাতে বিষয়া বিলাক দিব লগীয়া হ'ল। এইটো একো বুজি নাপালো। সেই কাৰণে আমি বিচাৰো যে আকৌ যি ধৰণে য'ত ৰাইজৰ প্ৰতিনিধি আছিল, MP, MLA সকলক তেনেকৈ ৰখাৰ দৰকাৰ বুলি ভাৱো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় বিৰোধী পক্ষৰ সদস্যসকলে যিটো কথা উত্থাপন কৰিছে, সেই ক্ষেত্ৰত আমি জনাব বিচাৰো যে Police Accountability যিখন Commission আছে, সেই Commission খন অলপ সহজ হ'ব লাগে যাতে কাৰ্য্যক্ষম হ'ব পাৰে আৰু ভালকৈ মানুহৰ কাম কৰিব পাৰে। তাৰ কাৰণে মাত্ৰ দুটা সংশোধন কৰা হৈছে। যিখন আমাৰ District Level Body হ'ব, সেই District Level Body খনত Inspector General of Police বা DIG, তেওঁ Chairman হ'ব আৰু এজন District Megistrate Member হিচাপে থাকিব। অতি কমেও ১৫ বছৰ অভিজ্ঞতা থকা মহিলা অধিবক্তা এজনীও তাত Member হ'ব আৰু এজন Social Worker থাকিব। Social Worker জন এই কাৰণে লোৱা হৈছে যাতে তেওঁ সমাজখনক প্ৰতিনিধিত্ব কৰি তেখেতৰ নিজস্ব কথাখিনি তাত ৰাখিব পাৰে। গতিকে মই ভাৱো এই বিষয়টো ভাল হৈছে। আগতে সমিতিখন দীঘল আৰু Complicated আছিল, সেই কাৰণে সমিতিৰ মিটিঙ পতাত কেতিয়াবা অসুবিধা হৈছিল। সেই বাবে এতিয়া সমিতিখন সৰুকৈ বনোৱা হৈছে। মই ভাৱো এইটোৱে আমাৰ ৰাইজক যথেষ্টখিনি সকাহ দিব আৰু মই ভাৱো আপোনালোকে এই কথাখিনি বুজি পাব।

**শ্ৰী জাকিৰ হুছেইন সিকাদৰ, সৰুক্ষেত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা কলে, তাত আমি এক মত হ'ব নোৱাৰো। সমিতিখন একো ডাঙৰ হোৱা নাই, ৪ জন বিধায়ক আৰু এজন সাংসদ। সাংসদৰ পৰিবৰ্তে এজন বিষয়া তাত দিছে, ৪ জন বিধায়কৰ পৰিবৰ্তে এজন মহিলা অধিবক্তা দিছে, এজন Social worker দিছে। গতিকে মাত্ৰ ২ জন মানুহ বেছি

আছে। ৪ জন বিধায়ক আৰু এজন সাংসদ, মুঠ ৫ জন মানুহ থকাৰ কাৰণে সমিতিৰ সংখ্যা বেছি হ'ব নোৱাৰে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো যে জনপ্ৰতিনিধি কোনো এটা Committee বা Commission ত থাকিলে, তাৰ স্বচতা আৰু গুৰুত্ব থাকে। ৰাইজৰ লগত বিভাগৰ সম্পৰ্ক ভাল আৰু মধুৰ হয়। গতিকে কোনো কাৰণতে আমি এইটো মানি নলও। এইটোত বিধায়ক, সাংসদসকলক অন্তৰ্ভুক্ত কৰিব লাগে। এইটো আমাৰ ফালৰ পৰা অনুৰোধ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কথাখিনি কলো যে এই বিষয়টো বেছি সহজ কৰিবৰ কাৰণে ..... (interruption)

**শ্ৰী অখিল গগৈ, শিৱসাগৰ** ঃ মাননীয় অধ্যক্ষ মহোদয়, সহজটো কি হ'ব? আৰু বিধায়ক বিলাক থাকোতে অসুবিধাটো কি হৈছিল?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, অসুবিধা হোৱাৰ কথাটো কোৱা নাই। মোৰ কথাটো হ'ল, ৰাইজৰ প্ৰতিনিধি আমাৰ বিভিন্ন ধৰণৰ কিছুমান ব্যস্ততা থাকে। Police Commission ত আমি থাকিলে যে সকলোখিনি ভাল হ'ব, তাৰ কিবা কাৰণ আছে নেকি? এই গোটেই বিষয় বস্তুখিনি officially চালি জাৰি চাই, কেবিনেটে এটা সিদ্ধান্ত লৈছে আৰু বিলখন আজি আহিছে। মই ভাৱো এইটো ৰাইজৰ কল্যাণ হ'ব। গতিকে এই বিলখন পাছ কৰি দিব লাগে।

**শ্ৰী জাকিৰ হুছেইন সিকাদৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনালোকে সংশোধনী ইয়াৰ আগতে কৰিলে। তাৰ পিছত কিন্তু এখনো মিটিঙ আজিলৈকে পতা নাই। এখনো মিটিঙ নপাতাকৈ অসুবিধাটো ক'ত হ'ল আৰু কেনেকৈ হ'ল আমি বুজা নাই।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, ঠিক আছে, debate হৈ গ'ল। মন্ত্ৰীয়ে reply দিলে।

**শ্ৰী জাকিৰ হুছেইন সিকাদৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনিও হস্তক্ষেপ কৰক।

**মাননীয় অধ্যক্ষ** ঃ চৰকাৰৰ বিল এখন কেনেকৈ হস্তক্ষেপ কৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকাদৰ, সৰুক্ষেত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিভাগে সংশোধনী আনিছে আৰু কোনো ধৰণৰ মিটিঙ নাপাতিলেই ... ... (interruption)

আমি বুজিব পৰা নাই।

**মাননীয় অধ্যক্ষ** ঃ হ'ব, ঠিক আছে, debate হৈ গ'ল। মন্ত্ৰীয়ে reply দিলে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এখনো মিটিং নপতাকৈ অসুবিধাটো ক'ত হ'ল, কেনেকৈ হ'ল আমি বুজি পোৱা নাই। এমেণ্ডমেণ্ট এই চৰকাৰে আনিছে আৰু তাৰ পিছত কোনা মিটিং নকৰাকৈ সুবিধা-অসুবিধাটো কেনেকৈ বুজি পালে।

**মাননীয় অধ্যক্ষ ঃ** হ'ব ঠিক আছে। ইয়াৰ ওপৰত ডিবেট হৈ গ'ল আৰু উত্তৰো দিয়া হ'ল।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত আপুনিও হস্তক্ষেপ কৰক। আমি যদি অযুক্তিকৰ কথা কৈছো আপুনি কওঁক।

**মাননীয় অধ্যক্ষ ঃ** চৰকাৰৰ বিল এখনত মই কেনেকৈ হস্তক্ষেপ কৰিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগে বিলখন আনিছে আৰু ইয়াত কোনোধৰণৰ মেল মিটিং নাপাতিলে। আমি বুজিব পৰা নাই ........interruption......

**মাননীয় অধ্যক্ষ ঃ** বিল আহিছে আৰু আপোনালোকৰ ডিবেট হৈ গ'ল আৰু ইয়াৰ ওপৰত উত্তৰো দিলে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, একো যুক্তিসংগত কাৰণ নাই। কাৰণ তাৰ পিছত আমাৰ বোৰ্ডবিলাক এবাৰো বহা নাই। অসুবিধা পোৱাৰ কোনো প্ৰশ্ন নাই ........interruption......

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। দফা নং-২ ৰ মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু সহযোগীসকলে সংশোধনটো উঠাই ল'ব নে?

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি কোনো কাৰণতে উঠাই ল'ব নোৱাৰো আৰু এইয়া অন্যায়ভাৱে হৈ আছে ........interruption......

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হ'ল যে দফা নং-২ ৰ মাননীয় সদস্য দেৱব্ৰত শইকীয়া আৰু সহযোগীসকলৰ সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে,

সংশোধনীটো নাকচ কৰা হ'ল........interruption......

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে এনেকৈ যোৰ কৰি বিল পাচ কৰিলে আমি সদনত থাকিব নোৱাৰো। আমাৰ বিধায়কসকলক যদি সকলো সমিতিৰ পৰা খেদিব বিচাৰে আমি সদনত থাকিব নোৱাৰো আৰু আমি সদন ত্যাগ কৰিলো........interruption......

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে যোৰ কৰি সংশোধনী পাচ কৰি আছে। সেয়েহে আমি সদন ত্যাগ কৰিলো।

**(বিৰোধীয়ে সদন ত্যাগ কৰে।)**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল-দফা নং-২ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং-২ বিধেয়কৰ অংশ হ'ল।

দফা নং-৩ ত মাননীয় সদস্য দেৱব্ৰত শইকীয়া তেখেতৰ সহযোগী আৰু অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে। তেওঁলোকে সংশোধনীকেইটা উঠাই নলয়। প্ৰশ্নটো হ'ল- দফা নং-৩ ত মাননীয় সদস্য দেৱব্ৰত শইকীয়া তেখেতৰ সহযোগী আৰু অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱকেইটা গ্ৰহণ কৰা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে,

সংশোধনীকেইটা নাকচ কৰা হ'ল।

প্ৰশ্নটো হ'ল-দফা নং-৩ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং-৩ বিধেয়কৰ অংশ হ'ল।

দফা নং-১অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোণামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল-দফা নং-১অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোণাম বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং-১অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোণাম বিধেয়কৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম ফায়াৰ এণ্ড ইমাৰজেঞ্চি চাৰ্ভিচেছ বিল,২০২৫" খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল- বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

এতিয়া কাৰ্য্যসূচী নং-৮। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে "দ্যা আসাম ফায়াৰ এণ্ড ইমাৰজেঞ্চি চাৰ্ভিচেছ বিল,২০২৫" খন পাৰিত কৰণৰ বাবে সদনত লোৱা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল- "দ্যা আসাম ফায়াৰ এণ্ড ইমাৰজেঞ্চি চাৰ্ভিচেছ বিল,২০২৫" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন সদনত দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। দফা নং- ২ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া অনুপস্থিত। সেয়েহে দফা নং- ২ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং- ২ বিধেয়কৰ অংশ হ'ল।

দফা নং- ৩ ৰ পৰা দফা নং- ৬ লৈ কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং- ৩ ৰ পৰা দফা নং- ৬ লৈ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং- ৩ ৰ পৰা দফা নং- ৬ লৈ বিধেয়কৰ অংশ হ'ল।

দফা নং- ৭ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া অনুপস্থিত। প্ৰশ্নটো হ'ল দফা নং- ৭ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং- ৭ বিধেয়কৰ অংশ হ'ল।

দফা নং- ৮ ৰ পৰা দফা নং- ২০ লৈ কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং- ৮ ৰ পৰা দফা নং- ২০ লৈ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং- ৮ ৰ পৰা দফা নং- ২০ লৈ বিধেয়কৰ অংশ হ'ল।

দফা নং- ২১ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়া অনুপস্থিত। সেয়েহে দফা নং- ২১ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং- ২১ বিধেয়কৰ অংশ হ'ল।

দফা নং- ২২ ৰ পৰা দফা নং- ৬৭ লৈ কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং- ২২ ৰ পৰা দফা নং- ৬৭ লৈ বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং- ২২ ৰ পৰা দফা নং- ৬৭ লৈ বিধেয়কৰ অংশ হ'ল।

দফা নং-১অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোণাম আৰু অনুসূচীত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল-দফা নং-১অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোণাম আৰু অনুসূচীত বিধেয়কৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা ৱিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

দফা নং-১অধিনিয়ম সূত্ৰ, প্ৰস্তাৱনা, দীৰ্ঘ শিৰোণাম আৰু অনুসূচীত বিধেয়কৰ অংশ হ'ল। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই ক'ব।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম ফায়াৰ এণ্ড ইমাৰজেঞ্চি চাৰ্ভিচেছ বিল,২০২৫" খন পাৰিত কৰাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল- বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম ফায়াৰ এণ্ড ইমাৰজেঞ্চি চাৰ্ভিচেছ বিল,২০২৫" খন আনিছে মই সমৰ্থন কৰিছো। আজিকালি এইখন খুব দৰকাৰী। হংকংৰ আৱাসিক অঞ্চলৰ যি অগ্নি কাণ্ড সংঘটিত হ'ল, তাত ৫৫ জন মানুহৰ মৃত্যু হৈছে আৰু ২৭৯ জন এতিয়াও বিচাৰি পোৱা নাই। সেয়েহে এইটো অতি গুৰত্বপূৰ্ণ আৰু ইয়াত যিকেইটা কথা কোৱা হৈছে যে তাত মোৰ ক'বলগীয়া একো নাই। কিন্তু ইয়াৰ আগত আমি সা-সৰঞ্জামখিনি আধুনিকীকৰণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্য, এই বিলখন পাচ হৈ গৈছে। মই অধ্যক্ষ হয় আৰু এই সদনখন বিধায়কসকলৰ। বিধায়কসকল যদি উপস্থিত নাথাকে আৰু  ইয়াত যিসকল আছে, তেওঁলোকক লৈ বিলখিনি পাচ কৰিলে মই কি ভাৱিম যে আপোনালোকে এইখিনি গ্ৰহণ কৰিব নে ইয়াৰ ওপৰত কিবা ক'বলগীয়া আছে।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাক ক'বলৈ সুযোগেই নিদিলে। এতিয়া মই কথাখিনি ক'ব পাৰিম নে নোৱাৰিম?

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকক ক'বলৈ সুযোগ দিয়া হৈছে আৰু বিলখন ইতিমধ্যে পাচো হৈ গ'ল। এতিয়া ইয়াৰ ওপৰত কৈ লাভ নাই। এতিয়াওঁ বহুত  বিল বাকী আছে আৰু আপোনালোকে একো নক'লে বিলখিনি পাচ কৰি থৈ দিম। কিন্তু কালি নক'ব যে দৰকাৰী বিল আছিল আৰু আমালৈ কিয় বাট নাচালে? এতিয়া সদন চলি আছে আৰু আপোনালোকক T A, DA দিয়া হৈছে আৰু আজি বহাৰ বাবে দুহেজাৰ টকাকৈ পাইছে। মই যিহেতু অধ্যক্ষ, সদনত যদি কোনেও নাথাকে অকলে হ'লেও বিলসমূহ পাচ কৰিম। কাৰণ কাম কৰিবলৈ আইনৰ দৰকাৰ হয়।

**শ্ৰী দিগন্ত বৰ্মন, (বৰক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিলখন ভাল হৈছে বুলি কৈছো আৰু বিলখন ইতিমধ্যে পাচ হৈছে। মাননীয় অজন্তা নেওঁগ বাইদেউ যিহেতু ইয়াত উপস্থিত আছে মই তেখেতক ক'ব বিচাৰিছো যে মোৰ বৰভাগত এটা ফায়াৰ চাৰ্ভিছ ষ্টেশ্যন দিয়াৰ কথা আছিল। এই বিষয়ে চাৰিবাৰ মান কৈছো আৰু ইতিমধ্যে আৱণ্টনো দিয়া হৈছে। মাননীয় মন্ত্ৰী মহোদয়, এই বিষয়ে অলপ চাব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এতিয়া আইটেম নং-৯। মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা ইত্যাদি বিভাগ ঃ** মাননীয় অধ্যক্ষ মহোদয়, "দ্যা আসাম সত্ৰ প্ৰিজাৰভেশ্যন এণ্ড ডেভলপমেণ্ট কমিশ্যন বিল,২০২৫" খন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল- "দ্যা আসাম সত্ৰ প্ৰিজাৰভেশ্যন এণ্ড ডেভলপমেণ্ট কমিশ্যন বিল,২০২৫" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়,

যিসকল মাননীয় সদস্য- সদস্যা  বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়,

মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে,

প্ৰস্তাৱটো গৃহীত হ'ল।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পঃ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ফালৰ পৰা কেইবাটাও সংশোধনী দিয়া আছিল। সত্ৰৰ মাটি সংৰক্ষণ, উন্নয়ণৰ বাবে বহু ক্লজ আনিছে আৰু ইয়াৰ লগত আমি একমত। কিন্তু কিছুমান দফাত অলপ সংশোধনী বিচাৰিছো। তাৰ ভিতৰত আছিল, Composition and Tenure of the Commission. ইয়াত এজন retired Judge ক Chair person লৈছে, Director Land Acquisition ক member secretary কৰিছে, দুজন সত্ৰৰ লগত জড়িত ব্যক্তিক Government য়ে nominate কৰিব। এজন retired Administarative officer ক ইয়াত ৰাখিব। আমাৰ ফালৰ পৰা ক'ব বিচাৰিছো যে বহুত সময়ত Goverment ৰ ফালৰ পৰা যিবিলাক selection হয়, সত্ৰ বিলাকৰ মনঃপুত নহ'বও পাৰে। সত্ৰৰ দ্বাৰা মনোনীত এজন সদস্যক এই commission সদস্যৰ অন্তৰ্ভূক্ত কৰিবলৈ সংশোধনী আনিছো। ইয়াত এটা point আহিছে যে commission ৰ কোনো judgement বা decision review কৰিব নোৱাৰা- No appeal or revision share or lie against any order passed by the commission in the exercise of its power of appeal or revision under this Act. মহামান্য উচ্চ ন্যায়ালয়েও যদি কেতিয়াবা judgement দিয়ে, তাৰো revision ৰ ব্যৱস্থা থাকে। কেতিয়াবা party য়ে Supreme Court ত appeal কৰাৰ ব্যৱস্থা থাকে। এতিয়া যদি commission ক আৰু Supreme Court ৰ ওপৰলৈ লৈ যাওঁ appeal কৰাৰ যদি ব্যৱস্থা নাথাকে, ইয়াত যথেষ্ট ধৰণে ক্ষতি হোৱাৰ সম্ভাৱনা আছে বুলি অনুভৱ কৰো। যাৰ কাৰণে আমি এই 'No' word টো উঠাই দিবলৈ amendment আনিছো। যাৰ ফলত commission য়ে যি সিদ্ধান্ত লয় তাৰ appeal বা revision কৰিব পৰা যাব। এইখিনিয়ে আছিল আমাৰ যি মূল amendment, Aims and Objective যিখিনি আনিছে তাত আমাৰ কোনো objection নাই। পূৰ্ণ সমৰ্থন আছে। সত্ৰৰ মাটি সংৰক্ষণ হ'ব লাগে, ইয়াৰ development হ'ব লাগে, আমাৰ দ্বিমত নাই। মাত্ৰ ইয়াতে যিখিনি ব্যৱস্থাৰ দ্বাৰা চৰকাৰে অনুভৱ কৰিছে যে সত্ৰৰ মাটি সংৰক্ষণ বা development কৰিম তাত আমাৰ সংশোধনী খিনি সংযোজন কৰিছে। আমাৰ বিৰোধী দলৰ দলপতিৰ কিবা ক'বলগীয়া আছে বুলি কৈছে, তেওঁ ক'ব এই বিষয়ে।

**শ্ৰী দেবব্ৰত শইকীয়া, নাজিৰা ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰক ধন্যবাদ জনাইছো অসম সত্ৰৰ সংৰক্ষণ আৰু উন্নয়ন আয়োগ বিধেয়ক ২০২৫ বিধানসভাত গৃহীত কৰাৰ বাবে আগবঢ়োৱাৰ বাবে। মহোদয় সত্ৰসমূহ আমাৰ অসম চুক্তিৰ ৬ নং দফাটোত এই সত্ৰ সমূহৰ সংৰক্ষণৰ ব্যৱস্থাৰ কথা আছে। সেয়েহে মই ভাৱো কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয় আৰু অসম চৰকাৰৰ অসম চুক্তি বিভাগ আৰু সাংস্কৃতিক মন্ত্ৰণালয়ৰ জেষ্ঠ্য বিষয়ববীয়াকো এই সত্ৰ সংৰক্ষণৰ আয়োগৰ সদস্য হিচাপে মনোনীত কৰিব লাগে। দ্বিতীয়তে সত্ৰ সমূহে বিভিন্ন সময়ত চৰকাৰী অনুদান বিশেষকৈ আহোম ৰজা আৰু অন্যান্য শাসন কালত পাইছিল। সেই সমূহে হ'ল সত্ৰৰ মাটি। সত্ৰৰ মাটিবিলাক ভালদৰে পৰিচালনা হোৱা নাই, সেই কথাটো সত্য আৰু বহু ক্ষেত্ৰত সত্ৰ সমূহত মাটি খেতিৰ বাবে আগবঢ়াইছিল কিবা-কিবি চুক্তিৰ বিনিময়ত। সেয়েহে যিহেতু এইবিলাকত মাটি-বাৰীৰ কথা আছে, ইয়াত কৃষি হ'ব লাগিব, গতিকে কৃষি বিভাগৰ বিষয়া আৰু সমবায় বিষয়াকো এই সমিতিৰ সদস্য হিচাপে ল'ব লাগে। যি মাটিৰ পৰা খাজনা আগতে পাইছিল, সেইখিনি কেনেকৈ বৃদ্ধি কৰিব পাৰি সত্ৰৰ উন্নয়নৰ বাবে যাতে সত্ৰই অকল চৰকাৰী ফাণ্ডৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিব নালাগে আৰু

কেনেকৈ co-operative কৰি সত্ৰৰ মাটিৰ সদ ব্যৱহাৰ কৰিব পাৰি সেই কথাবিলাকো এই আয়োগৰ আওঁতালৈ আহিলে আয়োগখন আৰু অধিক কাৰ্য্যক্ষম আৰু শক্তিশালী হ'ব বুলি ভাৱো। গতিকে এই পৰামৰ্শখিনি সংশোধনী হিচাপে আগবঢ়ালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে আৰু কোনোবাই ক'ব নেকি?

**শ্ৰী ভাস্কৰ জ্যোতি বৰুৱা, তিতাবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে সত্ৰৰ কথা জানো। আচলতে সত্ৰ কি হয়তো আমাৰ সকলোৰে বোধগম্য নহয়। আমাৰ শ্ৰীমন্ত শংকৰদেৱে বাৰ ঘৰ কায়স্থ মানুহ আনিছিল। তেওঁলোকক নিৰ্মালী দি মহন্ত পাতিলে। পিছত আকৌ বাৰ ঘৰ আনিছিল তেওঁলোকৰ যোগেদি সত্ৰ সমূহ প্ৰতিষ্ঠা কৰিছিল মজুলীত। এই কাৰণে কৰিছিল তেখেত এজন অৱতাৰী পুৰুষ বুলি আমি জানো। তেওঁৰ মৃত্যুৰ কথা তেওঁ নিজে জানিছিল যে মোৰ মৃত্যু আহিব। সেইকাৰণে জীৱনকালত তেওঁ যিখিনি সম্পদ সৃষ্টি কৰিছিল কীৰ্ত্তন দশমৰ পৰা ভাওঁনা সংস্কৃতি খোল-তাল গীত-মাত এইখিনি সংৰক্ষণৰ কাৰণে এই সত্ৰসমূহ পাতিলে আৰু সমলখিনি ৰক্ষা কৰি ৰখাৰ কাৰণে গোটেই অসমীয়া সমাজ খন একত্ৰিত হৈ ৰ'লো। পৰৱৰ্ত্তী সময়ত আহোম ৰজা সকলে সত্ৰ সমূহৰ কাৰণে পৃষ্ঠপোষকতা কৰি মাটি বাৰী দি পিছত বৃটিছৰ দিনত আমাৰ দেবোত্তৰ মাটি বাৰী অজস্ৰ সা-সম্পত্তি থৈ গ'ল সত্ৰসমূহ যাতে চলি থাকে। এতিয়া আজি যিখন বিধেয়ক ইয়াত আহিছে সেই বিধেয়কখনত ইতিমধ্যে বক্তাই কৈ গৈছে যে সত্ৰ মহাসভাৰ এজন ব্যক্তি আয়োগত অন্তৰ্ভূক্ত কৰিব লাগে আৰু কেইবাজনো ব্যক্তি অন্তৰ্ভূক্ত কৰাৰ কথা আমাৰ বিৰোধী দলৰ দলপতি ডাঙৰীয়াই কৈছে। সত্ৰসমূহৰ সংৰক্ষণৰ কথা যিহেতু ওলাইছে, আইন এখন হ'বলৈ গৈ আছে, আমি যেনেকৈ নামঘৰ সমূহ বনাইছো, ঠিক তেনেকৈ সত্ৰ সমূহো যিমান আছে সকলোবোৰ record আছে । পৰ্য্যায়ক্ৰমে এফালৰ পৰা এই সত্ৰসমূহক আমি সুন্দৰকৈ নৱৰূপত যদি সজ্জিত কৰি সত্ৰ সমূহৰ প্ৰকৃত অৰ্থত যি উদ্দেশ্যেৰে সত্ৰসমূহ প্ৰতিষ্ঠা কৰিছিল সেইখিনি এৰা ধৰা নকৰি ইয়াক যদি proper function কৰিবলৈ দিয়া যায় মই ভাৱো এইটো যথেষ্ট ভাল কথা হ'ব। গতিকে ইয়াৰ লগত এই কথাখিনি মই সংযোজন কৰিলো, চৰকাৰৰ দৃষ্টিগোচৰ কৰিলো যে সংৰক্ষণৰ কাৰণে আমি প্ৰত্যেক বছৰে বাজেটত এটা টকা ধৰি কেইখন বনাম এনেকৈ বনাই থাকিলে এটা নিৰ্দ্দিষ্ট সময়ত গোটেই সত্ৰসমূহ দেখনীয়াৰ হৈ উঠিব আৰু তাৰ মূল উদ্দেশ্য যিটো আছিল সেইটো সফল হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। সন্মানীয় সদস্য শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী ৰূপক শৰ্মা, নগাওঁ ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিশেষ দিনটো বিধানসভাৰ অতি গুৰুত্বপূৰ্ণ দিন, কেইবাখনো বিলৰ লগত আজি সেইখনো, যিখন আমাৰ বিশেষভাৱে The Assam Satra Preservetion and Development Commission Bill 2025 আমাৰ বাবে গৌৰৱৰ দিন। আজিৰ পৰা কেইমাহমান আগতে মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত এখন সত্ৰ আয়োগ গঠন হৈছিল। মাননীয় বিধায়ক শ্ৰী প্ৰদীপ হাজৰিকা অধ্যক্ষ, সতীৰ্থ বিধায়ক শ্ৰী মৃণাল শইকীয়া আমি একেলগে এই সত্ৰ commission ত আছিলো। গোটেই অসমখনৰ ইমূৰৰ পৰা সিমূৰলৈ সত্ৰবোৰ চোৱা, পৰিদৰ্শন কৰা, পৰ্য্যাবেক্ষণ কৰাত আমাৰ সুবিধা হৈছিল। আমি দেখা পাইছিলো যে সত্ৰসমূহৰ অৱস্থা, যি সত্ৰত আহোমৰ দিনতে ৰজাই হাজাৰ হাজাৰ বিঘা ভূমি সত্ৰসমূহক দিছে। এই সত্ৰসমূহৰ ভুমি কি ধৰণে বেদখল হৈছে আমি নিজে দেখিছো। গতিকে আজি এই সত্ৰসমূহ বিশেষভাৱে যিদৰে development আৰু preservation ৰ commission বনাই দিছে আমি খুব ভাল পাইছো, যাতে সত্ৰসমূহ ভৱিষ্যতৰ দিনত উন্নয়ন আৰু সংৰক্ষণ হয়। বিশেষভাৱে যদি চাওঁ মই

কেইটমান উদাহৰণ দিব বিচাৰিছো. যে আমি যেতিয়া পৰ্য্যবেক্ষণ কৰো, গোটেই অসমত দেখা পাইছিলো যে বৰপেটা, নগাওঁ এই দুখন জিলাতে যথেষ্ট সংখ্যক সত্ৰৰ ভূমি বে-দখল হৈ আছে। আমি ইতিমধ্যে যি প্ৰতিবেদন দিছো তাত সন্নিবিষ্ট কৰা আছে যিহেতু বৰপেটা এখন সত্ৰ নগৰী। কিন্তু সেই সত্ৰ নগৰী এতিয়া সেই সত্ৰ নগৰী হৈ থকা নাই। বিভিন্ন ধৰণে বে-দখল হৈছে আৰু আমি যদি নগাওঁৰ কথা চাওঁ, নগাওঁতো সেই একে অৱস্থা। য'ত গুৰু জন্মস্থান, য'ত গুৰুজনাই সেই শৈশৰ কালটো পাৰ কৰিছিল বটদ্ৰবা থানৰপৰা আৰম্ভ কৰি শালগুৰি নগাওঁ সত্ৰ, বালিসত্ৰ বা কুবাইকাটা সত্ৰ, ৰামপুৰ সত্ৰ আজি সেই সত্ৰসমূহৰ বহুত সত্ৰ আজি অস্তিত্ব নাই। ৰামপুৰ সত্ৰত ১৯৬৬ চনত যিধৰণে সত্ৰাধিকাৰ পূৰ্ণকান্ত দেৱগোস্বামীয়ে ২৯৭ বিঘা মাটি বে-দখল হোৱা বুলি তাত কেছ দিছিল আজি সেই সত্ৰত ১ ইঞ্চি ভূমিও নাই। একেধৰণে যদি চাই কোৱাইকাটা সত্ৰৰ সেই নামঘৰত ১২ লেচা মাটিহে আছে। এইধৰণে বে-দখল আৰু এফালৰপৰা যদি চায় লখিমপুৰতো সেই সময়ত ৰজাৰ দিনত ১৮ শ বিঘা মাটি দিছিল য'ত কমলাবাৰী, বেঙেনাআটি, আদিলাঙি, শাকোপাৰা, ন-কমলাবাৰী তাত সত্ৰৰ মাটি আমি অলপ চাবলৈ গ'লে আদিলাঙিৰ চিনচাব থকাৰ বাহিৰে বাকী চাৰিখনৰ কোনো অস্তিত্ব নাই। কেৱল বে-দখলেই নহয়, আমি চাব গ'লে য'ত পাভ ৰিজাৰ্ভত তাত বৰএলেঙীৰ সত্ৰৰ সত্ৰাধিকাৰকো তাত হত্যা কৰা হৈছিল। বালিসত্ৰৰ সত্ৰাধিকাৰৰ ছোৱালীক ৰেপ কৰা হৈছিল, এনেকুৱা এটা অৱস্থা য'ত কেৱল সত্ৰৰ ভূমি বে-দখলেই নহয় সত্ৰ সমূহৰ প্ৰতি ভাবুকি স্বৰূপ হৈ পৰিছে। আজি শ্ৰীমন্ত শংকৰদেৱে হওঁক, মাধৱদেৱে হওঁক, দামোদৰদেৱ হৰিদেৱৰ যিখিনি সৃষ্টিৰাজি সত্ৰসমূহত সুন্দৰকৈ আটোম-টোকাৰিকৈ ৰখা হৈছিল প্ৰত্যেকখন কিবা নহয় কিবা তাত আমি দেখা পাইছিলো। কৰবাত যদি সাঁচিপাতৰ পুথিয়েই হওঁক, কৰবাত যদি পাদুকাযোৰেই হওঁক, সম্পূৰ্ণকৈ সত্ৰসমূহত সুন্দৰকৈ সংৰক্ষণ কৰা আছে আৰু যদি সত্ৰ সংস্কৃতি আমি জীয়াই ৰাখিব নোৱাৰো বৃহত্তম অসমীয়া জাতিটোৰ আমাৰ কাৰণে এটা বহুত প্ৰত্যাহ্বান স্বৰূপ হৈ আহিব। গতিকে আজি এই বিলখন উপস্থাপন কৰাৰ কাৰণে সচাঁই গৌৰৱ অনুভৱ কৰিছো যে ভৱিষ্যতৰ সময়ত সত্ৰসমূহ সুন্দৰকৈ সংৰক্ষিত হ'ব, সুন্দৰ হ'ব আৰু সত্ৰৰ মাটিখিনি সত্ৰত ঘুৰাই দি সেই সত্ৰটো যাতে আমি ভৱিষ্যতে কিবা নহয় কিবা প্ৰকাৰে উদ্ধাৰ কৰিব পাৰো তাৰো এটা নিৰ্দ্দিষ্ট পথ ওলাই তাৰ কাৰণে আহ্বান জনাই পুনৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বাধীন চৰকাৰখনক ধন্যবাদ জনাইছো এনে এখন ঐতিহ্যমণ্ডিত ঐতিহাসিক বিল উপস্থাপন কৰাৰ কাৰণে।

**শ্ৰী দুৰ্গা দাস বড়ো, কলাইগাওঁ** ঃ মাননীয় অধ্যক্ষ মহোদয়, "The Assam Satra Represent Reservation and Development Commission Bill 2025" যিখন আনিছে শ্ৰী প্ৰদীপ হাজৰিকাই ইয়াৰ আগত যিখন report submit কৰিছে, সেইখনৰ গোটেইখিনি পঢ়া নাই যিখিনি পঢ়িছো খুব right time ত এই commission খন বনাই দিয়া হৈছিল আৰু এই commission খনে যিকেইটা ৰিপোৰ্ট দিছে, সেইকেইটা ৰিপোৰ্টৰ ওপৰত কাম-কাজ কৰিবলৈ এখন আইন লাগিব আৰু তেনেকুৱা নিশ্চয় অনুভৱ কৰিছে আৰু সেইটোকে ইয়াত উল্লেখ কৰা হৈছে। মই আজি এটা লাইন কৈছো, সেই লাইনটো হৈছে সত্ৰ সমূহে কেইবাশ বছৰৰ পাছত আকৌ যেন পুনৰ জন্ম পাইছে। এই আইনখনে সত্ৰ বিলাকক চিৰদিনৰ কাৰণে জীয়াই ৰাখিব ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজি সত্ৰ Represent Reservation and Development Commission Bill যিখন আনিছে, ALA য়ে

উত্থাপন কৰিছে ইয়াত তাৰ কাৰণে মই অসম চৰকাৰক ধন্যবাদ জনাইছো। মই ভাৱো যে এইটো আজি এটা ঐতিহাসিক দিন। অধ্যক্ষ মহোদয় মই আচৰিত হৈছিলো, কেইবাটাও কথা কাৰণে যে সত্ৰবিলাকে কাকো একো অপকাৰ কাৰা নাই। সত্ৰ জন্মৰ পৰা এতিয়ালৈকে কোনো মানুহক সত্ৰই অপকাৰ কৰা নাই, অপকাৰ কৰিববলৈও শিকোৰা নাই আৰু ভৱিষ্যতেও সমাজৰ কিবা অপকাৰ কৰিব বুলি এনেকুৰা কথা সত্ৰত কোনো আলোচনা কৰা নাই। তৎসত্বেও এই সত্ৰ বিলাকৰ ওপৰত মানে কিয় এনেকুৰা এটা পাশৱিক এটা অত্যাচাৰ, ইয়াত আৰম্ভ হৈ গ'ল এটা সময়ৰ পৰা সেই সত্ৰ বিলাক আজি চাৰিশ, পাঁচশ বছৰ হৈ গ'ল। আমাৰ যেতিয়া ভাৰতবৰ্ষত communist আন্দোলন হৈছিল। এই আন্দোলৰ পিছতে এই জমিদাৰী প্ৰথা, জমিদাৰী act টো আনিছিল। এইটো ১৯৫১ ত জমিদাৰী act আনিছিল। এতিয়া জমিদাৰী act আনি জমিদাৰৰ under ত যি মাটি আছিল সেইবোৰ ভাগকৰি দিলে, সেইটো ক'বলগীয়া একো নাই। তাৰ পিছত আনিলে ১৯৫৬ ত Fixation of Ceiling , এইখন act আনিলে। এতিয়া দেখিলে যে জমিদাৰী act ৰ under টো সত্ৰ নাহিল। সত্ৰ মাটি বহুত দেখিয়ে আছে। এতিয়া সত্ৰৰ মাটি কেনেকৈ কাটিব পাৰে এই কথাটো চায় থাকিল। কিন্তু তেওঁলোকে জমিদাৰী Act ৰ under ত সত্ৰৰ মাটি আনিব নোৱাৰিলে কিয় Satra is not a Zamidari area সত্ৰ হৈছে সকলোৱে মিলি চলি থকা এটা অনুষ্ঠান আৰু অধিকাৰ তাৰ মেনেজাৰ। যেতিয়া ১৯৫৬ চনৰ চিলিঙৰ অধীনত এইটো আনিব নোৱাৰিলে দুখন নে এখন সত্ৰ লক্ষিমপুৰৰ তাত কিন্তু মাটি চৰকাৰে অধিগ্ৰহণ কৰিলে। এইটো আনিব নোৱাৰে আমি এইটো ধৰি আছো কোনো কাৰণতে under celing act নাহে। তথাপিও আনিলে। তাৰপিছত যেতিয়া নোৱাৰিলে চিলিংখনে তেতিয়া ১৯৫৬ চনত Religious and Cheritable Act আনিল। তেতিয়া বিমলা প্ৰসাদ চলিহা তেখেত আমাৰ মুখ্যমন্ত্ৰী আছিল আৰু সিদ্ধিনাথ শৰ্মা তেতিয়া ৰাজহ মন্ত্ৰী আছিল আৰু আমি চিঠি পাইছিলো। দিল্লীৰ পৰাও কোৱা হৈছে যে তৎক্ষণাত এইখন বিল আনক। অন্যবিলাক ৰাজ্যত পাছ হ'ল ইয়াত যদি পাছ নকৰে তেতিয়াহ'লে আমি financial support কাটিম মোৰ কথাটো হ'ল যে সত্ৰবিলাকক মাটি দিছে চৰকাৰে দিছে অৰ্থাৎ আহোম স্বৰ্গদেউ সকলে দিলে, কছাৰী ৰজাই দিলে, দৰঙী ৰজাই দিলে, নৰনাৰায়ণ চিলাৰায়ে দিলে এই ৰজাসকলে মাটিবিলাক দিছে আৰু মাটিবিলাক দিওঁতে তেওঁলোকে তামৰ ফলিত লিখি দিছে যে এই মাটিত আপোনালোকে সম্পূৰ্ণ ভোগ দখল কৰি থাকিব পাৰিব আপোনালোকৰ নিত্য নৈমিত্তিক কাম কৰি থাকিব পাৰিব। ইয়াত কোনো বিক্ৰী বাৰ্তা কৰিব নোৱাৰিব, কাকো donate কৰিব নোৱাৰিব। এই মাটিত কোনো ধৰণৰ সলনি হ'ব নোৱাৰিব আৰু যদি আপোনালোকে আমাৰ এই কথাটো নামানে, তেতিয়াহ'লে আমাৰ ফালৰ পৰা এইটো ঠিক কৰা হ'ব। কোনোবা এজন বিষয়াকো দিছিল ৰজাই এইবিলাক চাই থাকিবৰ কাৰণে। এতিয়া ৰজাই দিছিল কৈ দিলে যে এইফালে শিমলুজোপা, এইফালে চাউলপাৰা নৈ, এফালে আমুকজান এনেকৈ মাটিৰ সীমা ঠিক কৰি দিছিল। তামৰ ফলিত লিখা আছে। এইবিলাক লিখাৰ পাছত এই যে Charitable Act খন আনিল over night সকলো অসমৰ সত্ৰৰ মাটি অধিগ্ৰহণ কৰি ললে। কেৱল অসম সত্ৰৰ মাটি তেনেকুৰা ধৰণে কৰিব নোৱাৰিলে বাকী সকলো সত্ৰৰ মাটি কৰিলে। এতিয়া আপুনি দেখিলে আচৰিত হ'ব চকুপানী ওলাই যাব যে একোখন সত্ৰ ১০ লেচা মাটিত কোনোমতে এটা ঘৰ লৈ আছে। যিবিলাক revenue কাৰ্য্যালয় আছে, তাত আমি তথ্য যেতিয়া চাইছো আমি record পোৱা নাই। Record বিলাক নাইকিয়া হৈ গৈছে। এতিয়া মই এই যিখন বিল আনিছে অত্যন্ত আনন্দিত হৈছো আৰু মই ভাৱো যে আজি সত্ৰ কেৱল অধিকাৰ কেইজনমানৰ নহয়। সত্ৰ মানে গোটেই

অসমীয়া সমাজখনেই জড়িত হৈ আছে। গোটেই অসমৰ মানুহ গোটেই অসমীয়া জাতিৰ অসমীয়া সমাজ ইয়াৰ ভাষা, কৃষ্টি, সংস্কৃতি, শিল্প এইবিলাক সকলো সত্ৰৰ লগত জড়িত আছে। সত্ৰীয়া যিবিলাক ভাষা অতি সুন্দৰ ভাষা আৰু ইয়াত ভাৰতবৰ্ষৰ যিটো Indian Phylosophy এই দৰ্শনটো আপুনি সত্ৰত বিচাৰি পাব। এই ধৰণে সত্ৰ বিলাকে সমাজখনসংস্কাৰ কৰি যোৱাৰ কাৰণে আজি হয়তো অসমৰ বা উত্তৰ পূৰ্বাঞ্চলৰ মানুহ ভাৰতবৰ্ষৰ সকলোৰে ভাল পায়, ব্যৱহাৰপাতি ভাল পায়, কথা বতৰাত ভাল পায়, খোৱা-বোৱাত ভাল পায়, থাকি মেলি ভাল পায়। হয়তো সেইটো কাৰণে এইবিলাকে হয়তো সমাজখনক সুন্দৰকৈ সজাই পেলালে। গুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ তেওঁ ৰজাৰ পুতেকে আছিল। ভূঁএগ্ৰা ৰাজ্য আছিল কাজলী মুখৰ পৰা বনমৌ লৈকে বিশ্বনাথ চাৰিআলিৰ ওচৰত। টিহু তেওঁলোকৰ কাছাৰী আছিল। কিন্তু সেই ৰজাৰ পুতেক এওঁ ৰজা হ'ব নিবিচাৰিলে আৰু তেওঁ মহেন্দ্ৰ কন্দলীৰ টোলত তেওঁ খেৰসূতী আইতাকে আনি পঢ়িবলৈ দিলে। ভাৰতবৰ্ষৰ সকলো চাৰি বেদ চৈধ্য শাস্ত্ৰ ওঠৰ পুৰাণ সকলোতে তেওঁ অধ্যয়ণ কৰি সুস্থ হৈ তাৰপিছত তেওঁ তীৰ্থত যায়। তেখেতে সত্ৰ বনোৱা নাই। তেখেতে সত্ৰ বনোৱা নাই কিন্তু আজি বৰদোৱাক থান সত্ৰ বুলিয়ে কয়। তাত তেখেতে গছৰ তলত বহিলে, এখন চালি দিলে, হাজাৰ বিজাৰ মানুহ আহিলে, তাত তেওঁ চৰ্চা কৰিলে। তেনেদৰে তেওঁ য'ত য'ত গৈছে সেই ঠাইসমূহত এতিয়া সত্ৰ হৈছে। এতিয়া এইজনা মানুহৰ শেষ ৰাজধানীটো হৈছিলে, তেখেতৰ য'ত জন্ম হৈছিলে সেই পাতেকীবড়িত। য'ত এজন ৰজাৰ ৰাজধানী আছিলে তাত মাত্ৰ ৫ বিঘা মাটি থাকে নেকি, অসম্ভৱ। পাতেকিবড়িত যি জন্মস্থান বুলি সকলোৰে দাবী কৰি আছে, তাত এতিয়া মাটি সকলো ফালৰ পৰা বেদখল হৈ গ'ল।

অধ্যক্ষ মহোদয়, আৰু দুটামান কথা মই ক'ব বিচাৰিছো। কুসুম্বৰ ভূএগ্ৰা তেখেতৰ দেউতাক আছিল, তেওঁ এজন ৰজা আছিল। তেখেতৰ ৰাজ হাউলি য'ত আছিল তাত এতিয়া ৪ কঠাহে মাটি আছে। এই মাটিখিনি চৰকাৰী মাটি হৈ আছে। কিন্তু এতিয়া সকলোফালৰ পৰা এই মাটিখিনি অন্য ধৰ্মৰ মানুহে ঘেৰাও কৰি আছে। তাত ৫০ বিঘাৰ এটা reserve ও আছে। ওচৰতে কুজি বিল আছে, ঠিক তেনেদৰে যিমানবিলাক ভেঁটি আছে, তাৰে কোনো এটা ভেঁটিয়ে বেদখল হ'বলৈ বাকী নাই। ৰামপুৰ সত্ৰ, কুজি সত্ৰ, বৰদোৱা সত্ৰ, বালি সত্ৰ, দুমদুমীয়া সত্ৰ আৰু ধুনীয়া ভেঁটি। এই গোটেইখিনিতে সত্ৰ আছে। ৰামপুৰ সত্ৰত মান যেতিয়া আহিছিলে তাত এজন ভকতক জীয়াই জীয়াই শিমলু গছত গজাল মাৰি দিছিলে, যাতে মানুহে তেখেতৰ শাস্তিটো দেখি কোনেও মানৰ বিৰোধীতা নকৰে।

মাননীয় অধ্যক্ষ মহোদয়, মই আন এটা কথা ক'ব বিচাৰিছো- যিহেতু স্বৰ্গদেউ বিলাকে মাটি দিওঁতে তাৰ কিনাৰত থকা জানটো সত্ৰত নিদিয়াকৈ থকা নাই বা কিনাৰত থকা বিলখন সত্ৰত নিদিয়াকৈ থকা নাই। আজি তেনেকুৱা ধৰণে সুন্দৰী দিয়াত সত্ৰৰ যি বিল আছে তাত গণ্ডগোল হৈ আছে। তেনেদৰে প্ৰত্যেকখন সত্ৰতে তেনেধৰণে গণ্ডগোল হৈ আছে। আজি যিদৰে চৰকাৰে ই বিলখন আনিছে আৰু ইয়াত যিহেতু সেই কমিশ্যনটো হ'ব, মই আশা ৰাখিম যে তেখেতসকলে অহা দিনবিলাকত এই কথাখিনি চায়। আজি সত্ৰত এটা সাংঘাতিক অৱস্থা হৈ আছে। মহাপুৰুষ শ্ৰীমন্ত্ৰ শংকৰদেৱৰ জন্ম হৈছে বৰদোৱাৰ পাতেকীবড়িত, মৃত্যু হ'ল কোচবিহাৰৰ মধুপুৰত কিন্তু এখেতৰ সমাধি ক'ত কেনেদৰে আছে কোনেও চোৱা নাই। আমাৰ লেটেকু পুখুৰীত মাধৱ দেৱৰ জন্ম হৈছিলে আৰু তেখেতৰ মৃত্যু হৈছিলে কোচবিহাৰত। এতিয়া কোচবিহাৰৰ টৰ্চা নৈৰ পাৰতে সৰু এটুকুৰা ঠাইত এখন আসন থৈ তেনেদৰে ৰখা হৈছে। তাতো কোনো সমাধি

নাই। ঠিক তেনেদৰে দামোদৰদেৱৰো মৃত্যু  হ'ল কোচবিহাৰত কিন্তু তেখেতৰো কোনো সমাধি নাই। তাৰ পিছত হৰিদেৱৰ   মৃত্যু হৈছিল নাৰায়নপুৰত। তাতো তেখেতৰ কোনো সমাধি নাই। গোপাল আতাৰ যিটো সমাধি আছে সেইটো আপুনি দেখি আচৰিত হ'ব, কালজাৰ  নৈৰ পাৰত টিঙেৰে এটা সৰু ঘৰ বনাই থৈছে। গতিকে মই আশা ৰাখিম যে এই কমিটিখন যেতিয়া আহিব অন্তত গুৰু কেইজনাৰ সমাধি, যিকেইজনে গোটেই সমাজখনক শিক্ষা দি সংস্কাৰ কৰি গ'ল, আজিও সমাজখনক ধৰি ৰাখিছে সেয়েহে মই আশা  ৰাখিছো মন্ত্ৰী মহোদয়ে যাতে এই কথাখিনি চায়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, কৰিমগঞ্জ(উত্তৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সত্ৰ অসমীয়া জীৱনৰ আত্মা। আজিও এই বিলখনৰ যোগেদি এই সত্ৰ সমূহৰ মাটি গ্ৰাস কৰাৰ যি প্ৰৱণতা, সেইটো নোহোৱা কৰিব লাগে। সত্ৰৰ উন্নতি হ'লে আমাৰ সভ্যতা সংস্কৃতিখিনি উন্নতি হ'ব। মই ভাৱো আজি এই বিলৰ জৰিয়তে এই পৰিৱেশটো সৃষ্টি হ'ব। তাৰবাবে মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। অধ্যক্ষ মহোদয়, মহাদেৱপুৰ প্ৰাৰ্থী, তাত প্ৰায় ১৩৪ বিঘা ঠাই আছে, যিটো দেৱোত্তৰ মাটি। এই মাটিখিনি চাৰিজন ইছলাম সম্প্ৰদায়ৰ মানুহৰ নামত খতিয়ান হৈ গৈছে। কোনো এক্টত নাই যে দেৱোত্তৰ মাটি ইছলামধৰ্মী লোক সকলৰ নামত যায় বুলি। ইয়াৰ উপৰিও তাত গুৰুগ্ৰাম বুলি ঠাই আছে, তাত দূৰ্গা দেৱীৰ মন্দিৰ আছে। তাতো একেই অৱস্থা। মাটিখিনি ইছলামধৰ্মী লোকৰ নামত খতিয়ান হৈ গ'ল। এই যি দেৱোত্তৰ সম্পত্তি গ্ৰাস কৰাৰ যিটো প্ৰৱণতা তাৰ কাৰণেও এখন বিল হ'ব লাগে। ইয়াৰ উপৰিও আমি সচৰাচৰ দেখা পাওঁ যে কিবা এটা হ'লেই মন্দিৰৰ ওপৰত গো মাংস পেলোৱাৰ যিটো প্ৰৱণতা আছে এই প্ৰৱণতাৰ বাবে সমাজত অশান্তিৰ সৃষ্টি হ'ব। তাৰবাবে মই ভাৱো আৰু কঠোৰতম বিল হ'ব লাগে, তাৰবাবে মই অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি এই যিখনThe Assam Satra Preservation and Development Commission Bill,2025 আহিছে, এইক্ষেত্ৰত যদিও সংশোধন আনিছিলে বিধান সভাৰ তিনিজন সন্মানীয় সদস্যই- বিৰোধী দলৰ দলপতি ডাঙৰীয়া, আব্দুৰ ৰশিদ মণ্ডলৰ লগতে আন এজন সদস্যই। ইতিমধ্যে কেইবাগৰাকীয়ো ইয়াৰ ওপৰত বক্তব্য ৰাখিলে। তাৰে ভিতৰত দেৱব্ৰত শইকীয়া ডাঙৰীয়া, আব্দুৰ ৰশিদ মণ্ডল ডাঙৰীয়া, ভাস্কৰ জ্যোতি বৰুৱা ডাঙৰীয়া, ৰূপক শৰ্মা ডাঙৰীয়া, দূৰ্গা দাস বড়ো ডাঙৰীয়া, প্ৰদীপ হাজৰিকা ডাঙৰীয়া আৰু কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই বিলখনৰ ওপৰত বক্তব্য ৰাখি ইয়াৰ বাবে তেখেতসকলে যেনেদৰে উৎসাহিত কৰিছে তাৰবাবে মই তেখেতসকলক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, মই সংশোধনীৰ উত্তৰটো দিম। কিন্তু তাৰ আগতে তেওঁলোকে যি বক্তব্য ৰাখিছে তাৰ ওপৰত কিছু কথা দাঙি ধৰিব বিচাৰিছো। Assam Accord ৰ Clause-6 ত "constitutional, legislative and administrative safeguard as may be appropriate shall be provided to protect, preserve and promote cul-

tural, social, linguistic identity and heritage of Assamese people".এই দফাটোৰ ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই Clause-6 টো কেনেদৰে implement কৰিব লাগে তাৰবাবে এখন আয়োগ গঠন কৰি দিছে বিপ্লৱ শৰ্মাৰ নেতৃত্বত। বিপ্লৱ শৰ্মাৰ যিখন আয়োগে সত্ৰৰ ক্ষেত্ৰত যিটো recommendation দিছে, যিটো direction দিছে সেইটো মই আপোনালোক সকলোকে গাই দিছো- To ensure the protection, preservation and development of Satra institutions of Assam, an Autonomous Authority is required to be established to look after the overall development of these institutes.So, the protection, preservation and development of these institutions should be ensured to protect, preserve and promote cultural heritage of Assamese people under the provision of Clause-6 of Assam Accord." এই মৰ্মে আজি এই bill খন ইয়াত অনা হৈছে। এই ক্ষেত্ৰত আমাৰ ইতিমধ্যে বক্তব্যত কৈ গৈছে যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ গুৰুজনাই আৰু তেখেতৰ পিছতে মাধৱদেৱকে ধৰি আতা পুৰুষ সকলে বিভিন্ন ধৰণে অসমৰ সমাজ ব্যৱস্থাৰ বুনিয়াদ টো গঢ়ি থৈ গ'ল আৰু সেই বুনিয়াদৰ মাজত থকা institute য়েই হৈছে সত্ৰ আৰু এই সত্ৰ প্ৰতিষ্ঠানটোৰ দ্বাৰাই অসমৰ সমাজ ব্যৱস্থাৰ আজি ১৫০০/১৬০০ শতিকাৰ পৰাই, গুৰুজনাৰ জন্মৰ সময়ৰ পৰাই এইটো আৰম্ভ হৈছে আৰু ৫০০ বছৰ ধৰি অসমৰ সমাজ ব্যৱস্থাৰ দ্বাৰা পৰিচালিত হৈছো। কিন্তু ইয়াৰ যিটো দুৰৱস্থা তাৰ কথাটো আমি সময়ে সময়ে পাই আহিছো যদিও মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দায়িত্ব লৈয়েই এখন সত্ৰ আয়োগ গঠন কৰি দিছিল। মাননীয় বিধায়ক শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়া, শ্ৰী ৰূপক শৰ্মা ডাঙৰীয়া আৰু শ্ৰী মৃণাল শইকীয়া ডাঙৰীয়া এওঁলোক তিনিজনে অসমৰ প্ৰায় সকলো সত্ৰত চৰজমিন অৰ্থাৎ তাত গৈ সকলোখিনি তথ্য আৰু তেওঁলোকৰ অৱস্থাৰ বিষয়ে যি পৰ্য্যবেক্ষণ কৰিলে আৰু যিখন প্ৰতিবেদন দিলে সেই প্ৰতিবেদন খন আমাৰ বাবে এটা ডাঙৰ সম্পদ বা ডাঙৰ তথ্য। এই সত্ৰ গঠন হোৱাৰ পিছত অসম চুক্তিৰ ৬ নং দফা অনুসৰি বিপ্লৱ শৰ্মা আয়োগে দিয়া recommendation ৰ ভিত্তিত আজি মুখ্যমন্ত্ৰীৰ নিৰ্দেশত এই বিলখন সদনত আপোনালোকৰ আগত উত্থাপন কৰিছো। ইয়াৰ আগলৈকে সত্ৰৰ মাটিৰ ক্ষেত্ৰত land act যিখিনি আছে তাৰ বাহিৰে বিশেষ restriction বিভাগ আৰু revenue department ৰ ফালৰ পৰাও নাছিল আৰু cultural department ৰ ফালৰ পৰাও কোনো ধৰণৰ protection বা অন্যান্য ধৰণৰ কোনো ব্যৱস্থাই ইয়াত হোৱা নাছিল। ৫০০ বছৰীয়া অসমৰ যি ঐতিহ্য, যি ইতিহাস, যি heritage, অসমৰ সমাজ জীৱনৰ বুনিয়াদ গঢ়াৰ যিটো institute সেইটোৰ ক্ষেত্ৰত এইখন হৈছে প্ৰথম বিল আৰু সদনত উত্থাপন কৰাৰ বাবে আজি এটা শুভদিন বুলি ভাবিছো। ইয়াত এটা চৰকাৰী সংশোধনী আছে মই সেইটো move কৰিছো। এইটো হৈছেঃ In the preamble, the second line the word for the implementaion of the Clause 6 of the Assam Accord shall be inserted in between the word 'Development Commission' and 'for the protection'. এইক্ষেত্ৰত আপোনালোকক circular দিয়া হৈছে। বাকী amendment কেইটাৰ ক্ষেত্ৰত মই ক'বলৈ বিচাৰিছো যে ইয়াত কেইটামান সংশোধনী আনিছে সেইকেইটা আপোনালোকক ক'লে বুজি পাব যে সংশোধনী কেইটাৰ কিমান দৰকাৰ আছে। প্ৰথম সংশোধনীত তেওঁলোকৰ মতে এজন সত্ৰ মহাসভাৰ সদস্য ইয়াত অন্তৰ্ভুক্ত কৰিব লাগে। তাৰ

আগতে মই কৈছো যে commission খন constitute হৈছে ৫ জন সদস্যৰ দ্বাৰা। এজন Chairperson হৈছে High Court ৰ retired Judge, ইয়াত সদস্য থাকিব Director of Land Requisition, Acquisition and Reforms . আমাৰ সন্মানীয় বিৰোধী দলপতিয়ে তেওঁৰ বক্তব্যত কৈ গৈছিল যে ইয়াত এজন সম্পূৰ্ণ revenue ৰ জ্ঞান থকা মানুহ লাগে। গতিকে সেইখিনি আমাৰ ইয়াত অন্তৰ্ভুক্ত হৈছে। এজন হৈছে retired civil servant not below the rank of Secretary. চৰকাৰৰ পৰা অৱসৰ লোৱা আৰু ৰাজহ বিভাগত বিশেষ দক্ষতা থকা এজন ব্যক্তি তাত commission ৰ member হিচাপে মনোনীত হ'ব আৰু দুজন ব্যক্তি মনোনীত কৰিব satra ৰ representative ৰ ফালৰ পৰা। যিহেতু এই commission খন govt. ৰ ফালৰ পৰা nominate কৰা হ'ব গতিকে নিশ্চয় তেওঁলোকে সত্ৰ মহাসভাৰ কথাই কৈছে। সত্ৰ মহাসভাৰ কথা আলোচনা কৰিয়েই নিশ্চয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই দুজন সদস্যক মনোনীত কৰিব। গতিকে আৰু এজন সদস্যক ইয়াত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়োজন নহ'ব যিহেতু সত্ৰৰ প্ৰতিনিধি ইয়াত থাকিব।

দ্বিতীয়তে, ইয়াত ক'ৰামৰ কথাটো কোৱা হৈছে যে ৫জন থাকিলে ৩ জনৰ দ্বাৰা ক'ৰাম হয় আৰু ৬জন থাকিলে ক'ৰামৰ বাবে ৪ জন লাগে বুলি কৈছিল কিন্তু এতিয়া যিহেতু ৫ জন সদস্য হ'ব গতিকে ৩ জনেৰেই ক'ৰাম হ'ব। আৰু এটা কথা শুনিলে আপোনালোকে ভাল পাব যে এই ৩ জনৰ ভিতৰত সত্ৰৰ প্ৰতিনিধি এজন থাকিবই লাগিব। বাকী ৩ জনেৰে ক'ৰাম হৈ সত্ৰৰ প্ৰতিনিধিজন নোহোৱাকৈ ক'ৰাম হোৱাটো আমি কৰা নাই। সত্ৰৰ প্ৰতিনিধি এজন ধৰিহে বাকী দুজন থাকিব লাগে। গতিকে আপোনালোকে যিটো বিচাৰিছে তাতোকৈ বেছি ইয়াত নিশ্চিত কৰি দিয়া হৈছে যে সত্ৰৰ প্ৰতিনিধিৰ ইয়াত এটা ভূমিকা থাকিব। ১০ নং দফাত আপোনালোকে যিখিনি appeal, revision ৰ সংশোধনী আগবঢ়ালে, আমি এয়াত কৈছো যে এইখন যথেষ্ট ক্ষমতা সম্পন্ন এজন High Court ৰ retired Judge ৰ দ্বাৰা গঠিত Commission.আজিৰ বিলখন pass হ'লে তেওঁলোকে যথেষ্ট autonomy পাব, তেওঁলোকক যথেষ্ট ক্ষমতা আৰু দায়িত্ব দিয়া হৈছে। গতিকে ইয়াৰ যিটো appeal সেইটো অন্য চৰকাৰী ব্যৱস্থাত নহয়। ইয়াৰ appeal টো হ'ব High Court ত। ইয়াত যদি কোনোবা অসন্তুষ্ট হয় ইয়াৰ পিছত সেইখন writ petition ত High Court ত যাব। গতিকে No appeal or revision shall lie against any order passed by the Commission. গতিকে সংশোধনীত 'No' টো থাকিব নালাগে, appeal কৰিব পাৰিব লাগে কিন্তু আমি কৈছো যে কেৱল High Court ত পাৰিব যিহেতু powerful Commission গতিকে appeal ৰ সলনি তাত writ petition কৰিব পাৰিব।গতিকে আপোনালোকে যি তিনিটা সংশোধনী আনিছিল আটাইকেইটা সংশোধনীৰ ক্ষেত্ৰত মই ভাবো আপোনালোকে ভবাৰ ধৰণেই হৈছে। ইয়াত কোনো অসুবিধাৰ কথা চিন্তা কৰিব লগীয়া নাই। আমি সত্ৰৰ প্ৰতিনিধি দুজন ইয়াত দিছো গতিকে তাত কোনো অসুবিধা হ'ব নালাগে। সত্ৰৰ প্ৰতিনিধি আপোনালোকে আৰু এজন দিয়াৰ কথা কৈছিল। আমি দুজন ইয়াত দিছোৰে, তাত কোনো অসুবিধা হ'ব নালাগে। তাৰপিছত আমি ইয়াত কোৰামৰ ক্ষেত্ৰত ইয়াত ৬ জন হোৱাৰ কাৰণে চাৰিজন উকিলৰ পৰামৰ্শ দিছিল। এতিয়া পাঁচজন হোৱাৰ লগে লগে তিনি জনত হ'ব আৰু যিটো আপোনালোকে appeal ৰ কথা কৈছে, এই appeal টো হাই কোৰ্টত দিয়া আছে। গতিকে হাই কোৰ্টত ইয়াত এইখন কমিশ্যনত যেতিয়া কিবা এটা কথা appeal কৰিব বিচাৰিব সেইটো হাই কোৰ্টত পিটিশ্যন দি সেইখিনি কৰিব পাৰিব। গতিকে

মই আপোনালোকক দাঙি ধৰিলো যে গোটেইখিনি কথা চৰকাৰৰ যিজন প্ৰতিনিধি থাকিব DLRAR অৰ্থাৎ Director of Land Requisition Acquisition and Reform. গতিকে তেওঁ ভূমি সম্পৰ্কীয় সকলো বিষয়ৰ এগৰাকী উচ্চ বিষয়া Commission ৰ Act ৰ মেম্বাৰ হ'ব। এই আটাইখিনি আপোনালোকৰ ওচৰত। এতিয়া মই ভাবিছো সংশোধনীৰ ক্ষেত্ৰত কোনো সন্দেহ নাই। সকলো সমাধান ইয়াৰ ভিতৰতে ওলাইছে। মই এইখিনি আশা কৰিলো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া সদনত উপস্থিত আছে গতিকে মই তেখেতে একাষাৰ ক'লে ভাল পাম।

**ড° হিমন্ত বিশ্ব শৰ্মা, (মুখ্যমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ ৬ নং দফা, ইয়াক আমি দুটা ভাগত বিভক্ত কৰিছিলো। কেন্দ্ৰীয় চৰকাৰৰ Jurisdiction ত যি সমূহ subject আহে আৰু ৰাজ্য চৰকাৰৰ Jurisdiction ত যিখিনি subject আহে। সদৌ অসম ছাত্ৰ সন্থাৰ লগত আমি যোৱা প্ৰায় এটা বছৰ বিভিন্ন ধৰণে আলোচনা কৰি ৰাজ্য চৰকাৰৰ একটিয়াৰত অহা বিষয় সমূহ আমি এটা এটাকৈ নিষ্পত্তি কৰাৰ বাবে প্ৰচেষ্টা হাতত লৈছো। সদনত বিৰোধী পক্ষই কেইবাবাৰো ষষ্ঠ অনুসূচী বা Clause -6 ৰ ৰূপায়ণৰ ওপৰত গুৰুত্ব দিছিল আৰু এতিয়া আমি পৰ্য্যায়ক্ৰমে এই Clause -6 ৰ ৰূপায়ণ কৰাৰ দিশত আগবাঢ়িছো। এইবাৰ সদনত Clause - 6 ৰ লগত ৰজিতা খুৱাই কেইবাখনো বিল আমি আনিছো। ইয়াৰ ভিতৰত দুখন বিল আজি সত্ৰ আয়োগৰ গঠন আৰু Establishment of District Land Tribunal. ৰেভিনিউ বিভাগে এই দুখন বিল আনিছে। District Land Tribunal ক আমি প্ৰচেষ্টা কৰিছো যে Tribal Belt and Block ত যেতিয়া Non Tribal ব্যক্তিয়ে ভূমি দখল কৰে, tribal ব্যক্তি সকলে বা protected class ৰ লোক সকলে ক'ত গৈ অভিযোগ দিব ? তাৰ ব্যৱস্থা নোহোৱাৰ কাৰণে DC Office ত অভিযোগ দিয়ে। DC Office ত প্ৰথম Dealing Assistant, UD,LD, ADC আৰু তাত DC সকলে political কাৰণত সিদ্ধান্ত নোলোৱা কাৰণে এসময়ত বিষয়টো complicated হয় আৰু আমি eviction ৰ দৰে ব্যৱস্থা ল'ব লগীয়া হয়। তাত মানৱীয়তাকে ধৰি বিভিন্ন ধৰণৰ প্ৰশ্ন আহি পৰে। কিন্তু মাটি দোখৰ দখল কৰিবলৈ যোৱাৰ লগে লগে যদি আমি ব্যৱস্থা ল'ব পাৰিলো হেঁতেন তেতিয়াহ'লে আজিৰ দৰে হয়তো এটা complicated situation নহ'ল হেঁতেন। District Land Tribunal ৰ বিষয়ে ও বিধেয়কখন আহিব। মই এটা শব্দৰে তাক সামৰণি মাৰিম। আমি অসমৰ জিলা সমূহত য'ত Tribal Belt and Block আছে তাতে আমি এখন District Land Tribunal গঠন কৰিব খুজিছো। এতিয়াৰ পৰা যি নতুন মানুহ Tribal Belt and Block ত আহে, পুৰণাখিনিক আমি deal কৰি থাকিম। নতুন মানুহ আহিলে লগে লগে বৰ্তমানৰ protected class য়ে District Land Tribunal ত আবেদন কৰিব। DC ৰ ওচৰত যাব নালাগে। District Land Tribunal ত তেওঁ যিহেতু এজন জাজ হ'ব, তেওঁ অৰ্ডাৰ কৰিব eviction বা not eviction. চৰকাৰে সিদ্ধান্ত ল'ব নালাগে। জাজে সিদ্ধান্ত ল'ব। দুয়োটা পক্ষৰ কথা শুনিব আৰু তেওঁলোকে সিদ্ধান্ত ল'ব যে এই ব্যক্তিজনক বা এই সমষ্টিক বা এই Group of people ক আমি উচ্ছেদ কৰিব লাগে। ইয়াৰ ফলত আমাৰ Tribal Belt and Block সমূহ protected হ'ব। পুৰণা যিখিনি মানুহ আছে তাত আমি এইটো Tribunal ৰ জৰিয়তে প্ৰযোজ্য কৰিব খোজা নাই। তাত চৰকাৰে আজিৰ মতে কৰি থাকিব। নতুন encroachment হ'লে, ইয়াত District Land Tribunal ৰ জৰিয়তে আমি ন্যায় পাব পাৰিম। Clause - VI ৰে আন এটা দিশ আমি সদনত

আনিছো যে The Satra Preservation and Development Commission Bill, 2025, এইখন আইনত প্ৰয়োগ হোৱাৰ লগে লগে আমি এখন আয়োগ গঠন কৰিম। এই সত্ৰ আয়োগখনৰ Revenue Court ৰ পাৱাৰ থাকিব। অৰ্থাৎ সত্ৰত যদি কোনোবাই মাটি encroach কৰে তেতিয়া পোনে পোনে সেই ব্যক্তিজন সত্ৰ আয়োগলৈ আহিব পাৰিব। আজি অসমত BJP চৰকাৰ আছে। আমাৰ political will আছে। কিন্তু অহা কালি হয়তো কোনোবা চৰকাৰ থাকিব তাত তেওঁলোকৰ political will নাথাকিব ও পাৰে। কিন্তু সত্ৰ আয়োগত যেতিয়া তেওঁ যাব তেতিয়া সত্ৰ আয়োগে নিৰ্দ্দেশ দিব যে অমূকক চৰকাৰে eviction কৰিব লাগে আৰু এই কমিশ্যনখন আইনৰ দ্বাৰা গঠিত হ'ব। They will have full power of a Revenue Court. যেনেকৈ Assam Board of Revenue আছে, যেনেকৈ Revenue Court ৰ পাৱাৰ থাকিব, তেওঁলোকে witness মাতিব পাৰিব, তেওঁলোকে judgement দিব পাৰিব। আজি আমি এই দুয়োখন বিল আনিছো। যিয়ে Tribal Belt and Block ক ভৱিষ্যতে protect কৰিব পাৰিব। সত্ৰক ভৱিষ্যতে land encroachment ৰ পৰা ৰক্ষা কৰিব পাৰিব। লগতে ইয়াত আৰু এটা পাৱাৰ দিয়া হৈছে যে যদি কোনোবা সত্ৰ এখন heritage property হয় আৰু সেই সত্ৰখন যদি ধ্বংস হৈছে বা তাৰ স্খলন হৈছে বা মেৰামতিৰ প্ৰয়োজন হৈছে বা সুৰক্ষাৰ প্ৰয়োজন হৈছে তেতিয়াহ'লে এই সত্ৰ আয়োগখনে monetary announcement কৰিব পাৰিব। After visiting Kamalabari Satra or visiting Dakhin pat Satra, the Commission is the opinion যে তাৰ heritage building কেইটা ৰাখিবৰ কাৰণে The Government should give a sanction of rupees 1 crore. আজি যিটো কাম আমি কৰি আছো অহাকালি হয়তো তেনেকুৱা political will থকা চৰকাৰ নাথাকিবও পাৰে কিন্তু আজি আমি যিটো কৰি আছো এই কামটো এই Satra Commission as well as District Land Tribunal য়ে কৰিব পাৰিব। মাননীয় মন্ত্ৰী শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াই এই দুয়োখন বিল আজিৰ সদনত আনিছে আৰু মই ভাবো যে অসম চুক্তি ৰূপায়ণৰ দিশত এই দুয়োখন এক্ট মাইলৰ খুটা হৈ ৰ'ব। ইয়াৰ পিছত আমি ফেব্ৰুৱাৰী মাহত আৰু কেইখনমান বিল আনিবলৈ চেষ্টা কৰিম যে Indigenous মানুহৰ Land right protect কৰাৰ কাৰণে। অসমত আমি আৰু এখন আইন আনিব বিচাৰিছো যে নিৰ্বাচিত Revenue Circle বোৰত কেৱল Indigenous মানুহৰ মাজতে মাটি কিনা-বেচা কৰিব পাৰিব। Indigenous মানে আমি কাক ক'ব বিচাৰিছো যে যাৰ তিনিটা প্ৰজন্ম অসমত বসবাস কৰি আছে, অৰ্থাৎ ১৯৫১ চনৰ পৰা। এইটো সকলোতে নহয়। গুৱাহাটী Metropolitan ত কৰিব বিচৰা নাই। বিপ্লব শৰ্মা আয়োগে পঞ্চায়তত এনেকুৱা কাম কৰিব কৈছে যে য'ত নেকি খিলঞ্জীয়া মানুহ ও এক বিপৰ্য্যয়ৰ সন্মুখীন হৈছে। তেনেকুৱা এখন আইনো আমাৰ সদনত আহিব। ইয়াৰ বাবে আমি ৩৬ টা subject বাচিছো আৰু এখন এখনকৈ বিল সদনত আহিব আৰু সদনৰ সহযোগিতাও পাম। মই পুনৰ এবাৰ আমাৰ পবিত্ৰ সদনক ধন্যবাদ জনাব বিচাৰিছো যে সত্ৰৰ ক্ষেত্ৰত আমি এটা ডাঙৰ মাইলৰ খুটা স্থাপন কৰিব গৈ আছো। ই এটা ঐতিহাসিক সিদ্ধান্ত। মই সকলোকে ধন্যবাদ জনাইছো। আৰু যিখিনি সংশোধনী আছে সেইখিনি ইতিমধ্যে শ্ৰী কেশৱ মহন্ত ডাঙৰীয়াই বুজাই দিছে। সত্ৰ আয়োগ গঠন কৰোতেও আমি সত্ৰৰ প্ৰতিনিধি লৈয়ে গঠন কৰিম। গতিকে এইখন politically neutral committee হ'ব। এজন অৱসৰ লোৱা জাৰ্জে তাত অধ্যক্ষতা কৰিব। It is a politically neutral Commission. মই সদনক এই আইনখন পাৰিত কৰাৰ

বাবে অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ অলপ ক'ব লগীয়া আছিল। মই কৈ দিলে ভাল হ'ব কিজানি। মাননীয় মন্ত্ৰী মহোদয়, আমাৰ সংশোধনী দুটা। যিটো কোৰামটো হৈছে ১১। তাত যদি সদস্যৰ সংখ্যা বাঢ়ি যায় ইয়াৰ এক্তত যিটো interpretation আছে, regarding the composition of the commission তাত যি দুজন সদস্য চৰকাৰে সত্ৰৰ লগত জড়িত representing সত্ৰ. তাত যি দুজন মেম্বাৰ চৰকাৰে সত্ৰৰ লগত জড়িত representing Satra to be nominated by the Government আৰু আপোনাৰ যিটো ব্যাখ্যা আছিল যে সত্ৰ মহাসভাৰ পৰা ল'ব। গতিকে এই interpretation ত অলপমান confusion আছে। সঁচা অৰ্থত যি দুজন প্ৰতিনিধি সত্ৰৰ পৰা ল'ব আৰু সেই দুজন প্ৰতিনিধি চৰকাৰে নমিনেট কৰিব লাগিব। But to be recommended by the সত্ৰ মহাসভা তেতিয়া হ'লে আমাৰ এই অতিৰিক্ত যে সত্ৰ মহাসভাৰ পৰা নমিনেট কৰাৰ কথা কৈছো, সেইটো প্ৰযোজ্য নহয়। চৰকাৰে যি দুজন সদস্য সত্ৰৰ লগত জড়িত ব্যক্তিৰ পৰা আপোনালোকে বাচনি কৰিব খুজিছে সদস্য হিচাবে। সেই দুজন ব্যক্তি সত্ৰ মহাসভাৰ পৰা recommended হ'লে ভাল হয়।

**ড০ হিমন্ত বিশ্ব শৰ্ম্মা, মুখ্যমন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সত্ৰ মহাসভা এটা অনুষ্ঠান কিন্তু সকলো সত্ৰ সত্ৰ মহাসভাৰ লগত নাই, ইয়াতে গতিকে আমি সদনে complicated কৰাত কৰি দুজন সত্ৰৰ প্ৰতিনিধি আমি লৈ ল'ম। সত্ৰ মহাসভা বুলি ক'লে আজিৰ পৰা ৫০ বছৰ পিছত ২০ বছৰ পিছত কোন অনুষ্ঠান কেনেকে থাকিব তাক কোনেও ক'ব নোৱাৰে। সেই কাৰণে সত্ৰ মহাসভাৰ পৰামৰ্শ হ'ব, সত্ৰ মহাসভাৰ অধীনত থকা সত্ৰৰো পৰামৰ্শ হ'ব। সেই কাৰণে বিষয়টো এনেকুৱা বিধান সভাই দায়িত্বটো এটা অনুষ্ঠানক গতাই দিব নালাগে। কাৰণ সত্ৰ মহাসভা কালি পৰহী তেওঁলোকে কেনেকে চলিব কেনেকে থাকিব আজিটো আমি predict কৰিব নোৱাৰো। কিন্তু চৰকাৰে যদি ভাৱে সত্ৰ মহাসভাৰ সভাপতি জনক আমি মেম্বাৰ কৰি ৰাখিম তাতো কোনো আপত্তি নাই। কিন্তু ১০ বছৰ পিছত ৩খন সত্ৰ মহাসভা হয় তেতিয়া আমি আজিৰ দিনটো দুখন কমিটি আছে। গতিকে আপুনি যিহেতু বিষয়টো অধ্যয়নত যোৱা নাই spirit টো ভাল পাইছো। আজি সত্ৰ মহাসভা দুখন আছে, কালি যদি তিনিখন হৈ যায় আকৌ আইনত আনিব লাগিব। বিধান সভালৈকে আহিব লাগিব কোনখন সত্ৰ মহাসভা সেই কাৰণে এইটো চৰকাৰক দায়িত্ব দিব লাগে ।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, বিধায়ক ঃ** এগ্ৰী কৰা হৈছে। মই দুটামান কথা লৈছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াত স্পষ্টকৈ লিখা আছে সত্ৰ প্ৰতিষ্ঠান সমূহক প্ৰতিনিধিত্ব কৰা চৰকাৰৰ দ্বাৰা মনোনিত দুজন সদস্য।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, বিধায়ক ঃ** ঠিক আছে, ইয়াতে আমাৰ লিডাৰৰ ফালৰ পৰা পৰামৰ্শ আছিল যিহেতু আপোনালোকৰ যিটো spirit অসম চুক্তিৰ ৬ নং দফাৰ বি কে শৰ্ম্মা কমিটিৰ ৰিক'মেণ্ডেশ্যন । গোটেইখিনিৰ ক্ষেত্ৰত আপোনালোকে যিটো উদ্যোগ লৈছে সেই ক্ষেত্ৰত আমি আপোনালোকৰ শলাগ লৈছো। চৰকাৰক ধন্যবাদ জনাইছো। কিন্তু ইয়াক আৰু অধিক ফলপ্ৰসু কৰাৰ কাৰণে আমাৰ লিডাৰৰ ফালৰ পৰা আৰু কিছু পৰামৰ্শ আছিল। ইয়াত যথেষ্ট পৰিমানৰ মাটি আছে, মাটিখিনি এনেয়ে পেলাই থৈছে। তাত আমি কিবা কিবি project ল'ব পাৰো । যদি

সমিতিৰ মাজত তেনেকুৱা মানুহ আপোনালোকে সুমুৱাই ল'ব পাৰে মই ভাবো এইটো ভাল হ'ব। এইটো চৰকাৰে বিবেচনা কৰিব পাৰে এই কথাখিনি বিবেচনাৰ বাবে ৰাখিলো। কিন্তু Act ত যিটো appeal কৰাৰ ক্ষেত্ৰত writ petition ৰ কথা কৈছে, ইয়াত কিন্তু Act ত তেনেকুৱা ধৰণৰ উল্লেখ নাই, গতিকে এই বস্তুটো writ petition ৰ এই ব্যৱস্থাটো ৰুলত থাকিব নে ক'ত থাকিব, যিটো Act ত ক্লিয়াৰলি আপুনি কৈ আছে কোনো appeal বা ৰিভিজনৰ কোনো ব্যৱস্থা নাথাকিব কমিশ্যনৰ পৰা কোনো জাৰ্জমেন্টৰ ওপৰত। গতিকে এই writ petition ৰ এই ব্যৱস্থাটো আইনৰ দ্বাৰা স্বীকৃত হয়, তেতিয়া হ'লে আমাৰ এইখিনি কথাৰ আশংকা নাথাকে। মই সেই আশংকাখিনি দূৰ কৰিব বিচাৰিছো।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপোনালোকৰ পৰামৰ্শ যিকেইটা আছে ইয়াত যিকেইটা ক'ভাৰ নকৰে আমি ৰুলচত এই কেইটা ৰাখিম।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, বিধায়ক ঃ** ধন্যবাদ মন্ত্ৰী মহোদয়ে writ petition ৰ যিটো আশংকা আছিল সেইটো ৰুলচত আনিব আৰু যিটো সত্ৰ প্ৰতিনিধিত্ব কৰা সদস্যৰ অৰ্ন্তভুক্তি, সেইটো ৰুলত ensure কৰিব। গতিকে আমাৰ সকলো প্ৰস্তাৱ widraw কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ যিহেতু গোটেইকেইটা সংশোধনি প্ৰস্তাৱ উঠাই লৈচে এতিয়া দফা ২ ৰ পৰা ২৮ লৈ বিধেয়খনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনৰ ২ ৰ পৰা ২৮ লৈ বিধেয়কখনৰ অংশ হ'ল। বিধেয়কখনৰ প্ৰস্তাৱনাত এটা চৰকাৰী সংশোধনী আছে, প্ৰশ্নটো হ'ল যে চৰকাৰী সংশোধনীৰ প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক।

যি সকল সদস্য- সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে চৰকাৰী সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হ'ল। প্ৰশ্নটো হ'ল চৰকাৰী সংশোধনী প্ৰস্তাৱটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে চৰকাৰী সংশোধনী প্ৰস্তাৱটো বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১ অধিনিয়ম সূত্ৰ আৰু দীৰ্ঘ শিৰোনামাত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল - দফা নং ১ অধিনিয়ম সূত্ৰ আৰু দীৰ্ঘ শিৰোনামা বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ অধিনিয়ম সূত্ৰ আৰু দীৰ্ঘ শিৰোনামা বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰিবৰ কাৰণে প্ৰস্তাৱ দাঙি ধৰিব।
মাননীয় মন্ত্ৰী ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে The Assam satra Preservation And Development Commission Bill, 2025 খন পাৰিতকৰণৰ বাবে লোৱা হওঁক।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক

যি সকল সদস্য- সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়,

মই ভাবো হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই আজি সদনৰ সমূহ সদস্যলৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ ৮৬০ জন শ্বহীদৰ বিনিময়ত হোৱা এইখন Assam Accord আৰু Assam Accord ৰ ক্লজ ৬ ৰ মতে থকা যিটো বিপ্লৱ শৰ্ম্মা কমিশ্যনৰ যি ৰিক'মেণ্ডেশ্যন আৰু সেই ক্ষেত্ৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সকলোকে কৈ গৈছে যে তাৰ ভিত্তিত আমি ৫শ বছৰীয়া পুৰণি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই দি থৈ যোৱা যিটো অনুষ্ঠান সেই অনুষ্ঠানৰ protection ৰ কথা আমি সমূহীয়া ভাবে সৰ্বসন্মতিক্ৰমে সকলোৱে গ্ৰহণ কৰিছো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কাৰ্য্যসূচী নং ১০। The Rabindranath Tagore University (amendment) Bill, 2025.মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, শিক্ষা মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই The Rabindranath Tagore University (amendment) Bill, 2025 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল- The Rabindranath Tagore University (amendment) Bill, 2025.খন বিবেচনাৰ বাবে লোৱা হওঁক।

যি সকল সদস্য- সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল ।

এতিয়া দফা নং ২ ত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই, এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যি সকল সদস্য- সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাবো হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ২ বিধেয়কখনৰ অংশ হ'ল ।

**মাননীয় উপাধ্যক্ষ মহোদয়** ঃ ১ নং দফাত অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামৰ কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰস্তাৱটো হ'ল যে দফা নং ১ অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামৰ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং ১ বিধেয়ক সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল

মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰিবৰ কাৰণে প্ৰস্তাৱ কৰিব। Hon'ble Minister.

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী, শিক্ষা বিভাগ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে "দি ৰবীন্দ্ৰনাথ টেগ'ৰ ইউনিভাৰ্চিটি (এমেণ্ডমেণ্ট) বিল, ২০২৫" পাৰিত কৰা হওঁক।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক হয়
যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল

"দি চ্যু-কা-ফা ইউনিভাৰ্চিটি বিল, ২০২৫ " কাৰ্য্যসূচী নং ১১ ৰাজ ভৱনৰ পৰা এটা বাণী আছে। এই বাণীটো হ'ল "Under the Provision of article 207/3 of the Constitution of India, I Shri Lakshman Prasad Acharya Governor of Assam recommended the consideration of The Su-Ka-Pha University Bill, 2025 in the Assam Legislative Assembly"

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব।

**ডাঃ ৰণোজ পেগু (মন্ত্ৰী শিক্ষা বিভাগ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "দি চ্যু-কা-ফা ইউনিভাৰ্চিটি বিল, ২০২৫" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ মহোদয়ঃ** প্ৰশ্ন টো হ'ল "দি চ্যু-কা-ফা ইউনিভাৰ্চিটি বিল, ২০২৫" খন বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত হ'ল

এতিয়া বিধেয়কখন দফাই দফাই আলোচনাৰ বাবে লোৱা হ'ল। দফা নং ২ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য অখিল গগৈ আপুনি শংশোধনী প্ৰশ্নটো উত্থাপন কৰিবনে? মাননীয় অখিল গগৈ অনুপস্থিত।

গতিকে প্ৰশ্নতো হ'ল যে ২ নং দফা বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাবো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
২ নং দফা বিধেয়কখনৰ অংশ হ'ল

দফা নং ৩ ৰ পৰা ৫৭ লৈ সংশোধনী প্ৰস্তাৱ নাই। দফা নং ৩ ৰ পৰা ৫৭ লৈকে বিধায়কখন অংশ হ'ব ।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাৱো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং ৩ পৰা ৫৭ লৈকে বিধেয়কখনৰ অংশ হ'ল

দফা নং ১ অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ বিধেয়কখন সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক ‘নহয়’
মই ভাৱো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’
দফা নং ১বিধেকখন সুত্র প্রস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম
বিধেয়কখনৰ অংশ হ’ল

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰা কাৰণে প্ৰস্তাৱ কৰিব, Hon’ble Minister.

**ডাঃ ৰণোজ পেগু, ( মন্ত্ৰী শিক্ষা বিভাগ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে“ দি চ্যু-কা-ফা ইউনিভাৰ্চিটি বিল, ২০২৫ ” পাৰিত কৰা হওঁক।

**মাননীয় উপাধ্যক্ষ মহোদয়ঃ** প্ৰশ্নটো হ’ল যে বিধেয়কখন পাৰিত কৰা হওঁক।যিসকল সদস্য
যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক ‘হয়’
যিসকল বিপক্ষে আছে কওঁক ‘নহয়’
মই ভাৱো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’
প্ৰস্তাৱটো গৃহীত হ’ল আৰু বিধেয়কখন পাৰিত কৰা হ’ল

কাৰ্য্যসূচী নং ১২“ দি আসাম গুড্ছ এণ্ড চাৰ্ভিছেচ টেক্স ( ছেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০২৫” কাৰ্য্যসূচী নং ১২ ত ৰাজভৱনৰ পৰা এটা বাণী আছে। বাণীতো হ’ল - "Under the Provision of Article 207/3 of the Constitution of India, I Shri Lakshman Prasad Acharya Governor of Assam recommend the consideration of Assam Goods and Services Tax (Second Amendment) Bill, 2025 in the Assam Legislative Assembly." এতিয়া মাননীয় মন্ত্ৰী য়ে বিধেয়কখন বিবেচনা বাবে প্ৰস্তাৱ উত্থাপন কৰিব, Hon'ble Minister.

**শ্ৰীমতী অজন্তা নেওঁগ ( মন্ত্ৰী, বিত্ত বিভাগ ইত্যাদি)ঃ-** মাননীয় উপাধ্যক্ষ মহোদয়, মই “ দি আসাম গুড্ছ এণ্ড চাৰ্ভিছেচ টেক্স ( ছেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০২৫” বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নটো হ’ল যে “ দি আসাম গুড্ছ এণ্ড চাৰ্ভিছেচ টেক্স ( ছেকেণ্ড এমেণ্ডমেণ্ট) বিল, ২০২৫” বিবেচনাৰ বাবে লোৱা হওঁক।
যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক ‘হয়’
যিসকল বিপক্ষে আছে কওঁক ‘নহয়’
মই ভাৱো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’
প্ৰস্তাৱটো গৃহীত হ’ল।

এতিয়া বিধেয়কখন দফাই দফাই আলোচনাৰ বাবে লোৱা হ’ল। দফা নং ২ পৰা ১৫ লৈ সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ’ল যে দফা নং ২ পৰা ১৫ লৈ বিধেয়কখনত অংশ হ’ব।
যিসকল সপক্ষে আছে কওঁক ‘হয়’
যিসকল বিপক্ষে আছে কওঁক ‘নহয়’
মই ভাৱো ‘হয় সপক্ষে’, ‘হয় সপক্ষে’, ‘হয় সপক্ষে’

প্ৰস্তাৱটো গৃহীত হ'ল

দফা নং ২ পৰা ১৫ লৈ বিধেয়কখনত অংশ হ'ল

১ নং অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

দফা নং ১, অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম বিধেয়কখনৰ অংশ হ'ল

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়কখন পাৰিত কৰা কাৰণে প্ৰস্তাৱ কৰিব, Hon'ble Minister.

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী, বিত্ত বিভাগৰ ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে " দি আসাম গুড্ছ এণ্ড চাৰ্জিচেজ টেক্স (ছেকেণ্ড এমেণ্ডমেণ্ট) বিল , ২০২৫" খন পাৰিত কৰা কাৰণে বাবে লোৱা হওঁক।

**মাননীয় উপাধ্যক্ষ মহোদয়ঃ** প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল

কাৰ্য্যসুচী নং ১৩, " দি আসাম টেক্সেশ্যন্ ( লিকুইডেশ্যন অৱ এৰিয়াৰ ডিউচ্) (এমেণ্ডমেণ্ট) বিল, ২০২৫" ৰাজভৱনৰ পৰা এটা বাণী আছে বাণীটো হ'ল -- "Under the Provision of Article 207/3 of the Constitution of India, I Shri Lakhsman Prasad Acharya Governor of Assam recommend the consideration of The Assam Taxation (Liquidation of Arrear Dues) (Amendment) Bill, 2025 in the Assam Legislative Assembly." মাননীয় মন্ত্ৰীয়ে এই বিধেয়কখন বিবেচনাৰ বাবে লবলৈ প্ৰস্তাৱ কৰিব।

**শ্ৰীমতী অজন্তা নেওঁগ (মন্ত্ৰী, বিত্ত বিভাগ ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই "দি আসাম টেক্সেশ্যন্ (লিকুইডেশ্যন অৱ এৰিয়াৰ ডিউচ্) (এমেণ্ডমেণ্ট) বিল, ২০২৫" বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষঃ** প্ৰশ্নটো হ'ল যে "দি আসাম টেক্সেশ্যন্ (লিকুইডেশ্যন অৱ এৰিয়াৰ ডিউচ্) (এমেণ্ডমেণ্ট) বিল, ২০২৫" বিবেচনাৰ বাবে লোৱা হওঁক।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'

মই ভাৱো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'

প্ৰস্তাৱটো গৃহীত হ'ল

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হ'ব। দফা নং ২ পৰা ৫ লৈ সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ২ পৰা ৫ লৈ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাৰো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং ২ পৰা ৫ লৈ বিধেয়কখনৰ অংশ হ'ল।

দফা নং ১, অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়ম সুত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামৰ আৰু অনুসূচী বিধেয়কখনৰ অংশ হ'ব।

যিসকল সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাৰো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং ২ পৰা ৫ লৈ বিধেয়কখনৰ অংশ হ'ল
দফা নং ১ অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনাম
আৰু অনুসূচী বিধেয়কখনৰ অংশ হ'ল

এতিয়া माननीয় মন্ত্ৰী ডাঙৰীয়া বিধেয়কখন পাৰিত বাবে প্ৰস্তাৱ কৰিব, Hon'ble Minister.

**শ্ৰীমতী অজন্তা নেওগ (মন্ত্ৰী, বিত্ত বিভাগ ইত্যাদি)ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে "দি আসাম টেক্সেশ্যন্ (লিকুইডেশ্যন্ অৱ এৰিয়াৰ ডিউচ্) (এমেণ্ডমেণ্ট) বিল, ২০২৫" খন পাৰিত কৰাৰ বাবে লোৱা হওঁক।

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে বিধেয়কখন পাৰিত কৰা হওঁক।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাৰো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল

কাৰ্য্যসূচী নং ১৪ "দি আসাম কো- অপাৰিটিত ছচাইটিজ ( এমেণ্ডমেণ্ট) বিল, ২০২৫"।

এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিধেয়কখন বিবেচনা বাবে প্ৰস্তাৱ কৰিব Hon'ble Minister.

**শ্ৰী যোগেন মোহন ( মন্ত্ৰী, সমবায় বিভাগ ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, " দি আসাম কো-অপাৰিটিভ চছাইটিজ (এমেণ্ডমেণ্ট) বিল, ২০২৫" বিবেচনাৰ বাবে মই সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ**ঃ প্ৰশ্নটো হ'ল যে " দি আসাম কো- অপাৰিটিভ চছাইটিজ ( এমেণ্ডমেণ্ট) বিল, ২০২৫" খন বিবেচনাৰ লোৱা হওঁক।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'

যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাৰো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
প্ৰস্তাৱটো গৃহীত হ'ল

এতিয়া বিধেয়কখন দফাই দফাই আলোচনাৰ বাবে লোৱা হ'ব। দফা নং ২ ত সংশোধনী প্ৰস্তাৱ প্ৰশ্নটো হ'ল যে দফা নং ২ বিধেয়কখনৰ অংশ হ'ব।

যিসকল সদস্য সদস্যা সপক্ষে আছে কওঁক 'হয়'
যিসকল বিপক্ষে আছে কওঁক 'নহয়'
মই ভাৰো 'হয় সপক্ষে', 'হয় সপক্ষে', 'হয় সপক্ষে'
দফা নং ২ বিধেয়কখনৰ অংশ হ'ব

১ নং দফাত অধিনিয়ম সুত্ৰ প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে ১ নং দফাত অধিনিয়ম সুত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামৰ....

**শ্ৰী ৰূপেশ গোৱালা (মন্ত্ৰী, শ্ৰমিক কল্যাণ ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, general অলপ কথা আছিলে। মাত্ৰ ২ মিনিট লাগিব।

**মাননীয় উপাধ্যক্ষ** ঃ আলোচনাৰ কৰোতে কিয় নকলে, নিয়ম মতে নোৱাৰে আৰু কিবা ক'বলগীয়া আছে যদি কওঁক।

**শ্ৰী ৰূপেশ গোৱালা (মন্ত্ৰী, শ্ৰমিক কল্যাণ ইত্যাদি)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, " দি আসাম কো- অপাৰিটিভ ছচাইটিজ্ ( এমেণ্ডমেণ্ট) বিল, ২০২৫" ত মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি এমেণ্ডমেণ্ট আনিছে ঠিকে আছে কিন্তু আমাৰ ২ টা মান general কথা আছে।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী , আপুনি এইখন সংশোধনী প্ৰস্তাৱ অনা নাই।

**শ্ৰী ৰূপেশ গোৱালা (মন্ত্ৰী, শ্ৰমিক কল্যাণ ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয় তথাপিও যেতিয়া আপুনি সকোলোক general কথা কব'লৈ দি আছে এই কাৰণে মই অধ্যক্ষ ডাঙৰীয়াক কথাটো কৈ আছো। এইখিনি সুবিধা আমি লৈ লৈছো। প্ৰথম কথা হৈছে প্ৰতিটো সমবায় সমিতিত কো- অপাৰিটিভ ছচাইটিত MLA সকলক অধ্যক্ষ হিচাপে লৈ এখন vigilance কমিটি থাকে। কিন্তু আজিৰ তাৰিখত সন্মানীয় বিধায়ক সকলে কি কৰিছে নাজানো আজিলৈকে vigilance কমিটিটো গঠন নহ'ল আৰু মিটিঙো নহয়।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহাশয়ক দুটা কথা সুধিব খুজিছো যে State Co-operative society বুলি এটা সংস্থা আছে আৰু যিটো আমাৰ চৰকাৰৰ ফালৰ এটা অনুদান দিয়া হয় যদিও যোৱা ৬ বছৰৰ পৰা কোনো অনুদান দিয়া নাই। গতিকে মন্ত্ৰী মহোদয়ে এই society টো চলাই থকাৰ বাবে অনুদানটো মুকলি কৰি দিয়ে যেন।

**উপাধ্যক্ষ মহোদয়** ঃ মন্ত্ৰী মহোদয়ে এইটো চিন্তা কৰি চাব। এতিয়া মাননীয় মন্ত্ৰী।

**শ্ৰী যোগেন মহন, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি এতিয়া Co-operative society বিলাকৰ registration fee টো আগৰ ১ শতাংশৰ পৰা এতিয়া আমি ০.৫ শতাংশ কৰিছো।

যাৰ ফলত এই সমবায়ৰ প্ৰচলনটো গাওঁ ভূঞে বহুল ভাৱে প্ৰশাৰিত হয়। Co-operative গৰিব মানুহ বিলাকেহে খুলে ধনী মানুহে কোম্পানী খোলে। আৰু আমাৰ ৫৪ লাখ মানুহ এই সমবায় সমিতিৰ লগত জড়িত হৈ আছে। আমি সমবায় সমিতিবোৰ পঞ্জীয়ন কৰো আৰু এই সমবায় ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ এটা বিভাগ হৈ গৈছে আৰু এতিয়া কেন্দ্ৰীয় গৃহ মন্ত্ৰী সমবায় বিভাগৰ মন্ত্ৰীয়ো আমি এতিয়া বিশেষকৈ এই সমবায়ৰ যোগেদি গাখীৰ উৎপাদন, মাছ উৎপাদন, কণী উৎপাদনৰ যোগেদি এই সমবায় সমূহক উৎসাহিত কৰিব লাগে আৰু তাৰ বাবে আমি পঞ্জীয়ন মাছুলটো আধা কৰিছো। আগতে ৫ হেজাৰ দিব লগিয়া আছিল এতিয়া ২.৫ হেজাৰ টকা দিব লাগে।গতিকে এইখন এখন গুৰুত্বপূৰ্ণ বিল। আমি প্ৰতিটো পঞ্চায়তে সমবায় বাবে একোখনকৈ সমিতি বনাই দিম। আমাৰ বিভাগটোয়ে বহুত ভাল ধৰণে কাম কৰি আছে গতিকে আপোনালোক বিধায়ক সকলে জিলাত থকা সমবায় সমিতিৰ সৈতে জড়িত বিষয়া সকলৰ লগত বিশেষকৈ সমবায় পৰিদৰ্শকৰ লগত কথা পাতে তেতিয়া আপোনালোকে গম পাব। আমাৰ চৰকাৰৰ পৰা যিখিনি গাইডলাইন গৈ আছে জিলা আয়ুক্তৰ লগত কথা পাতি কাম কৰিলে যথেষ্ট লাভ হ'ব। ইয়াৰ জৰিয়তে আমি নিবনুৱা সমস্য যথেষ্ট পৰিমাণে সমাধান কৰি আৰু থলুৱা উৎপাদন বৃদ্ধি কৰি আমি স্বাবলম্বী হব পাৰিম। ২০৩০ চনৰ লৈকে প্ৰতিদিনে ১০ হেজাৰ লিটাৰ গাখীৰ উৎপাদনৰ লক্ষ্য আমি হাতত লৈছো।

**উপাধ্যক্ষ মহোদয়** ঃ ২৫ লাখ টকাটো পোৱা নাই বুলি কৈছে বহুতে।

**শ্ৰী যোগেন মহন, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা বছৰ বহুতো দুৰ্বল সমবায়ক আমি পুঁজি যোগান ধৰিছো আৰু এই বাৰো কিছু পুঁজি আছে যিহেতু আমাৰ বাজেট কম। গতিকে আমি কত কেনেকৈ সেইখিনি আমি চাম।

**উপাধ্যক্ষ মহোদয়** ঃ এই মাচুলটো ১টকাৰ পৰা ৫০ পইচা কৰি দিয়ক।

**শ্ৰী যোগেন মহন, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, সেইখিনি আমি চাম আৰু ক'ত কেনেকৈ পালে সেইখিনিও আমি চাম আৰু মই জনাত পোৱাখিনিয়ে ভাল দৰে কাম কৰি আছে।

**উপাধ্যক্ষ মহোদয়** ঃ আপুনি মন্ত্ৰী মহাশয় লগত কথা পাতি ল'ব।

**শ্ৰী যোগেন মহন, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আমি এইটো কৰিম আৰু এই সমবায়টো আন্দোলনটো যদি আগবাঢ়ি গৈ থাকে তেতিয়া হ'লে অসম খন যথেষ্ঠ পৰিমাণে উন্নত হব।আমি খানাপাৰাত সমবায় সমিতিৰ জড়িয়তে দুগ্ধ উৎপাদন কেন্দ্ৰ খুলিছো আৰু নেহেৰু পাৰ্কটো খুলিছো আৰু এনেকৈ আমি গোটেই অসমতে কাম কৰি গৈ আছো ।আজিৰ কথাটো হ'ল পঞ্জীয়ন মাচুলটো ৰেহাই বিষয়টো আমি আধা ৰেহাই কৰি দিছো।

**উপাধ্যক্ষ মহোদয়** ঃ LOP য়ে কিবা কব বিচাৰিছে।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী ডাঙৰীয়াই প্ৰতিটো সমষ্টিতে এখনকৈ সমবায় সমিতি কৰি ২৫ লাখ টকাকৈ অনুদান দিয়াৰ ব্যৱস্থা কৰিছে । কিন্তু বহুতো সমষ্টিভিত্তিক সমবায় সমিতিয়ে উক্ত অনুদানটো পোৱা নাই।

**উপাধ্যক্ষ মহোদয়** ঃ তেখেতে কৈছে এই কথাটো যে সমষ্টিভিত্তিক সমবায় সমিতিক ২৫ লাখ দিয়াৰ কথাটো।

**শ্ৰী দেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, দ্বিতীয়তে সমবায় সমিতিবোৰক ইমানবোৰ কাম কৰাবৰ বাবে যি প্ৰশিক্ষণ প্ৰতিষ্ঠান আছে সেইটোৰ বছেৰেকীয়া অনুদানটো দিয়া নাই যাৰ ফলত তাত কৰ্মৰত কৰ্মচাৰী সকলে দিল্লীলৈ গৈ প্ৰশিক্ষণ লৈ আহিছে

কিন্তু এই দিল্লীৰ প্ৰশিক্ষণ খিনি গাওঁলৈকে নিব পৰা নাই। গতিকে সমবায় সমিতিৰ যি প্ৰশিক্ষণ কেন্দ্ৰ আছে তাৰ বছেৰেকীয়া অনুদানটো অতি সোনকালে মুকলি কৰি দিব লাগে।

**উপাধ্যক্ষ মহোদয়** ঃ এতিয়া প্ৰশ্নটো হ'ল যে দফা নং ১, অধিনীয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু দিৰ্ঘ শিৰোনামা বিধেয়ক খনৰ অংশ হব। যি সকল সদস্য/ সদস্যই সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়, মই ভাৱো হয় সাপেক্ষে, হয় সাপেক্ষে,হয় সাপেক্ষে, দফা নং ১, অধিনীয়ম, সুত্ৰ, প্ৰস্তাৱনা আৰু দিৰ্ঘ শিৰোনামা বিধেয়ক খনৰ অংশ হ'ল। এতিয়া মাননীয় মন্ত্ৰী বিধেয়ক খন পৰিত কৰণৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী যোগেন মহন, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰো যে The Assam Co-operative societies (Amendment ) Bill 2025, পৰিতকৰণৰ বাবে লোৱা হওক।

**উপাধ্যক্ষ মহোদয়** ঃ এতিয়া প্ৰশ্নটো হ'ল যে, বিধেয়ক খন পাৰিত কৰা হওক যি সকল সদস্য/ সদস্যই সপক্ষে আছে কওক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়, মই ভাৱো হয় সাপেক্ষে, হয় সাপেক্ষে,হয় সাপেক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন পাৰিত কৰা হ'ল।

**উপাধ্যক্ষ মহোদয়** ঃ এতিয়া কাৰ্য্যসূচী নং ১৫ Prevention of Cruelty to Animals (Assam Amendment) Bill,2025. এতিয়া মাননীয় মন্ত্ৰী বিধেয়ক খন বিবেচনাৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী কৃষেন্দু পাল, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Prevention of Cruelty to Animals (Assam Amendment) Bill,2025 বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**উপাধ্যক্ষ মহোদয়** ঃ এতিয়া প্ৰশ্নটো হ'ল যে Prevention of Cruelty to Animals (Assam Amendment) Bill,2025 খন বিবেচনাৰ বাবে লোৱা হওঁক। যি সকল সদস্য/ সদস্যই সপক্ষে আছে কওঁক হয় আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়, মই ভাৱো হয় সাপেক্ষে, হয় সাপেক্ষে,হয় সাপেক্ষে, প্ৰস্তাৱ টো গৃহীত হ'ল।

**ড০ ৰফিকুল ইছলাম, বিধায়ক** ঃ আমাৰ এটা Amendment আছিলে, মাননীয় উপাধ্যক্ষ মহোদয়, Prevention of Cruelty to Animals (Assam Amendment) Bill,2025 যিটো উত্থাপন কৰিছে, সেই বিষয়ত মই দুটা মান কথা ক'ম। মহামান্য গুৱাহাটী হাইকোৰ্টে অসমৰ ম'হ যুজ বন্ধ কৰিছিল।

**উপাধ্যক্ষ মহোদয়** ঃ আপোনালোকে সেইটো সংশোধনীত দিয়া নাই।

**ড০ ৰফিকুল ইছলাম, বিধায়ক** ঃ আমি সংশোধনী অনা নাই মাত্ৰ আলোচনা কৰিছো Cruelty ওপৰত। ম'হৰ যুজ হয় কিমান বেয়া লাগে তাত Cruelty হয় আৰু যি সকলে এই যুজ উপভোগ কৰে তেওঁলোকক আমি লক্ষ্য কৰিম। Traditional হিচাপে অসমত সেইটো বন্ধ আছিল আৰু অন্যান্য ৰাজ্যতো থকা এনেকুৱা যুজ বোৰ বন্ধ হৈছে। কোনোবাই নিজৰ Traditional বচাই ৰখাৰ বাবে হয়টো এনেকুৱা ধৰণৰ বিল এখন আনিছে। Cruelty যে হয় সেইটো বাস্তৱ কাৰণ সেই ম'হৰ যুজ চাই বহুত বেয়া লাগে গতিকে আমি ইয়াৰ পৰা বিৰত থাকিলে ভাল।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, উপদেশতকৈ আৰ্হি ভাল। তেখেত সকলে হালাল কৰা বন্ধ কৰি দিয়ক আমি ম'হ যুজ বন্ধ কৰি দিম। কুৰবানী বন্ধ কৰি দিয়ক।

**ড০ ৰফিকুল ইছলাম, বিধায়ক** ঃ এই বোৰ এতিয়া বন্ধ আছে।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মিছা কথা। আৰু মাননীয় গুৱাহাটী উচ্চ

ন্যায়লয়ে এইটো বন্ধ কৰা নাই। জালিকুট যেতিয়া বন্ধ হৈছিল তেতিয়া তামিলনাদু চৰকাৰে উচ্চতম ন্যায়লয়লৈ গৈছিল আৰু উচ্চতম ন্যায়লয়ে কিছু নিয়ম মানি এই জালিকুটটো চলাব দিছিল ঠিক তেনেকৈ আমিও আবেদন কৰিছিলো আৰু মহামান্য গুৱাহাটী উচ্চ ন্যায়লয়ে আমাৰ ৰাজ্য চৰকাৰক কৈছিল যে ৰুল বনাব লাগে আৰু এই ৰুল বনুবাৰ পিছত ৰাষ্ট্ৰপতিয়ে যদি অনুমতি দিয়ে তেতিয়া মহ যুজ হব পাৰে। ইয়াৰ নিষিদ্ধ কৰা নাই। মই আকৌ কৈছো উপদেশতকৈ আৰ্হি ভাল কাৰণ তেওঁলোকে গো মাতাক কিয় হালাল কৰে গতিকে তেওঁলোকে হালাল কৰা বন্ধ কৰক আমি ম'হ যুজ বন্ধ কৰিম মই ইয়াত প্ৰতিশ্ৰুতি দিছো।

**ড০ ৰফিকুল ইছলাম, বিধায়ক** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, আপুনি যদি ইয়াত চাই Cruelty under Section 11 of Indian Prevention of Cruelty to Animals Act,1960 । ইয়াত শাস্থি ধাৰ্য্য কৰা আছে, এইটো মোৰ কথা নহয় এইটো 1960 ৰ Indian Prevention of Cruelty to Animals Act, ৰ কথা।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, এইটো মাত্ৰ ম'হ যুজে হয় কিন্তু গোমাতাক তেওঁলোকে কি কৰে সকলোয়ে জানে গতিকে এইটো তেওঁলোকে বন্ধ কৰক কাৰণ উপদেশতকৈ আৰ্হি ভাল।

**ড° ৰফিকুল ইছলাম** ঃ গো হত্যাও হত্যা, মুৰ্গী হত্যা কৰাও হত্যা। বইলাৰ মুৰ্গী গোটেই ভাৰতবৰ্ষৰ পৰা আনি এই ব্ৰইলাৰৰ যিটো প্ৰাণ আছে গৰুৰ কিবা পাৰ্থক্য হ'ল নেকি?

(হূলস্থূল)

**মাননীয় উপাধ্যক্ষ** ঃ যি কি নহওঁক, ৰফিকুল ইছলাম আপুনি বহক। আপোনাক কব দিলো কলে হ'ল।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ ছাৰ, সন্মানীয় সদস্য গৰাকীয়ে এগৰাকী সন্মানীয় হাফিচ, তেখেতে কয় গোমাতা আমি কুৰ্বানী নিদিওঁ।

(হূলস্থূল)

**ড° ৰফিকুল ইছলাম** ঃ আমাৰ অপচন আছে ম'হ আমি কৰিব পাৰো, ছাগলী আমি কৰিব পাৰো।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ আপোনালোকৰ পৰা আৰম্ভ কৰকচোন।

**মাননীয় উপাধ্যক্ষ** ঃ Please. There should not be any controversy. দুটা লাইন কব দিলো আপুনি controversy কিয় কৰিছে, অনুগ্ৰহ কৰি বহক।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ আপোনালোকৰ পৰা আৰম্ভ কৰক, আপোনালোকে গৰু নাখাও বুলি কওঁক। গো মাংস নাখাও বুলি কওক।

**শ্ৰীপ্ৰদীপ হাজৰিকা, আমগুৰি** ঃ উপাধ্যক্ষ মহোদয়, আমাৰ ম'হৰ যুঁজটো traditionally অসমত এইটো যুঁজ বহুত শিকোৱাই লৈ কৰা হয়। এনে নকৰে। স্বৰ্গদেউ সকলে ৰূপহী পথাৰত যিখিনি খেল ধেমালী কৰে তাৰ ভিতৰত ম'হ যুঁজটো এটা প্ৰধান যুঁজ। কাৰণ এইটো শিকোৱা হয়, এইটোত মাৰিবৰ কাৰণে নহয়। মানুহ সকলে এৰি নিদিয়ে। তেনেকৈ ধৰি যি সকল অভিজ্ঞ গোৱাল থাকে তেখেত সকলে জানে। ম'হটোক কেনেকৈ খেলা খেলাবলৈ লাগে, কেনেকৈ শিকাব লাগে, শিং কেনেকৈ ঠিক কৰিব লাগে, কেনেকৈ ধৰাব লাগে সকলো এই বিলাক শিকাই মিলি লৈ এই যুঁজ খন কৰাই মৰিবলৈ এৰি নিদিয়ে। কিবা এটাক যদি চোচোৱাই আনি ঘাপ মাৰি কাটি দিলো সি নাহে তাক জবৰ্দষ্টি আনি কাটি দিও তেতিয়া হলে that can be considered as cruelty.

**মাননীয় উপাধ্যক্ষ** ঃ মুকলি পথাৰতটো ম'হে যুঁজেই।

**শ্ৰীপ্ৰদীপ হাজৰিকা** ঃ ম'হ চৰি থাকোতেও যুঁজে।

**মাননীয় উপাধ্যক্ষ** ঃ হয়, হয়, হয়। কিন্তু cruelty ৰ কাৰণে মই এটা advise দিব খুজিছো যে যেতিয়া Animal Prostration কৰে sterilize ৰ কাৰণে, তেতিয়া সেই পুৰণা কথাবিলাকে লৈছে। যেতিয়া মানুহক কৰে Non-scalpel ওলাইছে, আজি কালি কাটিব নালাগে। কিতিপকৈ দিলে পৰুৱা কামোৰাৰ দৰে লাগে। গতিকে Human Technology বিলাক জন্তুত আনিব পাৰিনেকি চাব। সেই গতিকে প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়মৰ সূত্ৰ, প্ৰস্তাৱনা আৰু বিষয় শিৰোণাম বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ অধিনিয়মৰ সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামা আৰু কৰ্মসূচী বিধেয়ক খনৰ অংশ হ'ব।

দফা নং ২ ত কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব।

দফা নং ৩ ত এটা চৰকাৰী সংশোধনী প্ৰস্তাৱ আছে। মাননীয় মন্ত্ৰী।

**শ্ৰীকৃষেন্দু পাল, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Now I move that clause 3 in the first provision for the words respective subject to conditions. The words respective districts permits such as buffalo fight subject to condition shall be substituted.

**মাননীয় উপাধ্যক্ষ** ঃ প্ৰশ্নটো হ'ল যে চৰকাৰী সংশোধনী প্ৰস্তাৱটো গ্ৰহণ কৰা হওঁক। যি সকল সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে চৰকাৰী সংশোধনী প্ৰস্তাৱটো গৃহীত কৰা হ'ল।

প্ৰশ্নটো হ'ল যে দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে চৰকাৰী সংশোধনী দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব।

দফা নং ৪ আৰু ৫ ত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ৪ আৰু ৫ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ৪ আৰু ৫ বিধেয়ক খনৰ অংশ হ'ব।

দফা নং ১ অধিনিয়মৰ সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামাৰ কোনো সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ১ অধিনিয়মৰ সূত্ৰ, প্ৰস্তাৱনা আৰু বিষয় শিৰোনামা বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ১ অধিনিয়মৰ সূত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামা আৰু অনুসূচী বিধেয়ক খনৰ অংশ হ'ব।

এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন পাৰিত কৰাৰ কাৰণে প্ৰস্তাৱ কৰিব।

**শ্ৰীকৃষেন্দু পাল, মন্ত্ৰী** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ উত্থাপন কৰো যে Prevention of Cruelty to Animals (Assam Amendment) Bill, 2025 খন পাৰিত কৰণৰ বাবে দিয়া হওঁক।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া প্ৰশ্নটো হ'ল যে বিধেয়ক খন পাৰিত কৰা হওঁক। যি সকল সদস্য/সদস্যা

সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়ক খন পাৰিত কৰা হ'ল।

এতিয়া The Assam Shops and Establishment (Amendment) Bill 2025. কাৰ্য্যসূচী নং ১৬। এতিয়া মাননীয় মন্ত্ৰীয়ে বিধেয়ক খন বিবেচনাৰ কাৰণে প্ৰস্তাৱ কৰিব। মাননীয় মন্ত্ৰী।

**শ্ৰীৰূপেশ গোৱালা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই The Assam Shops and Establishment (Ammendment) Bill 2025. বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া প্ৰশ্নটো হ'ল যে The Assam Shops and Establishment (Ammendment) Bill 2025. খন বিবেচনাৰ বাবে লোৱা হওক। যি সকল সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে কওঁক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল। এতিয়া বিধেয়ক খন দফাই দফাই আলোচনাৰ বাবে লোৱা হওক। দফা নং ২ ত সংশোধনী প্ৰস্তাৱ নাই। প্ৰশ্নটো হ'ল যে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে কওক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ২ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৩ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰী অখিল গগৈ, তেখেত অনুপস্থিত। প্ৰশ্নটো হ'ল যে দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ব। যি সকল সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে কওক নহয়, মই ভাৰো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে দফা নং ৩ বিধেয়ক খনৰ অংশ হ'ল।

দফা নং ৪ ত সংশোধনী প্ৰস্তাৱ আছে। মাননীয় সদস্য শ্ৰী হাফিজ বছিৰ আহমেদ।

**শ্ৰী আশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ইয়াতে ১২ ঘন্টাৰ যিটো দফা আছে এই দফাটোত আমি বিশেষ বিলৰ ওপৰত নাযাও যে এই ১২ ঘন্টা এগৰাকী মহিলা মানুহে কাম কৰাৰ কথা কোৱা হৈছে, বিষয়টো হৈছে যে ১২ ঘন্টা এগৰাকী মহিলাই দোকান বা ব্যৱসায় প্ৰতিষ্ঠানত থিয় হৈ থকাতো অকমান inhuman যেন লাগে। যে ইমান সময় কেনেকৈ থিয় হৈ থাকিব? মাত্ৰ মাজত ৩০ মিনিট জিৰণী। হয় জিৰণীটো বেছি দিয়ক নহলে সময়টো কমাওক। এই বিষয়টোৱে আমাৰ আছে। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীৰূপেশ গোৱালা, মন্ত্ৰী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আমি যিখন বিল আনিছো The Assam Shops and Establishment (Amendment) Bill 2025. আমাৰ যিখন প্ৰিন্সিপাল এক্ট আছে ২০২২ ত, সেই প্ৰিন্সিপাল এক্ট খনৰ ধাৰা ৬, ধাৰা ১১ আৰু ধাৰা ১৩, এই তিনিটাত আমি সংশোধনী আনিছো। এই তিনিটাই খুব গুৰুত্বপূৰ্ণ সেই কাৰণে এই সংশোধনী বিলাক অনা হৈছে। আজি তাৰিখত আমি সকলোৱে গম পাও যে আমাৰ ৰাজ্য খনত লাহে লাগে উদ্যোগ প্ৰতিষ্ঠান আদি বৃদ্ধি পাবলৈ ধৰিছে, নতুন নতুন উদ্যোগ আহিছে, নতুন নতুন establishment আহিছে, যি বিলাকৰ যোগেদি দিশ সৃষ্টি হৈছে আৰু কিছুদিন আগত Shops and Establishment এক্টৰ সংশোধন কৰি দোকান পোহৰ সমূহ দেৰিলৈকে খোলাৰ কাৰণেও অনুমতি দিয়া হৈছে। কিন্তু যদি আমি দোকান বিলাক দেৰীকৈ খোলাৰ অনুমতি দিছো তেন্তে কৰোবাত নহয় কৰোবাত আমি শ্ৰমিক সকলৰো অভাৰ টাইমৰ কথাটো চিন্তা কৰিব লাগিব। তাৰ লগতে

আমি আৰু এটা কাম কৰিব খুজিছো যে যিটো threshold limit, আগত পঞ্জীয়ন ৫ জন হলেই কৰিব লগীয়া হৈছিল, এতিয়া পঞ্জীয়নৰ ক্ষেত্ৰত শিথিলতা আনিছো, যাতে সৰু সৰু ব্যৱসায়ী সকলে কষ্ট নাপায় তেওঁলোকে বৰ বেছি পঞ্জীয়ন বা inspector ৰাজৰ বলি নহয়, ভালকৈ যাতে উদ্যোগ প্ৰতিষ্ঠান চলাব পাৰে তেনেকুৱা ধৰণৰ ব্যৱস্থা বিলাক কৰা হৈছে। **যাতে সৰু সৰু ব্যৱসায়ীসকলে কষ্ট নাপায় , তেওঁলোকে বৰ বেছি পঞ্জীয়ন বা ইন্সপেক্টৰ ৰাজৰ বলি নহয় আৰু তেওঁলোকে উদ্যোগ প্ৰতিষ্ঠান ভালদৰে চলাব পাৰে তাৰ বাবে ব্যৱস্থাবিলাক কৰা হৈছে । যিসকল মহিলা কৰ্মচাৰী বা শ্ৰমিক আছে তেওঁলোকৰ লগত যাতে কোনো কাৰণতে বৈষম্যমূলক আচৰন নহয় তেওঁলোক যাতে জেণ্ডাৰ বৈষম্যৰ বলি নহয় আৰু পুৰুষৰ সমানেই সা সুবিধা পায় তাৰ বাবে নাইট শ্বিফ্‌ট অনা হৈছে । নাট শ্বিফ্‌টত যেতিয়া এগৰাকী মহিলা শ্ৰমিকক দিয়া হ'ব তেতিয়া তেওঁৰ পৰা কনচেন্ট ল'ব লাগিব তাৰ পিচতহে তেওঁক নাইট শ্বিফ্‌টৰ ডিউটি দিয়া হ'ব । তেওঁলোকৰ বাবে মহিলা চিকিউৰিটি গাৰ্ডৰ ব্যৱস্থা থাকিব লাগিব লগতে চি চি কেমেৰা আৰু ৰেষ্ট ৰুমৰ ব্যৱস্থাও থাকিব লাগিব । শৌচালয়ৰ লগতে তেওঁলোকৰ যদি কেঁচুৱা আছে তেনেহ'লে ক্ৰেছৰ ব্যৱস্থা হ'ব লাগিব । তেনেকুৱাকৈ আমি প্ৰভিজনবিলাক আনিছো । বিধায়ক গৰাকীয়ে যিটো ১২ ঘন্টা কামৰ কতা কৈছে সেইটো আমি ইয়াত স্পষ্টভালে উল্লেখ কৰিছো যে, আমাৰ বিশেষ পৰিস্থিতি সাপেক্ষে ১০ ঘন্টাৰ কথা কোৱা হৈছে । কিন্তু পৰিস্থিতি সাপেক্ষে যেতিয়া ই-ৰেগুলাৰ ইন্টাৰভেল হয় তেতিয়া ১২ ঘন্টা লৈকে মেক্সিমাম লিমিট দিছো । আমি এক্টখনক সম্পূৰ্ণৰূপে স্পষ্ট কৰি দিছো গতিকে এইটো লৈ কোনো ভয় বা শংকা কৰিব লগা নাই । মহিলা শ্ৰমিকসকলে যাতে সম্পূৰ্ণৰূপে সুযোগ সুবিধাখিনি পায় তাৰ বাবে এই সংশোধনীখিনি আমি আনিছো ।**

**মাননীয় উপাধ্যক্ষ ঃ** ডক্টৰ আৰু পুলিছে ৩৬ ঘন্টালৈকে ডিউটী কৰে - এই ক্ষেত্ৰত কিবা ক'ব নেকি ?

**শ্ৰীআশ্ৰাফুল হুছেইন, চেঙা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই নিজে কাৰখানাত কাম কৰিছিলো । যেতিয়া ১২ ঘন্টা সময় লাইনত থিয় হ'ব লগা হয় তেতিয়া বহু কষ্ট হয় । মহিলা সকলৰ বাবে এই কাম যথেষ্ট কষ্টকৰ সেই কাৰমে মই কৈছো , মহিলাসকলক আধা ঘন্টাতকৈ বেছি লেজাৰ টাইম দিয়া হ'লে বেছি ভাল হ'লহেঁতেন । চিকিৎসক বা আৰক্ষীসকলে যি জৰুৰীকালীন সেৱা কৰি আহিছে তাৰ বাবে তেওঁলোকৰ প্ৰতি সদ্‌ভাৱ আছে তেখেতসকললৈ নমস্কাৰ আছে তেখেতসকলে যথেষ্ট কৰে । ধন্যবাদ ।

মাননীয় উপাধ্যক্ষ ঃ আপুনি উইড্ৰ' কৰিবনে ?

**শ্ৰীআশ্ৰাফুল হুছেইন, চেঙা ঃ** হয়, উপাধ্যক্ষ মহোদয়, উইড্ৰ' কৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল যিহেতু উইড্ৰ' কৰিছে গতিকে দফা নং -৪ বিধেয়কখনৰ অংশ হ'ব। "যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল ৰিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং -৪ বিধেয়কখনৰ অংশ হ'ল ।

দফা নং -৫ ত সংশোধনী প্ৰস্তাৰ নাই এতিয়া প্ৰশ্নটো হ'ল দফা নং-৫ বিধেয়কখনৰ অংশ হ'ব। "যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দফা নং -৫ বিধেয়কখনৰ অংশ হ'ল । দফা নং -১ অধিনিয়ম সুত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামাত কোনো সংশোধনী প্ৰস্তাৰ নাই , প্ৰস্তাৱটো হ'ল যে, দফা নং-১ অঅিধিনিয়ম সুত্ৰ, প্ৰস্তাৱনা আৰু দীৰ্ঘ শিৰোনামা

বিধেয়কখনৰ অংশ হ'ব।যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ দফা নং-১ বিধেয়কখনৰ অংশ হ'ল । এতিয়া মাননীয় মন্ত্ৰী মহোদয়ে বিধেয়কখন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ কৰিব ।

**শ্ৰীৰূপেশ গোৱালা, মন্ত্ৰী, শ্ৰমিক কল্যাণ ইত্যাদি বিভাগ ঃ** মই প্ৰস্তাৱ উত্থাপন কৰো যে, 'The Assam shops and establishment (Amendment) Bill, 2025 খন পাৰিতকৰণৰ বাবে লোৱা হওক ।

মাননীয় উপাধ্যক্ষ ঃ প্ৰশ্নটো হ'ল যে , প্ৰস্তাৱটো পাৰিত কৰা হওক ।"যিসকল সপক্ষে আছে, " তেখেতসকলে কওক 'হয়', যিসকল বিপক্ষে আছে, 'তেখেতসকলে কওক ' নহয় ', মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল আৰু বিধেয়কখন পাৰিত কৰা হ'ল । সদন কাইলৈ অৰ্থাৎ- ২৮-১১-২০২৫ তাৰিখে পুৱা ৯.৩০ বজালৈ স্থগিত ৰখা হ'ল।

( ইং ২৭-১১-২০২৫ তাৰিখৰ সদনৰ কাৰ্য্যবিৱৰণী- বিয়লি ৬.৩৫ বজাত সমাপ্ত হয় )